# সূত্ৰধাৰ

১-১৫ ডিচেম্বৰ, ১৯৯২ ▫ সাত টকা

জেনেৰেশ্যন গেপ ঃ সাম্প্ৰতিক কালৰ এক ভয়াবহ সঙ্কট

মহম্মদ আৰু ইছলাম ঃ অহিংস সত্যাগ্ৰহীৰ ৰাজ্য বিস্তাৰ

## চৰাইৰ ব্যৱসায়



# সূত্ৰধাৰ

চতুৰ্থ বছৰ, একবিংশ সংখ্যা
১-১৫ ডিচেম্বৰ, ১৯৯২
Vol. IV, No. 21
1-15 December, 1992.

## বিষয়-সূচী

প্ৰচ্ছদ নিবন্ধ
চৰাইৰ ব্যৱসায় ❑ ডিম্বেশ্বৰ চলিহা ১২

চিন্তা
জেনেৰেশ্যন গেপ – সাম্প্ৰতিক কালৰ এক ভয়াবহ সংকট ❑ ডালিমী চলিহা ৫

বিতৰ্ক
জ্যোতিষ বিশ্বাসৰ মহা ফাঁকি ❑ দেৱকান্ত সন্দিকৈ ৬০

বিশ্বসাহিত্য
ৰাতিৰ প্ৰতি ❑ মূল ঃ ছালভাতোৰে কোৱাছিমদো, অনুবাদ ঃ বীৰেশ্বৰ বৰুৱা ৩৮

ভ্ৰমণ
পাতি পইছা, ডবল পইছা ❑ ডাঃ মুক্তি প্ৰসাদ গঁগৈ ১৯

মাধুকৰী
পতি-পত্নী সংবাদ ❑ মুখলেছুৰ ৰহমান ৩৭

প্ৰতিবেদন
শিক্ষানুষ্ঠানত লেতেৰা ৰাজনীতিৰ প্ৰবেশ মুখ্যমন্ত্ৰীয়ে ঘটাইছে ❑ অৰিন্দম শইকীয়া ৫৬

টোকা
মীৰা নায়াৰ ঃ চলচ্চিত্ৰ আৰু কীৰ্তি ❑ ডাঃ ৰণেন পাঠক ৩২

ৰাজনীতি
বোমা-বিস্ফোৰণ কাৰ স্বাৰ্থত ❑ হিতেন মহন্ত ৫৫

শিল্প-সংস্কৃতি
মাণিকবাবু সত্যজিৎ ৰায় ❑ আবু নাছাৰ ছাঈদ আহমদ ৩৯

দৃষ্টিকোণ
কিছু সমজুৱা কিছু ব্যক্তিগত ❑ কানাই গঁগৈ ২৫

ধাৰাবাহিক উপন্যাস ২৮
গল্প ৩৪
সম্পাদকৰ টোকাবহী
গ্ৰন্থজগত ৫৩
তিতা কেঁহা ২৭
বাটে ঘাটে ৫২

ব্যক্তি ঘটনা আৰু
এ, এইফালে কোন গ'ল বুকুৰেনো ধন গ'ল ❑ মনোৰমা বৰুৱা ২৩

স্মৃতিচাৰণ
অসমত কুৰিটা বছৰ ❑ নিৰ্মল খৰ্কৱাল ৪২

সাংস্কৃতিকী
গুৱাহাটী দূৰদৰ্শন ❑ সঞ্জয় বৰুৱা ৪৪

চিনেমা
ৰুচিসন্মত অসমীয়া চলচ্চিত্ৰ ঃ নিমাৰ্ণ আৰু পৰিবেশ ❑ জাহ্নু বৰুৱা ৪৬

শ্ৰদ্ধাঞ্জলি
সংগীত সুধাকৰ বীৰেন্দ্ৰ ফুকনলৈ শ্ৰদ্ধাঞ্জলি ❑ হেম বুঢ়াগোহাঞি ৪৯
গীতিকাৰ, সুৰকাৰ, কণ্ঠশিল্পী সত্য বৰুৱা ❑ মালবিকা পাঠক ৫১

প্ৰতিবেদন
পূৰ্বোত্তৰ ৰাজ্যসমূহত সন্ত্ৰাসবাদৰ ন-ৰূপ ❑ পবিত্ৰ কুমাৰ ডেকা ৫৯

বিশেষ নিবন্ধ
মহম্মদ আৰু ইছলাম ঃ অহিংস সত্যাগ্ৰহীৰ ৰাজ্য বিস্তাৰ ❑ মছউদুল হক ৭

প্ৰতিবেদন
কটন কলেজ ছাত্ৰ সংস্থাৰ নিৰ্বাচন ❑ স্বপ্না বেজবৰুৱা ১৫

বেটুপাতৰ ফটো ঃ প্ৰসেনজিৎ দুৱৰা

সম্পাদক (অবৈতনিক)
হোমেন বৰগোহাঞি
সম্পাদনা সহকাৰী
মালবিকা পাঠক
কলা নিৰ্দেশক
চম্পক বৰবৰা
কাৰ্যাধ্যক্ষ
অনিল কুমাৰ গঁগৈ
অংগ সজ্জা
মোহন নাথ

**Delhi Office :**
PURAVI PRAKASHON Pvt. Ltd.,
1/26 A LALITA PARK, LAXMINAGAR
Vikas Marg New Delhi-110092
Telephone : 225767

পূৰবী প্ৰকাশন প্ৰাইভেট লিমিটেডৰ হৈ অনিল কুমাৰ গঁগৈৰ দ্বাৰা ইষ্টাৰ্ণ প্ৰেছ এণ্ড পাব্লিকেশ্যনচ প্ৰাঃ লিঃ-ত মুদ্ৰিত আৰু মনজেৰা হাউচ, মতিলাল নেহৰু ৰোড, পানবজাৰ, গুৱাহাটী –১-ৰ পৰা প্ৰকাশিত ঃ ▫ ফোন ঃ ৪৪৮৫৪, ৩৩৬১৮, ৪৬৫৯৮

# সূত্ৰধাৰৰ দুটা বিশেষ সংখ্যা

□ ১৯৯৩ চনৰ পহিলা জানুৱাৰীৰ **সূত্ৰধাৰ**
চতুৰ্থ প্ৰতিষ্ঠা বাৰ্ষিকী সংখ্যা হিচাপে প্ৰকাশ পাব

□১৯৯৩ চনৰ পহিলা ফেব্ৰুৱাৰীৰ **সূত্ৰধাৰ** সেইমতে বহিবলগীয়া অসম সাহিত্য-সভাৰ অধিবেশন উপলক্ষে বিশেষ সাহিত্য সভা সংখ্যা হিচাপে প্ৰকাশ পাব।

*এই দুয়োটা বিশেষ সংখ্যাৰ বিস্তৃত বিষয়-সূচী তলত প্ৰকাশ কৰা হ'ল*

## প্ৰবন্ধ

ইউজেন ইউনেস্ক'ৰ নাটক/ অজিৎ বৰুৱা
উপন্যাস লেখাৰ অভিজ্ঞতা/ চন্দ্ৰপ্ৰসাদ শইকীয়া
অসমীয়া উপন্যাসত জনকৃষ্টিৰ উপাদান/ বীৰেন্দ্ৰনাথ দত্ত
অসমীয়া চিত্ৰশিল্পী আৰু ভাস্কৰসকল/ নীলমণি ফুকন
মই মোৰ লেখাৰ বিষয়ে কি ভাবো/ শীল ভদ্ৰ
অসমত সংগীতৰ ভৱিষত/তফজ্জুল আলি
অসমত নৃত্যৰ ভৱিষ্যত/ প্ৰদীপ চলিহা
মোৰ লেখা আৰু মই/ মামনি ৰয়চম গোস্বামী
প্ৰাচ্যৰ দৃষ্টিত অসমীয়া উপন্যাসৰ চিন্তা/ ড° গোবিন্দ প্ৰসাদ শৰ্মা
চল্লিচ বছৰৰ অসমীয়া গল্প/ ড° পূৰ্ণানন্দ শইকীয়া
আধুনিক অসমীয়া কবিতা/ ৰঞ্জিত দেৱ গোস্বামী
পঞ্চাশৰ দশকৰ পৰা সাম্প্ৰতিক কাললৈ অসমীয়া নাটকৰ অভিনয়/ ড° অমৰজ্যোতি চৌধুৰী
পৰম্পৰাৰ ৰ'দ কাঁচিয়লিত অসমৰ নাটঘৰৰ ইতিহাস/ উত্তম বৰুৱা
স্বাধীনোত্তৰ যুগৰ অসমীয়া কবিতা/ প্ৰদীপ আচাৰ্য্য
মোৰ লেখাৰ বিষয়ে মই যি ভাবো/ উমা শৰ্মা
অসমীয়া চিন্তামূলক গদ্য/ হীৰেন্দ্ৰ নাথ দত্ত
অসমীয়া লেখিকাৰ সমস্যা/ প্ৰীতি বৰুৱা
অসমীয়া বামপন্থী সাহিত্য আৰু তাৰ মূল্যায়ন/ধনী বৰা

বিদায় ১৯৯২ ঃ স্বাগতম ১৯৯৩/ মুনীন বায়ন
মোৰ অভিজ্ঞতা আৰু কবিতাৰ সম্পৰ্ক/ সমীৰ তাঁতি
অসমত চিত্ৰকলা আৰু ভাস্কৰ্যৰ ভবিষ্যত/ সমিৰণ বৰুৱা
সাহিত্যৰ ভবিষ্যত/মদন শৰ্মা
গ্ৰফিকচ্/ বেণু মিশ্ৰ
অসমীয়া চুটি গল্প/ উপেন শৰ্মা
নাটকৰ ভৱিষত/ নয়ন প্ৰসাদ
চিনেমাত দাৰ্শনিক চিন্তা/চন্দন শৰ্মা
অসমীয়া মঞ্চত নাটকৰ ভবিষ্যত/ অৰূপ চক্ৰবৰ্তী
ভাৰতীয় প্ৰাদেশিক কবিতাৰ দৃষ্টিত অসমীয়া কবিতা/ ড° কিশোৰ ভট্টাচাৰ্য্য
অসমীয়া সাহিত্যত দাৰ্শনিক চিন্তা/ প্ৰদীপ খাটনিয়াৰ
অসমত চিনেমাৰ ভৱিষ্যৎ/ দিলীপ শৰ্মা
অসমীয়া চিনেমা/ পংকজ বৰুৱা
চিনেমাত দৰ্শনৰ প্ৰভাৱ/ উৎপল দত্ত
কাগজ/ কলম/ ভূপেন্দ্ৰ নাৰায়ণ ভট্টাচাৰ্য্য
ইতিহাস আৰু সমন্বয় প্ৰক্ৰিয়া /নলিনীধৰ ভট্টাচাৰ্য
লেটিন-আমেৰিকাৰ চুটি গল্প /পংকজ ঠাকুৰ
অসমৰ জনজাতীয় সমস্যা–ড° শিৱনাথ বৰ্মন
শিৱসাগৰ সাহিত্য সভা; এক বিগত স্মৃতি– ড° সুনীল দত্ত

## কবিতা

নৰকান্ত বৰুৱা
হীৰেন ভট্টাচাৰ্য
সনন্ত তাঁতি

## বিদেশী সাহিত্যৰ অনুবাদ

আলিবাটৰ কবিসকল/ মূল ঃ অক্টাভিও পাঁজ □ অনুবাদ ঃ সুৰেশ শৰ্মা
সৃজনশীলতা নে ব্যৱসায়/ মূল ঃ হেনৰিক্ বেইন □ অনুবাদ ঃ দিলীপ কুমাৰ দত্ত
বিদেশী গল্প/ অনুবাদ ঃ আবুল লেইচ



# জেনেৰেশ্যন গেপ ঃ সাম্প্ৰতিক কালৰ এক ভয়াবহ সংকট

ডালিমী চলিহা

আজিকালি বাতৰি কাগজবোৰত সঘনাই প্ৰকাশ পোৱা এবিধ খবৰ হ'ল– অমুক কলেজত নকল কৰা পৰীক্ষাৰ্থীৰ দ্বাৰা নিৰীক্ষক প্ৰহৃত, তমুক শিক্ষানুষ্ঠানৰ অধ্যক্ষ ঘেৰাও, অমুক বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসৰ আবাসী ছাত্ৰৰ হাতত অধীক্ষক অপদস্থ, অমুকত ছাত্ৰ-সন্ত্ৰাস, তমুকত শ্ৰেণী বৰ্জন – ইত্যাদি ইত্যাদি। এইবোৰ খবৰত চকু পৰিলেই মোৰ সৰু কালৰ ঘটনা এটালৈ প্ৰায়ে মনত পৰে। আমি তেতিয়া নৱমমান শ্ৰেণীত পঢ়ি আছিলো। এদিনাখন আমাৰ লগৰে এজন ছাত্ৰই শিক্ষক এজনক মুখে মুখে জবাব দিয়াত শিক্ষকজনে ল'ৰাজনক এটা কাণতলীয়া চৰ মাৰিলে। ল'ৰাজনৰ গালখন ফুলি উঠিল। আমি ঠিক কৰিলো, আমি ইয়াৰ প্ৰতিবাদ কৰিম। পিছদিনা শ্ৰেণীত হাজিৰা লোৱাৰ পিছতে শ্ৰেণীটোৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী বৰ্জন কৰি আমাৰ প্ৰতিবাদ সাব্যস্ত কৰিম। পিছদিনা দহ বজাত স্কুলৰ এচিষ্টেণ্ট হেড্ মাষ্টৰ (আমাৰ ক্লাছমাষ্টৰ) শ্ৰেণীলৈ আহি হাজিৰা ললে। লগে লগে শ্ৰেণীত এটা মৃদু গুণগুণনি আৰম্ভ হ'ল। আগ বেঞ্চৰ পৰা শ্ৰেণীৰ কেপ্তেইন আৰু আন তিনিজন ছাত্ৰ ওলাই গ'ল। আমি বাকীবোৰ ছাত্ৰ-ছাত্ৰীয়ে কিংকৰ্ত্তব্য - বিমূঢ় হৈ চাই থাকোতেই ক্লাছ মাষ্টৰে ক'লে– "তহঁত ওলাই গলে যা কিন্তু তহঁতৰ ওপৰত অনুশাসনমূলক ব্যৱস্থা লোৱা হ'ব।" আমাৰ ওলাই যাবলৈ সাহ নহ'ল, বহি থাকিলো। কেৱল বহি থকাই নহয়, উক্ত শিক্ষক জনৰ ক্লাছো নিয়মিতভাৱেই কৰিলো। ওলাই যোৱা চাৰিজন ছাত্ৰই প্ৰধান শিক্ষকৰ ওচৰত ক্ষমা খুজিব লগা হ'ল (ওপৰত উল্লেখ কৰা শিক্ষক আৰু ছাত্ৰজন এতিয়া য'তেই আছে উভয়ৰে ওচৰত ক্ষমা প্ৰাৰ্থনাৰে ঘটনাটো উল্লেখ কৰিলো)। এতিয়া আমি যদি সাম্প্ৰতিক কালৰ ছাত্ৰসমাজৰ ওপৰোক্ত কাৰ্যবোৰ 'উদ্ভওালি' বুলি কওঁ, তেওঁলোকে আমাৰ উক্ত কাৰ্যটোক 'কাপুৰুষালি' বুলি কব। ইয়াকে বোলে জেনেৰেশ্যন গেপ,– প্ৰজন্ম ব্যৱধান বা প্ৰজন্ম-সংঘাত। পিতা-পুত্ৰ, শিক্ষক-ছাত্ৰ, পুৰণি প্ৰজন্ম আৰু নতুন প্ৰজন্মৰ মাজত আদৰ্শৰ সংঘাত চিন্তা-চৰ্চাৰ সংঘাত, মূল্যবোধৰ সংঘাত– মুঠতে এক সৰ্বাত্মক সংঘাত।

জেনেৰেশ্যন-গেপ শব্দটো শুনিবলৈ নতুন যেন লাগিলেও সমস্যাটো নিশ্চয় আগতেও আছিল। নহলেনো আজি প্ৰায় তিনিশ বছৰৰ আগতেই আলেকজেণ্ডাৰ পোপে তেওঁৰ 'Essay on Criticism' অত কিয় আক্ষেপ কৰি কৈছিল –

"We think our fathers fool, so wise we grow
Our wiser sons, no doubt, will think us so."

সমস্যাটো আগৰে পৰাই থাকিলেও ৰৰ্তমান সময়ত ই যে এক সৰ্বাত্মিক ৰূপ ধাৰণ কৰিছে এই কথা কোনো চিন্তাশীল ব্যক্তিয়ে নুই কৰিব নোৱাৰে। ন-পুৰণি প্ৰজন্মৰ মাজৰ এই ফাঁটটো আজি প্ৰায় দুই দশক মানৰ ভিতৰতে সৰ্বগ্ৰাসী গড়াখহনীয়াই এনেকৈ বহলাই পেলালে যে কোনো কলা কুশলী ইঞ্জিনীয়াৰে স্পাৰ বান্ধি ইয়াক ৰোধ কৰিব নোৱাৰে বা দুয়োটা পাৰ লগ লগাই এখন দলং নিৰ্মাণ কৰিবও নোৱাৰে। এই কাম কৰিব লাগিব সংশ্লিষ্ট দুয়ো পক্ষই পাৰস্পৰিক বুজাপৰা, এৰাধৰা বা 'এডজাষ্টমেণ্ট'ৰ সহায়েৰে। কিন্তু এই এৰাধৰা, বুজাপৰা আদি শব্দবোৰ শুনিবলৈ যিমান শুৱলা প্ৰয়োগৰ ক্ষেত্ৰত সিমান জটিল। এৰাধৰা যেনিবা কৰাই হ'ল কোনখিনিলৈকে এৰিব আৰু কোনখিনিত ধৰিব। দুয়োপক্ষই 'ফিফ্টি-ফিফ্টি'। দুয়োপক্ষ ৰাজি হ'ব জানো? উদাহৰণ এটা লোৱা যাওক। ল'ৰাহঁতে যেনিবা ক'লে পঢ়া-শুনা হোৱা নাই, পৰীক্ষা পিছুৱাব লাগে, গ্ৰেছমাৰ্ক দিব লাগে, দুই-তিনিটা বিষয়ত 'বেক্' দিবলৈ দিব লাগে। এইখিনিলৈকে বাৰু এৰা হ'ল। তেতিয়াও যদি কয়, নকল কৰিবলৈ দিব লাগিব, নকল ধৰিবলৈ অহাজনৰ মূৰ ভাঙি দিম, নহলে আত্মহত্যা কৰিম। তেতিয়া উপায়? ইয়াৰ উপায় উদ্ভাৱন কৰিব লাগিব নতুন পুৰুষে। আনহাতে, বৰ্তমান যুগৰ দ্ৰোণাচাৰ্য সকলেও নতুন প্ৰজন্মৰ পৰা একলব্যৰ গুৰুভক্তি আশা কৰাটো ভুল। নতুন পুৰুষৰ সংস্কাৰমুক্ত, যুক্তিবাদী মনত গুৰুকূলৰ সামান্য ত্ৰুটি বিচ্যুতিয়েও বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি নকৰাকৈ নাথাকে। সাম্প্ৰতিক কালত শিক্ষা দিয়া লোৱাটো এটা আন্তৰিকতাশূন্য বেচা-কিনা ব্যৱসায়লৈ ৰূপান্তৰিত হৈছে। এই ব্যৱস্থাত গুৰু-শিষ্যৰ মাজত অন্তৰংগ সম্পৰ্ক স্থাপনৰ অৱকাশ নাই! আৰু অন্তৰংগতাৰ অবিহনে গুৰু-শিষ্যৰ মধুৰ সম্পৰ্ক আশা কৰা নাযায়।

আমাৰ সাংস্কৃতিক জীৱনতো প্ৰজন্ম-ব্যৱধানৰ সমস্যাই এক জটিল ৰূপ ধাৰণ কৰিছে। সংস্কৃতি বুলিলে এখন সমাজত প্ৰচলিত তথা অনুমোদিত সাজ-পোছাক, কথা-বতৰা, আচৰণ-বিধি, নৃত্য-গীত, কলা-কৃষ্টি এই আটাইবোৰকে বুজায়। এইবোৰ বিষয়ত নতুন প্ৰজন্মই প্ৰাচীন ঐতিহ্য পৰম্পৰা মানি চলিবলৈ মুঠেই আগ্ৰহী নোহোৱাৰ ফলতেই আমাৰ সাংস্কৃতিক জীৱনত ন-পুৰণিৰ মাজত সংঘাত আহি পৰিছে। অৱশ্যে সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ সাজ-পোছাক, দাড়ি-চুলিৰ ফেশ্যন আৰু সংস্কৃতিৰ অন্যান্য দিশতো কিছু পৰিৱৰ্তন আহিবই। ইয়াক গ্ৰহণ কৰিবলৈ পুৰণি চামৰো এটা মুকলি মন থকা দৰকাৰ। সেইবুলি, পৰিৱৰ্তনৰ নামত ৰুচি বিবৰ্জিত কিম্ভূত-কিমাকাৰ ফটুৱা পোছাক পৰিধান, কথাই-বতৰাই মাতৃ-ভাষাৰ বিকৃত ব্যৱহাৰ, সংস্কৃতিৰ নামত অপসংস্কৃতিৰ চৰ্চা, আধুনিকতাৰ নামত পশ্চিমীয়া আদৰ্শৰ অন্ধ অনুকৰণ, সমাজ সংস্কাৰৰ নামত চুৰি-ডকাইতি লুণ্ঠন-হত্যা-সন্ত্ৰাস উশৃঙ্খলতাৰ প্ৰতি পুৰণি পুৰুষে কেতিয়াও সমৰ্থন আগবঢ়াব নোৱাৰে। এইবোৰৰ শুধৰণি যিকোনো মূল্যৰ বিনিময়তেই নহওক কিয়, নতুন পুৰুষে কৰিবই লাগিব।

চীন দেশৰ শিক্ষানুষ্ঠান সমূহত শিক্ষা লাভ কৰি থকা ছাত্ৰ-ছাত্ৰীৰ মাজত সকলো ধৰণৰ প্ৰেম-প্ৰীতিৰ বিনিময়,– প্ৰেমালাপ, প্ৰেম-পত্ৰৰ আদান-প্ৰদান আদি নিষিদ্ধ বুলি অলপতে জাননী জাৰি কৰিছে। তেওঁলোকৰ যুক্তি হ'ল, এনেবোৰ কাৰ্যই দেশৰ উঠি অহা চামৰ বৌদ্ধিক বিকাশত বাধাৰ সৃষ্টি কৰে। আমাৰ দেশতো নতুন চামৰ মাজত পশ্চিমীয়া আদৰ্শৰে অবাধ মিলা-মিছা ক্ৰমাৎ বৃদ্ধি পাই অহা ঘটনাই পুৰণি চামৰ মনত উদ্বেগৰ সৃষ্টি নকৰাকৈ থকা নাই। বৰ্তমান সহশিক্ষাৰ যুগত ভাৰতীয় পৰম্পৰা অনুসৰি কঠোৰ ব্ৰহ্মচৰ্যাশ্ৰম পালন কৰাটো অৱশ্যে সম্ভৱ নহয়। তথাপিও কম বয়সীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত অবাধ মিলা-মিছাৰ ফলত বৌদ্ধিক বিকাশ বাধাগ্ৰস্ত হোৱাৰ উপৰিও যৌন অপৰাধ সংঘটিত হোৱাৰো আশংকা থাকে। উইল্ ডুৰাণ্টে তেওঁৰ শিক্ষান্ত ভাষণ



OKDISCD

এটাত নতুন পুৰুষলৈ আগবঢ়োৱা বহুতো উপদেশৰ মাজত এষাৰ কথা কৈছিল- "After hunger, sex is our strongest instinct and greatest problem." ছিগমণ্ড ফ্ৰয়েডৰ মতে আকৌ যৌন প্ৰবৃত্তি ক্ষুধা প্ৰবৃত্তিতকৈও বেছি শক্তিশালী। তেওঁ যৌন প্ৰবৃত্তিক 'Master instinct' বুলি অভিহিত কৰি গৈছে। তেওঁ অৱশ্যে লগতে ইয়াকো কৈছে যে চাব্‌লিমেশ্যন্ (Sublimation) অৰ্থাৎ 'প্ৰবৃত্তিৰ উন্নীতকৰণ'পদ্ধতিৰে এই যৌন-প্ৰবৃত্তিক নানা গঠনমূলক কামত ব্যৱহাৰ কৰিব পাৰি। সাধাৰণতে খেলা-ধূলা, সাহিত্য-সংস্কৃতি বা চিত্ৰ-কলা-সংগীতৰ প্ৰতি অনুৰাগী যুৱক-যুৱতীৰ দ্বাৰা যৌন অপৰাধ সংঘটিত হোৱাৰ আশংকা কম। এওঁলোকৰ ক্ষেত্ৰত এই প্ৰবৃত্তি নিজৰ নিজৰ 'হবি'ৰ প্ৰতি ঢাল খায়। মনীষী সকলৰ এনেবোৰ উপদেশলৈও নতুন পুৰুষে মন-কাণ দিয়া উচিত।

সাধাৰণতে প্ৰগতিশীল (progressive) পৰিয়ালতকৈ ৰক্ষণশীল (conservative) পৰিয়ালবোৰত এই প্ৰজন্ম-ব্যৱধানৰ সমস্যাই বেছিকৈ গা-কৰি উঠিছে। এইবোৰ পৰিয়ালত পুৰণি চামে প্ৰাচীন ঐতিহ্য পৰম্পৰাৰ প্ৰতি নষ্টালজিয়াত ভুগিছে। আনহাতে নতুন চাম পৰিবৰ্তনত বিশ্বাসী। তাৰ ফলত বৃদ্ধি পাই আহিছে পাৰস্পৰিক তিক্ততা, অসহিষ্ণুতা আৰু সৃষ্টি হৈছে প্ৰজন্ম সংঘাত। সেইদৰেই চহৰ অঞ্চলতকৈ গাওঁ অঞ্চলবোৰত এই সমস্যাই অধিক জটিল ৰূপ ধাৰণ কৰিছে। এইবোৰ ঠাইত পুৰণি চামে ভাগ্যক থিয়াই হাড়ক মাটি তেজক পানী কৰি কৃষি কৰ্ম বা অন্য শাৰীৰিক পৰিশ্ৰমৰ দ্বাৰা জীৱিকা উলিয়াইছে। আনহাতে, নতুন চামে কম আয়াসতে সহজলভ্য ধন আৰ্জনৰ হাজাৰ দৃষ্টান্ত চকুৰ আগতে দেখি মনে মনে বিদ্ৰোহী হৈ উঠিছে- বিপথগামী নহলেও পথভ্ৰান্ত হৈছে- কৰ্ম-বিমুখ হৈছে। এইচাম যুৱকক একপক্ষীয়ভাৱে দোষাৰোপ কৰাৰ নৈতিক অধিকাৰ জানো আমাৰ আছে? এঁকৈশ শতিকাত পেলাবলৈ ভৰি দাঙি থকা এইচাম যুৱকে সাতামপুৰুষীয়া কেঁকোৰা নাঙলটো, ভলুকা বাঁহৰ মৈখন, লেৰেলা-চেপেতা গৰু এহাল আৰু কেইচুবামান গোবৰেৰেই খেতিৰ পথাৰত নামিব বুলি আশা কাৰটো পুৰণি প্ৰজন্মৰ দুৰাশা নহয় জানো? প্ৰতি বছৰে কেইজনমান কৃষি-বিশাৰদ সৃষ্টি কৰিলেই বা কেইজনমান কৃষি-বিজ্ঞানীক বৃত্তি দি বিদেশত কৃষি পদ্ধতি অধ্যয়ন কৰিবলৈ পঠালেই সমস্যাৰ সমাধান নহয়। আনহাতে সকলো ধৰণৰ চৰকাৰী সুবিধা লাভ কৰা কেইজনমান বৰ খেতিয়কক "কৃষি পণ্ডিত" খিতাপ যাচিও এই সমস্যা সমাধান কৰিব পৰা নাযায়। ক্ষুদ্ৰ উপান্ত খেতিয়ক পৰিয়ালৰ যুৱক সকলক সংগঠিত কৰি কৃষি-পাম মীন-পাম, পশুপালন আদিৰ কৰ্মশালা আয়োজন কৰি এই সকল যুৱকক কৰ্মমুখী কৰাৰ আঁচনি খৰতকীয়াকৈ নললে পৰিস্থিতিয়ে আৰু জটিল ৰূপ ধাৰণ কৰাৰ সম্ভাৱনা। কাৰণ নতুন প্ৰজন্মই ইতিমধ্যেই দেশৰ শিক্ষা-নীতি, নিয়োগ-নীতি আৰু নেতৃস্থানীয় সকলৰ আশ্বাসৰ ওপৰত আস্থা হেৰুৱাই পেলাইছে। তেওঁলোকৰ মনলৈ আস্থাৰ ভাব ঘূৰাই অনাটোৱেই হৰ বৰ্তমান সময়ত কৰিবলগীয়া আটাইতকৈ প্ৰয়োজনীয় কাম। শিক্ষাবিদ, বুদ্ধিজীৱী আৰু দেশৰ কৰ্ণধাৰ সকলে এই বিষয়ে গভীৰ ভাৱে চিন্তা-চৰ্চা কৰাৰ অন্তিম সময় সমাগত।

পৰিৱৰ্তন অৱশ্যম্ভাৱী; ইয়াক কোনেও বাধা দি ৰাখিব নোৱাৰে। ফৰাচী দাৰ্শনিক বাৰ্গছোঁৰ (Bergson) মতে বিশ্বব্ৰহ্মাণ্ডৰ মূল সত্ত্বাটোৱেই হৈছে 'ইলান্ ভাইটেল' (Elan vital)— এক গতিশীল প্ৰাণ-প্ৰবাহ। কিন্তু এই গতিত এটা নিৰ্দিষ্ট ছন্দ আছে। পুৰণি চামে এই ছন্দবদ্ধ গতিত বাধা আৰোপ কৰিব খুজিলে নাইবা নতুন চামে আবেগিক হৈ হুৰামূৰাকৈ পৰিবৰ্তন আনিবলৈ বিচাৰিলেই ছন্দপতন ঘটে- পৰিৱৰ্তনৰ স্বাভাৱিক গতিত যতি পৰে। "Missing link" হয়। তাৰ ফল স্বৰূপেই সৃষ্টি হয় জেনেৰেশ্যন-গেপ্'-প্ৰজন্ম-ব্যৱধান তথা প্ৰজন্ম সংঘাত। এই প্ৰজন্ম সংঘাত এৰাই চলিবলৈ হ'লে পুৰণি চামেও অতিৰক্ষণশীল মনোভাৱ পৰিহাৰ কৰি স্বাভাৱিক গতিৰ লগত খোজ মিলাই লব লাগিব আৰু নতুন-পুৰুষেও গুৰু গোসাই-নমনা মাতব্বৰী স্বভাৱ পৰিত্যাগ কৰি বয়স আৰু অভিজ্ঞতাক শ্ৰদ্ধা কৰিবলৈ শিকিব লাগিব। সেয়ে নহলে নতুন প্ৰজন্মই পুৰণি ঐতিহ্য-পৰম্পৰা বলপূৰ্বক ভাৱে ধ্বংস কৰি নতুন পথেৰে আগবাঢ়িব আৰু পুৰণি চামৰ অৱস্থা সুসাহিত্যিক শ্ৰদ্ধেয় হোমেন বৰগোহাঞিদেৱে তেখেতৰ 'হাতী' গল্পত উল্লেখ কৰাৰ দৰে "নতুনৰ শোভাযাত্ৰাত ঠাই নোপোৱা, প্ৰাচীন হৈ যাব ধৰা পৃথিৱীৰ দুটা অথৰ্ব প্ৰতিনিধি" বলোৰাম বুঢ়া আৰু বাপধন নামৰ হাতীটোৰ দৰেই হ'ব। এই অৱস্থা নিশ্চয় কোনো পক্ষৰেই কাম্য নহয়। ❖


পূৰবী প্ৰকাশনৰ পৰা

অসমৰ সংবাদ জগতত সংযোজন নতুন আৰু বৰ্ণাঢ্য সাপ্তাহিক

জনক্ৰান্তি

প্ৰতি দেওবাৰে

সকলো ধৰণৰ প্ৰবন্ধ-পাতি পঠোৱাৰ ঠিকনা-
সম্পাদক,
জনক্ৰান্তি
মনজেৰা হাউচ, মতিলাল নেহৰু পথ
পানবজাৰ, গুৱাহাটী-১

(এজেন্সিৰ বাবে চাৰ্কুলেচন মেনেজাৰৰ লগত যোগাযোগ কৰক)






# মহম্মদ আৰু ইছলাম ঃ

# অহিংস সত্যাগ্ৰহীৰ ৰাজ্য বিস্তাৰ

মছউদুল হক

ইছলাম ধৰ্মৰ প্ৰচাৰ সপ্তম শতিকাৰ আৰম্ভণিৰ ঘটনা। ধৰ্ম প্ৰচাৰ আৰু ৰাজ্য বিস্তাৰ আপাত দৃষ্টিত খাপ নোখোৱা কথা। ইছলাম ধৰ্মৰ প্ৰচাৰক হজৰত মহম্মদ কিন্তু ৰজা হৈছিল। ইছলাম শব্দৰ অৰ্থ শান্তি। অথচ হজৰত মহম্মদে যুদ্ধ কৰিছিল। ২৭ খন যুদ্ধত নিজে সেনাপতি হৈছিল; তাৰে ৯ খন জীৱন পণ যুঁজ। আন সেনাপতিৰ যোগে অভিযান চলাইছিল ৩৮টা। মহম্মদৰ বাহিৰে আন কোনো ধৰ্ম প্ৰচাৰকে ৰাজ্য বিস্তাৰ কৰা, যুদ্ধত সেনাপতিত্ব কৰাৰ উদাহৰণ নাই। অহিংসা আৰু শান্তিৰ প্ৰবক্তা ধৰ্ম প্ৰচাৰকজন আৰবৰ একচ্ছত্ৰী ৰজা হোৱাৰ পিছত কাম কৰা ঐতিহাসিক প্ৰক্ৰিয়াটো মন কৰিব লগীয়া। পটভূমিতো পৰিষ্কাৰ নহলে যুক্তিবাদী লেখকেও ইছলাম ধৰ্মৰ ভালেমান কথা বুজা টান হয়। ফলত লেখাই ভুল পথ লয়। সাম্প্ৰদায়িক চিন্তাৰে ইতিকিং কৰিবলৈ অপ্ৰাসংগিকভাৱে ইছলামী শাস্ত্ৰৰ উদ্ধৃতি দিয়া সকলৰ কথা নোকোৱাই ভাল। ইফালে মোল্লা লেখকে মধ্যযুগীয় মানদণ্ডেৰে বিচাৰ কৰাৰ ফলত কথাবোৰ পৰিষ্কাৰ হোৱাৰ ঠাইত খেলি-মেলি বেছিকৈহে লাগে। তেওঁলোকৰ বক্তব্যত মাত্ৰ এটা কথাহে পৰিষ্কাৰ হয় - সেইটো হ'ল ধৰ্ম বিষয়ত তেওঁলোকৰ বাহিৰে আনৰ মাত মতাৰ অধিকাৰ নাই। যুক্তিবাদীৰ সুবিধাৰ বাবে মহম্মদৰ জীৱন আৰু সমসাময়িক পৰিস্থিতিৰ বিষয়ে এই সামান্য আলোচনাটি আগবঢ়ালো।

### কোৰেইশ আৰু কা'বা

বিশাল আৰব উপদ্বীপৰ দক্ষিণৰ মক্কা নগৰ আৰু তাৰ চাৰিওফালে থকা অসংখ্য ক্ষুদ্ৰ আৰব গোষ্ঠীবোৰৰ ভিতৰত কোৰেইশসকল সামাজিক আৰু অৰ্থনৈতিকভাৱে প্ৰতিষ্ঠিত আছিল। এই কোৰেইশ বংশৰে সন্তান হজৰত মহম্মদ। মক্কা নগৰৰ প্ৰতিষ্ঠাৰ বুৰঞ্জীৰ লগত জড়িত মহাপুৰুষ ইব্ৰাহিম আৰু ইছমাইলৰ বংশধৰ হিচাপে কোৰেইশসকল জনাজাত। ইব্ৰাহিম আৰু ইছমাইল ইহুদী আৰু খৃষ্টানসকলৰো সন্মানিত মহাপুৰুষ আৰু পূৰ্বপুৰুষ বুলি অভিহিত। ইব্ৰাহিমে প্ৰতিষ্ঠা কৰা উপাসনা গৃহ কা'বা ইহুদী, খৃষ্টান আৰু মুছলমানৰ উপৰিও আৰব দেশৰ সমস্ত অঘৰী বেদুইন ফৈদবোৰৰো পৱিত্ৰতম উপাসনা স্থল। উত্তৰাধিকাৰ সূত্ৰে কোৰেইশসকলৰ ওপৰতে অৰ্পিত হৈছিল তীৰ্থস্থান কা'বাৰ ৰক্ষণাবেক্ষণ আৰু পুৰোহিতালিৰ দায়িত্ব।

### আৰবৰ তিনিটা ধৰ্ম

স্মৰণ কৰা ভাল হ'ব যে আৰব ভূমিতে ইহুদী, খৃষ্টান আৰু ইছলাম ধৰ্মৰ উৎপত্তি। ইহুদী ধৰ্ম প্ৰাগৈতিহাসিক ধৰ্ম। সমাজতাত্বিক সকলৰ মতে বহু দেৱ-দেৱীৰ ঠাইত এক সৰ্বশক্তিমান আল্লা বা জেহোভাৰ ধাৰণা ইহুদী ধৰ্মতে প্ৰথম। ইহুদী মহাপুৰুষ মোজেছ (মুছা)ৰ নেতৃত্বত ফাৰাওৰ অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ ইহুদীসকলে লোহিত সাগৰ পাৰ হৈ পেলেষ্টাইনলৈ অহা কাহিনী ইহুদীৰ ট'ৰাছ, খৃষ্টানৰ বাইবেল আৰু মুছলমানৰ কোৰাণত একে ধৰণে বৰ্ণিত হৈছে। ইহুদী মহাপুৰুষ হাৰুণ (আঁৰণ), ডাউড-(ডেভিড), নুহ (নোৱা), চুলেমান (চল'মন) আদিৰ কাহিনী তিনিওখন গ্ৰন্থত সসন্মানে বৰ্ণিত হৈছে। ইব্ৰাহিম, ইছমাইল, ইছৰাইল, মুছা, নুহ, চুলেমান, ডাউড সকলোৱেই এক আল্লাৰ উপাসক হলেও ইহুদীসকল এক আল্লাৰ উপাসনাত সন্তুষ্ট থাকিব পৰা নাছিল। গৰুৰ পৰা শিললৈকে বহু ধৰণৰ পূজা ইহুদী ধৰ্মত সোমাই পৰিছিল। যীশুখৃষ্ট বা ইছাৰ জন্মও ইহুদীৰ মাজতে। ইছাই দিয়া পুনৰ্জন্ম (পুনৰুত্থান), শেষ বিচাৰ, স্বৰ্গ, নৰক আদিৰ ধাৰণাবোৰৰ ইছলাম ধৰ্মৰ একেবোৰ ধাৰণাৰ লগত যথেষ্ট মিল আছে। অৱশ্যে খৃষ্টান ধৰ্মত যীশুতকৈ চেণ্ট জন আৰু চেণ্ট পলৰ প্ৰভাৱহে বেছি। ইছলাম ধৰ্মত খৃষ্ট বা ইছা সন্মানিত মহাপুৰুষ।

### মহম্মদ আৰু ইছলাম

মাওৰা মহম্মদে বাল্যকালত ককাক আব্দুল মতলিব আৰু তেখেতৰ মৃত্যুৰ পাছত দদায়েক আবু তালিবৰ তত্বাবধানত ডাঙৰ হৈছিল। আব্দুল মতলিব আৰু আবু তালিব বংশ পৰম্পৰা মতে কা'বাৰ প্ৰধান পুৰোহিত আছিল। এই পদ সেই সময়ৰ গোটেই আৰব জগততে আটাইতকৈ সন্মানীয় আছিল। ভেৰা ৰখি, উট ৰখি, যুদ্ধ বিদ্যা শিকি, মাজে মাজে বেপাৰ-বাণিজ্যত সহায় কৰি মহম্মদৰ বাল্যকাল আৰু কৈশোৰ অতিবাহিত হৈছে। হিল্‌ফে ফুজুল নামৰ অনাথ আৰু বিধৱাৰ অধিকাৰ ৰক্ষাৰ্থে কাম কৰা এটা অনুষ্ঠানৰ কৰ্মী হিচাপেও মহম্মদক দেখা যায়। মক্কাত সেই সময়ত পূৰ্বপুৰুষ ইব্ৰাহিম আৰু ইছমাইলৰ এক আল্লাৰ আৰাধনাৰ প্ৰতি আগ্ৰহী, বহু দেৱ-দেৱীৰ পূজাৰ বিৰোধী চিন্তা প্ৰকাশ কৰা হুনাফা (একবচন হানিফ - অৰ্থ হ'ল সত্যৰ সন্ধানী) নামৰ এটা ক্ষুদ্ৰ চিন্তাশীল যুৱ দল থকাৰ কথাও জনা যায়। ডেকা মহম্মদ তেখেতসকলৰ দ্বাৰা প্ৰভাৱিত হোৱাৰো প্ৰচুৰ সম্ভাৱনা আছে। চফল ডেকা মহম্মদক আমি একাণপতীয়াকৈ লগা দেখো বাণিজ্যত। বাণিজ্য সূত্ৰে আৰবৰ ইঠাইৰ পৰা সিঠাইলৈ ভ্ৰমণকালত মহম্মদে বিভিন্ন ঠাইৰ ইহুদী, খৃষ্টান, জোৰোস্ত্ৰাৰ অনুগামী সকলৰ লগত ভাবৰ আদান-প্ৰদানৰো যথেষ্ট সুযোগ পাইছিল।

কেইবাটাও ধৰ্মীয় দৰ্শনৰ ব্যৱহাৰিক দিশ সম্পৰ্কে মহম্মদৰ প্ৰচুৰ অভিজ্ঞতা হৈছিল। মক্কা নগৰতো ইহুদী আৰু খৃষ্টান বসতি আছিল। মহম্মদৰ নিজৰ কোৰেইশ বংশ আৰু আন আৰব ফৈদ তথা বেদুইনবোৰ আল্লাৰ উপৰিও প্ৰকৃতি আৰু অসংখ্য দেৱীৰ পূজাৰী আছিল। আৰবসকলে দেৱীসকলক বুলিছিল বেনাত আল্লাহ (আল্লাৰ জীয়েক)। ইব্ৰাহিমে সজা আল্লাৰ ঘৰ কা'বাত ইটো সিটোকৈ বিভিন্ন ফৈদে গোটোৱা মূৰ্তিৰ সংখ্যা মহম্মদৰ দিনত ৩৬০ পাৰ হৈছিল। খৃষ্টানে কা'বাৰ বেৰত আঁৰিছিল মেৰী, যীশু আৰু আন ভালেমান ছবি। ইহুদীয়ে গৰু, গছ আৰু চিত্ৰলিপিৰে কা'বাৰ বেৰ ভৰাই পেলাইছিল। ধৰ্মীয় দিশত ইমানবোৰ বিচিত্ৰ অভিজ্ঞতা লাভে ভৱিষ্যত জীৱনত সত্যৰ সন্ধানত মহম্মদক সহায় কৰিছিল বুলি ভাবিলে নিশ্চয় ভুল নহ'ব।

ব্যৱসায় সূত্ৰে পৰিচয় গভীৰ হোৱা মক্কাৰ বিখ্যাত ব্যৱসায়ী এজনৰ বিধৱা পত্নী খদিজাৰ লগত বিয়া হোৱাৰ ফলত মহম্মদৰ জীৱনলৈ স্থিৰতা আহিছিল। খদিজাৰ পৰিচৰ্যা আৰু অৰ্থনৈতিক নিৰাপত্তাই ধৰ্মীয় চিন্তাৰ বাবে আহৰি দিছিল। মহম্মদে প্ৰায়ে হিৰা পৰ্বতৰ গুহাত সময় কটাইছিল। তাতে ৰমজান মাহৰ শেষৰ ফালে (৬১০ খৃঃ) মহম্মদে পালে মুক্তিৰ সন্ধান। দেৱদূত জিব্ৰাইলে আল্লাৰ বাণী কঢ়িয়াই আনিলে আৰু ঘোষণা কৰিলে মহম্মদক আল্লাৰ প্ৰেৰিত মহাপুৰুষ বুলি। জিব্ৰাইলে আল্লাৰ বাণী কঢ়িওৱা ধাৰণাটো ইহুদী (ইহুদী ধৰ্মত সামান্য বেলেগ), খৃষ্টান আৰু ইছলাম তিনিওটা ধৰ্মতে আছে। আন ধৰ্মবোৰত থকা ভালেমান প্ৰশ্নাতীত বিশ্বাসৰ দৰে এই ক্ষেত্ৰতো প্ৰশ্নৰ অৱকাশ নাই। আল্লা



OKDISCD

আৰু তেওঁৰ প্ৰেৰিত মহাপুৰুষ (নবী)ৰ ওপৰত বিশ্বাস কৰা সকল মুমিন আৰু বিশ্বাস নকৰা সকল কাফিৰ ।

যি কি নহওক ইহুদী, খৃষ্টান আৰু ইছলামৰ ধৰ্মীয় বিশ্বাসৰ মাজত ভালেমান মিল আছে । ধৰ্ম কেইটাৰ চিন্তা আৰু ধাৰণাৰ আলোচনা ইয়াত আমি কৰিব খোজা নাই । কিন্তু এইটো ক'ব পাৰি যে ইহুদী আৰু খৃষ্টান ধৰ্মতকৈ বহুত পাছৰ হোৱা বাবে আৰু আৰব সকলৰ মাজত মহম্মদৰ সময়তো দুয়োটা ধৰ্মৰে ব্যাপক প্ৰচলন থকা বাবে ইছলাম ধৰ্মত বাকী দুইটা ধৰ্মৰে ভালেমান সমস্যা আঁতৰ হৈছে, ভালেমান জটিল প্ৰশ্নৰ সহজ সমাধান ওলাইছে ।

## মক্কাত ধৰ্ম প্ৰচাৰত মহম্মদৰ বিফলতা

মহম্মদৰ ধৰ্মত দীক্ষা লোৱা প্ৰথম মানুহ খদিজা । তাৰ পাছতে আবু তালিবৰ পুত্ৰ আলি আৰু গৃহ ভৃত্য (পাছত তোলনীয়া পুতেক) জায়েদ । প্ৰথম তিনি বছৰ মহম্মদৰ ধৰ্ম প্ৰচাৰ আৱদ্ধ আছিল বন্ধু-বান্ধৱ আৰু পৰিয়াল-পৰিজনৰ মাজত । সেই সময়ত দীক্ষা লোৱা এশজন মানৰ ভিতৰত আছিল বন্ধু আবু বকৰ, জোঁৱাই ওচমান, ওচমানৰ বন্ধু চাদ, আলিৰ ভায়েক জাফৰ, কোৰেইশ বীৰ তলহা আৰু আমিৰ, বিলাল আৰু চোমায়াৰ নিচিনা নিগ্ৰো দাস ইত্যাদি । প্ৰতি বছৰ হজ (তীৰ্থ) কৰিবলৈ মক্কাত সমগ্ৰ আৰবৰ ইহুদী, খৃষ্টান, বেদুইন ফৈদবোৰ গোট খাইছিল কা'বা প্ৰদক্ষিণ কৰিবলৈ, বলি-বিধান আৰু পূজা আদি কৰিবলৈ । মক্কাৰ গুৰুত্ব আৰু অৰ্থনৈতিক উন্নতিৰ মূলত আছিল বছৰি অহা তীৰ্থযাত্ৰীসকল ।

ধৰ্ম প্ৰচাৰৰ চতুৰ্থ বছৰৰ পৰা মহম্মদে মুকলিকৈ ধৰ্ম প্ৰচাৰ কৰিছিল । হজৰ সময়ত গোট খোৱা তীৰ্থযাত্ৰী সকলক মহম্মদে দেৱী পূজাৰ অসাৰতা আৰু এক সৰ্বশক্তিমান আল্লাৰ প্ৰাৰ্থনাৰ বিষয়ে বুজাইছিল । মহম্মদৰ 'একমেবদ্বিতীয়ম' আল্লাৰ ধাৰণাটোৱে মক্কাবাসীৰ আৰু মক্কা নগৰৰ গুৰুত্বই নাইকিয়া কৰি পেলোৱাৰ আশংকাই মক্কাবাসীৰ কথাই নাই নিজৰ কোৰেইশ বংশৰ মানুহকে শত্ৰু কৰি তুলিছিল । নিজৰ পৰিয়াল পৰিজনে বংশৰ আটাইতকৈ কৰ্মঠ, সুন্দৰ, পৰিশ্ৰমী, সাহিয়াল, সুবক্তা, আমিন (বিশ্বাসী) সন্তানজনক পৰম শত্ৰু ৰূপে গণ্য কৰিলে । কা'বাৰ প্ৰধান পুৰোহিত আবু তালিবৰ মৰমৰ আশ্ৰয় নথকা হলে মহম্মদৰ জীৱন ৰক্ষা পৰাৰ সম্ভাৱনা কম আছিল । অতি যুদ্ধ প্ৰিয়, প্ৰতিশোধ পৰায়ণ কোৰেইশৰ তৰোৱালৰ আগৰ পৰা সাৰি যোৱাটো বৰ টান কাম আছিল ।

### অত্যাচাৰ উৎপীড়ন

মহম্মদৰ নিজৰ কোৰেইশ বংশৰ অনেকেই মহম্মদক হত্যাৰ চেষ্টা কৰিছিল । ধৰ্মতকৈ জনজাতীয় গৰ্বৰ চোক অধিক থকাৰ ফলত ধৰ্মৰ বিৰোধী হৈও মহম্মদৰ দুজন দদায়েক হামজা আৰু আব্বাচ মহম্মদৰ অন্যতম ৰক্ষক হৈছিল । ইফালে দুখীয়া, দুৰ্বল ফৈদৰ শিষ্যসকল সন্ত্ৰাস, অত্যাচাৰ, উৎপীড়নৰ বলি হৈছিল । ধৰ্ম প্ৰচাৰৰ চতুৰ্থ বছৰত এশজনমান শিষ্যক দুটা দলত ভাগ কৰি আবিচিনিয়া (ইথিওপিয়া)ৰ খৃষ্টান ৰজা নিগাচৰ ৰাজ্যত আশ্ৰয় বিচাৰি পঠাব লগীয়া হৈছিল । প্ৰথম দলত জী ৰোকেয়া আৰু জোঁৱাই ওচমান আছিল । দ্বিতীয় দলৰ নেতা আছিল আলিৰ ভায়েক জাফৰ । মহাবীৰ হামজাই ভতিজাকৰ লগ নেৰিবলৈকে ধৰ্মৰ দীক্ষা লৈছিল । উগ্ৰ আৰু সাহসী কোৰেইশ বীৰ ওমৰে মহম্মদক হত্যা কৰিবলৈ আহি ভনীয়েক ফাতিমা আৰু বৈনাই ছাঈদৰ সহযোগত মহম্মদৰ শিষ্য হৈছিল । এইদৰে কেইবাজনো উল্লেখযোগ্য কোৰেইশ বীৰ মহম্মদৰ শিষ্য হোৱাৰ ফলত কোৰেইশ ফৈদবোৰৰ শত্ৰুতা বাঢ়িছিল ।

মক্কাৰ সকলো মুখিয়াল লগ লাগি কা'বাৰ প্ৰধান পুৰোহিত আবু তালিবক পদচ্যুত কৰি গোটেই পৰিয়ালটোক শ্বিব নামৰ গুহাত অন্তৰীণ কৰিলে । মহম্মদৰ সংগ পৰিত্যাগ নকৰিলে এই সমস্ত পৰিয়ালটোৰ কাৰো লগতে যোগাযোগ নকৰিবলৈ নিৰ্দেশ দি কা'বাত এখন জাননীও আঁৰা হ'ল । হজৰ মাহটোত ইব্ৰাহিম আৰু ইছমাইলৰ দিনৰ পৰাই যুদ্ধ আৰু ৰক্তপাত নিষিদ্ধ । বছৰৰ মাত্ৰ এই মাহটোত মহম্মদৰ পৰিয়ালৰ ওপৰত নিষেধাজ্ঞা বলবৎ নহৈছিল । অন্তৰীণ হৈ দীৰ্ঘকাল থকাৰ পাছতো আবু তালিবৰ এই বৃহৎ পৰিয়ালটো খাদ্য আৰু পানীয়ৰ অভাৱত নমৰাটোৱে সূচায় যে বাহিৰৰ পৰা গোপনে খাদ্য আৰু পানীয় সহানুভূতিশীল সকলে যোগান ধৰিছিল । হজৰ সময়ত মহম্মদ আৰু পৰিয়ালৰ আন সদস্যসকলে খাদ্য আৰু প্ৰয়োজনীয় সামগ্ৰী সংগ্ৰহ কৰিছিল । এই সময় ছোৱাতে মক্কাৰ বাহিৰৰ পৰা অহা তীৰ্থযাত্ৰী সকল মহম্মদৰ প্ৰতি কৌতূহলী হৈছিল । ভালেমান তীৰ্থযাত্ৰীয়ে গোপনে ধৰ্মালোচনাও কৰিছিল । আলোচনাত কোৰেইশ গুপ্তচৰ আৰু ৰক্ষীয়ে প্ৰায়ে বিধি পথালি দিছিল । সেই সময়তে মক্কাৰ পৰা এশ সত্তৰ মাইল উত্তৰৰ য়াথৰিব নগৰৰ কেইবাজনো তীৰ্থযাত্ৰী মহম্মদৰ দ্বাৰা প্ৰভাৱিত হৈছিল । অন্তৰীণ হৈ থকা কালতে আৰবৰ বিভিন্ন ঠাইৰ মানুহে মহম্মদৰ ধৰ্ম চিন্তাৰ বিষয়ে জানিব পাৰিছিল ।

মহম্মদৰ আগৰ ধৰ্ম প্ৰচাৰক সকল অতি মানৱীয় চৰিত্ৰলৈ ৰূপান্তৰ হোৱা দৰে মহম্মদৰ জীৱিত কালতে তেওঁৰ বিষয়ে ৰূপকথাৰ কাহিনী সৃষ্টি হৈছিল । এতিয়াও বহু গুণগ্ৰাহী ভক্তই অতি মানৱীয় কীৰ্তি মহম্মদৰ চৰিত্ৰত আৰোপ কৰিব খোজে । কিন্তু এই বিষয়ত মহম্মদ নিজে অতি বাস্তৱবাদী আছিল । গোটেই জীৱনত তেওঁ নিজকে আল্লাৰ বাণীৰ প্ৰচাৰক হিচাপে প্ৰতিষ্ঠা কৰাৰ বাহিৰে আন কোনোধৰণে সাধাৰণ মানুহৰ পৰা পৃথক হ'ব খোজা নাই । কোৰাণত সুস্পষ্ট ভাষাত মহম্মদ আৰু তেওঁৰ পূৰ্বৰ মহাপুৰুষ সকলক মৰণশীল মানুহ হিচাপে চিনাক্ত কৰিছে ।

গুপ্তচৰৰ মুখে আৰবৰ বিভিন্ন ঠাইৰ মানুহ মহম্মদৰ প্ৰতি আকৃষ্ট হোৱা শুনি কোৰেইশ দলপতিসকলৰ প্ৰতিনিধি উটবা ইবনে ৰাহিয়াই মহম্মদক জনালে যে কোৰেইশ দেৱী সকলৰ বিৰোধিতা বন্ধ কৰিলে মহম্মদক মক্কাৰ ৰজা পতা হ'ব । বংশ, পৰিয়াল আৰু গোষ্ঠীৰ লগত সম্পৰ্ক ভাল হোৱাৰ আশাত মহম্মদে প্ৰস্তাৱটো গ্ৰহণ কৰিবই খুজিছিল । একেধৰণৰ আন এটা ঘটনাত মহম্মদে প্ৰধান দেৱী লাট, উজ্জা আৰু মানাতৰ পূজা কৰাত বাধা নিদিওঁ বুলি কোৱাত মক্কাৰ মুখিয়ালসকলে আনন্দত উত্ৰাৱল হৈ মহম্মদৰ সৰ্বশক্তিমান আল্লাক সেৱা কৰিলে । দুয়ো বাৰতে মহম্মদে নিজৰ ভুল বুজি পাইছিল আৰু ভুল স্বীকাৰ কৰি ক্ষমা বিচাৰিছিল ।

তিনি বছৰ অন্তৰীণ হৈ থকাৰ পাছত মক্কাৰ সাধাৰণ কোৰেইশ সকলে মহম্মদ আৰু বিশেষকৈ বয়োবৃদ্ধ আবু তালিবৰ প্ৰতি অন্যায় কৰা বুলি ধ্বনি তোলাত বৰ্জন আৰু অন্তৰীণৰ আদেশ তুলি লোৱা হ'ল । মুকলি হোৱাৰ এটা বছৰৰ ভিতৰতে ৮০ বছৰ বয়সত আবু তালিবৰ মৃত্যু হ'ল । অতি প্ৰতিকূল পৰিবেশতো নিজৰ জীৱন বিপন্ন কৰিও মহম্মদক ৰক্ষণাবেক্ষণ দিয়া পিতৃবৎ স্নেহশীল আবু তালিবে কিন্তু পৰম্পৰাগত ধৰ্ম এৰি মহম্মদৰ ধৰ্মত দীক্ষিত হোৱা নাছিল । আবু তালিবৰ মৃত্যুৰ মাত্ৰ তিনি মাহৰ ভিতৰতে খদিজাও সংসাৰ বন্ধনৰ পৰা মুক্ত হ'ল । সেই সময়ত মহম্মদৰ ধৰ্ম প্ৰচাৰৰ দহ বছৰ হৈছে, বয়স হৈছে আঢ়ৈ কুৰি ।

## য়াথৰিবৰ আৰব গোষ্ঠীবোৰৰ প্ৰস্তাৱ

মক্কাত বিফল হৈ মহম্মদে ওচৰৰে এখন নগৰ টাঈফত ধৰ্ম প্ৰচাৰৰ চেষ্টা কৰিছিল । টাঈফৰ আৰবসকলে শিল, লাঠি আদিৰে মহম্মদক আক্ৰমণ কৰাত অনুচৰ জায়েদকলৈ কথমপিহে পলাই আহিবলৈ সক্ষম হৈছিল । তাৰ কিছুদিনৰ পিছতে হজৰ সময়ত য়াথৰিবৰ পৰা অহা খাজাৰজিন ফৈদৰ কেইবাজনো আৰবে মহম্মদৰ শিষ্যত্ব গ্ৰহণ কৰিলে । তাৰ পাছৰ বছৰ য়াথৰিবৰ চাৰি কুৰিমান খাজাৰজিন আৰবে মহম্মদৰ ওচৰত দীক্ষা ললে । তেওঁলোকে প্ৰস্তাৱ দিলে যে য়াথৰিবৰ আৰব গোষ্ঠীবোৰে মহম্মদক ৰজা হিচাপে গ্ৰহণ কৰিব যদিহে মহম্মদে সশিষ্যে য়াথৰিবলৈ গৈ তাৰ আৰব সকলক একগোট কৰি এখন শক্তিশালী আৰব ৰাজ্য গঠন কৰিবলৈ মান্তি হয় । প্ৰধান সহযোগীসকলৰ উপস্থিতিত হোৱা আলাপ আলোচনাৰ অন্তত আকাবা পাহাৰত স্বাক্ষৰিত চুক্তিমতে মহম্মদ সশিষ্যে য়াথৰিবলৈ যোৱাৰ সিদ্ধান্ত হ'ল । ইতিমধ্যে য়াথৰিবৰ আৱাচিন



ফৈদৰ দলপতি ৰাজকুমাৰ চাদে সহযোগী সকলোৰে সৈতে মহম্মদৰ শিষ্যত্ব গ্ৰহণ কৰাত য়াথৰিবৰ অৱস্থা মহম্মদৰ কাৰণে সুবিধাজনক হৈ পৰিছিল । কিন্তু মক্কাবাসীয়ে জীৱিত অৱস্থাত মহম্মদক মক্কা এৰি যাবলৈ নিদিব । গতিকে এটা সুবিধাজনক দিনত পুৱতি নিশা পলায়ন কৰাটোৱেই স্থিৰ হ'ল । গুপ্তচৰৰ মুখে মহম্মদৰ পলায়নৰ সম্ভাৱনাৰ কথা গম পাই কোৰেইশ সকলে ভালেমান আলৈ আহুকাল সৃষ্টি কৰিছিল । মহম্মদ য়াথৰিবত উপস্থিত হওঁতে তেওঁৰ বয়স ৫৩ বছৰ পূৰ হওঁ হওঁ (২০ জুন, ৬২২ খৃঃ) । য়াথৰিবত মহম্মদে আৰব ফৈদবোৰৰ সম্মিলিত সংঘৰ (common wealth) ৰজা হিচাপে যথেষ্ট সমাদৰ পালে । ভালেমান ইহুদী, খৃষ্টান, জৰোস্ত্ৰাৰ অনুগামী মহম্মদৰ শিষ্য হ'ল ।

## মদিনাত মহম্মদ সফল হ'ল কিয় ?

য়াথৰিবৰ নতুন নামকৰণ কৰা হ'ল মদিনা অৰ্থাৎ অনুপম নগৰ । মদিনাত মহম্মদে সমাদৰ লাভ কৰাৰ অন্যতম কাৰণ হ'ল মক্কাৰ লগত থকা বাণিজ্যিক শত্ৰুতা । দ্বিতীয় প্ৰধান কাৰণ হ'ল মহম্মদৰ ধৰ্মমতত তেওঁলোকে দেখিছিল তীৰ্থ নগৰ হিচাপে মক্কাৰ গুৰুত্ব হ্ৰাস কৰাৰ সম্ভাৱনা । মদিনাৰ ইহুদী, খৃষ্টান, বেদুইন ফৈদবোৰৰ দলগত আৰু গোষ্ঠীগত স্বাৰ্থও আছিল । ইহুদীসকলৰ কথাই ধৰা যাওক । তেওঁলোকৰ ৰাব্বি বা শাস্ত্ৰজ্ঞ পণ্ডিতসকলে মহম্মদ মানুহজন আৰু তেওঁৰ ধৰ্মমতত ইহুদী মহাপুৰুষ সকলৰ লগত ভালেমান মিল দেখিছিল । ইহুদী ধৰ্ম পুথিৰ মতে ইহুদীসকল হ'ল আল্লাই আটাইতকৈ ভাল পোৱা বাচৰ বাচ গোষ্ঠী বনি ইছৰাইল (ইজৰাইলৰ বংশধৰ) । এই ইছৰাইল হ'ল ইব্ৰাহিমৰ দ্বিতীয় পুত্ৰ । মক্কাবাসীৰ পৰিচয় ইব্ৰাহিমৰ বৰপুত্ৰ ইছমাইলৰ বংশধৰ হিচাপে । ইহুদী ধৰ্মপুথি মতে ইব্ৰাহিমৰ বংশৰে এজন মহাপুৰুষৰ নেতৃত্বত আল্লাই ইহুদীসকলক প্ৰতিশ্ৰুত পৱিত্ৰ বাসভূমি দিব য'ত ইহুদীসকলেই হ'ব সৰ্বেসৰ্বা । মহম্মদৰ মাজত ইহুদীসকলে সেই বাণী সত্য হোৱাৰ প্ৰবল সম্ভাৱনা দেখিছিল । খৃষ্টানসকলে মহম্মদৰ অহিংসা, ক্ষমা আৰু এক আল্লাৰ আৰাধনাৰ মাজত দেখিছিল যীশু অৰ্থাৎ ইছাক । মহম্মদৰ ধৰ্ম চিন্তাত সকলো ধৰ্মৰে মহাপুৰুষ আৰু পণ্ডিত ব্যক্তিক দিয়া সন্মান, স্বীকৃতি আৰু সাম্য-মৈত্ৰীৰ বাণীয়ে তেওঁলোকক আকৃষ্ট কৰিছিল । অঘৰী বেদুইন ফৈদবোৰে মহম্মদৰ নেতৃত্বত একগোট হৈ চহকী আৰব ফৈদবোৰক পদানত কৰাৰ সপোন দেখিছিল । নিৰাকাৰ আল্লাৰ ধাৰণা, পুৰোহিতালি উচ্ছেদ আদি ব্যৱস্থা তেওঁলোকৰ বাবে আকৰ্ষণীয় আছিল । মক্কাৰ কোৰেইশ সকলক অপদস্থ কৰাৰ লগতে অন্যবোৰ সম্ভাৱনাইও মহম্মদক আঁকোৱালি লোৱাত মদিনা অৰ্থাৎ য়াথৰিবৰ বিভিন্ন গোষ্ঠীক উৎসাহ যোগাইছিল ।

## ৰজা মহম্মদৰ সমস্যা

ব্যৱসায়ীৰ পৰা ধৰ্ম প্ৰচাৰক হোৱাৰ পাছত সুদীৰ্ঘ তেৰ বছৰ মহম্মদে অত্যাচাৰ, উৎপীড়ন, অপবাদ, অপমান, লাঞ্ছনা আৰু সমাজচ্যুতিৰ সম্মুখীন হৈছিল সহনশীলতা আৰু অহিংসাৰে । ক'তো সামান্য প্ৰতিবাদ কৰাৰ ঘটনাও সেই সুদীৰ্ঘ তেৰ বছৰত ঘটা নাই । অহিংস সত্যাগ্ৰহেই আছিল মহম্মদৰ জীৱনৰ বাণী । মদিনাৰ ৰজা হোৱাৰ পাছত প্ৰথম তিনিটা বছৰ ৰাজ্য শাসনৰ জটিলতা, কুটিলতা আৰু পদে পদে হোৱা বিশ্বাসঘাতকতাৰ জ্ঞান আহৰণ কৰোতেই গ'ল । আৰম্ভণিতে মদিনাৰ সকলো ফৈদ আৰু ধৰ্মৰ মানুহৰ বাবে সমান অধিকাৰৰ ভিত্তিত ৰাজ্য শাসন কৰিবলৈ গৈ মহম্মদ সম্মুখীন হ'ল অনেক সমস্যাৰ । ৰজা হোৱাৰ পাছৰ প্ৰথম ঘোষণা পত্ৰৰ দুশাৰীমান এনে ধৰণৰ – "মদিনাৰ সকলো ধৰ্মীয় গোষ্ঠীৰে নিজ নিজ আচাৰ অনুষ্ঠান পালনৰ স্বাধীনতা থাকিব । পদবী লাভ কৰাৰ ক্ষেত্ৰত ধৰ্মই বাধাৰ সৃষ্টি নকৰিব ............ ।" সেইকালৰ আৰব দেশৰ পৰিস্থিতিত মহম্মদৰ অহিংসা, উদাৰতা আৰু ধৰ্ম নিৰপেক্ষতাৰ নীতি টিকি নথকাটোৱেই আছিল স্বাভাৱিক ।

যি মহম্মদৰ ধৰ্মৰ নামেই শান্তি, ধৰ্ম প্ৰচাৰৰ আৰম্ভণিৰ সুদীৰ্ঘ তেৰ বছৰ অনেক অত্যাচাৰ, উৎপীড়ন আৰু ক্ষয়-ক্ষতি সত্ত্বেও অহিংসা আৰু ক্ষমাই আছিল যাৰ জীৱনৰ ব্ৰত, সেই মহম্মদক আমি দেখো বাস্তৱ বুদ্ধিৰ ৰজা হিচাপে অনুগামী সকলক জীৱন যাত্ৰাৰ নতুন নতুন অভিজ্ঞতাৰ বাবে সাজু কৰা । ৰজা মহম্মদে প্ৰয়োজনত অস্ত্ৰ ধৰিছে, ৰাজ্য জয় কৰিছে, সন্ধি কৰিছে, সন্ধিৰ চুক্তি ভংগকাৰীক শাস্তি দিছে, প্ৰয়োজনত সকলোকে ক্ষমা কৰিছে, বিভিন্ন দেশৰ ৰাজসভালৈ কটকী পঠাইছে, ভিন দেশৰ কটকীৰ পৰা বাৰ্তা গ্ৰহণ কৰিছে, মিত্ৰতাৰ উত্তৰ মিত্ৰতাৰে আৰু শত্ৰুতাৰ উত্তৰ শত্ৰুতাৰে দিয়াৰ নীতি গ্ৰহণ কৰিছে । মহম্মদৰ জীৱনীকাৰ সকলে প্ৰতিটো খুটি-নাটি লিপিবদ্ধ কৰিছে । এজন সাধাৰণ মানুহ হিচাপে মহম্মদৰ জীৱন যিদৰে এখন খোলা কিতাপ, ৰজা হিচাপেও একেই । ৰাজ সিংহাসনত নবহি সবাঙ্কৰে মুকলিকৈ দৰবাৰ পতা মহম্মদ সমগ্ৰ আৰবৰ সম্ৰাট হোৱাৰ পাছতো অৱস্থা একেই থাকিল ।

ৰাজ্য শাসনৰ প্ৰথম তিনিটা বছৰত আমি দেখো মহম্মদে নিজে সমুখত থাকি দদায়েক হামজা, ভায়েক আলি, সহযোগী ওমৰ আৰু ৰাজকুমাৰ চাদৰ যোগেদি মদিনাবাসীক যুদ্ধ শিক্ষা দিয়া । এই সময়ৰ কোৰাণৰ নিৰ্দেশ হ'ল 'আত্মৰক্ষাৰ বাবে প্ৰয়োজন হলে যুদ্ধ কৰা ।' আব্দুল্লা উবৰ নেতৃত্বত একাংশ মুছলমান আৰু ইহুদী ফৈদৰ বিশ্বাসঘাতকতাৰ সমুখত মহম্মদৰ ৰাজ্যৰ আইন, নীতি, দায়িত্ব ঘনাই পৰিবৰ্তন হৈছে । নতুন পৰিস্থিতি, নতুন অভিজ্ঞতাৰ ভিত্তিত হোৱা নতুন নীতি নিয়মবিলাকৰ বিষয়ে কোৰাণত সুন্দৰ বৰ্ণনা আছে, ঠাই বিশেষে প্ৰাসংগিক বিষয়বো উল্লেখ আছে ।

মহম্মদৰ ৫৫ বছৰ বয়স পূৰ হোৱাৰ পাছত হ'ল বদৰৰ যুদ্ধ । তাৰ পাছত মৃত্যু পৰ্যন্ত মাত্ৰ সাতটা বছৰৰ ভিতৰত তিনি কুৰি পাঁচ খন যুদ্ধৰ কথা ভাবিলেই অবাক হ'ব লাগে । আৰম্ভণিৰ তিনিখন যুদ্ধ আছিল আত্মৰক্ষাৰ যুদ্ধ । কিন্তু তাৰ পাছৰ অসংখ্য যুদ্ধ হৈছে ষড়যন্ত্ৰকাৰী আৰু বিশ্বাসঘাতক ফৈদবোৰক শাস্তি দিবলৈ । দিগ্বিজয়ী বীৰ হোৱাৰ বাসনা লৈ মহম্মদ ৰজা হোৱা নাছিল । তেওঁৰ উদ্দেশ্য আছিল ধৰ্ম প্ৰচাৰ । পৰিস্থিতিয়ে মহম্মদক সম্ৰাট কৰিলে । কিন্তু তেওঁৰ সীমা আৰব উপদ্বীপৰ মাজতে আৱদ্ধ । তেওঁৰ পাছৰ খলিফাসকলৰ দিনত সাম্ৰাজ্যৰ সীমা সিন্ধু নদীৰ পৰা স্পেনলৈ বিয়পি পৰাটো সুকীয়া আলোচনাৰ বিষয় । এক চূড়ান্ত ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ ব্যৱস্থাৰে আৰম্ভ কৰা মহম্মদৰ শাসন মাত্ৰ পাঁচটা বছৰৰ ভিতৰত ধৰ্মীয় ৰাষ্ট্ৰত (Theocratic State) পৰিণত হোৱাটো বাস্তৱ । গোষ্ঠী দ্বন্দ্বৰে বিভাজিত আৰব দেশত এয়া আছিল স্বাভাৱিক পৰিণতি । খুটি-নাটি আলোচনালৈ নগৈও আমি ক'ব পাৰো যে পৰিস্থিতিৰ চাপত ইছলামৰ অহিংসা, ধৰ্মীয় সহনশীলতা, উদাৰতা আৰু ক্ষমাৰ ধাৰণাবোৰ চৰ্ত সাপেক্ষ হৈ পৰিছিল ।

## ইহুদীসকলৰ লগত মহম্মদৰ বিৰোধ

আমি আগতে কৈছো ইহুদীসকল বনি ইছৰাইল । আল্লাৰ স্নেহৰ পাত্ৰ বুলি, মানৱ জাতিৰ মাজত সকলো শুভ কাৰ্যৰ বাবে তেওঁলোকক আল্লাই বাছি লোৱা বুলি থকা তেওঁলোকৰ বিশ্বাসে অহমিকা আৰু উচ্চাত্মিকা বোধৰ সৃষ্টি কৰিছে । তাৰ ফলত তেওঁলোক সদায় অন্য সম্প্ৰদায়ৰ আক্ৰমণৰ বলি হৈ আহিছে । ইহুদীসকলৰ পাণ্ডিত্য, শিক্ষা-দীক্ষা, জ্ঞান-বিজ্ঞানৰ চৰ্চাৰ প্ৰতি থকা আগ্ৰহ শলাগিব লগীয়া । তেওঁলোকৰ অধ্যাৱসায় আৰু ব্যৱসায়িক কুশলতা অনুকৰণীয় । কিন্তু নিজৰ সম্প্ৰদায়ক সকলোৰে ওপৰত বুলি থকা বদ্ধমূল ধাৰণাৰ ফলত তেওঁলোক কোনো দেশতে খাপ খোৱা নাই । ইজিপ্তৰ ফাৰাওৰ পৰা আধুনিক যুগলৈকে ইহুদীৰ বিতাড়ন আৰু নিৰ্যাতন বুৰঞ্জীৰ শোকাবহ ঘটনা । ইহুদী পণ্ডিতসকলে মহম্মদক সহায় কৰা কথা আমি ওপৰত কৈছো । কিন্তু শীঘ্ৰে সু-সম্পৰ্ক নষ্ট হোৱাৰ কাৰণ এনে ধৰণৰ–

(১) ইহুদীসকলে সোনকালেই বুজি পালে যে আৰবক ইহুদী ভূমি কৰাত মহম্মদে সহায় নকৰে । ইহুদী ৰাব্বি মুছাইলামা মহম্মদৰ সভাসদ (আচহাবা) হিচাপে আছিল । মুছাইলামা ইমান ক্ষমতাশালী হৈ উঠিছিল যে মহম্মদৰ ওচৰত তেওঁ দাবী জনাইছিল তেওঁকো আল্লাৰ ধৰ্মৰ প্ৰচাৰক (নবী বা prophet)

হিচাপে স্বীকৃতি দিব লাগে। তেওঁ নিজে মহম্মদৰ উত্তৰাধিকাৰী বুলিও ঘোষণা কৰিছিল। মহম্মদৰ পৰা কোনো সঁহাৰি নাপাই তেওঁ নিজকে নবী বুলি ঘোষণা কৰি যথেষ্ট খেলিমেলি লগাইছিল। পাছত মুছাইলামাৰ নেতৃত্বত ইহুদী ফৈদবোৰৰ সন্মিলিত বাহিনীৰ লগত মহম্মদৰ সেনাই দীৰ্ঘকাল যুদ্ধত লিপ্ত হ'ব লগা হৈছিল।

(২) ইহুদীসকলৰ অৰ্থনৈতিক ব্যৱস্থাত দাস ৰখাটো আছিল অপৰিহাৰ্য। ফৈদৰ জনসংখ্যাতকৈ দাসৰ সংখ্যা অধিক আছিল। মহম্মদৰ ধৰ্ম মতত দাস ৰখাটো অন্যায়। দাস আৰু মালিকক আইনৰ চকুত সমান কৰিবলৈ গৈ ইহুদীসকলৰ বিৰোধিতাৰ সমুখীন হ'ব লগা হৈছিল। ইহুদীসকলৰ প্ৰধান ব্যৱসায় আছিল সুদত ধন-বস্তু ধাৰে দিয়া। সম্পদ জমা কৰাটো তেওঁলোকে অধিকাৰ হিচাপে গণ্য কৰিছিল। মহম্মদৰ ৰাজ্যৰ আইনে সুদ নিষিদ্ধ কৰিছিল, সম্পদ জমা কৰাত বাধা আৰোপ কৰিছিল। ৰাজহুৱা উন্নয়ন পুঁজিৰ বাবে থকা কৰৰ উপৰিও বাধ্যতামূলকভাবে উৎপাদনৰ ২$\frac{১}{২}$ % জাকাত সংগ্ৰহ কৰা ব্যৱস্থাটো ইহুদীসকলৰ বাবে শাস্তিৰ দৰে হৈছিল।

এনেবোৰ আৰ্থ-সামাজিক কাৰণত মহম্মদৰ লগত ইহুদী সকলৰ সম্পৰ্কৰ অৱনতি ঘটিছিল। তাৰ ফলতে ষড়যন্ত্ৰ আৰু বিশ্বাসঘাতকতাৰ ঘটনাবোৰ ঘটিছিল। ইহুদী পণ্ডিতসকলে এনে বিশ্বাসঘাতকতা ধৰ্মীয় কাৰ্য বুলি সমৰ্থন দিছিল।

মুছলমানসকলে ইহুদীসকলৰ দৰে জেৰুজালেমৰ ফালে মুখ কৰি প্ৰাৰ্থনা কৰা ব্যৱস্থাটো এই সময়তে বন্ধ হ'ল। মুছলমানে প্ৰাৰ্থনাৰ সময়ত কা'বাৰ ফালে মুখ কৰি (কিব্‌লা) প্ৰাৰ্থনা কৰা ব্যৱস্থা প্ৰবৰ্তন হ'ল। প্ৰাৰ্থনাৰ বাবে আহ্বান জনোৱা ইহুদীৰ ট্ৰামপেট (ধাতুৰ পেঁপা) আৰু খৃষ্টানৰ ঘন্টাধ্বনিৰ ঠাইত কোনো বাদ্যযন্ত্ৰ নোহোৱাকৈ চিঞৰি আহ্বান কৰা (আজান) ব্যৱস্থাও এই সময়ৰে। এই সুস্পষ্ট পৃথক ব্যৱস্থাবোৰে বাঢ়ি অহা বিৰোধিতাৰ সাক্ষ্য বহণ কৰিছে।

ধৰ্মীয় চিন্তাৰ মাজত অৰ্থনৈতিক ধ্যান-ধাৰণাক ঠাই দিয়া ইছলাম ধৰ্মতে প্ৰথম দেখা যায়। এই অৰ্থনৈতিক ব্যৱস্থাবোৰে ইহুদী স্বাৰ্থত আঘাত কৰাটোৱেই ইহুদী আৰু মুছলমানৰ মাজৰ সম্পৰ্কৰ অৱনতিৰ মূল কাৰণ।

### যুদ্ধ ক্ষেত্ৰত মহম্মদ

তৃতীয় হিজৰিৰ (খৃঃ ৬২৫) বদৰৰ যুদ্ধ আৰু দুটা বছৰৰ ভিতৰত হোৱা ওহুদ আৰু গড়খাৰৈ (আহজাব)ৰ যুদ্ধ কেইখন আছিল আত্মৰক্ষাৰ যুদ্ধ। তিনিওখন যুদ্ধৰ স্থান মদিনা চহৰৰ কাষতে। বদৰৰ যুদ্ধত সহজে জয়লাভ কৰা মহম্মদৰ সৈন্য ওহুদৰ যুদ্ধত বিস্তৰ ক্ষতিৰ সমুখীন হৈছিল। একাংশ মুছলমান আৰু এটা ইহুদী ফৈদৰ বিশ্বাসঘাতকতা আছিল তাৰ কাৰণ। গড়খাৰৈৰ যুদ্ধৰ পাছতে বিশ্বাসঘাতকতাৰ শাস্তি বিধান কৰিবলৈ ভালেমান যুদ্ধ হৈছিল। পঞ্চম হিজৰিৰ পাছৰ যুদ্ধবোৰ কেৱল আত্মৰক্ষাৰ বাবে নহৈ হৈছিল ৰাজনৈতিক ক্ষমতা ৰক্ষাৰ বাবে।

ওহুদৰ যুদ্ধত প্ৰধান সেনাপতি হামজাকে ধৰি প্ৰায় এশজন সৈন্য নিহত হৈছিল। নিহত সকলৰ সৰহ ভাগেই আছিল মক্কাৰ নিকট আত্মীয়। তথাপি মক্কাৰ দলপতি সকলৰ পত্নীসবে এই মৰাশবোৰৰ নাক-কাণ কাটি মালা সী লগত নিছিল। মক্কাৰ সেনাপতি আবু চুফিয়ানৰ পত্নী হিন্দাই হামজাৰ শটো বিকৃত কৰি ক্ষান্ত নাথাকি কলিজাটো উলিয়াই নিছিল। সম্পৰ্কত হামজা আবু চুফিয়ানৰ ককায়েক। আবু চুফিয়ানৰ এজন পুতেক আৰু এগৰাকী জীয়েক মহম্মদৰ বিশ্বস্ত অনুচৰ। যি কোনো সাধাৰণ কোৰেইশৰ দৰে মহম্মদে শপত খাইছিল মক্কা জয় কৰি শত্ৰুৰ শবোৰ এনে ধৰণে বিকৃত কৰিব বুলি! পিছত মহম্মদে বুজি পাইছিল যে এনে শপতে মানৱীয় মূল্যবোধ নষ্ট কৰি পশুসুলভ হিংস্ৰতাৰ জন্ম দিব। এই প্ৰসংগত কোৰাণৰ নিৰ্দেশ হ'ল 'মৰাশ যাৰেই নহওক, বিকৃত কৰাৰ অধিকাৰ কাৰো নাই আৰু মৰাশৰ প্ৰতি সন্মান প্ৰদৰ্শন বাধ্যতামূলক।" (কোৰাণৰ এই নিৰ্দেশটোৰ গইনা লৈ চকু আদি অংগ দান কৰাটো নিষেধ বুলি মোল্লাই কয়। পিছে নিৰ্দেশটো আছিল ওহুদৰ যুদ্ধত বিকৃত কৰা শবোৰৰ প্ৰসংগত।)

ওহুদৰ যুদ্ধত বিশ্বাসঘাতকতা কৰা বানু আমিৰ, বানু চুলেম, বানু নজিৰ আৰু বানু কাইনুকা (বানু = ফৈদ) জয় কৰি পিছৰ দুটা ফৈদক ৰাজ্যৰ পৰা বহিষ্কাৰ কৰা হ'ল। বাকী দুটা ফৈদৰ পৰা ক্ষতিপূৰণ আৰু কৰ লোৱাৰ ব্যৱস্থা হ'ল। সেই সময়ৰ প্ৰচলিত ব্যৱস্থা আছিল বিশ্বাসঘাতক ফৈদক জীয়াই জীয়াই পুৰি মৰা।

পঞ্চম হিজৰিত (খৃঃ ৬২৭) আৰবৰ সকলো মহম্মদ বিৰোধী গোষ্ঠীয়ে কোৰেইশ বাহিনীৰ নেতৃত্বত সন্মিলিত হৈ মদিনা আক্ৰমণ কৰিছিল। মদিনাৰ চাৰিওফালৰ ফৈদবোৰে সন্ধিৰ চুক্তিবোৰ বাতিল কৰি শত্ৰু পক্ষত যোগ দিব পাৰে বুলি আশংকা কৰি মহম্মদে তেওঁৰ পাৰ্চী শিষ্য চুলেমানৰ পৰামৰ্শত মদিনাৰ চাৰিওফালে এটা দ আৰু বহল খাৱৈ খান্দি গড় মৰাইছিল। গড়খাৱৈ (আহজাৱ)ৰ সুযোগ লৈ মহম্মদৰ সৈন্যই শত্ৰুপক্ষৰ বিপুল বাহিনীক বিপৰ্যস্ত কৰিছিল। ধুমুহা আৰু বৰষুণৰ ফলতো শত্ৰু সৈন্যৰ যথেষ্ট ক্ষতি হোৱাত তেওঁলোকে ৰছদ-পাতি এৰি পলাব লগীয়া হৈছিল। মহম্মদৰ লগত থকা সন্ধিৰ চুক্তি বাতিল কৰি ইহুদী আৰু খৃষ্টান ফৈদবোৰে শত্ৰুপক্ষত যোগ দিছিল। এই পৰিপ্ৰেক্ষিতত প্ৰথম বাৰৰ বাবে কোৰাণত 'বিধৰ্মীক বিশ্বাসত লোৱা'ত চৰ্ত আৰোপ কৰা হ'ল। এই যুদ্ধত বিশ্বাসঘাতকতা কৰা বানু কোৰেইজাৰ বিচাৰো মন কৰিবলগীয়া। ফৈদটোৱে অনুৰোধ কৰিলে তেওঁলোকৰ বিচাৰৰ ভাৰ দিব লাগে তেওঁলোকৰ সম্পৰ্কীয় আৱাচিন ৰাজকুমাৰ চাদ ইবন মুৱাদক। চাদে বিচাৰ কৰি ৰায় দিলে 'ইহুদী শাস্ত্ৰৰ বিধান অনুসৰি প্ৰতিজন মুনিহৰ শিৰচ্ছেদ কৰা হ'ব। নাৰী, শিশু আৰু দাস আৰু সকলো সম্পত্তি বিজেতাৰ অধিকাৰলৈ যাব।'

গড়খাৱৈৰ যুদ্ধৰ পৰাই মহম্মদৰ সমৰ নীতি আত্মৰক্ষাৰ পৰিবৰ্তে 'শত্ৰুক একগোট হোৱাৰ আগতে আক্ৰমণ কৰা'লৈ সলনি হৈছে। এনে এখন যুদ্ধত বানু মুস্তালিকৰ ৰাজ্য জয় কৰাৰ পাছত গোটেই ফৈদটোৱে ইছলাম ধৰ্ম গ্ৰহণ কৰিছিল। মক্কাৰ প্ৰধান বাণিজ্য পথ নিয়ন্ত্ৰণ কৰা বানু বকৰৰ ৰাজ্য জয় কৰি মহম্মদৰ সেনাপতি ইব্‌নে চালামে বন্দী কৰি আনিলে বৃদ্ধ ৰজা থিমামা আৰু তেওঁৰ সেনাপতিক। মদিনাৰ ৰাজসভাত মহম্মদৰ সৰলতা আৰু সন্মানপূৰ্ণ ব্যৱহাৰত অভিভূত হৈ ৰজা থিমামাই গোটেই ফৈদটোৰে সৈতে ইছলাম ধৰ্ম গ্ৰহণ কৰিলে। থিমামাই নিজৰ ৰাজ্যৰ মাজেদি যোৱা বাণিজ্য পথ বন্ধ কৰি দিয়াত মক্কাত দুৰ্ভিক্ষ আৰম্ভ হ'ল। মক্কাবাসীৰ কাতৰ মিনতিত মহম্মদৰ কটকীয়ে থিমামাক অনুৰোধ কৰিলে খাদ্য সম্ভাৰ কঢ়িয়াই নিয়া উটবোৰ মুকলি কৰি দিবলৈ। মহম্মদৰ সৈন্যই কোনো পৰিবেশতে মহিলা, শিশু আৰু বৃদ্ধক আক্ৰমণ আৰু নিৰ্যাতন নকৰাৰ নিয়ম কঠোৰভাবে মানি চলাৰ ফলত প্ৰায়বোৰ ফৈদেই মহম্মদ আৰু তেওঁৰ ধৰ্মৰ প্ৰতি আকৃষ্ট হৈছিল। সেই সাংঘাতিক ৰক্ত ৰঞ্জিত দিনবোৰত এইবোৰ অতি প্ৰগতিশীল মানৱীয় ব্যৱস্থা আছিল।

### হোদাইবিয়াৰ বিজয়

মহম্মদৰ সহযোগীসকল পূৰ্বপুৰুষৰ উপাসনা স্থল কা'বা দৰ্শন কৰিবলৈ, হজ কৰিবলৈ উত্ৰাৱল হৈ পৰিছিল। ষষ্ঠ হিজৰিত চৈধ্য শ সহযোগীৰে সৈতে মহম্মদ তীৰ্থলৈ ওলাল। হজৰ পৱিত্ৰ মাহত যুদ্ধ আৰু ৰক্তপাত নিষিদ্ধ। তথাপি আবু চুফিয়ানৰ নেতৃত্বত কোৰেইশ সেনা মহম্মদক বাধা দিবলৈ আগবাঢ়ি আহিল। যুদ্ধত লিপ্ত নহবলৈ আওবাটে ঘূৰি-পকি মহম্মদ সদলবলে মক্কাৰ ওচৰৰ হোদাইবিয়াত উপস্থিত হ'ল। তাতে শিবিৰ পাতি হজ কৰাৰ অনুমতি বিচাৰি মক্কালৈ কটকী পঠালে। কটকীক বেয়া ব্যৱহাৰ কৰিব পাৰে বুলি আশংকা কৰি মহম্মদে পঠালে জোঁৱায়েক ওচমানক। ওচমান কোৰেইশ বংশৰ প্ৰতিপত্তিশালী উম্মায়াদ ফৈদৰ সন্তান হোৱা বাবে তেওঁক বন্দী কৰিলেও বেয়া ব্যৱহাৰ নকৰিলে। তিনি দিন কটকীৰ লগত আলাপ আলোচনাৰ পাছত হজৰ মাহত যুদ্ধ নকৰাৰ ঐতিহ্য ৰক্ষা কৰিবলৈ স্থিৰ কৰি মহম্মদৰ লগত এখন চুক্তি কৰিবলৈ কোৰেইশ সকল মান্তি হ'ল। হোদাইবিয়াৰ সন্ধিৰ চুক্তি মতে মহম্মদ হজ নকৰাকৈ উভতি যাব। পাছৰ বছৰ হজৰ সময়ত মক্কাত তিনি দিন থাকি হজৰ নিয়ম পালন কৰিবলৈ পাব। সন্ধিৰ চৰ্তবোৰ মক্কাবাসীৰ বাবে বেছি সুবিধাজনক হোৱাত মহম্মদৰ সহযোগীসকল হতাশাত ভাগি পৰিছিল। মহম্মদৰ স্পষ্ট অভিমত হ'ল এবছৰ পলমকৈ হলেও বিনাযুদ্ধে মক্কাত হজ কৰিবলৈ পোৱাটোৱেই হ'ল ডাঙৰ বিজয় (ফতহ)।

### বিষাক্ত খাদ্য আৰু নিৰংকুশ ক্ষমতা

সপ্তম হিজৰিৰ আৰম্ভণিতে উত্তৰ আৰু মধ্য আৰবৰ নঈম, অলকালি, ফড়ক, ৱাডি, আলকোৰা, ৱাটিছ, চালালেম, খিবাৰ আদি ফৈদৰ ৰাজ্য মহম্মদৰ অধীনলৈ আহিল। খিবাৰৰ যুদ্ধত জয়লাভ বৰ কষ্টকৰ হৈছিল। যুদ্ধত খিবাৰৰ ৰজা হাৰিথ আৰু সেনাপতি মাৰহেব নিহত হৈছিল। যুদ্ধৰ পাছত হোৱা সন্ধিৰ চুক্তিমতে খিবাৰে ক্ষতিপূৰণ আৰু কৰ দিয়াৰ ব্যৱস্থা হৈছিল। চুক্তি স্বাক্ষৰৰ পাছত হোৱা ভোজত হাৰিথৰ বিধৱা পত্নী জয়নবে (মাৰহেবৰ ভগ্নী) ৰন্ধা ভেৰা মাংস এটুকুৰা মুখত দি মহম্মদৰ সহযোগী বিছৰ ইবনে বাৰাৰ থিতাতে মৃত্যু হ'ল। মুখত দিয়ে উলিয়াই পেলোৱা সত্ত্বেও মহম্মদ অসুস্থ হৈ পৰিল। দুবছৰ পাছত এই বিষৰ ক্ৰিয়াতে মহম্মদৰ মৃত্যু হৈছিল। জয়নবে অপৰাধ স্বীকাৰ কৰিলে আৰু স্বামী আৰু ভাতৃহন্তাক বিষ দি ভুল কৰা নাই বুলি আত্মপক্ষ সমৰ্থন কৰিলে। সন্ধিৰ চুক্তি বাতিল কৰি ফৈদটোক শাস্তি বিহিবলৈ উত্ৰাৱল হোৱা সহযোগী সকলক মহম্মদে কষ্টেৰেহে শান্ত কৰিব পাৰিছিল।

সপ্তম হিজৰিক 'প্ৰতিনিধি দল'ৰ বছৰ বুলিও জনা যায়। সেই বছৰতে ইজিপ্ত, আবিচিনিয়া, ৰোম, পাৰস্য আদিৰ সম্ৰাটৰ ৰাজসভালৈ মহম্মদৰ কটকী গৈছিল। আৰবৰ ওচৰ-পাঁজৰৰ ভালেমান ৰজা আৰু শাসনকৰ্তাই মহম্মদৰ ধৰ্ম গ্ৰহণ কৰি বা বন্ধুত্বৰ প্ৰস্তাৱ দি প্ৰতিনিধি পঠাইছিল। এই সময়তে কেইবাজনো লেখত লবলগীয়া কোৰেইশ দলপতি মহম্মদৰ পক্ষলৈ আহিছিল। তাৰে এজন হ'ল খালিদ ইবন ৱালিদ। চিৰিয়াত বাইজেনটিন সম্ৰাটৰ বিশাল সৈন্য বাহিনীৰ লগত মাত্ৰ তিনি হাজাৰ সৈন্যেৰে খালিদে যি কৌশল আৰু বিক্ৰমেৰে যুদ্ধ কৰি দেখুৱালে তাৰ তুলনা নাই। নিজৰ তাকৰীয়া সৈন্যক ঘনাই নতুন নতুন ৰঙৰ পোছাক পিন্ধাই, ঘনাই স্থান পৰিবৰ্তন কৰাই, আন্ধাৰৰ আঁৰ লৈ আক্ৰমণ চলাই খালিদে এনেকুৱা ধাৰণাৰ সৃষ্টি কৰিলে যেন তেওঁৰ সৈন্য অসংখ্য আৰু ইচামৰ পিছত সিচাম নতুন সৈন্যই যুদ্ধ কৰিছে। এই যুদ্ধৰ ফলত আৰব উপদ্বীপত মহম্মদৰ নিৰংকুশ ক্ষমতা লাভ কৰা সহজ হৈছিল।

আন এজন কোৰেইশ দলপতি আমৰ ইবনে ইলিয়াচে বিভিন্ন ৰাজসভাত সফল কটকী হিচাপে প্ৰতিষ্ঠা লাভ কৰিছিল। কা'বাৰ প্ৰধান পুৰোহিত ওথমানৰ যোগদানে মহম্মদৰ শিবিৰৰ সৌষ্ঠব বঢ়াইছিল। সপ্তম হিজৰিৰ শেষত মহম্মদে দুহেজাৰ সহযোগীৰে সৈতে তিনি দিন মক্কাত অৱস্থান কৰি হজ কৰাৰ সময়ত ভালেমান কোৰেইশ তেখেতৰ অনুগামী হৈছিল।

### মক্কা বিজয়

মহম্মদ আৰু সহযোগী সকলে হজ কৰি ঘূৰি অহাৰ পাছতে মক্কাবাসীয়ে সন্ধিৰ চুক্তি ভংগ কৰি মহম্মদৰ অতি বিশ্বাসী বানু বকৰৰ ৰাজ্য আক্ৰমণ কৰিলে। মহম্মদে সকলো সক্ষম মানুহকে মক্কা অভিযানত অংশ গ্ৰহণ কৰিবলৈ আহ্বান জনালে। দহ হাজাৰৰ বেছি সৈন্যেৰে মহম্মদে তিনি ফালৰ পৰা মক্কা অৱৰোধ কৰিলে। জুবেৰ, চাদ, আলি আৰু খালিদৰ নেতৃত্বত চাৰিটা ভাগত বিভক্ত হৈ মহম্মদৰ সৈন্যই মক্কাৰ প্ৰবেশ দ্বাৰবোৰ দখল কৰিলে। খালিদৰ বাহিনীয়ে মহম্মদৰ দদায়েক আব্দুল উজ্জা (আবু লহব)ৰ পুত্ৰ আকৰামাৰ বাহিনীৰ লগত খন্তেকীয়া যুদ্ধত লিপ্ত হ'ব লগীয়া হলেও মক্কা বিজয় বিনা ৰক্তপাতেই সম্ভৱ হৈছিল। নৱম হিজৰিৰ ৰমজান মাহৰ ২১ তাৰিখ (খৃঃ ৬৩১) পুৱা মহম্মদে ঢোলেডগৰে মক্কাত প্ৰবেশ কৰিলে।

চাফা পাহাৰৰ ওপৰত বহা সভাত মহম্মদে মক্কাৰ সকলো মানুহৰ বাবে ক্ষমাদানৰ কথা ঘোষণা কৰিলে। ঘোষণা কৰিলে ইচ্ছুক সকলে ইছলাম ধৰ্ম গ্ৰহণ কৰিব পাৰিব। ইচ্ছা নকৰা সকলৰ বাবে নিজ নিজ ধৰ্ম আচৰণৰ স্বাধীনতা থাকিব। আবু চুফিয়ান আৰু তেওঁৰ পৰিয়ালেই প্ৰথমে দীক্ষা গ্ৰহণ কৰিলে। দিনটোৰ ভিতৰতে মক্কাৰ সকলো নাগৰিক ইছলাম ধৰ্মত দীক্ষিত হ'ল। পূৰ্ব পুৰুষৰ উপাসনা স্থল কা'বাত প্ৰাৰ্থনাৰ বাবে মহম্মদ আৰু সহযোগীসকল উপস্থিত হ'ল। বিভিন্ন ফৈদে একে একে জমা কৰা ৩৬০টা মূৰ্তি ভঙা হ'ল, বেৰৰ ছবিবোৰ মচা হ'ল। কা'বাত ইছলামী ব্যৱস্থাৰে প্ৰাৰ্থনা প্ৰবৰ্তন হ'ল। ওথমানক কা'বাৰ ব্যৱস্থাপক নিযুক্ত কৰি মহম্মদ মদিনালৈ উভতিল।

হুনিয়ান আৰু টাইফ কম সময়ৰ ভিতৰতে জয় কৰাত আৰবত মহম্মদৰ জয় যাত্ৰা সম্পূৰ্ণ হ'ল। সেই বছৰতে বেদুইন ফৈদবোৰে লগ লাগি মক্কা আক্ৰমণ কৰি কা'বা উদ্ধাৰৰ বাবে চলোৱা অভিযানত মহম্মদৰ সৈন্য বাহিনী জয়ী হলেও ক্ষয়-ক্ষতি হ'ল প্ৰচুৰ। আৰবৰ জনসংখ্যাৰ প্ৰায় নৱৈ শতাংশই ইছলাম ধৰ্ম গ্ৰহণ কৰিলেও ভালেমান বেদুইন অঘৰী ফৈদ আৰু কেইটামান ইহুদী ফৈদ থাকি গ'ল। হজৰ সময়ত যুদ্ধ আৰু ৰক্তপাত নিষিদ্ধ থকাৰ সুযোগলৈ তেওঁলোকে কা'বাৰ ক্ষতি সাধন কৰাৰ আশংকা দূৰ কৰিবলৈ সেই বছৰ হজৰ সময়ত ঘোষণা কৰা হ'ল যে পাছৰ বছৰৰ পৰা অ-মুছলমানৰ হজ কৰাৰ অধিকাৰ বাতিল হ'ব।

### মৃত্যু

হিজৰিৰ দশম বছৰত অতি কষ্টকৰ দুটামান অভিযানত অংশ গ্ৰহণৰ পাছত মহম্মদ মক্কাত হজৰ সময়ত উপস্থিত হ'ল। হজত মহম্মদৰ অংশ গ্ৰহণৰ কথা গম পাই দূৰ দূৰণিৰ মুছলমান হজৰ বাবে আহিল। বদৰৰ যুদ্ধত ৩১৩ জন সৈন্যৰ গৰাকী মহম্মদে আৰফাতৰ মুকলি পথাৰত ঘোঁৰাত উঠি উপস্থিত সহযোগীসকলক সম্বোধি এটা চমু ভাষণ দিলে। সেই দিনা তেওঁৰ চাৰিওফালে থকা জন সমুদ্ৰত ১ লাখ চৌব্বিশ হাজাৰতকৈ কিছু বেছি মানুহ। হজৰ পৰা ঘূৰি অহাৰ পৰাই মহম্মদৰ স্বাস্থ্যৰ দ্ৰুত অৱনতি ঘটিল।

আৰবৰ একছত্ৰী সম্ৰাট হোৱাৰ পাছতো নিচেই সৰল সহজ জীৱন যাপন কৰা মহম্মদ আছিল সকলোৰে বাবে আদৰ্শ। এজন সাধাৰণ মানুহৰ দৰেই তেওঁৰ আছিল এটি পুত্ৰ সন্তানৰ কামনা। খদিজাৰ ফালৰ পুত্ৰ আবুল কাছেমৰ শিশুকালতে মৃত্যু হৈছিল। শেষ বয়সত ইজিপ্তৰ কুঁৱৰী মৰিয়মৰ গৰ্ভত জন্ম হোৱা ইব্ৰাহিম নামৰ সন্তানটিও মাত্ৰ এবছৰহে জীয়াই আছিল। মহম্মদ আছিল সমস্ত মানৱীয় দুৰ্বলতাৰে সৈতে এজন মহান মানুহ। অহিংস সত্যাগ্ৰহী হিচাপে, যুঁজাৰু বীৰ হিচাপে, মৰমিয়াল শাসক হিচাপে, স্নেহ পৰায়ণ পিতৃ হিচাপে, দায়িত্বশীল স্বামী হিচাপে মহম্মদ আছিল পূৰ্ণ মানৱ। মহম্মদে জীৱনত এনে কোনো কৃতিত্ব দাবী কৰা নাই যিটো কঠোৰ পৰিশ্ৰম আৰু অধ্যাৱসায়ৰ যোগেদি অৰ্জন কৰাটো আনৰ বাবে অসম্ভৱ।

দুবছৰ আগৰ পৰা শৰীৰৰ ভিতৰত চলি থকা বিষ ক্ৰিয়াই মহম্মদক দুৰ্বল কৰি পেলাইছিল। শেষৰ কেইমাহ প্ৰায়ে তেওঁ জ্বৰত ভুগিছিল। ৬৩ বছৰ বয়সত তেওঁ ইহলীলা সম্বৰণ কৰোতে সকলোৱে শোকত ম্ৰিয়মান। বনজুইৰ দৰে বিয়পি পৰা বাতৰিটো শুনি ভেটা ভগাদি অহা অসংখ্য মানুহক মহম্মদৰ সহযোগী ওমৰে আক্ৰমণ কৰিবলৈকে উদ্যত হৈছে। ওমৰে বিশ্বাস নকৰে যে মহম্মদৰ মৃত্যু হ'ব পাৰে। ধীৰ শান্ত খোজেৰে মহম্মদৰ কোঠাৰ পৰা বন্ধু আবু বক্কৰ ওলাই আহিল। সকলোৱে শুনাকৈ তেওঁ কোৰাণৰ তৃতীয় চুৰাৰ বিখ্যাত শাৰীটো মাতিলে: তেওঁৰ আগৰ সকলো মহাপুৰুষৰ দৰে মহম্মদো মানুহ আৰু সেয়ে মৰণশীল। তেওঁৰ অবিহনেও সৃষ্টি থাকিব আৰু তোমালোকে জানো আল্লাৰ ওচৰত প্ৰাৰ্থনা নজনাবা?

নিমাত নিস্তব্ধ হৈ সহযোগীসকল আবু বক্কৰৰ নেতৃত্বত প্ৰাৰ্থনাত বহিল। এটা সফল জীৱনৰ পৰিসমাপ্তি ঘটিল। ■

# চৰাইৰ ব্যৱসায়

ডিম্বেশ্বৰ চলিহা

যিখন পৃথিৱীত মানুহৰ এজনে আনজনৰ দুখ-কষ্ট, শোক-তাপ, অভাৱ-অনাটন অনুভৱ কৰিবলৈকে সময় নাই, সেইখন পৃথিৱীত ইতৰ জীৱ-জন্তু, চৰাই-চিৰিকতিৰ দুখ বেদনা অনুভৱ কৰিবলৈ মানুহৰ সময় ক'ত ? অথচ এই পৃথিৱীখনত সিহঁত আমাতকৈ আদিম অধিবাসী। সেই অৰ্থতে এই পৃথিৱীখনত সিহঁতৰ স্বত্ব অধিক হব লাগিছিল। কিন্তু নহ'ল। মানুহৰ উন্নত মগজুটোৰ কাৰণেই সিহঁত পাতৰ তলৰ লাও হৈ ৰ'ল। এই প্ৰাচীন বাসিন্দা সকলেই আজি আটাইতকৈ শোষিত আৰু নিষ্পেষিত। দেশৰ কৰ্ণধাৰ সকলৰতো এওঁলোকৰ দুখ বেদনা অনুভৱ কৰিবলৈ সময়েই নাই, সামাজিক কৰ্মী আৰু সাংবাদিক সকলেও এওঁলোকলৈ ঘূৰি নাচায়। ৰাজনৈতিক নেতা আৰু কৰ্মীসকলে স্বাভাৱিকতে প্ৰাণীৰ কথা লৈ মূৰ নঘমোৱায়, কাৰণ এওঁলোকৰ ভোটাধিকাৰেই নাই। গতিকে এওঁলোকৰ কথা ভাবে কোনে ?

মানৱ সমাজৰ এনে অমনোযোগিতাৰ কাৰণেই আজি এচাম লোকে নানা-ধৰণৰ প্ৰাকৃতিক সম্পদৰ ওপৰত অহৰহ অত্যাচাৰ চলাই গৈছে। আমাৰ আকাশ মাৰ্গত উৰি ফুৰা বাৰে বৰণীয়া চৰাইবোৰো এই দস্যু সকলৰ হাতৰ পৰা ৰক্ষা পৰা নাই। সৰুতে শুনিছিলো–"মাছ মৰা মোচোৰা, পহু মৰা খুতৰা চৰাই মাৰি শুদা ভাত খায়।" অৰ্থাৎ মাছ মাৰিবলৈ গ'লে মুচৰিবলৈ মোৱা দৰিকণা এটা হ'লেও পাবই। ঠিক তেনেকৈ ৰাইজ দল বান্ধি পহু মাৰিবলৈ গ'লে এটা হলেও পহু মাৰিব পাৰিব আৰু ৰাইজে ভাগ জোখ কৰি দুই এখুতৰা হ'লেও খাবলৈ পাব। কিন্তু চৰাই মৰা কঠিন। কাৰণ, আগৰ দিনত চৰাই মাৰিবলৈ কেৱল বাটলুগুটি আৰু ধনুহে আছিল। গতিকে চৰাইৰ গাত বাটলুগুটি বা ধনুৰ কাঁড় নালাগিবও পাৰে।

বৰ্তমান অৱশ্যে চৰাই মৰাই আটাইতকৈ সহজ। ইয়াৰ প্ৰধান কাৰণ হ'ল–ইহঁতৰ মুক্ত বিচৰণ। সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য বা ৰাষ্ট্ৰীয় উদ্যান একোখন প্ৰাণীৰ সংৰক্ষণৰ কাৰণেই স্থাপন কৰা হৈছে যদিও জন্তুৰ দৰে চৰাইক সংৰক্ষিত এলেকাৰ ভিতৰতে আবদ্ধ কৰি ৰাখিব নোৱাৰি। ইহঁতে বনাঞ্চলৰ বাহিৰত যতে ততে বিচৰণ কৰে আৰু সেই কাৰণেই সিহঁত চিকাৰীৰ চকুত সহজে ধৰা পৰে। তদুপৰি চৰাই বা জন্তু মৰাৰ কাৰণে নানা ধৰণৰ আধুনিক বন্দুক, বাৰুদবো সৃষ্টি



*চৰাই বিক্ৰীৰ বজাৰ*

হৈছে। চিটিকা পতা, জাল পেলোৱা আদি নানান কৌশলেও চৰাই ধৰা সহজ কৰি তুলিছে।


কুৰি বছৰ মানৰ আগৰ কথা। মই এদিন আমাৰ কলেজত এগৰাকী সহ অধ্যাপকৰ লগত চৰাই ধৰাৰ কৌশল সম্পৰ্কে আলোচনা কৰি



আছিলো। তেখেত আছিল আ`'ৰ কলেজৰ উদ্ভিদ বিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক। নাম কুলেন দাস। ইতিমধ্যে তেখেতৰ মৃত্যু হৈছে। অধ্যাপক দাসে নিজৰ চৰাই ধৰাৰ অভিজ্ঞতা সম্পৰ্কে মোৰ আগত যি বৰ্ণনা দাঙি ধৰিলে মই শুনি স্তম্ভিত হৈ পৰিলো। তেখেতে হেনো সৰু কালতে লগৰ ল'ৰাৰ লগ লাগি নগাঁৱৰ কিছুমান বিলত বনৰীয়া হাঁহ ধৰি পাছত মাৰি খাইছিল। তেখেতৰ কৌশলটো হ'ল–বিলখনত কিছুমান মাটিৰ কলহ ওলোটাই পানীত ওপঙাই দিয়া হৈছিল। কলহবোৰ কেইবাদিনো ধৰি ওপঙি থকাত বিলত পৰা বনৰীয়া হাঁহবোৰে ভয় নোখোৱা হৈছিল আৰু কলহৰ মাজে মাজে সাঁতুৰি ফুৰিছিল। পাছত দাস আৰু তেখেতৰ লগৰীয়াবোৰে গাটো ডিঙিলৈকে পানীত ডুবাই মূৰটো কলহ একোটাৰ ভিতৰত সুমুৱাই হাঁহ পৰা ঠাইৰ পৰা কিছু দূৰৈত পানীত নামি পৰিছিল। চকুৰে চাব পৰাকৈ কলহটোত চকুৰ পোনে পোনে দুটা ফুটা উলিয়াই লোৱা হৈছিল। কলহেৰে মূৰটো ঢাকি হাঁহজাকৰ ওচৰলৈ আহিলেও সিহঁত উৰি নগৈছিল। কাৰণ, সিহঁতে সকলো কলহকে একে ধৰণৰ বুলিয়েই ভাবিছিল। সুবিধা পালেই হাঁহৰ তেনেই কাষ চাপি হাঁহ একোটাৰ ঠেং কেইখন হাতেৰে ধৰি পানীৰ তললৈ টানি নিছিল। পানীৰ তললৈ নিয়াৰ কাৰণে হাঁহটোৱে মাতিব নোৱাৰিছিল আৰু মাতি`'ৰ চেষ্টা কৰিলেও ওপৰৰ হাঁহে নুশুনিছিল। পানীৰ তলত কিছুসময় থোৱাৰ পাছত হাঁহটোৰ মৃত্যুৱেই হৈছিল। অধ্যাপক দাসৰ মতে এনে কৌশল প্ৰয়োগ কৰি তেখেত সকলে নিতৌ বহুতো হাঁহ মাৰিছিল।

অনুৰূপ এক ঘটনাৰ কথা কুনল বৰ্মা নামৰ এজন লোকে "চেংচুৰি" নামৰ আলোচনীখনৰ ১৯৮৭ চনৰ প্ৰথম সংখ্যাটোত উল্লেখ কৰিছে। তেখেতে লেখিছে যে বিহাৰৰ উত্তৰ পূব অঞ্চলত থকা পুৰ্ণিয়া জিলাৰ কিছুমান বিলত জাকে জাকে শৰালি চৰাই পৰে। বিলবোৰৰ মাজে মাজে ইকৰা খাগৰি আদি নানা ধৰণৰ জলজ উদ্ভিদ। গতিকে পানীত চৰা চৰাইৰ উপযুক্ত বাসস্থান। তাতো হেনো পানীৰ মাজে মাজে কিছুমান কলহ ওলোটাই ওপঙাই থোৱা হয়। কলহবোৰ সদায় দেখি থাকে কাৰণে তাত পৰা শৰালি চৰাইবোৰ কলহলৈ ভয় নকৰে আৰু কলহৰ মাজে মাজেই চৰি ফুৰে। তাতো ওপৰত উল্লেখ কৰা পদ্ধতিৰেই চৰাই`'ৰ ধৰা হয়। ধৰাৰ পাছতে চৰাইবোৰ ডে`কাবোৰ ভাঙি দিয়া হয়। তাত হেনো চৰাই ধৰাটো এক ডাঙৰ ব্যৱসায়। চৰাই ধৰা লোকসকলে চৰাই একোজোটা হাতে হাতে লৈ ৰাষ্ট্ৰীয় পথৰ কাষত বহি থাকে আৰু ৰাষ্ট্ৰীয় পথেদি যোৱা ড্ৰাইভাৰ বা আনলোকক বিক্ৰী কৰে।

তাত একোটা শৰালিৰ মূল্য কুৰি টকা। বজাৰত বিক্ৰী কৰা যি কোনো মাংসতকৈ এই



*প্ৰকৃতিৰ বুকুত বিহংগমৰ মুক্ত বিচৰণ*

মূল্য কম। গতিকে বিক্ৰী কৰাত অসুবিধা নহয়। চৰাই ধৰা লোক সকলে যে কেৱল শৰালিৰ ব্যৱসায়হে কৰে, তেনেও নহয়। দীঘল নেজীয়া হাঁহ, দেওঁ হাঁহ, কাম চৰাই, বৰশৰালি আদি কেইজাত মান আপুৰুগীয়া চৰাই ধৰিও বিক্ৰী কৰে। মাটিৰ কলহ ওপঙোৱাৰ উপৰিও সেইসকল লোকে বিভিন্ন ধৰণৰ জাল পাতিও বহুত চৰাই ধৰে। কেৱল পূৰ্ণিমা জিলাতে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত ছয় ঠাই মানত এনে বনৰীয়া জলজ পক্ষী বিক্ৰী কৰা হয়। এই কেইঠাইত কমেও পঞ্চাশজন মান লোকে বনৰীয়া হাঁহ বিক্ৰী কৰে। এইখিনি ঠাইত কমেও পাঁচশ মান হাঁহ নিতৌ বিক্ৰী কৰা হয়।

পশ্চিম বংগৰ ফাৰাককা দলঙৰ দক্ষিণলৈ

এক বিস্তৃত অঞ্চলতো সেই একেই অৱস্থা। ইয়াত অৰণ্যে শৰালিতকৈও অন্যান্য হাঁহৰ ব্যৱসায়হে বেছিকৈ হয়। পশ্চিম বংগৰ সুন্দৰবন অঞ্চলতো চৰাই ধৰি জীৱিকা মোকোলোৱা লোকো অনেক আছে। তাত সকলো ধৰণৰ চৰাইৰ ব্যৱসায় চলে।

দিল্লীত বহুতো বস্তুৰে গোপন লেনদেন হোৱাৰ কথা হয়তো সকলোৱেই জানে। কিন্তু তাতে চৰাইৰ গোপন বজাৰ এখনো যে চলি থাকে, সেই কথা সম্ভৱ বহুতেই নাজানে। উত্তৰ প্ৰদেশৰ কনৌজ, পিলিভিট আদিত ধৰা বহুতো চৰাই দিল্লীৰ বজাৰলৈ অনা হয়। আনকি দুই এজাত আন দেশৰ চৰায়ো কলিকতা আৰু মাদ্ৰাজৰ পৰা দিল্লীলৈ আহে।

কিন্তু যি সকল ভাৰতীয় চিকাৰীয়ে চৰাই ধৰি বিক্ৰী কৰে, তেওঁলোকে বৰ বেছি পইচাও নাপায়। ভাটৌ চৰাই একোটাত তেওঁলোকে তিনি বা চাৰিটকা মানহে পায়। কিন্তু সেই ভাটৌটোৰে দাম দিল্লীত হয়গৈ পোন্ধৰৰ পৰা বিশ টকা। পঢ়িব শুনিব নজনা বহুতো লোকে বনৰীয়া চৰাই ধৰি বিক্ৰী কৰি তাৰেই জীৱন নিৰ্বাহ কৰে। তেওঁলোকৰ দুই একে এনেকৈও কব খোজে–"আমাক আন সংস্থান দিয়ক। আমি চৰাই ধৰা বাদ দিম।"

চিটিকা পাতি চৰাই ধৰা আৰু চৰাই বিক্ৰী কৰা কামটো নতুন নহয়। বহত দিনৰ আগৰে পৰাই ই চলি আহিছে। বৰ্তমান চৰাই চিৰিকতিৰ সংখ্যা কমি অহা কথাটো এচাম প্ৰকৃতিপ্ৰেমীলোকৰ সজাগতাৰ কাৰণেহে সকলোৰে চকুত ধৰা দিছে। আনহাতে চৰাই ধৰোতা সকলে কিন্তু ইয়াক দোষণীয় বুলি ধৰা নাই। তেওঁলোকৰ এজনে এবাৰ ভাটৌ চৰাইৰ উদাহৰণ দি কৈছে যে তেওঁলোকে অজস্ৰ ভাটৌ চৰাই বিক্ৰী কৰিছে, কিন্তু ভাটৌৰ সংখ্যাটো কমা নাই। তেওঁলোকে এনেকৈহে কব খোজে যে ভাটৌ চৰাই ধৰি তেওঁলোকে শস্য ৰক্ষাতহে সহায় কৰিছে। ফলৰ বাগিচাৰ মালিক একোজনে তেওঁলোকে ভাটৌ একোটা ধৰিলে বিশৰ পৰা পঁচিশ টকালৈকে দিয়ে। কাৰণ, একোটা ভাটৌৱে দিনটোত কেইবাটাও ফল খায়। তেওঁলোকৰ এনেবোৰ কথাৰ যুক্তি নথকা নহয়। ভাটৌ, শালিকা, ঘৰচিৰিকা আদিৰ ক্ষেত্ৰত তেওঁলোকৰ তেনে যুক্তি ৰজিব পাৰে, কিন্তু সংখ্যাত কমি অহা আপুৰুগীয়া চৰাইবোৰৰ ক্ষেত্ৰত তেওঁলোকৰ সেই যুক্তি নাখাটে।

শেন বা ঈগল একোটাৰ জনসংখ্যা ভাটৌৰ দৰে নাবাঢ়ে। ফেঁচা বা হুদুৰ ক্ষেত্ৰতো সেই একেই কথা। যাদুকৰ সকলে যাদু প্ৰদৰ্শন কৰিবলৈ বহুত দাম দিও ফেঁচা একোটা কিনি লয়। সুললিত মাতটোৰ কাৰণেই পাহাৰীয়া ময়না চৰাই অধিক দামত বিক্ৰী হয়। ক'লা আৰু ধূসৰ বৰণীয়া পাট্ৰিজ (Partridge) চৰাই দুজাতৰ মূল্যও আন চৰাইতকৈ বেছি। কাৰণ, ইহঁতৰ মাজত যুঁজ লগাই বহুতো লোকে আনন্দ উপভোগ কৰে। একোটা চিক্ৰা (Chikra) চৰাইৰ দাম ৬০ টকা আৰু একোটা ফেঁচাৰ দাম ১৫০ টকা।

চৰাই ধৰা লোকৰ পৰা আৰম্ভ কৰি ব্যৱসায়ী আৰু দালাললৈকে একোটা চক্ৰ থাকে। আপুনি দালালক লগ ধৰি আপোনাক কি চৰাই লাগে কৈ দিলেই কেইদিনমানৰ ভিতৰতে সেই চৰাই আপোনাৰ হাতত পৰিবহি।

বেলেগ বেলেগ চৰাই বেলেগ বেলেগ কৌশলেৰে ধৰা হয়। কিছুমান চৰাই জাল মাৰি ধৰা হয় আৰু কিছুমান আন কৌশলেৰে ধৰা হয়। তাৰে এটা কৌশল হ'ল এনেধৰণৰ–দীঘল এছাৰি এডালত এবিধ ঘৰুৱা ভাবে তৈয়াৰ কৰা এঠা সানি থোৱা হয়। শেন, ঈগল আদি চিকাৰী চৰাই ধৰিবলৈ হ'লে কোনো এঠাইত সিহঁতৰ কাৰণে টোপ একোটা থৈ দিয়া হয়। এনে টোপ এন্দুৰ, নিগনি, হাঁহ পোৱালি আদি যি কোনো হব পাৰে। টোপ খাবলৈ চোঁচা মাৰি আহোতেই তেনে চৰাইৰ ওপৰত জাল পেলাই দিয়া হয় বা এঠা লগোৱা এছাৰি চৰাইটোৰ গাত পেলাই দিয়া হয়। চৰাইটো জালত সোমাই পৰে বা এছাৰিত লাগি ধৰে। এছাৰিৰে মাৰোতে কেতিয়াবা দুই এটা চৰাই মৰেও। তদুপৰি সঁজাত ভৰাই এঠাইৰ পৰা আন ঠাইলৈ নিওঁতেও দুই এটা চৰাইৰ মৃত্যু হয়। হিচাপ কৰি দেখা গৈছে যে গ্ৰাহকৰ হাতত জীৱিত অৱস্থাত গতাই দিবলৈ প্ৰতি তিনিটা চৰাইৰ এটা মানহে থাকৈগে। গন্তব্যস্থান পাওঁতে পাওঁতে বাকী দুটা চৰাইৰ মৃত্যুৱেই হয়। তদুপৰি গ্ৰাহকৰ হাতত গতাই দিয়াৰ আগৰ সময়ছোৱাত চৰাইবিলাকক ভালকৈ খাব বলৈও দিয়া নহয়।

ভাৰতৰ কোনো কোনো ঠাইত বনৰীয়া হাঁহ ধৰিবলৈ এক আচৰিত ধৰণৰ কৌশল অৱলম্বন কৰা হয়। সৰু নৈ বা নিজৰাত সোঁতৰ ফালে সৰু বাট এটা থৈ পানীৰ মাজতে ইকৰা, খাগৰি আদিৰে পঁজা একোটা সাজি লয়। পঁজাটো ঘাঁহ বনেৰে এনেকৈ ঢাকি লয় যে হাঁহে সেইটো কিবা আচহুৱা বস্তু বুলি নাভাবে। ৰাতি বনৰীয়া হাঁহ পানীৰ ওপৰতে শুই থাকে আৰু এই শুই থকা অৱস্থাতে সোঁতত উটি গৈ পঁজাৰ ভিতৰত সোমায়গৈ। পঁজাৰ ভিতৰত চাকি একোটা জ্বলাই চৰাই ধৰাজন আগৰে পৰাই তাত খাপ পাতি বৈ থাকে। গতিকে তেওঁ পঁজাৰ ভিতৰত হাঁহ সোমোৱা মাত্ৰকে ডিঙিত টিপা দি মাৰি পেলায়। এনেকৈ একোজন লোকে ৰাতিটোৰ ভিতৰতে ডেৰশৰ পৰা দুশমান হাঁহ ধৰিব পাৰে।

অসমৰ অন্যান্য ঠাইত বনৰীয়া চৰাইৰ ব্যৱসায় চলে নে নচলে–নাজানো, কিন্তু মই থকা এইখন ডিব্ৰুগড় চহৰতে আজি বহুত বছৰ ধৰি বনৰীয়া চৰাইৰ এক মুকলি ব্যৱসায় দেখি আহিছো। ফাগুন চ'ত মাহত কিছুমান লোকে নানা ধৰণৰ চৰাই সঁজাত ভৰাই লৈ ডিব্ৰুগড় নগৰৰ বাটে ঘাটে ঘূৰি ফুৰা দেখা যায়। প্ৰতিজন লোকেই চাৰিৰ পৰা ছটা মান সঁজা লৈ ফুৰে। গড় হিচাপত একোজন লোকৰ হাতত পঞ্চাশটা মানকৈ চৰাই থাকে। চৰাইবিলাকৰ ভিতৰত নানান জাতৰ ভাটৌ, পাহাৰী মইনা, বুলবুলি, টুনি আৰু নানান ৰংবিৰঙৰ পাহাৰী চৰাই থাকে। পাহাৰী মইনা আৰু ভাটৌৰ দামেই আটাইতকৈ বেছি। ত্ৰিশৰ পৰা চল্লিশ টকা। সৰু চৰাইবোৰ পোন্ধৰ টকা মানতো বিক্ৰী কৰে। তেওঁলোকক সোধাত গম পোৱা গ'ল যে তেওঁলোকে চৰাইবোৰ অৰুণাচলৰ পৰা আনে। প্ৰশ্ন হ'ল–এই মানুহবোৰ বন্যপ্ৰাণী সংৰক্ষণৰ সকলো আইন উলঙ্ঘা কৰি হাজাৰ বিজাৰ চৰাই কেনেকৈ ধৰে? অৰুণাচলৰ বন বিভাগৰ চকুত এইবোৰ কথা ধৰা নপৰে কিয়? আনহাতে আমাৰ হাটে বজাৰে মুকলিকৈ বিক্ৰী কৰি ফুৰোতে আমাৰ বনবিভাগৰ লোকসকলেও নেদেখেনে?

এনেবিলাক প্ৰশ্নৰ উত্তৰ হয়তো কাহানিও নোলাব। কেৱল বন্যপ্ৰাণীৰে নহয়, দেশৰ বেছিভাগ আইন কানুনেই ফাইলৰ ভিতৰতে সীমাবদ্ধ। মুকলিলৈ ওলালেও তাত ইমান সুৰুঙা থাকে যে দোষীতকৈ নিৰ্দোষীৰ হাৰশাস্তি হোৱাৰ সম্ভাৱনাই অধিক। সেই কাৰণেই আজিকালি সৎ মানুহেও অনাহকতে সমস্যা এটা মূৰ পাতি লৈ বিপদ চপাই লব নোখোজে। বহুতো কথা দেখিও নেদেখাৰ আৰু শুনিও নুশুনাৰ ভাও জুৰিব লগাত পৰে। কিন্তু সমাজ জীৱনৰ প্ৰতিটো স্তৰতে এনে মনোবৃত্তি বিপদ জনক। বহুতো ৰাজ্যত আমোদৰ কাৰণেই চৰাই বধ কৰাটো আইনমতে নিষিদ্ধ কৰা হৈছে। তথাপি চৰাই চিকাৰ বন্ধ হোৱা নাই–চলি আছে।

চৰাই চিকাৰ আৰু চৰাইৰ ব্যৱসায় সহজে বন্ধ কৰা টান। কাৰণ, যিবিলাক ঠাইৰ লোক অত্যন্ত দুখীয়া তেওঁলোকে চৰাই মাৰি বিক্ৰীও কৰে আৰু লগতে খায়ো। বহুতৰ আকৌ চিটিকা পাতি বা বাটলুগুটি মাৰি চৰাই ধৰাটো এক চখো। তদুপৰি যিবিলাক ঠাইত আন মাংসৰ অভাৱ, তাত চৰাইৰ মাংসই বেছিকৈ চলে।

কোটি কোটি টকা খৰচ কৰি অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যান সমূহ গঢ় দিয়া হৈছে। সিবিলাকৰ চাৰিসীমাৰ ভিতৰত হয়তো চৰাইৰ নিৰাপত্তা থাকে। কিন্তু চৰাই একোটাৰ কাৰণে তেনে চাৰিসীমাৰো অৰ্থ নাথাকে। সি যি কোনো মূহুৰ্ততে আৰু যি কোনো কাৰণতে অভয়াৰণ্য বা সংৰক্ষিত বনাঞ্চলৰ বাহিৰ ওলাই যাব পাৰে। গতিকে মানুহৰ মানসিক পৰিবৰ্তন নহ'লে আৰু মানুহৰ অন্তৰত প্ৰকৃতি প্ৰেমৰ বীজ সিঁচিব নোৱাৰিলে চৰাইৰ ভৱিষ্যত সদায়েই অনিশ্চিত হৈ ৰব। ❑





# কটন কলেজ ছাত্ৰ সংস্থাৰ নিৰ্বাচন

স্বপ্না বেজবৰুৱা


বৰ্তমান বাতৰিৰ শিৰোনামা দখল কৰা কটন কলেজ ছাত্ৰ সংস্থাৰ জন্ম হৈছিল ১৯২১ চনত। কটন কলেজ ছাত্ৰ সংস্থাৰ বুৰঞ্জীত নাম লিখা প্ৰথম জন সম্পাদক আছিল উমা কান্ত শৰ্মা। এতিয়ালৈকে কটনত ৫৬ জন সাধাৰণ সম্পাদকে কাৰ্যনিৰ্বাহ কৰিছে আৰু এওঁলোকৰ কেইবাজনেও বৰ্তমান অসমৰ ৰাজনীতিত গুৰুত্বপূৰ্ণ স্থান দখল কৰি আছে। ইয়াৰ ভিতৰত অতুল বৰা, ভৰত নৰহ, কিৰীপ চলিহা উল্লেখযোগ্য। অতুল বৰাই একেলেথাৰিয়ে ২টা বছৰৰ বাবে সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। সেইদৰে ভৰত নৰহো দুবাৰ সম্পাদক আছিল। এই সমূহ ৰেকৰ্ড ভংগ কৰে হিমন্ত বিশ্ব শৰ্মাই। এইবাৰৰ নিৰ্বাচনত ধাৰাশায়ী হলেও তেওঁ পূৰ্বতে তিনিবাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। কটনৰ সাধাৰণ সম্পাদকৰ নামৰ তালিকাত তৃতীয়বাৰ নাম লিখাৰ পাছত শৰ্মাই চতুৰ্থবাৰ প্ৰয়াস কৰিছিল।

কটন কলেজৰ ছাত্ৰ সংস্থাৰ নিৰ্বাচনে এইবাৰেই যে গুৰুত্ব লাভ কৰিছে এনে নহয়। ইয়াৰ গুৰুত্ব আগৰে পৰাই আছে কাৰণ এইখনেই অসমৰ আটাইতকৈ পুৰণি শিক্ষানুষ্ঠান আৰু সমগ্ৰ অসমৰে মেধাশক্তিৰ ভঁৰাল। গতিকে তেওঁলোকৰ বিচাৰ বিবেচনাৰ প্ৰতি সমগ্ৰ অসমে বাট চাই থাকে। লক্ষীনাথ বেজবৰুৱাই কৈছিল– 'আজি কটনে যি ভাবিব, অসমে কালিলৈহে সেইটো ভাবিব'। কিন্তু এইবাৰ নিৰ্বাচনৰ আগ মুহূৰ্তত কটনে যি ক'লে সেয়া অসমৰ বাবে দুৰ্ভাগ্যজনক।

অসম আন্দোলনৰ আগলৈ ছাত্ৰ সমাজৰ নিৰ্বাচনত প্ৰধান প্ৰতিদ্বন্দ্বী আছিল সদৌ অসম ছাত্ৰ সংস্থা আৰু এচ, এফ, আই (S. F. I.) কিন্তু অসম আন্দোলনৰ পাছত আটচু, আটছা, এ, আই, এছ, এফ, আৰ্মকা আদি বহু ছাত্ৰ সংগঠনে ছাত্ৰ সকলৰ মাজত প্ৰভাৱ বিস্তাৰ কৰিবলৈ ল'লে। আনহাতে আন্দোলনৰ সময়ত ৰাজনৈতিক দল কংগ্ৰেছ (ই)ৰ ব্যক্তি সকল ছাত্ৰ সমাজৰ প্ৰত্যাহ্বানৰ সমুখীন হোৱাৰ পৰা তেওঁলোকেও ছাত্ৰ সমাজৰ নিৰ্বাচনত প্ৰভাৱ বিস্তাৰ কৰিবলৈ উঠি পৰি লাগিল। প্ৰথম অৱস্থাত তেওঁলোক সক্ষম হ'ব পৰা নাছিল যদিও লাহে লাহে আছুৰ দুৰ্বলতাৰ সুযোগ লৈ ছাত্ৰ সমাজৰ মাজত সোমাবলৈ সক্ষম হ'ল। আনকি সদৌ অসম ছাত্ৰ সংস্থাৰ মুখ্য কাৰ্যালয় আৰু অসম আন্দোলনৰ মুখ্য হোতা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্ৰ সংস্থাৰ যোৱা নিৰ্বাচনতো কংগ্ৰেছৰ প্ৰতিনিধিয়ে জয় লাভ কৰি কাৰ্যনিৰ্বাহিকত সোমাবলৈ সক্ষম হ'ল। তেওঁলোকৰ সেই প্ৰচেষ্টা কটন কলেজ ছাত্ৰ সংস্থাৰ নিৰ্বাচনতো অব্যাহত আছিল।

কটন কলেজখন যিহেতু চৰকাৰী কলেজ সেয়ে দিছপুৰত যি দলৰে চৰকাৰ থাকে সেই দলে নিজৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ চেষ্টা কৰে। কাৰণ ছাত্ৰ শক্তি এটা বৃহৎ শক্তি। সেয়ে ইয়াৰ একাংশ যদি নিজৰ অনুকূলে ৰাখিব পৰা হয় তেন্তে তেওঁলোকে বৰ্তমান আৰু ভৱিষ্যতত বহুতো সুবিধা আদায় কৰা সম্ভৱ হৈ উঠে। বিশেষকৈ কটন যিহেতু মেধা শক্তিৰ ভঁৰাল গতিকে তাৰ পৰাই সমাজৰ বহুতো প্ৰশাসনীয় বিষয়াৰ পৰা আদি কৰি বিশেষ প্ৰভাৱশালী লোকৰ সৃষ্টি হয়। সেয়ে ছাত্ৰ অৱস্থাতে তেওঁলোকৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি নিজৰ দলৰ বাবে সমৰ্থন আদায় কৰিব পাৰিলে ভৱিষ্যতেও সেই সুবিধা গ্ৰহণ কৰিব পৰা যায়। যেতিয়াই ক্ষমতাত অধিষ্ঠিত দলে কটনৰ ছাত্ৰ সকলক হাত কৰাৰ প্ৰস্তুতি চলায় তেতিয়াই অন্যান্য বিৰোধী দলবোৰে সেই শক্তি প্ৰতিহত কৰিবলৈ আপ্ৰাণ চেষ্টা চলায়। এই যুদ্ধত ব্যৱহাৰ কৰা হয় কিশোৰ ছাত্ৰ সকলক। যিসকলে বিদ্যালয়ৰ পৰা আহি মহাবিদ্যালয়ত প্ৰথম ভৰি দিয়েহি। তেওঁলোকৰ সমুখত মেলি দিয়া হয় বিধে বিধে যান বাহন, টকা পইছা আৰু ৰুচিসম্মত খাদ্য যিবোৰ খাদ্য এজন ছাত্ৰই কোনো বিলাসী হোটেলত গৈ নিজৰ হাত খৰচৰ বাবে দিয়া টকা কেইটাৰে কিনি খোৱাটো সম্ভৱ নহয়। লগতে যি সকল ছাত্ৰ টকা পইছাৰ প্ৰতি বেছি আগ্ৰহী তেনে বিলাসী ছাত্ৰক ঠিকা ঠুকলি চাকৰি বাকৰিৰ প্ৰলোভন দেখুৱাই নিজৰ অনুকূলে প্ৰচাৰ কাৰ্যত ব্যৱহাৰ কৰা হয়। তেতিয়া ছাত্ৰসকলে নিজস্ব বিচাৰ বুদ্ধি শূন্য কৰি তেওঁলোকৰ নেতাৰ পাছত দৌৰিবলৈ আৰম্ভ কৰে। এইবাৰ কটন কলেজৰ নিৰ্বাচনে এই সংস্কৃতিৰ চৰ্চা কৰা বুলি প্ৰতিদিনে বাতৰি প্ৰকাশ পাইছিল। এই ধৰণৰ সংস্কৃতিয়ে অধিকাংশ ছাত্ৰীক প্ৰভাৱান্বিত কৰিব নোৱাৰিলেও ছাত্ৰসকলৰ মাজত এটা ধুমুহাৰ সৃষ্টি হৈছিল।

কটন কলেজৰ এইবাৰৰ নিৰ্বাচনৰ ধুমুহাই ছাত্ৰ-ছাত্ৰী সকলৰ লগতে স্থানীয় অভিভাৱক সকলকো স্পৰ্শ কৰিছিল। ছাত্ৰ শিক্ষক অভিভাৱক সকলোকে এটা কলেজ নিৰ্বাচনত



## কটন কলেজ ছাত্ৰ সংস্থাৰ সম্পাদকসকল

(১) উমাকান্ত শৰ্মা (১৯২১-২২)
(২) ৰামেশ্বৰ শৰ্মা (১৯২২-২৩)
(৩) দুৰ্গা প্ৰসাদ বুজৰবৰুৱা (১৯২৩-২৪)
(৪) মাধৱ চন্দ্ৰ ভট্টাচাৰ্য্য (১৯২৪-২৫)
(১৯২৪ চনৰ ১৫ নবেম্বৰলৈ, পাছত)
(৫) ললিত চন্দ্ৰ দাস (১৯২৪-২৫)
(৬) মথুৰা নাথ গোস্বামী (১৯২৫-২৬)
(৭) শংকৰচৰন বৰুৱা (১৯২৬-২৭)
( ২৬ চনত তেখেতে কলেজ এৰি যোৱা পাছত )
(৮) ৰজনীকান্ত বৰুৱা (১৯২৬-২৭)
(৯) ভদ্ৰেশ্বৰ দাস (১৯২৭-২৮)
(১০) হৰেন্দ্ৰ নাথ শৰ্মা (১৯২৮-২৯)
(১১) হৰেশ্বৰ শৰ্মা (১৯২৯-৩০)
(১২) কামাখ্যা চৰন ত্ৰিপাঠী (১৯৩০-৩১)
(১৩) নগেন্দ্ৰ নাথ চৌধুৰী (১৯৩১-৩২)
(১৪) মাধৱ চন্দ্ৰ বেজবৰুৱা (১৯৩২-৩৩)
(১৫) পবিত্ৰ প্ৰান চাংকাকতি (১৯৩৪-৩৫)
(১৬) আবুল ফজল (১৯৩৫)
(১৭) প্ৰফুল্ল গোস্বামী (১৯৩৬-৩৭)
(১৮) প্ৰফুল্ল গোস্বামী (১৯৩৭-৩৮)
(১৯) ফনী তালুকদাৰ (১৯৩৮)
(২০) খগেন বৰবৰা (১৯৩৯)
(২১) উমা শৰ্মা (১৯৪০)
(২২) নাৰায়ন চন্দ্ৰ দাস (১৯৪১-৪২)
(২৩) চুৰেন শৰ্মা (১৯৪৫)
(২৫) শৈলেন মেধি (১৯৫৬)
(২৫) প্ৰভাত চন্দ্ৰ ফুকন (১৯৫৯)
(২৬) দিলীপ কুমাৰ কাকতি (১৯৬০)
(২৭) নৃপেন গোস্বামী (১৯৬১-৬২)
(২৮) ইন্দ্ৰ গগৈ (১৯৬২-৬৩)
(১৯) মানিক মহন্ত (১৯৬৩-৬৪)
(৩০) দিপ্তী কুমাৰ বৰুৱা (১৯৬৪-৬৫)
(৩১) সুশীল কুমাৰ গোস্বামী (১৯৬৫-৬৬)
(৩২) জ্যোতি কাকতি (১৯৬৬-৬৭)
(৩৩) প্ৰনৱ কুমাৰ চৌধুৰী (১৯৬৭-৬৮)
(৩৪) অতুল বৰা (১৯৬৮-৬৯)
(৩৫) অতুল বৰা (১৯৬৯-৭০)
(৩৬) দিলীপ দাস (১৯৭১-৭২)
(৩৭) কিৰীপ চলিহা (১৯৭২-৭৩)
(৩৮) দিলীপ কুমাৰ বৰা (১৯৭৩-৭৪)
(৩৯) বিপুল বৰা (১৯৭৪-৭৫)
(৪০) কন্দৰ্প কুমাৰ মহন্ত (১৯৭৫-৭৬)
(৪১) প্ৰদীপ বৰুৱা (১৯৭৬-৭৭)
(৪২) ভাস্কৰ খাউণ্ড (১৯৭৭)-৭৮)
(৪৩) উত্তম বৰঠাকুৰ (১৯৭৮-৭৯)
(৪৪) ভৰত নৰহ (১৯৭৯-৮০)
(৪৫) ভৰত নৰহ (১৯৮০-৮১)
(৪৬) হৰেন তালুকদাৰ (১৯৮২-৮৩)
(৪৭) বিজয়ানন্দ দুৱৰা (১৯৮৩-৮৪)
(৪৮) দিলীপ হাজৰিকা (১৯৮৪-৮৫)
(৪৯) কেশৱ গগৈ (১৯৮৫-৮৬)
(৫০) দিলীপ হাজৰিকা (১৯৮৬-৮৭)
(৫১) মুকুল শৰ্মা (১৯৮৭-৮৮)
(৫২) হিমন্ত বিশ্ব শৰ্মা (১৯৮৮-৮৯)
(৫৩) হিমন্ত বিশ্ব শৰ্মা (১৯৮৯-৯০)
(৫৪) জয়দীপ কলিতা (১৯৯০-৯১)
(৫৫) হিমন্ত বিশ্ব শৰ্মা (১৯৯১-৯২)
(৫৬) ভূৱন পেগু (১৯৯২)

জড়িত কৰাৰ প্ৰধান সংঘাত হ'ল ৰাজনীতি আৰু অৰাজনীতি। বহুসংখ্যক ছাত্ৰ ছাত্ৰী তথা শিক্ষক অভিভাৱকে কলেজত ৰাজনৈতিক হস্তক্ষেপ হোৱা বুলি অনুভৱ কৰিছিল। ইয়াৰ কাৰণ অৱশ্যে বেলেগ বেলেগ। কিছুমানৰ মতে কলেজখনলৈ সামান্য ঘোষণা এটা কৰিবলৈ ৰাষ্ট্ৰপতিক অনাৰ অজুহাতত মন্ত্ৰীসকলৰ সঘন আগমনে কলেজৰ পৰিবেশ নষ্ট কৰিছে। তেওঁলোকে এইদৰেও মন্তব্য কৰে যে যিসময়ত আৰ্থিক সংকটৰ বাবে কলেজৰ বহুতো উন্নয়ন মূলক কাম পিছ পৰি আছে সেই সময়ত স্নাতকোত্তৰ কলেজ বুলি ঘোষণাটো কৰিবলৈকে ৰাষ্ট্ৰপতিক আমন্ত্ৰণ জনোৱাতো এটা ৰাজনৈতিক কৌশল মাত্ৰ। কাৰণ এখন স্নাতকোত্তৰ কলেজৰ বাবে কোনো ধৰণৰ আগতীয়া প্ৰস্তুতি নোহোৱাকৈ এটা ঘোষণাই যথেষ্ট নহয়। কটন কলেজৰ লাইব্ৰেৰী, শ্ৰেণী কোঠা, ছাত্ৰ-ছাত্ৰী আবাস, জিৰণি কোঠা আদিৰ সুবিধা এখন কলেজৰ প্ৰয়োজন পূৰাব পৰাও নহয়। গতিকে এনে অৱস্থাত ৰাষ্ট্ৰপতিৰ অহাৰ নামত খৰচ কৰা টকাৰে যদি কেইচপৰা মান ইটাও গাঁঠিলেহেঁতেন তেন্তে স্নাতকোত্তৰ কলেজখন গঢ় লৈ উঠাও সহজ হ'লহেঁতেন। অৱশ্যে ৰাষ্ট্ৰপতি অহাৰ বাবে কলেজখন যথেষ্ট ৰংচঙীয়া হৈ পৰিল। যদি ৰাষ্ট্ৰপতি আহিলেহে কলেজত ৰং দিয়া হয়, প্ৰস্ৰাবগাৰ চাফা কৰা হয় তেন্তে ৰাষ্ট্ৰপতি আহিব লাগে। অন্যহাতে এখন চৰকাৰী কলেজৰ বছৰেকীয়া মেৰামতিও ৰাষ্ট্ৰপতি নাহিলে নহয় অথচ এখন বেচৰকাৰী কলেজ কৰ্তৃপক্ষৰ যত্নত সুন্দৰ হৈ থাকে তেন্তে কটন কলেজ চৰকাৰী হোৱাৰ যুক্তি ক'ত? চৰকাৰে কলেজখনক ৰাজনৈতিক প্ৰচাৰৰ থলি হিচাপেহে ব্যৱহাৰ কৰিছে।

**অৱশ্যে কলেজখনৰ বিশৃংখলতাৰ বাবে বহুতে কলেজৰ অধ্যক্ষজনৰ দুৰ্বল প্ৰসাশনীয় নীতি বুলিও ক'ব খোজে**

অন্য এচামৰ মতে একেলেথাৰিয়ে তিনিবাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰা এজন ছাত্ৰনেতাই কলেজখনত মুখ্যমন্ত্ৰীৰ প্ৰতিনিধি হিচাপে কাৰ্য-কলাপ চলাই গৈছিল। যিটোৱে কলেজখনৰ অৰাজনৈতিক ভাবমূৰ্তি নষ্ট কৰিছিল। তেওঁৰ দিছপুৰৰ লগত এনেকুৱা সম্পৰ্ক আছিল যে মন্ত্ৰীয়েও তেওঁৰ ইংগিত মতেহে কাম কৰিছিল। কলেজৰ অধ্যক্ষক অৱজ্ঞা কৰিলেও ছাত্ৰনেতাজনৰ কথা অৱজ্ঞা কৰা নাছিল।

আৰু এটা চাবলৈ ক'বলৈ বিচাৰে যে কলেজত ৰাজনৈতিক অৰাজনৈতিক একো কথা জড়িত নাই। প্ৰাক্তন সম্পাদক জনৰ স্বেচ্ছাচাৰিতাই কলেজৰ ছাত্ৰ সকলৰ মাজত বিশেষ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। যি কাৰণে তেওঁক প্ৰতিহত কৰিবলৈ নিৰ্বাচনত সকলো উঠি পৰি লাগিছিল। এওঁলোকে এইটোও স্বীকাৰ কৰিছে যে প্ৰাক্তন সম্পাদকজনৰ চৰকাৰৰ লগত বিশেষ ঘনিষ্ঠতা গঢ়ি উঠাৰ বাবেই স্বেচ্ছাচাৰিতা দিনক দিনে বৃদ্ধি পাইছিল। এই স্বেচ্ছাচাৰিতা ইমানেই বৃদ্ধি পাইছিল যে তেওঁ কলেজৰ শিক্ষককো বদলি কৰাই দিম বুলি দম্ভালিৰ সুৰত কথা কৈছিল যিটোৱে কটন কলেজত চলি অহা ছাত্ৰ শিক্ষকৰ মধুৰ সম্পৰ্কত ব্যাঘাত জন্মাইছিল।

যি কাৰণেই নহওক কটন কলেজৰ এইবাৰৰ নিৰ্বাচনী বতাহ অভূতপূৰ্ব আছিল। বিশেষকৈ সাধাৰণ সম্পাদক পদৰ জয় পৰাজয়ৰ বাতৰিলৈ সমগ্ৰ সচেতন অসমবাসী উদ্বিগ্ন হৈ আছিল। নিৰ্বাচনী বতাহ যেনেদৰে অভূতপূৰ্ব আছিল সেইদৰে ফলাফলো আছিল অভূতপূৰ্ব। এইবাৰেই কটন কলেজৰ নিৰ্বাচনত সৰ্বাধিক ছাত্ৰ ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। মুঠ ভোটদাতাৰ সংখ্যা আছিল প্ৰায় ২২৮৪ জন। যোৱাবছৰ ভোটাৰ সংখ্যা আছিল প্ৰায় ১৬০০। সেইবাৰ সম্পাদক হিমন্ত বিশ্ব শৰ্মা জয়ী হৈছিল মাত্ৰ ৬৬ টা ভোটত আৰু এইবাৰ তেওঁ ভূৱন পেগুৰ হাতত পৰাজিত হয় ৬১৮ টা ভোটত। আনহাতে উপসভাপতিজন জয়ী হয় মাত্ৰ ১৫টা ভোটত। উল্লেখযোগ্য যে এইবাৰ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰতিদ্বন্দ্বীজনক আটাইকেইটা ছাত্ৰ সংগঠনে সমৰ্থন জনাইছিল। আনকি ছাত্ৰ ছাত্ৰীৰ অভিভাৱক সকলেও নৈতিক সমৰ্থন জনোৱাৰ উপৰিও প্ৰচাৰৰ বাবে আৰ্থিক সাহায্য দিবলৈও আগবাঢ়ি আহিছিল। ছাত্ৰৰ নিজৰ বৃত্তিৰ (Scholarship) ৰ ধন খৰচ



## কটন কলেজৰ সম্পাদকৰ এটি সাক্ষাৎ

প্ৰশ্ন : নিৰ্বাচনত কি কি সমস্যাৰ সমুখীন হৈছিল ?

ভূৱন পেগু :- কটনিয়ানৰ মাজত সচেতনতা জগাই তোলাত প্ৰথম অৱস্থাত নিশ্চয় কষ্ট হৈছিল। অৱশ্যে শেষলৈ সফল হৈছোঁ। ফলাফলেই তাৰ প্ৰমান। তেনেকৈ কটনিয়ানৰ সমাজখনত কোনো ডাঙৰ সমস্যাৰ সন্মুখীন হোৱা নাছিলো।

প্ৰশ্ন :- কটনৰ ছাত্ৰ ইউনিয়নৰ অৰাজনৈতিক বুলি ভাবেনে ?

ভূৱন পেগু :- হোৱা উচিত।

প্ৰশ্ন :- নিৰ্বাচনত সদায় ৰাজনৈতিক প্ৰভাৱ পৰা বুলি শুনা যায় ইয়াৰ কাৰণ কি ? কটনৰ নিৰ্বাচন লৈ ৰাজনৈতিক দলবিলাক কিয় ইমান সচেতন ?

ভূৱন পেগু :- কটন কলেজক জনপ্ৰিয়তা অৰ্জনৰ ক্ষেত্ৰ হিচাপে ব্যৱহাৰ কৰাৰ প্ৰৱনতা ৰাজনৈতিক দলবোৰৰ বাবে স্বাভাৱিক। 'সচেতন' শব্দৰ সৈতে একমত হ'ব নোৱাৰিলো। সচেতন হোৱা হ'লে তেওঁলোকে ছাত্ৰ ৰাজনীতিত হস্তক্ষেপ কৰিবলৈ নাহে।

প্ৰশ্ন :- ছাত্ৰ-ছাত্ৰীসকলৰ পৰা আপুনি কেনে সহাৰি পাইছিল আৰু কিয় পাইছিল বুলি ভাবে ?

ভূৱন পেগু :- নিৰ্বাচনৰ ফলাফলে দেখোন সহাঁৰি দেখুৱাই দিছেই। কটন মাত্ৰ কটনিয়ানৰে নহয় সমগ্ৰ অসমৰ। নিৰ্দ্ধৰিত নহয়, কটনিয়ানৰ ওপৰতে ন্যস্ত সমাজ গঢ়াৰ দায়িত্ব। ঐতিহাসিক দ্বায়িত্ববোধ কটনিয়ানে অনুভৱ কৰিছে।

প্ৰশ্ন :- যোৱা বছৰকেইটিত কটন ছাত্ৰ সংস্থাৰ কাৰ্যাৱলী সম্পৰ্কে আপোনাৰ মতামত কি ?

ভূৱন পেগু :- এইবোৰ কথা বহলভাৱে কাগজে পত্ৰই আলোচনা হৈছেই। মই এতিয়া একো নকওঁ।

প্ৰশ্ন :- আগন্তুক বছৰটোত আপুনি কি কৰিম বুলি ভাবিছে ? নিৰ্বাচনী প্ৰতিশ্ৰুতি কিবা আছেনে ?

ভূৱন পেগু :- আমি বহুবাৰ কৈছো, কটন কলেজৰ পৰিচয় প্ৰাঙ্গনৰ ওখ ওখ ঘৰকেইটাত নহয়, কটনৰ পৰিচয়
কটনৰ স্মৃতিত। কটনে সৃষ্টি কৰা বৌদ্ধিক, সাংস্কৃতিক, প্ৰকৃতাৰ্থত সুন্দৰ শৈক্ষিক পৰিবেশত। আজি হয়তো তাত অলপ হ'লেও হানি হৈছে। আমি প্ৰতিশ্ৰুতি দিছিলো, সবাতোকৈ গুৰুত্ব দিম শৈক্ষিক পৰিবেশ গঢ় দিয়াত। কটন সৃষ্টি কৰক পৰিপূৰ্ণ ব্যক্তিত্বৰ।
কটনিয়ানৰ ব্যক্তিত্বৰ বিভিন্ন দিশ শক্তিশালী হোৱাৰ মানসেৰে গঢ় দিয়া কটনিয়ান সমাজখনৰ মাজৰে বিভিন্ন 'হবি চেন্টাৰ', 'ফ'ৰাম ইত্যাদিবোৰ এতিয়া প্ৰায়বোৰেই মৃতপ্ৰায়। আমি চেষ্টা কৰিম সেইবোৰক সক্ৰিয় কৰাত। একে উদ্দেশেৰে আমি প্ৰয়োজনীয় প্ৰতিটো দৃঢ় পদক্ষেপ ল'বলৈ সংকল্পবদ্ধ। সেয়ে এটা কথা, কোনো ক্ষেত্ৰতে কটনক ৰাজনৈতিক দলৰ ক্ৰীড়াভূমি হবলৈ এৰি নিদিওঁ। সেয়ে মোৰ শেষ কথা।

কৰিছিল। এই সম্পৰ্কত নব-নিৰ্বাচিত সম্পাদক ভূৱন পেগুৱে কয় যে 'মই ছাত্ৰ-ছাত্ৰী, অভিভাৱক আৰু সমগ্ৰ অসমবাসীৰে নৈতিক সমৰ্থন লাভ কৰিছিলো। ইয়াত ৰাজনৈতিক অৰাজনৈতিকৰ প্ৰশ্নই নাহে।' বহু সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে এই বুলিও মন্তব্য কৰিছিল যে হিমন্ত বিশ্ব শৰ্মাৰ বিপক্ষে যদি বাঁহৰ মূঢ়া এটাও থিয় হৈছে তেওঁকো নিৰ্বাচিত কৰিব। অৱশেষত শৰ্মা পৰাজিত হ'ল। মন কৰিবলগীয়া যে- আগতে তিনিবাৰকৈ নিৰ্বাচিত হোৱা হিমন্ত বিশ্ব শৰ্মা আগৰ কেইবাৰ সদৌ অসম ছাত্ৰ সংস্থাৰ প্ৰতিনিধি আছিল আৰু সদৌ গুৱাহাটী ছাত্ৰ সংস্থাৰ বিষয়ববীয়া আছিল। কিন্তু এইবাৰ তেওঁ সদৌ অসম ছাত্ৰ সংস্থাৰ পৰা বহিষ্কৃত সদস্য। ভূৱন পেগুৰ সমৰ্থক সকলৰ মতে কটনিয়ানৰ ৰায় হ'ল- 'আমাক ৰাজনীতি নালাগে'।

প্ৰাক্তন সাধাৰণ সম্পাদকজনক যিমানেই ৰাজনীতিৰ লগত জড়িত বুলি কৈ অহা হৈছে তেওঁ প্ৰতিবাৰেই ইয়াক খণ্ডন কৰি কৈ আহিছে যে- তেওঁ যি কৰিছে কলেজৰ স্বাৰ্থতহে কৰিছে। তেওঁ নিৰ্বাচনী প্ৰচাৰ পত্ৰত উল্লেখ কৰিছে যে "কটন কলেজৰ উন্নয়নৰ বাবে আমি সংগ্ৰাম কৰিছো। সেয়া যদি ভুল হয়, মই শুদ্ধও হ'ব নিবিচাৰো।, আনহাতে তেওঁৰ বিপৰীত পক্ষৰ শ্লগান আছিল "ৰাজনীতিৰ পৰা শিক্ষা জগতলৈ।" অলপতে বাতৰি কাকতৰ এটা সাক্ষাৎকাৰত হিমন্ত শৰ্মাই কৈছে যে- মই ভাৰতৰ একেবাৰে অৰাজনৈতিক ব্যক্তি এটৰ্নি জেনেৰেল হ'ব বিচাৰো। কিন্তু মানুহে যদি অনবৰতে মোক আক্ৰমণ কৰি থাকে তেন্তে মই সক্ৰিয় ৰাজনীতিত নামি পৰিব পাৰো।" একেটা সাক্ষাৎকাৰতে তেওঁ কৈছে- নতুন কমিটি খন বিফল হ'লে দুমাহৰ পাছত কলেজৰ স্বাৰ্থত তেওঁ 'কলেজ উন্নয়ন মূলক সংস্থা' নামেৰে নতুন সংগঠন আৰম্ভ কৰিব।

দেখা গৈছে যে নিৰ্বাচনৰ ৰায় স্পষ্ট হোৱাৰ পাছতো ছাত্ৰ-ছাত্ৰীসকলৰ মাজত নিৰ্বাচনৰ আলোচনাই প্ৰধান বিষয় হৈ আছে। দেখাত পৰিবেশ শান্ত যেন লাগিলেও ভিতৰি ভিতৰি ছাত্ৰাবাস সমূহত দুই পক্ষৰ অৰিয়াঅৰিৰ অন্ত পৰা নাই। যদিহে দুয়ো পক্ষ এক হৈ একেলগে কাম কৰাৰ পৰিবৰ্তে ক্ষমতা হ'লেহে কটনৰ উন্নয়ন সাধন কৰিব পৰা যায় বুলি ভাবে আৰু তাৰ বাবেই সদায় দুটা পক্ষ জীয়াই ৰাখে তেন্তে কলেজৰ উন্নয়নো সম্ভৱ নহয় আৰু শৈক্ষিক পৰিবেশো উন্নত নহয়। বৰঞ্চ এই বিভাজন সমগ্ৰ অসমৰ ছাত্ৰ সমাজৰ মাজলৈ বিয়পি পৰাৰ সম্ভাৱনাই অধিক স্পষ্ট। অসমৰ শীৰ্ষস্থানীয় শিক্ষানুষ্ঠান কটন কলেজৰ এই অপৰিসমাপ্ত দ্বন্দ্বই ছাত্ৰ সমাজৰ ভৱিষ্যত সম্পৰ্কে সন্দেহ অধিক ঘনীভূত কৰি তুলিছে। এইটোও সন্দেহৰ অৱকাশ নথকা নহয় যে-ছাত্ৰসমাজৰ মাজত এটা ৰহস্যজনক শক্তি সোমাই পৰিছে।



SCD

# সাহসৰ অবিহনে সকলো অসাৰ

প্ৰচলিত ধৰ্ম বিশ্বাসৰ বিৰুদ্ধে গৈ সত্যৰ প্ৰচাৰ কৰাৰ কাৰণে গিয়ৰ্ডোনো ব্ৰুণোক জীয়াই জীয়াই পুৰি মৰা হৈছিল, কিন্তু মৃত্যুৰ ভয়ে ব্ৰুণোক নিজৰ আদৰ্শৰ পৰা বিচলিত কৰিব পৰা নাছিল। এই মৃত্যুঞ্জয়ী সাহসেই হ'ল মানুহৰ আটাইতকৈ ডাঙৰ গৌৰৱ। অৱশ্যে পৃথিৱীৰ সকলো মানুহেই একো একোজন গিয়ৰ্ডোনো ব্ৰুণো হ'ব বুলি নিশ্চয় আশা কৰিব নোৱাৰি। সাধাৰণ মানুহে নানা ধৰণৰ সৰু সুৰা আপোচ কৰি কৰি সংসাৰৰ বাটত আগবাঢ়ে। কিন্তু তথাপিতো নিম্নতম মানৱিক মৰ্যাদা লৈ জীয়াই থাকিবলৈ হলেও যি কেইটা গুণৰ বিশেষ আৱশ্যক, সেইবোৰৰ ভিতৰত আটাইতকৈ বেছি দৰকাৰী হ'ল সাহস। নৈতিক সাহস।

অলপ ভাবি চালেই দেখা যায় যে মানুহক মানুহ কৰে কেৱল সাহসেইহে। মৃত্যুৰ ভয়ত যদি ছক্ৰেটিছে নিজৰ বিচাৰ-বুদ্ধি বিসৰ্জন দি এথেন্সৰ সংখ্যা-গৰিষ্ঠ নাগৰিকৰ কথাতে হয়ভৰ দিলেহেঁতেন, তেনেহলে এথেন্সৰ সেই সময়ৰ বোন্দা কেচু এটাৰ নিচিনাকৈ ছক্ৰেটিছো আজি আমাৰ ভৰিৰ তলৰ এচপৰা মাটিৰ বাহিৰে আন একো হৈ নাথাকিলহেঁতেন। প্ৰকৃত মানুহে নিজৰ জীৱনতকৈয়ো সন্মান আৰু সত্যকহে বেছি মূল্য দিয়ে। কাৰ্থেজ আৰু ৰোমৰ দীঘলীয়া যুদ্ধত এবাৰ ৰোমান সেনাপতি ৰেগুলাছ কাৰ্থেজৰ হাতত বন্দী হ'ল। যুদ্ধ কৰি ভাগৰি পৰা কাৰ্থেজে অৱশেষত ৰোমলৈ সন্ধিৰ প্ৰস্তাৱ পঠিয়াবলৈ মনস্থ কৰি ৰেগুলাছক কটকী হিচাপে নিৰ্বাচন কৰিলে। অৱশ্যে এই বুলি চৰ্ত বান্ধি দিয়া হ'ল যে ৰেগুলাছে যদি ৰোমক সন্ধি কৰাবলৈ সন্মত কৰাব নোৱাৰে, তেনেহলে তেওঁ পুনৰ কাৰ্থেজৰ কাৰাগাৰলৈ ঘূৰি আহিব লাগিব। কিন্তু ৰোমলৈ গৈ ৰেগুলাছে এই বুলিহে প্ৰস্তাৱ দিলে যে ৰোমে যেন কাৰ্থেজৰ লগত সন্ধি কৰাৰ কথা মুহূৰ্তৰ কাৰণেও চিন্তা নকৰি চূড়ান্ত জয়লাভ নোহোৱা পৰ্যন্ত যুদ্ধ চলাই যায়। তেওঁৰ এই কাৰ্যৰ একমাত্ৰ অৰ্থ হ'ল এই যে তেওঁ আকৌ কাৰ্থেজৰ কাৰাগাৰলৈ – অন্তহীন যন্ত্ৰণা আৰু অনিবাৰ্য মৃত্যুৰ বুকুলৈ – ঘূৰি আহিব লাগিব। অৱশ্যে ইচ্ছা কৰিলেই ঘূৰি নহাকৈয়ো তেওঁ থাকিব পাৰে। কাৰ্থেজৰ পৰা কোনে ৰোমলৈ গৈ তেওঁক ঘূৰি আহিবলৈ বাধ্য কৰিব পাৰে? ৰোমৰ নেতাসকলেও তেওঁক বুজাবলৈ চেষ্টা কৰিলে যে ৰেগুলাছ কাৰ্থেজলৈ ঘূৰি যাবলৈ নৈতিকভাবে বাধ্য নহয়, কাৰণ তেওঁৰ বন্দী দশাত জোৰকৈ তেওঁৰ পৰা এনে এটা প্ৰতিশ্ৰুতি আদায় কৰা হৈছিল। কিন্তু ৰেগুলাছ খণ্ডত গৰ্জি উঠিল; "কি কলা? মই মোৰ প্ৰতিশ্ৰুতি ভঙ্গ কৰিম? মই জানো, কাৰ্থেজত মোৰ কাৰণে অপেক্ষা কৰি আছে অমানুষিক অত্যাচাৰ আৰু মৃত্যু। কিন্তু অপৰাধী বিবেকৰ মুহু-মুৰ্হুঃ দংশনতকৈ সেই যন্ত্ৰণা বেছি ভয়াবহ নহয়। মই ৰোমৰ পৰা সন্ধিৰ প্ৰস্তাৱ আদায় কৰিব নোৱাৰিলে কাৰ্থেজলৈ ঘূৰি যাম বুলি কথা দিছিলো, গতিকে মই ঘূৰি যামেই।"

ৰেগুলাছ কাৰ্থেজলৈ ঘূৰি গ'ল আৰু অকথ্য অত্যাচাৰ ভুগি মৃত্যু বৰণ কৰিলে।

আপুনি মই ছক্ৰেটিছ-ব্ৰুণো-ৰেগুলাছ হ'ব হয়তো নোৱাৰো বা হবৰ দৰকাৰো নাই। কিন্তু আপুনি যদি এজন শিক্ষক হয়, তেন্তে পৰীক্ষাৰ্থীয়ে সকলোকে বুঢ়া আঙুলি দেখুৱাই কিতাপ মেলি লৈ প্ৰশ্নোত্তৰ লিখিলে তেওঁক এষাৰ ধমক দিবলৈ অন্ততঃ আপোনাৰ সাহস থকা উচিত। আপুনি যদি এজন বুদ্ধিজীৱী অধ্যাপক হয়, তেন্তে একলাখ ছাত্ৰৰ হৈ-ধ্বনি শুনিয়েই ক্ষুদ্ৰ কৰ্মটি নকৰি সমস্ত জীৱন ধৰি লালন কৰা আদৰ্শৰ প্ৰতি অনুগত হৈ থাকিবলৈ আপোনাৰ সাহস থকা উচিত? আপুনি যদি এটা ছাত্ৰাবাসৰ ৱাৰ্ডেন হয়, তেন্তে মদ খাই ছাত্ৰাবাসত মাতলামি কৰা ছাত্ৰ কেইজনৰ পাশবিক আচৰণ দেখিও নেদেখাৰ ভাও নুজুৰি অন্ততঃ এটা ধমক দিবলৈ আপোনাৰ সাহস থকা উচিত? আপুনি যদি কোনোবা এখন মূধা-ফুটা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য হয়, তেন্তে আপোনাৰ বিশ্ববিদ্যালয়ৰ ছাত্ৰাবাসবোৰ পাঁচশ বাহিৰা মানুহে বেদখল কৰি থকাৰ প্ৰতিবাদত আন একো কৰিব নোৱাৰিলেও অক্ষম আৰু ক্লীব উপাচাৰ্যৰ চকীখন এৰি আহিবলৈ আপোনাৰ সাহস থকা উচিত?

আপুনি সেইবোৰ একো নকৰে। আপোনাৰ নিচিনা পুৰুষৰ কথা ভাবিয়েই এবাৰ এগৰাকী ইউৰোপীয় ৰমণীয়ে দীৰ্ঘশ্বাস পেলাই কৈছিল: "কাপুৰুষৰ ঘৈণী হৈ থকাতকৈ বীৰৰ বিধৱা হোৱা বহুত বেছি বাঞ্ছনীয়।"

(পুনৰ্মুদ্ৰিত)





# পাতি পইছা, ডবল পইছা

ডা: মুক্তি প্ৰসাদ গগৈ


ৰেলগাড়ীত উঠিবলৈ ভাল। ভাল ভাল ৰেলগাড়ীত উঠিবলৈ আৰু ভাল। মিটাৰ গেজৰ "পাতি পইছা ডবল পইছা" কৰি চলা ৰেলগাড়ীখন আগৰ দৰেই ভালহৈ আছে। কিন্তু আজি ভালেদিন উঠা নাই। কিন্তু ব্ৰডগেজৰ ৰেলত "পাতি পইছা ডবল পইছা" সুৰটো মিলাবলৈ অসুবিধা। অসমৰ বহুত ঠাইলৈকে সৰুৰে পৰা ৰেলত অহা যোৱা কৰিছো। কিন্তু ৰাংছালীৰ পৰা শিমলুগুৰিলৈ অহা যোৱা মিটাৰগেজৰ ৰেলখনত অলপ বেছি উঠিছো। ৰাংছালী ষ্টেচন কেতিয়াবাই উঠি গ'ল। এতিয়া মৰাণেই শেষ ষ্টেচন। মৰাণ আৰু শিমলুগুৰিৰ ভিতৰত এবাৰ আহে এবাৰ যায়। আজিকালি দুই এখন বাঢ়িছে নেকি খবৰ লোৱা নাই।

ৰেলখন বৰ ঘৰুৱা বুলি আমি জানো। মানুহৰ ভিৰ বৰ নাই। কেইটামান পুৰণিকলীয়া ষ্টেচন মাজে মাজে দুটামান চাইডিং। "চাইডিং" শব্দটোনো কিয় প্ৰয়োগ কৰিলে নাজানো। মৰাণ, চেপন, খৰাহাট, মহখুটি, শিৱসাগৰ, কুজীবালী এই কেইটা ষ্টেচনৰ কথাই মনত আছে। বৰকৈ অনুৰোধ কৰিলে ড্ৰাইভাৰে পথাৰৰ মাজতে কেতিয়াবা ৰাখি দিছিল, আমি নামি পথাৰৰ মাজেদি ঘৰলৈ পোনাই দিছিলো। সিও এটা বৰ ভাল লগা অভিজ্ঞতা। আজিকালি চাগে এইদৰে নৰখায়। এবাৰ বহাগৰ বিহুত শিৱসাগৰলৈ যাবলৈ ওলাই গৈ টিকট কাটি ৰেলখনত বহিলোগৈ। আমি সৰু সৰু কেইটামান। গাড়ীখনতো নচলে। ঔ আই শুনিলো ড্ৰাইভাৰ জন নাই। ক'লাকোট আৰু ধুতি পিন্ধা শকত বগাকৈ বঙালী ষ্টেচন মাষ্টৰজনে গোটেই ৰেলৰ ডবাবোৰত ড্ৰাইভাৰ বিচাৰি ঘৰ্মুটিয়াবলৈ ধৰিলে। শেষত এটা প্ৰথম শ্ৰেণীৰ ডবাৰ পৰা ড্ৰাইভাৰ ডাঙৰীয়াৰ মাত শুনা গ'ল। কথাটো সাধাৰণ। আগদিনা ৰাতি ক'ৰবাত বিহু মাৰিবলৈ গৈ ঘূৰি আহোতে বহুত পলম হ'ল। সেই কাৰণেই টোপনি ভাঙোতে ইমান দেৰি। এঘন্টামান পিছত "পাতি পইছা ডবল পইছা" কৰি ৰেলখন চলিবলৈ আৰম্ভ কৰিলে। এইবোৰ কথালৈ মনত পৰিলে এতিয়াও ভাল লাগে। মৰিয়নিৰ পৰা যোৰহাটলৈ যোৱা ৰেলগাড়ীখন আছিল 'স্মলগেজৰ'। তেনেই সৰু। শুনামতে তাতে উঠি গান্ধীজী এবাৰ যোৰহাটলৈ যাত্ৰা কৰিলে। মাজবাটতে গান্ধীজীৰ ডবাটো চিগি থাকি গ'ল। ৰেলৰ আগ ভাগ চলি কৰবাত ওলালগৈ। আজিকালিৰ 'নিগনিৰ দৌৰ' হেন ব্যক্তিগত আৰু সামূহিক জীৱনত এইবোৰ কথা ভাবিলে কেনেবা লাগে।

সেই কাৰণেই মাজে মাজে ভাবো জীৱনত কি বিচাৰিব লাগিছিল কি নিবিচাৰিলো এতিয়া কি বিচাৰিব লাগে, কি বিচাৰিব পাৰো ইত্যাদি ইত্যাদি। ইয়াৰ একো উত্তৰ নাই–একো সমাধান নাই। দিঠকত সপোন দেখা মানুহে কেৱল প্ৰশ্নহে কৰিব উত্তৰ বিচাৰি নাপায়। পালেও তাৰ অৰ্থ বুজি নাপায়। ১৯৭২ চনতে এবাৰ ৰেলেৰে আগ্ৰালৈ যোৱা আৰু ঘূৰি অহা। আৰু কেইবাজনো লগৰ ডাক্তৰৰ লগত এখন কনফাৰেন্সত যোগ দিবলৈ।

তাৰ পিছত আকৌ ১৯৮৮ চনত ভাৰতবৰ্ষৰ বহুত ঠাইলৈ ৰেলেৰে অকলে ফুৰিলো। কিছুমান কামত, কিছু ঠাইত এনেই ফুৰিবলৈ। ৰেলগাড়ীবোৰ ভালেমান সালসলনি হ'ল। আমাৰ ইয়াত নহলেও দেশত বহুত বেগাই যোৱা ৰেলগাড়ী হ'ল। ডবাবোৰৰো বহুত উন্নতি। কিন্তু এটা কথা একে ধৰণেৰেই থাকি গ'ল। সেইটো হ'ল বাথৰুম কেইটা। সেই মলমলাই থকা গোন্ধটো আমাৰ বাপতি সাহোন যেনেই লাগে। তাতে মাজে সময়ে পানী নাই, খোৱা-বোৱাৰো প্ৰায় একেই অৱস্থা আগৰ দৰে। কেইখনমান ভাল ভাল ৰেলৰ বাহিৰে খোৱা-বোৱা সাধাৰণতে বেয়া। কিন্তু ইংৰাজৰ দিনৰ "ডাইনিং কাৰ'ৰ খোৱা বৰ উচ্চস্তৰৰ আছিল। চাহাবৰ লগতে সেই খোৱাবো তিৰোধান হ'ল!

এটা বিশেষ কাৰণত কেইদিনমানৰ বাবে দিল্লীলৈ মই আৰু মোৰ পুত্ৰৰ যাব লগা। উৰাজাহাজৰ ভাড়া ইমান বাঢ়িল দুজনৰ কেৱল



ভাড়াই প্ৰায় বাৰ হেজাৰ টকা। নিজৰ গাঁঠিৰ ধন ভাঙি উৰাজাহাজত এইবোৰ ঠাইলৈ অহা-যোৱা কৰিব নোৱৰা হৈছে। গতিকেই ৰেলত যোৱাকে ঠিক কৰিলো।

দিল্লীলৈ এতিয়া গুৱাহাটীৰ পৰা বেগাই যোৱা গাড়ী দুখন। এখন "নৰ্থইষ্ট" আৰু এখন "ব্ৰহ্মপুত্ৰ"। ব্ৰহ্মপুত্ৰৰ আগৰ নাম "তিনিচুকীয়া এক্সপ্ৰেছ"। ইয়াৰে পিছৰ খনত দুৰাতি আৰু আগৰ খন ৰেলত এৰাতি কটাব লগীয়া হয়। সময় হিচাপে অৱশ্যে বৰ পাৰ্থক্য নাই।

৬ জুলাই ১৯৯২ তাৰিখে এই গৰমত ব্ৰহ্মপুত্ৰ এক্সপ্ৰেছতে দিল্লীলৈ যোৱা ঠিক কৰিলো। কামো আছে লগতে অলপ ফুৰাও হ'ব। উত্তৰ ভাৰতৰ গৰমলৈ ভয় কৰি আৰু চেকেণ্ড ক্লাছত বিহাৰত হ'ব পৰা ভিৰ, নিজৰ বয়স সকলো ভাবিচিন্তি "এচি চেকেণ্ড ক্লাছ'ৰে টিকট কিনা আৰু ৰিজাৰ্ভ কৰা হ'ল। অলপ শান্তিত যোৱাৰ ইচ্ছা। তাতোকৈ ভাল বিচাৰিলে বহুত ধন ভাঙি প্ৰথম শ্ৰেণী এচি নাইবা উৰাজাহাজত যাব লাগিব।

ৰেলগাড়ী আগবেলা চাৰে দহবজাত এৰিব। ৰ'দ উঠি যথেষ্ট গৰম পৰিছে। পাঁচ ছয় নম্বৰ প্লেটফৰ্মত আৰু অন্যান্য ঠাইতো লোকে লোকাৰণ্য। যোৱা গৈছে অহা আহিছে। খেনোৱে শুই বহি আছে। এটা ডাঙৰ ব্যস্ত ষ্টেচনৰ সচৰাচৰ দৃশ্য। তাতে দেখিলো বি এচ এফ্ নে চি আৰ পি জোৱান কেইজনমানে প্লেটফৰ্মতে জুই ধৰি ভালেমান ৰুটি কৰি আছে, তেওঁলোকৰো গৰমত কম কষ্ট হোৱা নাই। ইমান অসুবিধাৰ ভিতৰতে আকৌ গাড়ীখন আজি পলম। কেইঘণ্টা পলম হ'ব জানিবৰ উপায়ো নাই। কোনো ঘোষণাও নাই। উৰাজাহাজত অন্ততঃ সঘনাই কৈ থাকে। ভাল ভাল ৰেল ষ্টেচনতো নোকোৱা নহয়। যিয়েই নহওক এঘন্টামানৰ পিছত লাহে লাহে গাড়ীখন প্লেটফৰ্মত সোমালহি। লগে লগে আৰম্ভ হ'ল মানুহৰ দৌৰা-দৌৰি আৰু হাই উৰুমি। কেনেকৈ আগতে ডবাত সোমাব পাৰি বিশেষকৈ যি সকলৰ "ৰিজাৰ্ভেচন" নাই। যাৰ ৰিজাৰ্ভেচন আছে তেওঁলোকেও কোনটো ডবা, ৰিজাৰ্ভেচনৰ তালিকাত নামটো আছেনে নাই, ডবাটোৰ দুৱাৰ খুলিছেনে নাই, টি টি জন ক'ত, মানুহবোৰে ঠেলা ঠেলি কৰিছে কিয় এইবোৰ লৈ অনাহকতে উত্তেজিত হয় অলপ সময়ৰ কাৰণে হলেও।

হঠাতে ঘোষণা কৰিলে বোলে আজিৰ গাড়ীখনত "এয়াৰকণ্ডিচন" দ্বিতীয় শ্ৰেণীৰ ডবাটোৱেই নাই। কি কাৰণ জানিবৰ উপায় নাই। প্ৰত্যেকৰে বেলেগ বেলেগ ব্যাখ্যা। যি যাত্ৰী নাযায় পইছা ঘূৰাই পাব আৰু যি যায় সাধাৰণ দ্বিতীয় শ্ৰেণীৰ ডবাত যাব পাৰে। কথাটো এইদৰে কৈ দিয়াটো সহজ কিন্তু যাত্ৰী কেইজনৰ কথা ভাবি চাওকচোন। কেইবাদিনৰ পৰা যোৱাৰ বন্দৱস্ত। চাৰিওফালে নানা যা যোগাৰ ৰাতিপুৱা লৰা-ধপৰাকৈ ওলাই আহি ষ্টেচনত গৰমত ভিৰত বৈ বৈ হঠাতে এনে এটা খবৰে মানুহৰ মগজ গৰম কৰি নিদিব জানো? তাতে কিছুমানৰ কিমান জৰুৰী কাম কাৰোবাৰ ব্যৱসায়, কাৰোবাৰ দিল্লীত হস্পিতেল ডাক্তৰৰ লগত কাম, কাৰোবাৰ অফিচত কাম – সকলো বেমেজালি লাগি যাব। শৰীৰৰ কষ্টখিনি বাদেই দিলো। ৰেলগাড়ীখন গুৱাহাটীৰ পৰাই আৰম্ভ ইয়াৰ পৰা ডবাটো ঠিক কৰি লগাই দিব নোৱাৰেনে? যদি নোৱাৰে আগতেই যাত্ৰী সকলক কৈ দিয়া নাই কিয়? আগদিনাই কৈ দিব লাগিছিল। শুনিছো এজনে উত্তৰ দিলে। আমি হাঁহিলো তেঁৱো অলপ লাজতে হাঁহিলে।

যাত্ৰাৰ দ্বিতীয় সন্ধিয়াটোত যাত্ৰীখিনিৰ ভিতৰত সঁচাকৈয়ে মিলাপ্ৰীতিৰ ভাব সঞ্চাৰ হ'ল। ইজনে সিজনক খুব কম সময়ৰ ভিতৰতে ভাল পাবলৈ ধৰিলে। শিলিগুৰিতে আৰু এজনী সৰু ছোৱালী আৰু মাক উঠিছিল। এখন বাগানৰ মেনেজাৰৰ স্ত্ৰী আৰু জীয়েক। তেওঁলোক দুয়ো দিল্লীলৈ যাব। লাহে-ধীৰে তেওঁলোকো এই হাঁহি ফুৰ্তিত যোগ দিলে। সকলোৱে ইজনে সিজনক নিজৰ নাম ঠিকনা ইত্যাদি দিলে আৰু ভৱিষ্যতে কৰবাত লগপোৱাৰ ইচ্ছা প্ৰকাশ কৰিলে।

যেই কেনো এখন চহৰ বা ঠাই ভাল লগা বেয়া লগা কেৱল ঠাইখনৰ আৰু তাৰ সা-সুবিধা, তাৰ প্ৰাকৃতিক সৌন্দৰ্য, আদিৰ ওপৰত নিৰ্ভৰ নকৰে। সেই ঠাইত থকা বন্ধু-বান্ধৱৰ এই বোৰৰ ওপৰতো ভালেখিনি নিৰ্ভৰ কৰে বুলি ভাবো। কাৰণ ই মোৰ ব্যক্তিগত অভিজ্ঞতা।

দুটা দিন ৰেলখনত কেনেকৈ গ'ল ধৰিবই নোৱাৰিলো। পিছদিনা ৰাতিপুৱাই দিল্লী পালোগৈ। ইজনে সিজনৰ পৰা বিদায় লৈ নিজৰ গন্তব্য স্থানলৈ নানা উপায়ে সকলো ষ্টেচনৰ পৰা ওলাই গ'ল।

ৰেলৰ পৰা ওলাই আহি দিল্লী চহৰৰ ভিৰৰ মাজত এটা সম্পূৰ্ণ বেলেগ পৰিবেশত সোমালোহি। যি কি কাৰণত নহওক দিল্লীলৈ প্ৰায়ে অহা হয়। চাকৰি কৰি থাকোতে সঘনাই অহা হৈছিল নানা মেল মিটিং আদিৰ বাবে। দিল্লী চহৰখন মোৰ ভালেই লাগে। ডাঙৰ ডাঙৰ ৰাস্তা, পাৰ্ক, ফুলনি, ৰাস্তাৰ দাঁতিৰ গছ-গছনি ৰাতিহলে নানাধৰণৰ ৰঙীন বিজুলী বাতিৰে পোহৰ হৈ থকা চহৰখন ধুনীয়া বুলিয়েই ক'ব পাৰি। ভগৱানৰ কৃপাত দেশে বিদেশে বহুতো ভালে বেয়াই চহৰ দেখিছো। সেইবোৰৰ লগত তুলনাক্ৰমেও নতুন দিল্লীক ধুনীয়া চহৰ বুলি ক'ব পাৰি। যেই কোনো এখন চহৰ বা ঠাই ভাল লগা বেয়া লগা কেৱল ঠাইখনৰ আৰু তাৰ সা-সুবিধা তাৰ প্ৰাকৃতিক সৌন্দৰ্যৰ আদিৰ ওপৰতে নিৰ্ভৰ নকৰে। সেই ঠাইত লগ পোৱা মানুহ, তেনে ঠাইত থকা বন্ধু-বান্ধৱ এইবোৰৰ ওপৰতো ভালেখিনি নিৰ্ভৰ কৰে বুলি ভাবো। কাৰণ ই মোৰ ব্যক্তিগত অভিজ্ঞতা। দিল্লীক চহৰ হিচাপে ভাল লগা মোৰ কাৰণে এই দুয়োটাই কাৰণ।

দিল্লীত দুই এদিন হলেও থকাটো অলপ সমস্যা। আগৰে পৰা বন্দৱস্তৰ প্ৰয়োজন। টকা পইছা খৰচ কৰিব পাৰিলে ভাল হোটেলৰ অভাৱ নাই। তাৰ উপৰি নানাধৰণৰ গেষ্ট হাউচ ভৱন ইত্যাদি আছে। অসমীয়া মানুহে সাধাৰণতে অসম ভৱনতে থাকিব খোজে। কিন্তু অসম্ভৱ ভিৰ। বিশেষ শ্ৰেণীৰ মানুহৰ বাহিৰে ইয়াত চিট্ পোৱা টান। আচলতে আৰু দুটামান এনেধৰণৰ অসম ভৱন হলেও চাগে এই সমস্যাৰ সমাধান হোৱা টান। কাকো একো দোষ দিব নোৱাৰি।

কৌটিল্যমাৰ্গৰ ত্ৰিপুৰা ভৱনত দুদিনমান থাকিবলৈ ভাল ৰুম এটা পালো। বেছ ভাল মানে সকলো ফালৰ পৰা। আটাইতকৈ ভাল লাগিল তেওঁলোকৰ সৰু ডাঙৰ সকলোৰে সুন্দৰ ব্যৱহাৰ। ৰন্ধা-বঢ়াও অতি উৎকৃষ্ট আৰু সস্তা।

দিল্লীলৈ নোযোৱা নেদেখা মানুহ আজিকালি কম। যিকোনো কাৰণতে মানুহ এবাৰ হলেও এই ৰাজধানী চহৰখনলৈ যায়। গতিকে দিল্লীৰ একো বিবৰণ দিয়াৰ ইচ্ছা নাই।

অন্যান্যৰ লগতে গুৱাহাটীৰ পুৰণা চিনাকি দুই এজনক লগ ধৰিলো। প্ৰথমেই ডাক্তৰ ৰমেশ ডেকা। এসময়ত মোৰ ছাত্ৰ এতিয়া



দিল্লীৰ 'অল্ ইণ্ডিয়া ইনষ্টিটিউট অব্ মেডিকেল চাইন্সৰ' কাণ নাক ডিঙি বিভাগৰ অধ্যাপক। অকল দিল্লী নাইবা ভাৰতবৰ্ষতেই নহয় আন্তৰ্জাতিক মহলতো ডাঃ ডেকা জনাজাত। মই যোৱাৰ দুদিনমান আগতে তেওঁ ইন্দোনেচিয়াত এটা বক্তৃতা দি আহিছিল। ইয়াৰ বাহিৰেও তেওঁ ইউৰোপ আমেৰিকাৰ বহুত ঠাইলৈ এনেধৰণৰ কামতে গৈছে। তেওঁৰ স্ত্ৰী ডাঃ দীপিকা ডেকা স্ত্ৰী ৰোগ বিভাগত এচিষ্টেন্ট প্ৰফেচাৰ। এখেত সকলৰ বাহিৰেও এই ডাঙৰ শিক্ষানুষ্ঠানটোত আমাৰ গুৱাহাটী মেডিকেল কলেজৰ পৰা পাছ কৰা বেলেগ বিভাগৰ বিশেষজ্ঞই 'এচচিয়েট' প্ৰফেচাৰ বা এচিষ্টেন্ট প্ৰফেচাৰ হৈ আছে। ইয়াৰ দিল্লীত প্ৰেক্টিচ কৰি থকা আৰু অন্য হস্পিতেলত কাম কৰা ডাক্তৰো আছে। ইনষ্টিটিউটতে এঠাইত লগ পালো ইয়াৰ পৰা পাছ কৰি যোৱা এগৰাকী সৰু নেপালী ছোৱালী ডাক্তৰ বিভুপ্ৰধানক। তেওঁ নিজে আগবাঢ়ি আহি মোৰ লগত কথা পাতিলেহি। ভাল অসমীয়া ক'ব পাৰে। সুধিলো – 'তোমাৰ অসমত থকা দিনকেইটাৰ কথা মনত পৰেনে?' 'নিশ্চয় পৰে। মই তাত থাকি খুবেই ভাল পাইছিলো।' তেওঁ এতিয়া এম এচ পঢ়ি আছে। ভাল লাগিল ছোৱালীজনীক লগ পায়। দিল্লীলৈ আহি সাঁতুৰিবলৈ শিকিলে হেনো। আৰু লগ পালো ডাঃ দীপাংকৰ শৰ্মা আৰু তেওঁৰ স্ত্ৰী মিতালীক। ঘৰত সদায় থাকিবলৈ বেয়া লাগিলেও সকলোৰে কিন্তু বাহিৰলৈ গৈ ঘৰলৈ মনত পৰি থাকে। ই অৱশ্যে এটা সাধাৰণ কথা। মিতালীয়ে গুৱাহাটীৰ দূৰদৰ্শনত কিছুদিন কাম কৰিছিল। এনেই নাটকত অভিনয়ো কৰিছিল। এতিয়া সাময়িকভাবে বন্ধ আছে। বৰ ভাল গান গায়। তেওঁ ৰান্ধেও ভাল। দীপাংকই এম ডি পঢ়ি আছে। এই অসমীয়া ডাক্তৰখিনিয়ে অসমীয়া ৰোগী সকলক বৰ সহায় কৰে।

ইমান ডাঙৰ ধুনীয়া আৰু নতুন চহৰখনৰো বজাৰ কেইখন মানে খোৱা-বোৱা বস্তু পোৱা – ভাল নহয়। যেনে ধৰক আই এন এ মাৰ্কেট, গোলমাৰ্কেট ইত্যাদি। গুৱাহাটীৰ পল্টন বজাৰত শাক-পাচলি মাছ আদি কিনিবলৈ গৈ পিছলি পৰাৰ যিমান ভয় আই এন এ মাৰ্কেটতো সেই একেই ভয়। একে পিছল ভগা ইটা থকা ওখ চাপৰ মাজে মাজে গাঁত থকা বজাৰৰ ভিতৰৰ ঠাইবোৰ। বস্তু-বাহানি অৱশ্যে সকলো পায়। দিল্লী লন টেনিচ এচোচিয়েচনৰ খেল-পথাৰ ওলালোগৈ। তাৰ যিজন প্ৰধান শিক্ষক (Coach) শ্ৰীকৱলজিৎ সিং বাৰ বছৰমান গুৱাহাটীত আছিল। টেনিচ খেলিবলৈ গৈ তেওঁৰ লগত সম্বন্ধ ঘনিষ্ঠ হৈছিল। তেওঁক লগ নাপাই যাব নোৱাৰি। প্ৰত্যেকবাৰেই লগ পাওঁ। দিল্লীত তেওঁ গুৱাহাটীৰ দৰেই ল'ৰা-ছোৱালীক খেলা শিকায়। কোচ হিচাপে ইতিমধ্যে তেওঁৰ যথেষ্ট নাম হৈছে। অসমতো তেওঁ ভালেমান ভাল খেলুৱৈক খেলা শিকাই গৈছিল। শেষৰ ফালে কিছুমান কথাৰ বাবে তিতা কেঁহা লাগিলেও তেওঁৰ অসমৰ প্ৰতি এতিয়াও বৰ মৰম আছে। অসম আৰু অসমীয়া মানুহৰ কথাই বহুত পৰ সেইদিনা তেওঁৰ ঘৰত পতা হ'ল।

তেওঁৰ স্ত্ৰী ৰোজি বৰ ধুনীয়া আৰু কামিলা ছোৱালী। ইংৰাজ সকলে এইদেশত ৰাজত্ব কৰোতে তেওঁলোকে নিজৰ ভিতৰতে মিলিজুলি থাকিবলৈ ভালেমান ক্লাবঘৰ বনাইছিল। গোটেই ভাৰতবৰ্ষতে আছে। আমাৰ ইয়াতো আছে – কিছুমান চহৰত আৰু ভালেমান চাহ-বাগানবোৰত। দিল্লীৰ জিমখানা ক্লাবো সেইধৰণেৰে এটা ইংৰাজৰ দিনৰ ডাঙৰ ক্লাব। এতিয়া তাত প্ৰায় সকলো ভাৰতীয় সভ্য। মোৰ পুৰণা বন্ধু জেনেৰেল মেননে এদিন দুপৰীয়া সাজৰ বাবে তালৈ লৈ গ'ল। ক্লাবঘৰৰ ভিতৰ অন্যান্য ইংৰাজৰ ক্লাবঘৰৰ দৰেই। চকীবোৰো একেধৰণৰ। 'গ্ৰিন্দ্ চিকেন' নামৰ কুকুৰা মাংসৰ এক খোৱাৰ 'অৰ্ডাৰ' তেওঁ দিলে। তেঁৱো উত্তৰ পূব সীমান্তত বহুত দিন কাম কৰি যোৱা। নাগালেণ্ড অৰুণাচল চীন ভাৰতৰ সীমা, অসম, মানস কাজিৰঙা আদি ভালদৰে জানে। অসমৰ কথা বহুত পাতিলে। আমাৰ অসমীয়া খোৱা-বোৱা তেওঁ বৰ ভাল পাইছিল। আচলতে মেনন কেৰালাৰ মানুহ। কেৰালাৰ লগত অসমৰ বহুত প্ৰাকৃতিক সাদৃশ্য আছে। আমাৰ বিহুৰ দৰে তেওঁলোকেও 'বিৰু' উৎসৱ পাতে। মাইকী মানুহৰ কাপোৰ কানিৰো সাদৃশ্য আছে। মই নিজেও কেৰালাত উসোৱা চাউলৰ ভাত, মাটিমাহ বেঙেনা ভজাৰে ভাত খাইছো।

খাবলৈ লৈ মই কেঁচা জলকীয়া দুটামান বিচাৰিলো। জেনেৰেল মেননে হাঁহি এটা মাৰিলে। তোমাৰ স্বভাৱবোৰ আৰু সলনি নহ'ল। "ইচ্ছা কৰিয়েই নসলাওঁ। মই হে খাম। গতিকে মই জুতি লগাই খোৱাত আপত্তি কি?" জিমখানা ক্লাব, ইংৰাজৰ ঐতিহ্য। চাহাবী আদব কায়দা আৰু ৰন্ধন প্ৰকৰণ। তাৰ লগত কেঁচা জলকীয়া। ভালেই সোৱাদ। খোৱাৰ লগত আমি অলপ 'ফ্ৰেঞ্চ ৱাইন' খালো। দুপৰীয়াটো বৰ ভালদৰে কাটিল।

কলিকতা হৈ ঘূৰি আহিবৰ ঠিক কৰি এদিন সন্ধিয়া দিল্লী ষ্টেচনত ৰাজধানী এক্সপ্ৰেছত উঠিলো। এইখন এক শীততাপ নিয়ন্ত্ৰিত ৰেলগাড়ী। বহি যোৱা আৰু শুই যোৱা দুই ধৰণৰ সুবিধাই আছে। খোৱা বোৱা ভাল। যাত্ৰীবো যথেষ্ট ভিৰ। ভালেমান বঙালী যাত্ৰী। কাৰণ কলিকতালৈ যোৱাৰ গাড়ী।

মোৰ তেনেই কাষৰ চিটত দুজন মাৰোৱাৰী ভদ্ৰলোক। বাকী প্ৰায় বেছি ভাগেই বঙালী মানুহ। ষ্টেচন পোৱাৰ আগতে টেক্সী ড্ৰাইভাৰকে কলো এটা সৰু ৱাটাৰ বটল আনিবলৈ। সন্ধিয়া ট্ৰেইনতে খোৱাৰ ইচ্ছা। কিন্তু গাড়ীত উঠি ৱাটাৰ খোৱাৰ বাবে পৰিবেশটো ঠিক ভাল নহয় যেন লাগিল। কোনে বা কি ভাবে। গাড়ী চলিবলৈ লাগিল। ইফালে খোৱাৰ অৰ্ডাৰ লবলৈ মানুহ আহিল। এনে ঘটনা ইয়াত মাজে সময়ে হৈয়েই থাকে। দিল্লী মাদ্ৰাজ কলিকতা বম্বেত এনে ঘটনা হয়নে নহয় জানিবৰ ইচ্ছা আছে। নিশ্চয় নহয়। এন এফ ৰেলৱেৰ জেনেৰেল মেনেজাৰ জনৰ এই বিষয়ে মন্তব্য জানিব পৰা হলে ভাল আছিল। যাত্ৰীৰ আলৈ আথানিৰ খবৰ ৰাখিবলৈনো তেখেতৰ ক'ত সময় হ'ব? যিহে চাগে কামৰ হেঁচা। বহুত কষ্টত দুই এজন ডাঙৰ বিষয়াৰ সহায়ত ঠিক পিছৰ দিনাই আকৌ টিকট আৰু ৰিজাৰ্ভেচন পালো। কিন্তু গোটেই দিনটোৱেই পণ্ড হৈ গ'ল। ঘূৰি আহি ঘৰ পাওঁতে সকলোৱে ভূত দেখাদি দেখিলে। ভূতেইতো। টিকট কাটি ৰেলত যাব নোৱৰা মানুহ ভূত নহয় কি হ'ব?

এন এফ্ ৰেলৱে সম্পৰ্কে ওজৰ আপত্তি জনাবলগীয়া বহুত কথাই আছে। আমাৰ ৰাইজ মনে মনে থকা উচিত নহয়। চিঞৰি নকলে তেখেত সকলে নুশুনে। কিন্তু ডাঙৰ সৰু বিষয়া আৰু কৰ্মচাৰী বেছিভাগেই ভদ্ৰ আৰু সহায়শীল।

বাটত খাবলৈ লৈ যোৱা বস্তুখিনি ঘৰতে খাই পিছদিনা আকৌ নতুন কিবাকিবি লৈ ভগৱানক চিন্তি ষ্টেচন পালোগৈ। সেইদিনা কিন্তু সময়মতে গাড়ী আৰু অন্য গণ্ডগোল নাই।

এই শীত-তাপ নিয়ন্ত্ৰিত ডবাবোৰৰ আইনাবোৰ অলপ ৰঙীন। বাহিৰৰ বস্তু বৰ ভালকৈ নেদেখি। বাহিৰৰ পৰাও নেদেখি। ইয়াৰ সুবিধাও আছে। ৰেল চলি থকা অৱস্থাত ৰাতিপুৱা ৰেললাইনৰ দাঁতিত গোটেই ভাৰতবৰ্ষতে পোৱা তিনিমূৰীয়া মানুহবোৰ দেখা নাযায়। ই এটা বৰ বিকট দৃশ্য। কি কৈছো নিশ্চয় বুজি পাইছে।

আমাৰ কোঠাটোত মই মোৰ পুত্ৰ আৰু তিনচুকীয়াৰ এক মাৰোৱাৰী পৰিয়াল স্বামী-স্ত্ৰী আৰু দুটা সৰু ল'ৰা-ছোৱালী। তেওঁলোকে ভাল অসমীয়া কয়। কথা পাতোতে চিনাকিয়ে ওলালে। মাইকীমানুহ গৰাকী মোৰ এজন পুৰণা ছাত্ৰৰ ভনীয়েক।

মাল বস্তু উঠোৱা, সজোৱা, ইজনে সিজনক সহায় কৰাৰ ব্যতিব্যস্ততা, চা চিনাকি হোৱা এইবোৰৰ ক্ষন্তেকীয়া উত্তেজনাখিনি শেষ হোৱাৰ পিছতে সকলো নিজৰ ঠাইত বহি পৰিল আৰু গাড়ীখনো লাহেকৈ এৰিল – ঠিক পাতি পইছা ডবল পইছা কৰি নহয়। তেনেধৰণেৰে অন্য ধৰণৰ শব্দ কৰি।

এই পৃথিৱীখন ঘূৰণীয়া এই সংসাৰখনো ঘূৰণীয়া। মই ভাবো আমাৰ জীৱনবোৰো ঘূৰণীয়। ভালদৰে চাবলৈ গলে এই পৃথিৱীৰ

সকলো বস্তুৱেই ঘূৰণীয়। এফালৰ পৰা আৰম্ভ কৰিলে ঘূৰি আহি আকৌ একে ঠাইয়েই পোৱা যায়। বুঢ়া বয়স আৰু ল'ৰালি কালৰ বিশেষ পাৰ্থক্য নাই।

ওচৰৰ কোঠাটোত এগৰাকী বয়সস্থা পাঞ্জাবী ভদ্ৰমহিলা। লগত পুতেক। চকুৱে চকুৱে পৰোতে তেওঁ থিয় হৈ নমস্কাৰ কৰিলে। মোৰ চিনি পাওঁতে কষ্ট হ'ল। মই কাম কৰি থকা অৱস্থাত তেওঁ হস্পিতেল চফা কৰা, ঘৰ চফা ইত্যাদি কাম কৰিছিল। এতিয়াও কৰে। পুতেকে চেন্ট্ৰাল স্কুলত পঢ়ে। তেওঁৰ স্বামী ৰেলৱে কৰ্মচাৰী। পাছ পায়। আজি চাৰি পাঁচ বছৰৰ পিছত মোক চিনি পালে বেছ। তেওঁৰ লগতে বৰ্তমান হস্পিতেলৰ কিছু কথা পাতিলো। অসমীয়া বুজি পায় ক'ব নোৱাৰে। তথাপিও ভাল লাগিল কথা পাতি। ৰেলত চীনা বাদাম, ডাবৰ পৰা আৰম্ভ কৰি অনবৰতে খোৱাৰ বস্তু বিক্ৰীৰ চেষ্টা। মানুহ যেন খাবলৈহে ৰেলগাড়ীত উঠিছে। অৱশ্যে জোকাৰণিতেই নেকি নাজানো ৰেল গাড়ীত উঠিলেচোন ভোকটো অলপ বেছিকৈ লাগে। ওচৰতে আৰু এক দম্পতী। ঘৈণীয়েক খাচিয়া আৰু গিৰিয়েক পাঞ্জাবী। জলন্ধৰলৈ যাব। তাতে "চাৰ্টাদ একাউন্টটেন্ট"।

সকলোৱেই লগত খোৱা বস্তুলৈ আহিছে। আৰু সুবিধা পালেই দুপৰীয়া আবেলি সন্ধিয়া খাইছে। মোৰ কোঠাৰ মাৰোৱাৰী পৰিবাৰৰতো এটা ডাঙৰ বেটৰ বাকচেই। লগতে এক নতুন ধৰণৰ প্লাষ্টিকৰ ফিলটাৰ। মই কোনোদিন দেখা নাই। দুদিন আগতে কৰা ৰুটি সুন্দৰ ভাবে খাইছে। "ৰুটিবোৰ বেয়া নাই হোৱা নেকি" বুলি সোধাত ঘৈণীয়েকে মাত লগালে "নাই হোৱা আৰু দুদিন ভালে থাকিব।" এই ৰুটি বনোৱাৰ নিয়মটো তেওঁক সুধিলো। আটাখিনি ভাল গাখীৰ দি মাৰিব আৰু পানী নিদিব। তাৰ পাছত ভাল ঘিউত ভাজিব। আৰু একো কৰিব নালাগে। ভাল কথা এটা শিকিলো। এনেই আমি কৰা ৰাতিপুৱাৰ ৰুটি গধূলিয়েই খাব নোৱাৰি।

ৰেল গাড়ীখন বেছ জোৰেৰেই চলিবলৈ ললে। 'পাতি পইছা ডবল পইছা' মিলাব নোৱাৰি। বাহিৰৰ দৃশ্য চোৱাও টান আৰু চেষ্টাও কৰা নাই। ৰেলৰ বাথৰুমবোৰ বৰ অপৰিষ্কাৰ। কেতিয়াবা ফিনাইল ইত্যাদি ব্যৱহাৰ হয় যেন লগা নাই। গুৱাহাটীৰ পৰাই একে ধৰণৰ লেতেৰা। বাটত পৰিষ্কাৰ কৰাৰ নাম-গোন্ধ নাই।

ডাইনিং কাৰৰ পৰা দুইবেলা খোৱা যাত্ৰীক দি গৈছে। খোৱাই তাকে খাইছে। বৰ পৰিষ্কাৰ পৰিচ্ছন্ন নহয়। এনেক্ষেত্ৰত - ফলমূল ইত্যাদি খাই থকাই শ্ৰেয় লগতে পাওৰুটি। এইকেইখন ৰেলত শিলিগুৰিৰ ওচৰত নানা বিদেশী বস্তু পায়। ৰেডিঅ', গান-বাজনাৰ বস্তু জোতা, পাৰফিউম, ঘড়ী ইত্যাদি ইত্যাদি। কিন্তু এইখনত চোন ৰঙাইগাৱঁৰ পৰা এইবোৰ বিক্ৰী আৰম্ভ। বেছিভাগ চীনা নাইবা কোৰিয়াৰ পৰা অহা বস্তু। বিক্ৰীও হয়। ৰাইজে ঠগো খায়। মই নিজেই ৫৫ টকাত ৰাতিপুৱা খোজ কাঢ়িবলৈ বুলি বগা জোতা এযোৰ কিনিলো। আজিলৈকে পিন্ধাই হোৱা নাই। কাৰোবাক কেতিয়াবা দান দিয়াহে হ'ব। শিলিগুড়িত ৰাতি ভালেমান যাত্ৰী উঠিল। কিছুমান ওচৰে পাঁজৰে থকা বাগানৰ আৰু কিছু দাৰ্জিলিঙৰ পৰা অহা যাত্ৰী। আমাৰ ওচৰতে বহিল বয়সস্থ স্বামী-স্ত্ৰী আৰু লগতে জিনৰ ঠেঙা পিন্ধা ১৮/১৯ বছৰীয়া ছোৱালী এজনী। তেওঁলোকৰ চাল চলন ব্যৱহাৰ কথা-বতৰা দেখিয়েই বুজিব পাৰি ৰেলত চলাফুৰা কৰাৰ যথেষ্ট অভিজ্ঞতা আছে বুলি। ছোৱালীজনী দেখিবলৈও ধুনীয়া। মাকে জীয়েকে বিছনা-পত্ৰ পৰিপাটিকৈ পাৰি ললে তিনিওৰে। সকলোবস্তু এনেধৰণেৰে আনিছে কতো একো অসুবিধা নাই। খোৱা-বোৱা বস্তু কাগজৰ প্লেট চামুচ, পেলাই দিব পৰা গিলাচ সকলো বঢ়িয়াকৈ আনিছে।

গৈ থাকোতে তেওঁলোকৰ লগত চিনাকি হলো। মানুহজন ৰাজস্থানৰ, স্ত্ৰী দাৰ্জিলিঙৰ নেপালী মানুহ। তেওঁলোকৰ কালিম্পঙত নিজৰ ঘৰ এটা আছে। আচলতে হিন্দুস্থান মটৰচৰ লগত তেখেতৰ ভাল ব্যৱসায় আছিল। এতিয়া এৰি দিলে। বয়সো হৈছে।

কালিম্পঙ চহৰখনৰ লগত মোৰো বৰ ঘনিষ্ঠ পৰিচয়। মই ভাল পায়েই কেইবাবাৰো গৈছো। কালিম্পঙৰ বজাৰ, ৰেষ্টুৰেন্ট, তাৰ নাম কৰা স্কুল 'কালিম্পঙ হোমচ্' ইত্যাদি নানা কথা ওলাল। মানুহজন বৰ ভলভলীয়া আৰু হাঁহি ফুৰ্তি কৰি বৰ ভাল পায়। মানুহ গৰাকী লৰৌ কলেজত পঢ়া দাৰ্জিলিঙতো। কালিম্পঙত কাছাৰীৰ ওচৰতে 'হামৰো হোটেল' নামৰ মোৰ এখন প্ৰিয় ৰেষ্টুৰেন্ট আছিল। আগতে তাত ভাল তিব্বত দেশৰ চাউলৰ ভাত আৰু মাংস মই গলেই খাইছিলো। তেওঁলোকেও হোটেলখন চিনি পায়। এসময়ৰ হিন্দী ছবিৰ নাম কৰা চিত্ৰতাৰকা দেবিকা ৰাণী আৰু তেখেতৰ স্বামী পৃথিৱী বিখ্যাত ৰুছদেশীয় চিত্ৰশিল্পী চেতোস্লাভ্ ৰোৰিচ কালিম্পঙতেই বাস কৰিছিল। ইয়াৰ বাহিৰেও বহুতো চহকী মানুহৰ ইয়াত ঘৰ আছে। কালিম্পঙৰ হোমচ্ স্কুলখন, তাৰ অকণ অকণ ল'ৰা-ছোৱালী, ফুলনি বাগান ফুলেৰে ভৰি থকা তাৰ অকণিহঁতৰ 'গ্ৰেভয়াৰ্ড'ও বৰ ধুনীয়া। ইংৰাজ সকল বৰ উৰ্বৰ মস্তিষ্কৰ মানুহ। তেওঁলোকে বহুত বছৰৰ আগতে তেওঁলোকে দেশলৈ লৈ যাব নোৱৰা ল'ৰা-ছোৱালী – যাক মাক বাপেক নোহোৱা ল'ৰা-ছোৱালী বুলি ক'ব পাৰি তেওঁলোকৰ বাবেই বনাইছিল। আজিকালি বেলেগ। ১৯৬২ চনৰ চীনা যুদ্ধৰ পিছত আৰু মই কালিম্পঙলৈ যোৱা নাই। জীৱনৰ সোঁতে আনফালে গতি ললে। পিছদিনা সন্ধিয়ালৈকে ডবাৰ প্ৰায় বেছিভাগৰ মানুহৰ লগতে চা-চিনাকি আৰু বন্ধুত্ব হ'ল। সকলোৱে এটা কথাই কলে 'আমি যোৱা কালি এইদৰে কথা পাতি নিমিলিলো কিয়?' সঁচাইতো। নেপালী ভদ্ৰমহিলাক কলো "তেতিয়া হলে চাগে আপোনালোকে আগতীয়াকৈ খোৱা লেওৰা আমৰো ভাগ পালোহেঁতেন।" সকলোৱে হাঁহিলে।

"দাদা এতিয়া দিম নেকি?" তেওঁ হঠাতে মোক দাদা বুলিলে। সন্ধিয়ালৈ ৰাজস্থানৰ ভদ্ৰলোকে অলপ হুইস্কি উলিয়ালে। যি খায় সকলোকে – মানে আমাৰ ওচৰৰ খিনিক দিলে। "যোৱা ৰাতি মই অকলে অকলে বৰ কষ্টত কটালো।" তেওঁ ক'লে – মোৰ ওচৰৰ মাৰোৱাৰী ডেকাজনে ঘৈণীয়েকৰ কাণত ফুচফুচকৈ কিবা কোৱা যেন লাগিল। "কি হ'ল?" সুধিলো। "মোৰ গাটোত–হাত-ভৰিত বিষ হৈছে। অলপ খালে ভাল লাগিব নেকি?" "বিষ নহলেও খাব পাৰিবা। একো চিন্তা নাই" বৰ বেছি ভাবি থাকিবৰ মন নগ'ল। অলপ আগতে চাহৰ ফ্লাস্কত চাহ দি গৈছিল। পানী বা চোডা ইত্যাদি খুজিবলৈ টান লাগিল। চাহ কাপ ঢালি ললো – কোনেও নেদেখাকৈ চাহৰ লগতে ব্ৰাণ্ডি ঢালি দিলো। বেয়াতো নালাগিল। অলপ পিছত নন্‌ভিজিটেৰীয়ান ডিনাৰ দিবলৈ আৰম্ভ কৰিলে। বিয়েৰাটোৱে মাজতে আহি সুধিছিল "চাহাব চাহৰ ফ্লাস্কটো নিব পাৰো নেকি?" "পিছত নিবা। মই অলপ লাহে লাহে চাহ খাওঁ" – উত্তৰ দিলো। কি ভাবি সি আৰু দ্বিতীয়বাৰ নাহিল। ইয়াৰ পিছতে চুপ দি গলহি। মোৰ সুবিধাই হ'ল। কিছুমান নতুন অভিজ্ঞতা! ভাল লগা অভিজ্ঞতা।

গাড়ীখনত কেছেটৰ গানো বাজে। যেইকোনো উপায়ে যাত্ৰী সকলৰ মনোৰঞ্জনৰ চেষ্টা। আমাৰ অসম ষ্টেট ট্ৰেন্সপোৰ্টৰ চুপাৰ বাছবোৰ প্ৰথমতে ওলাওঁতে এইবোৰ বাছতো এই গানৰ বন্দৱস্ত আছিল। কিন্তু আজিকালি নোহোৱা হ'ল। প্ৰথমতে কেইটামান চুৰি হৈছিল নেকি? শুনা কথাহে।

হঠাতে দেখো ভূপেন হাজৰিকাৰ গান। ৰাজধানী এক্সপ্ৰেছ, দিল্লীৰ পৰা কলিকতালৈ। হয়তো উত্তৰপ্ৰদেশৰ মাজেদি গৈ আছে। তাত অসমীয়া মানুহৰ গান! যদিও গানবোৰ বঙালী ভাষাত। "গঙ্গা আমাৰ............" ইত্যাদি ইত্যাদি। কিন্তু বহুত গান। গোৱাত এবাৰ পাৰবিন চুলতানাৰ গান শুনিছিলো এইদৰে। ই এটা বৰ মৰম আৰু ভাল লগা অভিজ্ঞতা। ৰাতিপুৱা সাৰ পাই আকৌ ভূপেন হাজৰিকাৰেই গান। তেখেতৰ গান বঙালী মানুহে খুব ভাল পায়। আমিও ভাল পাওঁ।

কলিকতাৰ পৰা গুৱাহাটীলৈ ৰেলত পাতি পইছা ডবল পইছা কৰি নাহিলো। সূ





# এ; এইফালে কোন গ'ল "বুকুৰেনো ধন গ'ল"

মনোৰমা বৰুৱা

খগেন মামা, একেবাৰে সঠিক অনুভৱটোৰ বিষয়ে কওকচোন, কেনেকুৱা লাগিছে বাৰু?

–কি কেনেকুৱা লাগিছে?

–সংগীত নাটক একাদেমীয়ে দিয়া স্বীকৃতি, সন্মান?

–তোমাৰ অনুভৱকে জনোৱা। মই পুৰস্কাৰ পোৱাৰ খবৰটো তোমাৰ কেনে লাগিছে?

মই পোনপটীয়াকৈ কৰা প্ৰশ্নৰ উত্তৰত ঘূৰাই প্ৰশ্নটো মৌলিকে কৰি তেখেতে হাঁহিলে। সেই চিৰ পৰিচিত সুন্দৰ হাঁহিটো।

–স্বাভাৱিক ভাবেই খুউব আনন্দিত হৈছো। লগতে পুৰস্কাৰে কঢ়িয়াই অনা গৌৰৱৰ অংশীদাৰ তোমালোকক অৰ্থাৎ অসমৰ ৰাইজকো কৰিছো।

কিন্তু প্ৰকৃততে এই আনন্দই, মই ইমান দিনে ৰাইজৰ পৰা পাই অহা মৰম আশীষক চেৰাই যাব পৰা নাই। মই চিৰদিন চিৰকাল ৰাইজৰ মৰম ভালপোৱাহে বিচাৰিছো। আৰু যেতিয়াৰ পৰা বুজিব পাৰিছো, মই ৰাইজৰ মৰম পাইছো, সেয়ে মোৰ পৰম প্ৰাপ্তি সৰ্বশ্ৰেষ্ঠ পুৰস্কাৰ। সেই আনন্দত একাদেমীৰ পুৰস্কাৰে এটা নতুন মাত্ৰা যোগ কৰিলে মাত্ৰ।

–ৰাইজৰ কথা আপুনি কওঁতে মোৰ আন এটা কথা মনলৈ আহিছে। পুৰস্কাৰৰ গৌৰৱৰ অংশীদাৰ আজি ৰাইজকো কৰিছে কিন্তু আজি কিছুবছৰ আগতে এই ৰাইজেই আপোনাক 'বহিষ্কাৰ' কৰিছিল। ব্যাহত হৈছিল ৰাইজৰ আগত আপোনাৰ সংস্কৃতিৰ প্ৰবাহ সেই তিৰস্কাৰ বা 'বহিষ্কাৰ'ত তেতিয়া আপুনি কেনে অনুভৱ কৰিছিল?

–চোৱা, এই বিষয়ে মোৰ বিশেষ একো কবলগা নাই।

মোৰ সততাক যদি বিশ্বাস কৰা, ইমানেই মাথো কব পাৰো, তিৰস্কৃতনো কিয় হৈছিলো অথবা মোক কিহৰ পৰা কোনে, কিয় বহিষ্কাৰ কৰিছিল মই আজিও নেজানো। খবৰ কাকতত পঢ়িছিলো। বিহুতলীলৈ গান গাবলৈ গৈ যেতিয়া জানিছিলো উদ্যোক্তা সকলৰ মুখৰ পৰা যে, মোৰ অনুষ্ঠান বাতিল কৰা হৈছে; তেতিয়া ভীষণ ক্ষুণ্ণ হৈছিলো, ক্ষোভ জাগিছিল। কিন্তু তেতিয়াও জানিছিলো, ৰাইজৰ এয়া মোৰ ওপৰত শেষ বিচাৰ নহয়। সেয়ে থমকি ৰোৱাৰ প্ৰশ্নই নুঠে। ভাগি পৰা নাছিলো কাৰণ,–



"মোৰ আনন্দ অনন্ত সোঁতৰ ছন্দ
মই অন্তৰ মিলাওঁ তাৰে।"

এয়া ১৯৯২ চনৰ সংগীত নাটক একাদেমীৰ লোকসংগীতৰ বাবে বঁটা লাভ কৰা খগেন মহন্তৰ কথা।

–ইতিমধ্যে আপুনি জনসংস্কৃতিৰ উন্নয়নৰ বাবে কাম হাতত লৈছে বা কৰিছেও কিন্তু এইক্ষেত্ৰত আৰু বিশেষ কিবা কৰিব লগা আছে বুলি আপুনি ভাবেনে?

–"মই আগতেও কৈছো, এতিয়াও কওঁ, অসমৰ লোককলা আৰু লোকসংস্কৃতিৰ ওপৰত গুৰুকুল প্ৰতিষ্ঠা হব লাগে। এটা সু-নিৰ্দ্দিষ্ট "style of music" হব লাগে। মানুহে গীতটো শুনিয়ে কব পাৰিব লাগে যে "অ এইটো সম্পূৰ্ণ অসমীয়া গায়কী, অসমীয়া 'ষ্টাইল'। সম্প্ৰতি অসমত বৰ্দ্ধিত হাৰত সুগম সংগীতৰ ক্ষেত্ৰত এটা ধাৰা হবলৈ ধৰিছে। কিন্তু এইটো যেন স্বাভাৱিক বা সঠিক হোৱা নাই। এই ক্ষেত্ৰত আমি অলপ গভীৰ ভাবে মনোনিবেশ কৰিব লাগে বুলি মই ভাবো। চেষ্টাও কৰি আছো।

কিন্তু সেইবুলি আক' এইটোও নহয় যে, মই বিশেষ 'type music' কৰো। নানান ধৰণৰ সুৰৰ ওপৰত, ছন্দৰ ওপৰত পৰীক্ষা নিৰীক্ষাও চলাই আছো। যেনে ধৰা, "দুখৰে নো ৰাতিটো কেতিয়া পুৱাব" অথবা "দুৱাৰ মেল, দুৱাৰ মেল" গীতটো। দুটা বেলেগ তালৰ। এটাত বাৰ মাত্ৰা। আনটোত দহমাত্ৰা। এই দুটা গীত শুনি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন সৰোদবাদক আমজাদ আলীয়ে এটা বিশেষ নিৰ্দ্দিষ্ট ধাৰাৰ সৃষ্টি কৰা বুলি প্ৰশংসা কৰিছিল।

খগেন মহন্ত বুলিলেই বিহুতলী, বিহুগীত। বিহুগীত বুলিলেই খগেন মহন্ত।

–আপুনি "একাদেমী"ৰ পৰা সন্মান লাভ কৰিছে পৰম্পৰাগত লোকসংগীতৰ সাধনা বা অৱদানৰ বাবে। এইক্ষেত্ৰত বিহুগীতত বাদে আনবোৰ লোকসংগীতৰ বাবে কি চিন্তা চৰ্চা কৰিছে।

–লোক সংগীত বোলোতে, বিয়ানাম, লোকগীত, টোকাৰী গীত, দেহবিচাৰৰ গীত ইত্যাদিবোৰ। এই গীতবোৰ উজনি অসম, নামনি অসম ঘূৰি ঘূৰি সংগ্ৰহ কৰিছো–নিজে গাইছো, আনক গোৱাইছো। সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিছো, প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্ব দিছো। আন হাতে অসমৰ পৰম্পৰাগত সংগীত যেনে বৰগীত, নামঘোষা, ভটিমা, ঢোলবাদন, খোলবাদন ইত্যাদিবোৰ যাতে অৱহেলা অনাদৰত নেহেৰায়; নতুন পুৰুষে যাতে ইয়াৰ ঐতিহ্য গাম্ভীৰ্য বা স্বকীয়তা বুজি পায়, বিচাৰি পায় তাৰবাবে যৎপৰোনাস্তি চেষ্টা কৰিছো। কৰি যাম।

মই Perform ত কৈ সততে creationত বেছি গুৰুত্ব দিওঁ। অকল সংগীততে নহয় অংকীয়া নাট, ভাওঁনা, সবাহ, খোলবাদন, মৃদঙ্গবাদন সকলোতে মোৰ আন্তৰিকতা সমান।

তুমি জানা বোধকৰো, ১৯৫৭ চনত মহীশূৰত অনুষ্ঠিত সদৌ ভাৰত আন্তঃবিশ্ববিদ্যালয়ৰ যুৱমহোৎসৱত মই খোলবাদনত পুৰস্কাৰ পাইছিলো। পাইছিলো ৰাইজৰ ভূয়সী প্ৰশংসা।

–আপুনি বিহুগীতৰ প্ৰতি বিশেষ আকৃষ্ট হ'ল কেলেই?

–লোককলা মাত্ৰেই মোৰ অসীম অনুৰাগ। অৱশ্যে, বিহুগীত ভালপোৱাৰ কাৰণটো অলপ সুকীয়া। জাতে পাতে অসমীয়া বাবেই মনত বিহু, দেহত বিহু, গীতত বিহু সেইটোতো হয়েই। কিন্তু বিশেষ কাৰণটো হ'ল, বিহুগীত, ঢোল, পেঁপা, গগনা যে মোৰ সংহতিৰ অস্ত্ৰ। ভাব বিনিময়ৰ মন্ত্ৰ। ভাতৃত্ববোধ জগোৱাৰ কৌশল। সংস্কৃতিৰ ভাৰসাম্য ৰখোৱাৰ সাকোঁ।

"এ ধনশিৰি পাৰ হৈ ঢপলিয়াই আহিলো
জিৰালোহি কলীয়াবৰত।"

গাওঁ, নগৰ, উজনি, নামনিক একেডালি সূতাৰে গঁঠাৰ উপায়। মই গাম গাবলৈ আৰম্ভ কৰোতে, বিহু সন্মিলন উদযাপন নামনি

অসমততো নায়েই। বিজনী, চাপৰ, অভয়াপুৰী আদিতো নগৰীয়া বিহু সন্মিলন পতাৰ ব্যৱস্থা নাছিল। বিহুগীত কৰবাত দুই একে, দুই এটা গালেও সকলোৱে সমানে ভাগ লোৱা নাছিল। কিন্তু ৬১ চনত গ্ৰামোফনত বিহুগীত 'ৰেকৰ্ড' কৰি দেখিলো বিহুগীতবোৰ উজনি, নামনি সকলোতে ৰাইজে লৈছে। ৰাইজে গাইছে। তেতিয়াই অনুভৱ কৰিলো, জনসংযোগৰ সুন্দৰ মাধ্যম ইয়াতকৈ আন একোৱেই হব নোৱাৰে।

"বাঁহৰে আগতে বাঁহী বাই আছিলো
শাহু আই শুনকহি বুলি"
বা, পকা তুলতুল বিলাহী ঐ
বাতি ভৰাই দিলাহিঐ
গোটে গোটে গিলিবৰ মন" বোলাৰ লগে লগেই যেতিয়া বিহুতলীৰ শ, শ ৰাইজে মোৰ লগতে গাবলৈ ললে একেদৰে একেটা গীত একেটা সুৰ উজনিতো একেদৰে নামনিটো একে আনন্দৰে। তেতিয়াই বুজিলো বিহুগীতেই মোৰ অস্ত্ৰ। সেইবাবেই বিহুগীতৰ প্ৰতি মোৰ অলপ পক্ষপাতিত্ব আছে। সেয়ে শদিয়াৰ পৰা ধুবুৰীলৈ লোকগীতৰ সুৰ, লয়, ছন্দ বিলোৱাৰ মোৰ এক বিনম্ৰ চেষ্টা বিহুগীতেৰে। এইখিনিতে আৰু এটা কথা কৈ থওঁ ৰ'বা।–বিহুগীত, বিহুসুৰ বুকুত বান্ধি লৈ ফুৰোতে মই 'এজনাৰ' কথা ভাবো, সেয়া হ'ল মহাপুৰুষ শংকৰদেৱ।

–গুৰুজনা আৰু বিহুনাম ?

–এৰা, ধৰ্মগুৰু শংকৰদেৱ নহয়, শিল্পী, সাধক শংকৰদেৱ বৰপেটাৰ পৰা কোঁচবিহাৰলৈ, উজনি অসমৰ পৰা ভাটিলৈ, গাৰো, কছাৰী, আহোম, চুতীয়া সকলোকে যদি নামঘোষা বৰগীতৰ সুৰেৰে বান্ধি পেলাব পাৰে, একাত্ম কৰিব পাৰে, সেই যুগতে, তেন্তে আমি গাতে লৈ ফুৰা লোকগীতেৰে নো আজিৰ যুগত সকলোকে বান্ধিব নোৱৰাৰ কাৰণ কি ? সেয়ে গুৰুজনাৰ আদৰ্শই বোলা, প্ৰেৰণাই বোলা, সেয়ে মোৰ পথৰ দিশাৰী।

–ভাৰতীয় গণনাট্য পৰিষদৰ লগতো আপুনি জড়িত আছিল নহয়। অৰ্থাৎ প্ৰগতিশীল শিল্প সাহিত্যৰ প্ৰতি অনুৰাগী হৈছিল বা প্ৰগতিশীল ধ্যান ধাৰণাৰ অনুগামী হৈছিল।

–অতীত কালত কিয় কৈছা ? মই এতিয়াও প্ৰগতিশীল ধ্যান ধাৰণাত বিশ্বাসী। এই চিন্তা লৈয়ে আজি কিছুবছৰৰ আগতে কৰিছিলো, "যুগে যুগে আধুনিকা" যত লক্ষীৰাম বৰুৱাৰ পৰা সাম্প্ৰতিক কালৰ গীতিকাৰ সকলৰ গীত আছিল। সুৰ আছিল অসমৰ প্ৰতিটো সমস্যাৰ ওপৰতে–মোৰ গীত আছে। প্ৰতিটো সমস্যাই মোক বিচলিত কৰিছে। সেয়া বানপানীয়েই হওক বা ভাষা আন্দোলনৰ সমস্যাই হওক।

জয়পুৰৰ প্ৰগতিশীল শিল্প সাহিত্যৰ সৰ্বভাৰতীয় সন্মিলনত যেতিয়া গাইছিলো,

"হিংসাৰ চিক্‌মিক্ চোকা তৰোৱাল
তাক পিটি গঢ়ো আমি নাঙলৰ
ফাল"।



তেতিয়া প্ৰসিদ্ধ প্ৰগতিশীল কবি ভীষ্ম সাহানীয়ে কৈছিল–"অসমৰ মানুহ কিমান প্ৰগতিশীল। আমি এতিয়াও "তেৰেঘৰকে চামনে একঘৰ" বনোৱাতে আছো। অথচ অসমৰ মানুহে হিংসাৰ অস্ত্ৰৰে নাঙলৰ ফাল বনোৱাৰ সংকল্প লৈছে।

–বিহুগীত, বৰগীতৰ কথা বাৰু বুজিলো। কিন্তু লঘু সংগীতৰ জগততো আপোনাৰ অনায়াস যাতায়াত ? সেয়া কাৰ সান্নিধ্যত ?

–লুইতকোঁৱৰ স্বৰ্গীয় ৰুদ্ৰ বৰুৱাদেৱক এইক্ষেত্ৰত মই পৰম শ্ৰদ্ধাৰে সোঁৱৰো।

–সম্পূৰ্ণ সত্ৰীয়া পৰিবেশত লালিত পালিত হৈ সত্ৰাধিকাৰ হৰেন্দ্ৰ নাথ মহন্তৰ পুত্ৰ হৈও বিহুগীত (বহুতেই সেইসময়ত হেনো বিহুগীতক অশ্লীলজ্ঞান কৰিছিল) গাওঁতে কোনোৱে বেয়া পোৱা নাছিল নে ?

–নাছিল হে নে ? প্ৰকৃততে প্ৰথমবাৰ মোক তাতেই 'বয়কট' কৰিছিল। মই নামঘৰত সোমালেও অসন্তুষ্ট হৈছিল। পিছে 'মই' সেই একেটা মানুহেই পিছত যেতিয়া অনাতাঁৰ কেন্দ্ৰত ঘোষাপাঠ কৰিছো তেখেত সকলে হিয়াভৰি আশীৰ্বাদ দিছে।

ৰবা, এইখিনিতে কথা এটা মনত পৰিছে, এবাৰ, কামৰূপৰ কুকুৰমাৰাত এঘৰে ঘৰখনত ঘটি থকা নানান অসুখ অশান্তিৰ নিৰাময়ৰ বাবে কেৱলীয়া ভকত এজনক মাতিলে, পুথি এভাগ পঢ়িবৰ বাবে। তেখেতে গধূলি কিবা অসুবিধা থকাত, পুৱা ৮ মান বজাত যাম বুলিলে। সেইমতে আহিল, গৃহস্থইও যা-যোগাৰ দিলে শৰাই থাপনা পাতিবৰ বাবে। তেনেতে কোনোবা বিশেষ ব্যক্তিৰ মৃত্যুৰ বাবে অনাতাঁৰ কেন্দ্ৰত গীতিমালিকাৰ সলনি আৰম্ভ হ'ল মোৰ, "কৃষ্ণৰ বৈকুণ্ঠ পৰায়ণ, দশম স্কন্ধ" পাঠ। আতৈয়ে বোলে, "মাতটো অলপ ডাঙৰকৈ দিয়ক। গৃহস্থই দিলে। ১৫/২০ মিনিটৰ মোৰ পাঠ শেষ হ'ল। আতৈয়ে বোলে–"আচল কামফেৰা হৈয়েই গ'ল। এতিয়া সেৱকীয়ে আহি আঠুলৈ ঈশ্বৰৰ ওচৰত আশীৰ্বাদ হে লব লাগে।"

–সংঘাত, সংগ্ৰাম নহ'লে হেনো শিল্পৰ শিপা গভীৰলৈ নেযায়। আপোনাৰ ক্ষেত্ৰত ?

–মোৰ প্ৰতিটো গীত, প্ৰতিটো সুৰৰ পিছফালেই সৰু বৰ একোটাহত সংগ্ৰাম আছে, ঘৰুৱা বিপৰ্যয়, মানসিক অস্থিৰতা, ৰাজনৈতিক কাৰণ পাৰিবাৰিক সমস্যা এটা নহয় এটা। এইবোৰৰ সংঘাতৰ সতে মই চিৰ-অভ্যস্ত।

–১৯৫৫/৫৬ চন মানৰে পৰাই বোধকৰো গান গাইছে। হাৰ্টৰ অসুস্থতা বা অস্ত্ৰোপচাৰৰ পাছত একেদৰেই মাজনিশা বিহুতলীৰ হেজাৰ বিজাৰ ৰাইজৰ আগত সমান উৎসাহেৰে গান গাই যাবলৈ ক্লান্তি অনুভৱ নকৰে নে ?

–নকৰো। মোৰনো কি সাধ্য ? ৰাইজৰ বাবে গাওঁ। ৰাইজৰ মৰম, আশীৰ্বাদত বুকুফালি, যমৰ দুৱাৰমুখৰ পৰা উভতি আহিছো। অসুস্থতাৰ সময়ত ৰাইজে মচজিদত মমবাতি, নামঘৰত চাকি দিছিল, মোৰ আৰোগ্যৰ বাবে। ভাল হৈ গান গাব পৰা হ'লো ৰাইজৰ আশীষত। মঞ্চত থিয় দিলে, সমুখত ৰাইজক দেখিলে মই সকলো পাহৰো। মোৰ অসুস্থতাৰ কথা ৰাইজেও পাহৰে।

"ক্লান্তির ক্ষমা নেই, ওদের কাছে
শিল্পের জন্যই শিল্পীসদায়
আরও বেশী দিতে হবে বুজে নিল মন।"

আৰু ৰাইজৰো যে দাবী আছে, অধিকাৰ আছে মোৰ ওপৰত।

ৰাইজৰ মৰমৰ এয়া খগেন মহন্তৰ মনৰ কথা। অসমীয়া মানু পাহৰিব নোৱাৰে "কলৰ পাতত কাউৰী পৰা" ডাকোৱালজনৰ হিয়াৰ আৰ্তি। অথবা "ছাগৰ ছালচেলাবৰ ডবুৱা কটাৰী" বানেপানী আহিলেই প্ৰতিদিনে মনত পৰিব "বাৰে বাৰে কিমান বান্ধিম এই বান্ধ" "মা আমি শদিয়ালৈ যামেই", অকণিৰ দাবী। শ্মশানঘাটত বিষ্ণুৰাভাদেৱৰ চিতা জ্বলি থকাৰ পৰত গোৱা "এই মোৰ শেষ গান" অথবা অসমীয়া মানুহ মাত্ৰেই এই শিল্পীজনৰ সৈতে একেলগে গোৱা বিহুনামবোৰ। এইবোৰৰ সৈতে একাকাৰ হৈ অসমীয়া ম ৰ মনৰ মাজত চিৰদিন থাকিব গুণী শিল্পী খগেন মহন্ত। সূ





# কিছু সমজুৱা, কিছু ব্যক্তিগত

কানাই গগৈ

শাৰদীয় সংখ্যাৰ 'সূত্ৰধাৰত' সন্নিবিষ্ট হোমেন বৰগোহাঞিদেৱৰ 'গোহাৰি-খন' (?) পঢ়ি মনলৈ মাত্ৰ এটা কথাই আহিছে ঃ ভাৰতত আৰু বিশেষকৈ অসমত 'ভাল'ৰ সমাদৰ নাই কিয় ? অসমত 'ভাল' একো নাই বুলি আমি অনবৰতে হাহাকাৰ কৰি থাকো, আক্ষেপ কৰো; কিন্তু এই সমস্ত 'বেয়া'ৰ মাজতো যিকেইটা 'ভাল' আমাৰ মাজত আছে–তাৰ সংৰক্ষণ, উৎকৰ্ষ সাধন আদিৰ বাবে অলপো চেষ্টা নকৰো ! 'সূত্ৰধাৰ' নিঃসন্দেহে 'বেয়াৰ' মাজৰ এখন ভাল আলোচনী, অথচ সেইখনকো আমি ধ্বংসৰ মুখলৈ ঠেলি দিবলৈ ওলাইছো। আভিজাত্য দেখুৱাবৰ বাবে আমি ইংৰাজী ভাষাত প্ৰকাশিত হোৱা আৰু অসংখ্য বিজ্ঞাপনেৰে ভৰপূৰ হৈ থকা 'জাতীয়' কাকত–আলোচনী কিনিছো, কেৱল কুৎসা-ৰটনা আৰু পৰনিন্দাক মূলধন কৰি বৰ্তি থকা বোলছবি বিষয়ক (এইবোৰো 'জাতীয়' !) আলোচনী কিনিছো; কিন্তু আমাৰ অতি আপোন তথা আমাৰে কথা কোৱা ভাল আলোচনীকেইখন আমি জীয়াই ৰাখিব খোজা নাই ! অৱশ্যে মিথ্যা, ভণ্ডামি, ফাকি, পৰনিন্দা, পৰচৰ্চা আদি ভাৰতীয়ৰ জাতীয় চৰিত্ৰ। সেইবাবেই প্ৰাগৈতিহাসিক কালৰে পৰা বিভিন্ন আক্ৰমণকাৰী, অনুপ্ৰবেশকাৰী, প্ৰব্ৰজনকাৰী আদিয়ে ভাৰতলৈ প্ৰথম বাৰ আহিয়েই ইয়াতে চিৰস্থায়ীভাবে থাকি গৈছে। কাৰণ, ভাৰতলৈ আহি তেওঁলোকে দেখিছে যে ইয়াত কাম নকৰাকৈও কাম কৰা দেখুৱাই, ভণ্ডামি কৰি, ফাকি দি তথা পৰনিন্দা আৰু পৰচৰ্চা কৰিয়েই গোটেই জীৱনটো কটাই দিব পাৰি ! জীয়াই থাকিবৰ বাবে এনেকুৱা সুন্দৰ সুবিধা ভাৰতৰ বাহিৰে আৰু কোনখন দেশত পোৱা যাব ! অথচ এইষাৰ কথাকে পোনপটীয়াকৈ নকৈ ৰহণ সানি আমি এনেকৈ কওঁ ঃ ভাৰতীয় সংস্কৃতিয়ে সকলোকে আকৃষ্ট কৰে, আদৰি লয়; সকলোকে নিজত লীন নিয়ায় !

'সূত্ৰধাৰৰ' প্ৰতি মোৰ এটা ব্যক্তিগত দুৰ্বলতাও আছে। মোৰ এতিয়ালৈকে প্ৰকাশিত ৰচনাৰ সিংহভাগ 'সূত্ৰধাৰতে' প্ৰকাশিত হৈছে। আৰু প্ৰকাশিত হৈছে সম্পূৰ্ণ 'অক্ষত' অৱস্থাত। অন্য কাকত-আলোচনীত দুই-এটা লেখা প্ৰকাশ হ'লেও যথেষ্ট কটা-কুটা কৰাৰ পাছতহে সেইবোৰ প্ৰকাশিত হৈছে;–কোনোবা সম্পাদকৰ হয়তো মই লিখা শিৰোনামাটোৱেই পছন্দ হোৱা নাই, অথবা কোনোবা সম্পাদকে নিজৰ মনঃপুত হোৱাকৈ যথেষ্ট সাল-সলনি কৰাৰ পাছতহে প্ৰকাশ কৰিছে। একমাত্ৰ 'সূত্ৰধাৰতহে' এটা শব্দও ইফাল-সিফাল নোহোৱাকৈ মোৰ লেখাবিলাক প্ৰকাশিত হয়।

এইক্ষেত্ৰত হেনো সম্পাদকৰ ৰুচিয়ে প্ৰধান ভূমিকা পালন কৰে। গণতান্ত্ৰিক ভাৰতত কাৰোবাৰ লেখা প্ৰকাশৰ বাবে যোগ্য নে অযোগ্য–এই সন্দৰ্ভত ৰায় দিয়ে কেৱল এজন মানুহে ঃ সম্পাদকে নিজেই, অথবা তেওঁৰ দ্বাৰা নিয়োজিত কোনোবাই। এই ক্ষেত্ৰত নাহো-নাহোকৈও এটা প্ৰশ্ন মনলৈ আহে ঃ সম্পাদকৰ ৰুচিমিশ্ৰিত সিদ্ধান্তই একমাত্ৰ নিৰ্ভুল সিদ্ধান্ত নেকি ? বিশেষকৈ মোৰ দৰে নবীন তথা অখ্যাত লেখকৰ বাবে এইবিলাক কথা অত্যন্ত গুৰুত্বপূৰ্ণ হৈ পৰে। অসমত এনেকুৱা বহুতো সম্পাদক আছে, যিসকলে নবীন তথা অখ্যাত লেখকৰ নামেই শুনিব নোখোজে। অখ্যাত সকলৰো যে সমাজত কিবা ক'ব লগীয়া থাকিব পাৰে, এইষাৰ কথা যেন বহুতে বিশ্বাসেই কৰিব নোখোজে ! একমাত্ৰ হোমেন বৰগোহাঞিদেৱেহে নবীন তথা অখ্যাত লেখকৰ কথা চিন্তা কৰে। আৰু 'সূত্ৰধাৰত' নবীন তথা অখ্যাত লেখকসকলে কিছু সুবিধা পাইছে কাৰণেই হয়তো অসমৰ তথাকথিত মূধাফুটা বুদ্ধিজীৱীসকলে এই আলোচনীখনৰ মানদণ্ড 'নিম্ন' বুলি ভাবিবলৈ লৈছে ! 'সূত্ৰধাৰত' প্ৰকাশিত হোৱা মোৰ দুই-এটা লেখা অন্য কাকত-আলোচনীলৈ পঠাওঁতে তাত প্ৰকাশিত নহ'ল। এইষাৰ কথাৰে মই এইটো সাব্যস্ত কৰিব খোজা নাই যে অসন্তৱ গুৰুত্বপূৰ্ণ কিবা মই লিখিছো আৰু সেইবোৰ প্ৰকাশিত হবই লাগিব–এইদৰে যেন কোনেও ভাবি নলয়। নিতান্ত যুক্তিৰ খাতিৰতহে কথাষাৰ অৱতাৰণা কৰা হৈছে। অন্যহাতেদি 'সাদিন' আৰু 'বুধবাৰৰ' সম্পাদকদ্বয় তুলনামূলকভাবে নবীন হ'লেও তেওঁলোকে নবীন লেখকৰ লেখা প্ৰকাশ নকৰে। 'বুধবাৰৰ' কথা পাছত সুকীয়াকৈ আলোচনা কৰা হ'ব।

ইয়াৰ মাজতো দুই-এজন ভাগ্যবান নবীন লেখক আছে। তেওঁলোকে বেছি লিখা-মেলা নকৰিলেও তেওঁলোকৰ 'চাহিদা' আছে আৰু পাঠকেও তেওঁলোক বেছি দিন 'নীৰৱ' হৈ থকাটো নিবিচাৰে ! নিশ্চয় তেওঁলোকৰ ৰুচি সম্পাদকসকলৰ ৰুচিৰ লগত মিলি যায়। আৰু তেওঁলোকৰ 'চাহিদা' ইমানেই বেছি যে লেখা বিচাৰি সম্পাদকৰ পৰা অহা অনুৰোধো তেওঁলোকে হেলাৰঙে 'হৃদয়ৰ তাগিদা নাই' বুলি একাষৰীয়াকৈ থৈ দিব পাৰে ! কিন্তু এইখন দেশত সমস্যা, ফাকি, ভণ্ডামি, অন্যায়, দুৰ্নীতি আদি ইমান বেছি যে মোৰ দৰে বহুতো নবীন তথা অখ্যাত লেখকে লিখিবৰ বাবে হৃদয়ৰ তাগিদা অনবৰতে অনুভৱ কৰি থাকে। ইয়াৰ বাবে উজাগৰী ৰাতি কটাবলৈও আমি প্ৰস্তুত। আমাৰ লেখা কোনোবা 'মহৎ' পুৰস্কাৰৰ বাবে যোগ্য নহব পাৰে; কিন্তু এইবোৰ লেখাই যদি সমাজত কিবা জাগৰণ আনিব পাৰে, তেন্তে সিয়েই আমাৰ বাবে যিকোনো 'মহৎ' পুৰস্কাৰতকৈও মহৎ বুলি বিবেচিত হ'ব। সেইবাবেই মই মোৰ বাবে 'নিৰ্ধাৰিত নোহোৱা বিষয়ৰ' ওপৰতো লিখিছো (ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীৰ মতে চাকৰিয়ালৰ ভিতৰত কেৱল শিক্ষকসকলৰহে হেনো চৰকাৰক সমালোচনা কৰাৰ অধিকাৰ আছে)।

কিন্তু সুবিধা ক'ত ? অনুপ্ৰেৰণাতো দূৰৰে

'সূত্ৰধাৰৰ' প্ৰতি মোৰ এটা ব্যক্তিগত দুৰ্বলতাও আছে। মোৰ এতিয়ালৈকে প্ৰকাশিত ৰচনাৰ সিংহভাগ 'সূত্ৰধাৰতে' প্ৰকাশিত হৈছে। আৰু প্ৰকাশিত হৈছে সম্পূৰ্ণ 'অক্ষত' অৱস্থাত। অন্য কাকত-আলোচনীত দুই-এটা লেখা প্ৰকাশ হ'লেও যথেষ্ট কটা-কুটা কৰাৰ পাছতহে সেইবোৰ প্ৰকাশিত হৈছে;–

কথা, কাৰোবাৰ পৰা সমালোচনা এটাকে আমি আজিলৈকে পোৱা নাই ! ফলত আমি কৰি অহা ভুলবোৰ ভুল হৈয়েই থাকি গৈছে (আৰু ভুল যে কৰি আছো, সি খাটাং)। অসমত যে গঠনমূলক সমালোচনা আগবঢ়াব পৰা বুদ্ধিজীৱীৰ অভাৱ-সিও নহয়। কিন্তু এইখন দেশত-বিশেষকৈ অসমত-কোনে কাৰ কথা ভাবে ! পৰনিন্দা-পৰচৰ্চা কৰাটো আমাৰ জাতীয় চৰিত্ৰ, কিন্তু দিহা-পৰামৰ্শ দি কাৰোবাৰ অগ্ৰগতিৰ বাট সুচল কৰাটো আমাৰ ধৰ্ম নহয় ! আমি সকলোৱেই 'মই' কেন্দ্ৰিক হৈ পৰিছো; বাস্তৱৰ জীয়া মানুহৰ সংস্পৰ্শতকৈও কথাছবিৰ কাল্পনিক চৰিত্ৰবিলাকৰ সংস্পৰ্শহে আমি বেছিকৈ বিচাৰিছো। মই জনাত একমাত্ৰ ড° ভূপেন্দ্ৰনাৰায়ণ ভট্টাচাৰ্যইহে এইবোৰ বিষয়ক লৈ এতিয়ালৈকে 'চিয়ঁৰ-বাখৰ' কৰি আছে। মই অন্ততঃ কোনোবাই এনেকৈ ক'লেও বেয়া নাপাওঁ : "কানাই গগৈয়ে এতিয়ালৈকে লিখা লেখাবিলাক সাহিত্য হোৱা নাই, কেৱল গোবৰহে হৈছে। সাহিত্যিক হিচাপে তেওঁৰ ভৱিষ্যত অন্ধকাৰ। গতিকে তেওঁ সাহিত্য-চৰ্চা এৰি কৰি-খেতি কৰাই যুগুত হ'ব।" কোনোবাই অন্ততঃ এনেকৈয়েতো কওক !! তেতিয়া অন্ততঃ মই মোৰ হৃদয়ৰ তাগিদাক জোৰ কৰি হ'লেও গাপ দি ৰাখিবলৈ চেষ্টা কৰিম !

'বুধবাৰ' কাকতৰ সন্দৰ্ভত বহুতকে এনেদৰে কোৱা শুনিছো : "এইবাৰ কিন্তু 'বুধবাৰত' বেলেগ লিখিছে !" বহুত দিন ময়ো 'বুধবাৰে' 'বেলেগ লিখে !' বুলিয়েই ভাবি আছিলো। কিন্তু আজি এবছৰৰ 'বুধবাৰ' বিলাক পঢ়ি মই পতিয়ন গৈছো যে তাত 'বেলেগ' একো নাথাকে, -আজি এবছৰে 'বুধবাৰে' একেখিনি কথাকে ঘূৰাই ঘূৰাই লিখি আছে। আনকি তাত একে কেইটা দাড়ি-ক'মা-ছেমিকলনকেই ব্যৱহাৰ কৰি থকা হৈছে !! 'বুধবাৰৰ' প্ৰতিবেদকসকলেও পৰাগ কুমাৰ দাসৰ সুৰত সুৰ মিলাই লিখাৰ বাহিৰে নিজস্ব ধৰণেৰে একো লিখিব নোৱাৰে নেকি ?! অথবা পৰাগ কুমাৰ দাসে ব্যৱহাৰ কৰা শব্দকেইটাৰ বাহিৰে বেলেগ শব্দ এওঁলোকে ব্যৱহাৰ কৰিব নোৱাৰে নেকি ? নতুবা একেখিনি কথাকে পাগুলি থকাৰ বাহিৰে পৰাগ কুমাৰ দাসে সুকীয়া একোকে ক'ব নোৱাৰে নেকি ? আজি এবছৰে একেবোৰ কথাকে পঢ়ি পঢ়ি মোৰ আমুৱালে আৰু সেইবাবেই প্ৰায় তিনি বছৰ ধৰি সাঁচি থোৱা 'বুধবাৰৰ' সংখ্যাবোৰ এদিন 'কিলো' হিচাপত বিক্ৰী কৰি দিলো।

আৰু কথানো কিবোৰ ? পৰাগ কুমাৰ দাসৰ প্ৰধান ক্ষোভ বা আক্ষেপ হ'ল : হিতেশ্বৰ ...ীয়া অসমৰ মুখ্যমন্ত্ৰী কিয় হ'ব ?! কংগ্ৰেছে ...শাসনভাৰ পোৱাত পৰাগ কুমাৰ দাসৰ ... (যদি আছে), তাতকৈ বেছি ক্ষোভ ...া অসমৰ মুখ্যমন্ত্ৰী হোৱাত ! ... মই মহাপুৰুষ বুলিব খোজা নাই,-সকলো ভাৰতীয় ৰাজনীতিজ্ঞই কৰাৰ দৰে হিতেশ্বৰ শইকীয়াইও দুৰ্নীতি-ভণ্ডামি কৰে। আৰু দুৰ্নীতি-ভণ্ডামি অবিহনে ভাৰতীয় ৰাজনীতিও অচল ! কিন্তু এজন নিৰ্দিষ্ট মানুহৰ প্ৰতি থকা ব্যক্তিগত বিদ্বেষক ৰং-ৰহণ সানি তাকে 'ৰাজহুৱা' কৰাৰ চেষ্টাত কোনটো 'নীতিৰ প্ৰশ্ন' সোমাই আছে ? অসমৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়া নহৈ অন্য কোনোবা হোৱা হ'লেই জানো দুৰ্নীতি, ভণ্ডামি আদি লোপ পালেহেঁতেন ? আচলতে ভাৰতত সাম্প্ৰতিক প্ৰচলিত সমাজ-ব্যৱস্থাটোকে সমালোচনা নকৰি, সংশোধন নকৰি অথবা সলনি নকৰি কেৱল একোজন নিৰ্দিষ্ট লোকক অকথ্য ভাষাৰে সমালোচনা কৰিলেই জানো সমস্যাৰ সমাধান হব ? তদুপৰি বিৰোধিতাৰ বাবেই বিৰোধিতা কৰি থকাতে, অৰ্থাৎ সমালোচনা কৰাতে একোখন কাকতৰ দায়িত্ব শেষ হয় নেকি ? বিৰোধিতা কৰাত বাদে গঠনমূলক সমালোচনা অৰ্থাৎ পৰামৰ্শ আগবঢ়োৱাটো কাকতৰ দায়িত্বৰ ভিতৰত নপৰে নেকি ? 'সাদিনৰ' সম্পাদকে কিছু দিনৰ আগতে সাব্যস্ত কৰিবলৈ চেষ্টা চলাইছিল যে হিতেশ্বৰ শইকীয়া 'বেয়া' আৰু তেওঁ অসমৰ বাবে চিন্তা নকৰে; কিন্তু শাৰদ পাৱাৰ 'ভাল' আৰু তেওঁহে অসমৰ কথা ভাবে (কোনটো সীমাৰেখালৈকে মানুহ 'ভাল' হৈ থাকে আৰু তাক অতিক্ৰম কৰিলেই মানুহ 'বেয়া' হৈ পৰে ?) ! অথচ সৰু ল'ৰা এটাইও বুজি পায় যে যিমান 'বেয়া' নহ'লেও অসমৰ মানুহ হিচাপে হিতেশ্বৰ শইকীয়াই অসমৰ কাৰণে চিন্তা কৰিব, কিন্তু যিমান 'ভাল' নহ'লেও শাৰদ পাৱাৰৰ অসমৰ বাবে মূৰৰ কামোৰণি নুঠে ! এইবোৰ বিভ্ৰান্তি নহয় কি ? এইবোৰো জানো ভণ্ডামি নহয় ?!

অথচ এই পৰাগ কুমাৰ দাসেই 'বুধবাৰৰ' ৯ ছেপ্টেম্বৰ, ১৯৯২ সংখ্যাত হোমেন বৰগোহাঞিক 'ভণ্ড' আখ্যা দিছে ! কিন্তু মোৰ ধাৰণাত হোমেন বৰগোহাঞিয়ে যদি 'ভণ্ডামি' কৰিছে, তেন্তে পৰাগ কুমাৰ দাসেও আজিলৈকে কেৱল তাকেই কৰি আহিছে ! কোনোবা এজন নিৰ্দিষ্ট মানুহৰ প্ৰতি অনবৰতে বিষোদ্গাৰ কৰি থকা এখন কাকতে সমাজত সুস্থ, গঠনমূলক মানসিকতা সৃষ্টি কৰিবলৈ কি ধৰণেৰে সক্ষম হ'ব ? কৰাৰ ভিতৰত পৰাগ কুমাৰ দাসে কেইটামান 'চমৎকাৰ' শব্দৰ সৃষ্টি কৰিছে : 'গণশত্ৰু', 'সামন্তপ্ৰভু', 'সমাজৰ সকলোৰে দ্বাৰা ঘৃণিত' (হিতেশ্বৰ শইকীয়াক উদ্দেশ্য কৰি) তথা 'বিপ্লৱী' 'দিল্লীবাদ বিৰোধী', 'মুক্তিকামী জনগণৰ প্ৰতিনিধি' (নিজক উদ্দেশ্য কৰি)। এইবোৰ 'বিশেষণ' প্ৰয়োগৰ বাবে পৰাগ কুমাৰ দাসক কোনোবাই অধিকাৰ প্ৰদান কৰি থৈছে নেকি ? পৰাগ কুমাৰ দাসে আৰু এটা কাম কৰিছে : কিছুমান 'জাতীয় বীৰ' সৃষ্টি কৰিছে ! অসমত প্ৰচলিত ভাষা, আইন কানুন আদি একো নজনা কয়লা খনি বিশেষজ্ঞ ছিগ্যেহি গ্ৰীশ্চেংকো-ক ধৰি নি 'বিপ্লৱীসকলে' সেই দিনাই হত্যা কৰিলে। নিহত হোৱাৰ আগতে সুদূৰ ছাইবেৰিয়াৰ পৰা আহি অসমৰ কয়লা খনিত নিষ্ঠা আৰু সততাৰে কাম কৰা ছিগ্যেহিয়ে আনকি নিজৰ একমাত্ৰ ল'ৰাটোৰ মুখখনো দেখিবলৈ নাপালে !! নিহত হ'ল বিনা কাৰণত ! অথচ 'বুধবাৰে' ইয়াৰ প্ৰতিবাদ কৰিব নোৱাৰিলে, হয়তো ইয়াতো 'বিপ্লৱ' দেখিলে ! এজন নিৰ্দোষী মানুহ বিনা কাৰণত নিহত হ'ব লগীয়া হোৱাটো কাৰোবাৰ কাৰণে কিমান মৰ্মান্তিক ঘটনা হ'ব পাৰে, সেই কথা পৰাগ কুমাৰ দাসে নিজৰ অতি মৰমৰ কোনোবা 'নাইকিয়া' হৈ গ'লেহে হয়তো উপলব্ধি কৰিব পাৰিব। প্ৰসংগক্ৰমে এষাৰ কথা উল্লেখ কৰি থ'ব বিচাৰো যে ১৬-৩১ অক্টোবৰ, ১৯৯২ সংখ্যাৰ 'সূত্ৰধাৰত' প্ৰকাশিত "ছবছৰীয়া মস্কোৰ জীৱনৰ............"এখন সাপ্তাহিক কাকতৰ কথা উল্লেখ আছে। আজি স্পষ্টভাবে কওঁ যে সেই কাকতখন 'বুধবাৰ' আছিল।

অৱশ্যে এটা কথা ঠিক যে 'সূত্ৰধাৰেও' কিছু কিছু ক্ষেত্ৰত পৰিস্থিতিৰ এটা ফালহে দেখিছে। গাড়ী-মটৰ ৰখাই কৰা 'চেকিঙৰ' সময়ত উপাধি সুধি বা চাই 'অসমীয়া' নিৰ্ণয় কৰি মানুহক সৈন্যবাহিনীৰ জোৱানসকলে মৰা চৰটো-গোৰটো-ঠেলাটোৰ কথা, খানা-তালাচীৰ নামত ঘৰৰ বস্তু-বাহানি লণ্ড-ভণ্ড কৰি পৰিয়ালৰ লোকক কৰা দুৰ্ব্যৱহাৰৰ কথা অথবা 'ভুৱা সংঘৰ্ষৰ' দোহাই দি কৰা হত্যাৰ কথা 'সূত্ৰধাৰত' প্ৰকাশ হোৱা নাই। 'নিৰপেক্ষ' হ'বৰ বাবে এইবিলাক কথালৈও চকু দিব লাগিব। কাৰণ, দুয়োটা পিঠি লৈহে এটা মুদ্ৰা 'সচল' হ'ব পাৰে।

সামৰণিত মোৰ জ্ঞান-বুদ্ধিয়ে ঢুকি পোৱাৰ ভিতৰত দুটামান পৰামৰ্শ 'বুধবাৰলৈ' আগবঢ়াব বিচাৰো ( ভুল হ'লে সুধী সমাজে যেন শুধৰাই দিয়ে ) : হিতেশ্বৰ শইকীয়াৰ বিৰুদ্ধে কেৱল বিষোদগাৰ কৰি নাথাকি কিছু গঠনমূলক সমালোচনা তথা পৰামৰ্শ আগবঢ়াওক। কাৰণ, সম্পূৰ্ণ 'ভাল' আৰু সম্পূৰ্ণ 'বেয়া' মানুহ নাথাকে। হিতেশ্বৰ শইকীয়া 'বেয়া' বুলি মানি ল'লেও তেওঁ অন্ততঃ অসমৰ বাবে কিবা এটা কৰাৰ চেষ্টা কৰিছে। কিন্তু আগৰজন মুখ্যমন্ত্ৰীয়ে আনকি তাকো কৰা নাছিল। তদুপৰি মন্ত্ৰী-বিধায়ক তথা সমাজৰ সুবিধাভোগী শ্ৰেণীৰ ওপৰত অত্যধিক গুৰুত্ব প্ৰদান নকৰি সমাজৰ খাটি-খোৱা শ্ৰেণীৰ জাগৰণৰ বাবে চেষ্টা কৰক। তেতিয়া 'বুধবাৰ' সঁচাকৈয়ে 'মুক্তিকামী জনগণৰ প্ৰতিনিধি' হৈ পৰিব। আৰু সেই দিনটোৰ বাবে মই সাগ্ৰহেৰে অপেক্ষা কৰিম।

দ্বিতীয়তে, নবীন সম্পাদক হিচাপেই পৰাগ কুমাৰ দাসে নবীন তথা প্ৰগতিশীল লেখকসকলক তেওঁলোকৰ লেখা প্ৰকাশৰ কিছু সুবিধা দিয়ক। কাৰণ, নতুন নতুন লেখক সৃষ্টি কৰাটো এখন কাকতৰ দায়িত্বৰ ভিতৰতে পৰে। ◼





# তিতা-কেঁহা

বিপুল ভোটৰ ব্যৱধানত জৰ্জ বুশ্বক হৰুৱাই ডেমক্ৰেট্-প্ৰাৰ্থী বিল্ ক্লিনটন আমেৰিকাৰ প্ৰেছিডেণ্ট হিচাপে নিৰ্বাচিত হৈছে।

: এইবাৰ কিন্তু চাদ্দাম হোচেইন নিবোকা হৈ থকা নাই। নিজৰ বাসভৱনৰ ওপৰ মহলাৰ বেলকনিত থিয় হৈ হৰ্ষোল্লাসত শূন্যলৈ এক জাঁই গুলি এৰি দিয়াৰ পিছত তেওঁ চাগে যিটো কিৰিলী মাৰিলে, আমাৰ ইয়াৰ বিহুৱা পিলিঙা জাকেও তলমূৰ কৰিব।

* * *

মুখ্য ন্যায়াধীশ শ্ৰী এম, এছ, কানিয়াই অধ্যক্ষতা কৰা সাংবিধানিক আদালতে চৰকাৰী চাকৰিত পিছপৰা শ্ৰেণীৰ লোকৰ বাবে পদ সংৰক্ষণ কৰাটো বাহাল ৰাখি ভি পি সিং চৰকাৰৰ ২৭ শতাংশ চাকৰি সংৰক্ষণ কৰাৰ সিদ্ধান্ত আংশিকভাবে বৈধ আৰু নৰসিংহ ৰাও চৰকাৰে কৰা অৰ্থনৈতিক মাপ কাঠিৰ ভিত্তিত ১০ শতাংশ চাকৰি সংৰক্ষণৰ আদেশ নাকচ কৰি এটা ঐতিহাসিক ৰায় দান কৰে। মুখ্য ন্যায়াধীশ শ্ৰী কানিয়াই অৱসৰ গ্ৰহণৰ এদিন পূৰ্বে এই ৰায় দিয়ে।

: কানিৰ টিকিৰাৰ ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ হ'ব বুলি তেওঁ আগতেই জানিছিল হবলা। নহলে যোৱাৰ আগদিনাহে তেওঁ টিকিৰা পুৰিবলৈ কিয় চুঙাটো হাতত তুলি লব !

* * *

মধুৰেণ : আপেক্ষিকতাবাদৰ অৰ্থ আইনষ্টাইনে খুব সহজ আৰু সৰল ভাষাৰে এইদৰে বুজাই দিছিল - 'তুমি যদি এজনী ধুনীয়া ছোৱালীৰ কাষত এঘণ্টাও বহা, তথাপিও তোমাৰ এক মিনিটমান সময়হে বহা যেন লাগিব। আনহাতে, দগ্‌দগীয়া অঙঠাৰ জুইৰ চুলা এটাৰ ওচৰত যদি তুমি এক মিনিট সময়ো বহা, সেয়া এঘণ্টা সময় যেন লাগিব।' এয়ে আপেক্ষিকতাবাদ।

* * *

পকৃতভাবে মিতব্যায়িতা পালন কৰাৰ প্ৰচেষ্টা হিচাবে অসম আৰু নাগালেণ্ডৰ ৰাজ্যপাল শ্ৰীলোকনাথ মিশ্ৰই যোৱা ৩০ অক্টোবৰত কহিমালৈ যাওঁতে ডিমাপুৰলৈকে সাধাৰণ ৰেল গাড়ীত ভ্ৰমণ কৰিছে বুলি এখন স্থানীয় ইংৰাজী দৈনিকৰ বাতৰিত প্ৰকাশ। হেলিকেপ্টাৰেৰে যোৱা খৰচ যথেষ্ট বেছি কাৰণে ৰাইজৰ ধন ৰাহি কৰাৰ উদ্দেশ্যে তেওঁ এনে চৰকাৰী ভ্ৰমণ প্ৰথমবাৰৰ কাৰণে হেনো ৰেলত আৰম্ভ কৰিছে।

:বাতৰিটো অসম্পূৰ্ণ হৈ থাকিল দেখোন। কাৰণ কহিমাৰ পৰা গুৱাহাটীলৈ ঘূৰি অহাৰ বাতৰিটোৰ পিছতহে মিতব্যয়িতাৰ ছবিখন বেছি স্পষ্ট হ'লহেঁতেন।

* * *

যোৱা অক্টোবৰ মাহত শোণিতপুৰ আৰু দৰং জিলাত বনৰীয়া হাতীয়ে দহজন মানুহ মাৰিছে আৰু প্ৰায় দহলাখ টকাৰ সা-সম্পত্তি হেনো নষ্ট কৰিছে।

: ভাগ্যে, ৰাজধানীৰ জনতা ভৱনৰ সমুখত থকা গান্ধীৰ প্ৰতিমূৰ্তিটোৰ কাষত আশ্ৰয় লৈ থকা হাতী দুটা আচল নহয়।

* * *

ভাৰতত অবৈধভাবে সোমোৱা বাংলাদেশীক খেদি পঠাবলৈ ভাৰত চৰকাৰে যি 'পুচ-বেক অপাৰেশ্যন' হাতত লৈছিল সেইটো বৰ্তমানে স্থগিত ৰখা হৈছে।

:ঠিকেই কৰিছে। দুবিধ শুইং দুৱাৰৰ এবিধত লিখা থাকে পুচ্ আৰু আনবিধত পুল্। চিৰাচৰিত ভাবে পুলৰ প্ৰতি বিশ্বাসী আৰু আগ্ৰহী আমাৰ ভাৰতে কাৰ প্ৰৰোচনাত পৰি এইবাৰ পুচ্ কৰিবলৈ গৈছিল নেজানিলো। সেয়েহে এতিয়া শল ঠেকত পৰি গ'ল।

* * *

অসম সমবায় চেনিকলটো চৰকাৰে বোম্বাইৰ এক ব্যক্তিগত খণ্ডক লীজ দিয়াত অংশীদাৰ আৰু ৰাইজৰ মাজত ব্যাপক অসন্তুষ্টি হৈছে বুলি বাতৰিত প্ৰকাশ।

: এটা অলিখিত চুক্তিত গোটেই অসমখনকেই কেতিয়াবাই লীজত দি দিয়াৰ পিছত এতিয়া এটা সামান্য চেনিকলৰ কাৰণে হা-হুতাশ কৰাটো একেবাৰে অৰ্থহীন।

* * *

অসম প্ৰদেশ কংগ্ৰেছ (আই)ৰ এটা প্ৰেছটোকাত প্ৰকাশ যে কলিয়াবৰৰ অ-গ-প সদস্য দিলীপ মহন্তকে ধৰি কেইবাজনেও আই কংগ্ৰেছত যোগ দিছে।

: এতিয়া কলিৰ ৰাম-সীতাইহে যদি লক্ষ্মণক উদ্দেশ্যি দূৰ্গাবৰী সুৰত 'আমিও বনে যাওঁ ভাতৃহে' বুলি গায়, তেন্তে আচৰিত হ'ব লগীয়া কিবা থাকিব জানো ?

* * *

গুৱাহাটী, ডিব্ৰুগড় আৰু শিলচৰ মেডিকেল কলেজত ছাত্ৰ আৰু কনিষ্ঠ চিকিৎসক সকলে অবিৰত ধৰ্মঘট কৰি থকাৰ ফলত অচলাৱস্থাৰ সৃষ্টি হৈছে বুলি প্ৰকাশ।

: '২০০০ চনত সকলোৰে বাবে স্বাস্থ্য' এই কথাষাৰ কেইটামান দশকলৈ পিছুৱাই যাব বুলি এতিয়া নিশ্চয় ধাৰণা কৰি লব পাৰি।

* * *

এখন দৈনিক অসমীয়া কাকতৰ বাতৰি অনুসৰি ৰাজ্যৰ প্ৰাথমিক শিক্ষা সঞ্চালক শ্ৰীপ্ৰভাত চন্দ্ৰ কোঁৱৰৰ চাকৰি কাল কেবিনেটৰ অনুমোদন নোহোৱাকৈয়ে যোৱা ৩১ অক্টোবৰৰ পৰা পুনৰ নিৰ্দেশ নিদিয়ালৈকে বৃদ্ধি কৰা হৈছে। শ্ৰীকোঁৱৰে যোৱা ৩১ অক্টোবৰত অৱসৰ গ্ৰহণ কৰিব লাগিছিল।

: নিয়ৰসিক্ত ফুলেৰে পৱিত্ৰ হৈ থকা প্ৰভাতী কালৰ আগত চৰকাৰী চাকৰিৰ পৰা অৱসৰ লোৱা বিষয়টো অতি নগণ্য। কাৰণ 'সুন্দৰে যে ফুলাৰ মন্ত্ৰ অহোৰাত্ৰি মাতে, সেয়েহে আজি ইমান ফুল প্ৰভাতে প্ৰভাতে।'

* * *

আন এখন সাপ্তাহিকত এটা মুখৰোচক বাতৰি ওলাইছে। গীতা মন্দিৰ চৌহদত প্ৰেমলীলা। মন্দিৰলৈ উঠি যোৱা বাটৰ দুয়ো কাষে থকা হাবিজংঘলত অবাধ প্ৰেমলীলা চলি থকা আৰু এহাল পুৰুষ-মহিলা হাতে-লোটে ধৰা পৰাৰ কথাও বাতৰিটোত উল্লেখ কৰা হৈছে।

: নিঃসন্দেহে এটা আপত্তিজনক বাতৰি। কাৰণ গীতাৰ লগত শ্ৰীকৃষ্ণ আৰু শ্ৰীকৃষ্ণৰ লগত প্ৰেম-পিৰীতি সদায় জড়িত। গীতাত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে- 'হে অৰ্জুন, যজ্ঞৰ দ্বাৰা দেৱতাসকল সন্তুষ্ট হলে তোমালোকে বিচৰা ভোগ্যবস্তু তোমালোকক দান কৰিব। কিন্তু সেই দেৱ-দত্ত বস্তু যি দেৱতাক নিদিয়াকৈ নিজেহে ভোগ কৰে, তেওঁ চোৰ।' গতিকে বুজা গ'ল, উক্ত সাপ্তাহিকখনৰ গীতাৰ বিষয়ে কোনো সম্যক জ্ঞান নাই।

বক্ৰগামী বৰুৱা

# কালচক্ৰ ঃ সন্ধিক্ষণ

ডাঃ আনন্দেশ্বৰ বৰঠাকুৰ



ঘৰৰ পৰা ওলায়ে দেখে আব্দুলে ঘোঁৰা গাড়ী লৈ ৰৈ আছে। যাবৰ সময়ত ভবানীয়ে শইকীয়াৰ হাতখনত ধৰি ক'লে, "ককাইদেউ, আপুনি কলিকতালৈ আহোঁতে যাওঁতে মোৰ ঘৰত সদায় এনিশা খপি যাব। ইয়াতেই বাটৰ ভাগৰ মাৰিব পাৰিব। আপোনাক এইবাৰ ইমান কম সময়ৰ কাৰণে লগ পালো যে অন্তৰত বহুত কথা থাকি গ'ল। আপোনাক আৰু বহুত দীঘলীয়াকৈ লগ পাবৰ ইচ্ছা এটা থাকি গ'ল।"

"হ'ব বাৰু, ভবানী, হ'ব।"

আব্দুলৰ ঘোঁৰা গাড়ী এৰি দিলে। বাটত ভাবি যাবৰ বাবে বহুতো সমল পালে শইকীয়াই। অদ্ভুত ব্যক্তিত্বৰ ল'ৰা এই ভবানী। চুম্বকে আকৰ্ষণ কৰাৰ দৰে ওচৰলৈ টানি লৈ যায়। আমিনগাঁৱৰ পৰা সেইছোৱা বাট বৰ আৰামত যাব পাৰিলে – তনুৱে আগতেই ওপৰৰ বাঙ্কত বিছনা পাৰি থোৱা বাবে। নলবাৰী ষ্টেচনত তনু নামি গ'ল। তাৰ পৰা দুমাইলমান নিলগত তেওঁৰ ঘৰ। প্ৰসন্ন মনেৰে বিছনাত কাতি হোৱাৰ লগে লগে শইকীয়াৰ টোপনি আহিল। তনু গাড়ীৰ পৰা নামি যোৱাৰ সময়ত শইকীয়াৰ ঘোৰ টোপনি।

কলিকতাত ব্যৱসায়ৰ পিনৰ পৰা শইকীয়াৰ কেইবাটাও অপ্ৰত্যাশিত ঘটনা ঘটিল। কানাই পাল এণ্ড চনচ্ বড়বজাৰৰ এখন ডাঙৰ মনোহাৰী বস্তুৰ পাইকাৰী দোকান। তেওঁলোকৰ গাদীত বহি পুৰণি হিচাপবোৰ মিলাই আছিল। তেনেতে ভৃত্য এজনে আহি জনালে শইকীয়াক মাধৱবাবুৱে ওপৰৰ অফিচলৈ মাতিছে। মাধৱবাবু কানাই পালৰ জ্যেষ্ঠ পুত্ৰ। বৰ্তমান পিতৃ বিয়োগৰ পিছত তেখেতেই গাদীত বহিছে। বাকী কেইজন ভায়েকক ওচৰত একোটাকৈ অফিচ পাতি দিছিল। চিঠি-পত্ৰৰ আদান-প্ৰদান কৰা, হিচাপ পৰীক্ষা কৰা আদি কাম ভাগে ভাগে প্ৰত্যেক ভায়েকক গটাই দিয়া আছিল।

মাধৱবাবুৰ কোঠালৈ সোমায়েই শইকীয়াই দেখিলে সমুখৰ চকী দুখনত দুজন চাহাব বহি আছে। টেবুলখনৰ কিনাৰৰ চকী এখনত মাধৱবাবুৱে শইকীয়াক বহিবলৈ অনুৰোধ কৰিলে। তেখেতে শইকীয়ালৈ আঙুলিয়াই চাহাব দুজনক ক'লে, "He is my man in Assam. His firm is in Jorhat. We shall appoint him as our distributor there."

চাহাব দুজনৰ লগত মাধৱবাবুৰ ইংৰাজীতে কথোপকথোন চলিল। শইকীয়াই সাক্ষীগোপাল হৈ বহি থাকিল। কথা-বতৰাৰ পৰা ইয়াকে বুজিলে বিস্কুট, জেলি আদি ভালেমান বিলাতী বস্তুৰ বিক্ৰীৰ ভাৰ কানাই পাল এণ্ড চনচ্‌ৰ হাতত গটাবলৈ চাহাব কেইজন বিলাতৰ পৰা আহিছে। এনেকুৱা ব্যৱসায়ত লাখ লাখ টকা খটুৱাব পৰা ব্যৱসায়ী কলিকতাত তেতিয়া নাছিল। কিন্তু চাহাব কেইজনৰ বিলাতৰ পৰা অহাৰ মূল কাৰণ অইন এটা আছিল। উজনি অসমৰ চাহবাগানবোৰত ভালেমান চাহাব মেনেজাৰ বা এচিষ্টেন্ট মেনেজাৰে কাম কৰিছিল। তেওঁলোকে এই বিলাতী বস্তুবোৰ উজনি অসমত নোপোৱাৰ বাবে তেওঁলোকৰ মেমচাহাববোৰে বৰ অশান্তি কৰিছিল। দুই এজনী মেমে গিৰীয়েকৰ লগত এৰা এৰি হৈ বিলাতলৈ উভতিও গ'ল। এইবোৰ কাৰণত এই চাহাব কেইজনৰ কোম্পানীৰ অংশীদাৰ সকলে তাগিদা দি তেওঁলোকক কলিকতালৈ পঠিয়াইছে। মাধৱবাবুৱে তেওঁলোকক আশ্বাস দি ক'লে একেবাৰতে আশী নব্বই হাজাৰ টকাৰ বস্তু শইকীয়াই নিব পাৰিব বুলি। তাৰ পিছত তেওঁলোকৰ বহীত সেই বস্তুবোৰৰ লিষ্টি কৰিলে। নানা তৰহৰ বস্তু। সৰহভাগ বস্তুৰ নাম শইকীয়াই শুনাই নাছিল। দাম প্ৰায় বিৰাশী হাজাৰ টকা হ'লগৈ। শইকীয়াক মাধৱ বাবুৱে এইবাৰ বহীত চহী কৰিবলৈ ক'লে। মাধৱবাবুৱে কথাটো শইকীয়াক ভালকৈ বুজাই ক'লে – প্ৰায় পোন্ধৰ দিনমান পিছত এই বস্তুবোৰ তেওঁৰ দোকান পাবহি। কানাই পাল কোম্পানীৰ দুজন মানুহে ৰেলেৰে এই বস্তুখিনি শইকীয়াৰ দোকানলৈ লৈ যাব। শইকীয়াই গুদামত বস্তুবোৰ ৰখাৰ দিহা কৰিব লাগিব। যিখিনি লাগে দৰকাৰ অনুসৰি বিক্ৰীৰ বাবে দোকানলৈ উলিয়াই ল'ব। গুদামত বস্তু কমি অহাৰ লগে লগে সেই বস্তু বিচাৰি কানাই পালৰ দোকানলৈ চিঠি দিব। বিক্ৰীৰ পৰা কিস্তি কৰি শইকীয়াই পইছা দি থাকিব পাৰিব। শইকীয়াৰ শতকৰা দহ টকাকৈ লাভ থাকিব। ব্যৱসায় ভাল হ'লে একলাখ দেৰলাখ টকাৰ বস্তু গুদামত পৰি থাকিলেও মাধৱবাবুৰ পিনৰ পৰা কোনো আপত্তি নাথাকিব। শইকীয়াৰ লগত কথা হোৱাৰ পিছত চাহাব কেইজনৰ অনুৰোধক্ৰমে তেওঁক আকৌ বুজালে। অসমত যিমানবোৰ চাহাবৰ ক্লাব আছে সেইবোৰলৈ চাহাব কেইজনে চিঠিতে শইকীয়াৰ দোকানত বস্তুবোৰ পাব বুলি জনাব। তেওঁলোকে নগদ পইছা দি বস্তু কিনিব। বিক্ৰীৰ দায়িত্ব চাহাবসকলে ল'লে। কিবা অসুবিধা হ'লে তেওঁলোকলৈ বিলাতৰ ঠিকনাত শইকীয়াই চিঠি দিব পাৰিব। কথাখিনি শুনি মধু শইকীয়াৰ মূৰৰ পৰা বোজা এটা আঁতৰিল। চাহাব দুজন এইবাৰ যাবলৈ উঠিল। যোৱাৰ আগতে মাধৱ বাবুৰ পিছত শইকীয়াৰ লগতো কৰমৰ্দন কৰিলে। কথা কি হ'ল নহ'ল মধু শইকীয়াই তৰ্কিবই নোৱাৰিলে। আচৰিত হৈ চাহাব কেইজন যোৱাৰ পিছত মাধৱবাবুলৈ শইকীয়াই চালে। তেওঁৰ ভিতৰৰ সংশয়বোৰৰ কথা গম পাই মাধৱবাবুৱে তেওঁক আশ্বস্ত কৰিবলৈ চেষ্টা কৰিলে। কথোপকথনবোৰ বঙালী ভাষাতেই হৈছিল। শইকীয়াই ইতিমধ্যে এই ভাষাটো ভালকৈ আয়ত্ত কৰি লৈছিল। মাধৱবাবুৱে শইকীয়াক চিন্তা কৰাৰ কোনো থল নাই বুলি সাহস দিলে। টকা-পইছাৰ বাবে মাধৱবাবুৰ পিনৰ পৰা কোনো তাগিদা দিয়া নহ'ব। বিক্ৰীৰ পাঁচ হেজাৰমান টকা গোট খালেই ৰতনবাবুৰ গাদীৰ মাৰফৎ তেওঁলোকলৈ পইছা পঠাব। এই গোটেইবোৰ কথা শুনিও শইকীয়াৰ সংশয় নাতৰিল। কি কাৰণে তেওঁৰ নিচিনা মানুহ এজনক ইমানবোৰ টকাৰ বাবে বিশ্বাস কৰিবলৈ ওলাইছে, সেই কথাটো মধু শইকীয়াই জানিবলৈ বিচাৰিলে।

এইবাৰ মাধৱবাবুৱে হোহোকৈ হাঁহিবলৈ ধৰিলে। তাৰ পিছত লগুৱাটোক মাতি আনি দুয়োৰে বাবে চাহ-সন্দেশ আনিবলৈ ক'লে। শইকীয়াক বুজালে, তেওঁৰ নিচিনা মানুহ এজনৰ পৰা এনেকুৱা ধৰণৰ প্ৰশ্নই আহিব বুলি মাধৱবাবুৱে জানিছিল। ব্যৱসায় কৰোতে অলপ আদান-প্ৰদান কৰিলেই মানুহজনৰ সততা আৰু যোগ্যতাৰ পৰিচয় পোৱা যায়। ব্যৱসায় আৰম্ভ কৰিবলৈ মূলধনৰ প্ৰয়োজন। কিন্তু ডাঙৰ কৰিবলৈ মানুহ লাগে। সেই মানুহ বিচাৰি পাওঁতে কেতিয়াবা ঠগ খালেও, সেই চেষ্টাটো অপৰিহাৰ্য। মাধৱবাবুৱে জানে শইকীয়াক লৈ তেখেতে ঠগ নেখায়।

সেইনিশা মাধৱবাবুৰ তাৰ পৰা ওলাই আহোতে যথেষ্ট পলম হ'ল। কিন্তু ক'ৰবাত কিবা এটা কেনা তেওঁৰ মনৰ মাজত ৰৈ গ'ল। মাধৱবাবুৰ বাকী ভায়েক কেইজন বা কেনেকুৱা ? জানিবৰ ইচ্ছা থাকিল। শইকীয়াৰ দোকানৰ বাবে আৱশ্যকীয় বস্তুৰ ফৰমাছ দি বিলাতী কোম্পানীৰ বস্তুৰ লগতে লৈ আহিবলৈ কৈ মিডলেও হোটেললৈ উভতিলে।

কি কাৰণত নেজানে সেই নিশা ভালেমান দেৰিলৈকে শইকীয়াৰ টোপনি নাহিল। বাৰেবাৰে মাধৱবাবুৰ তাত হোৱা ব্যৱসায়ৰ বন্দবস্তিটোৰ কথাকে ভাবিলে। বাকী ককাই-ভাই কেইজনৰ লগত দেখা হোৱা হ'লে হয়তো ভাল আছিল। তাৰ উপৰিও এইটো ব্যৱসায়ৰ পৰা হাজাৰ-হাজাৰ টকা উপাৰ্জন হলেই জানো ভাল হ'ব। ইমানবোৰ টকাৰে তেওঁ কৰিব কি ? জীৱনটো আৰম্ভ কৰোতে সাধাৰণভাবে খাই পিন্ধি থাকিবৰ বাসনাৰে আৰম্ভ কৰিছিল। টকাৰ গোন্ধ পাই ল'ৰা দুটা যদি অবাটে গুচি যায় ? মধু শইকীয়াৰ ধাৰণা টকাৰ লগত পাপৰ আকৰ্ষণী চুম্বক এটা সোমাই থাকে। ই পাপক টানি আনে। তেওঁ দেখিছে বহুত ক্ষেত্ৰত অৰ্থই অনৰ্থৰ কাৰণ হয়গৈ। শইকীয়াই ভাবিব নোৱৰা হৈ যায়। কিমান আশা – কিমান মৰম – ইমানবোৰ কল্পনাৰে সৈতে গঢ়া তেওঁৰ সোণৰ সংসাৰখন যদি কেনেবাকৈ ছাৰখাৰ হৈ যায় ? তেওঁৰ ভাবনাৰ আঁত হেৰাই যায়। কোনোবা এটা সময়ত চকুৰ পাহি কেইটা গধুৰ হৈ আহে আৰু গভীৰ নিদ্ৰাত নিমগ্ন হৈ পৰে। পিছদিনা পুৱা সাৰ পাওঁতে শইকীয়াৰ দেৰি হ'ল। লৰালৰিকৈ ৰাতিপুৱাৰ স্নানাহাৰ শেষ কৰি ওলাই গ'ল। আৰু দুই এঠাইত যি কাম-কাজ আছে, সোনকালে শেষ কৰি – ঘৰলৈ যাবৰ বাবে যো-জা কৰিবলৈ।

সৰু ল'ৰা-ছোৱালীৰ কাপোৰ-কানিৰ দোকানখন যোৱা ছমাহমানৰ ভিতৰতে বহুত ডাঙৰ হ'ল। সেই কাপোৰৰ দোকানৰ পাইকাৰীৰ পৰাও এটা হেঁচা আহিল – সৰহকৈ বস্তু নিয়াৰ বাবে। যিমান টকাৰ মাল নিবলৈ বিচাৰে, নিব পাৰে। পইছাৰ বাবে তাগিদা নাই। ইতিমধ্যে অৱশ্যে যোৰহাটৰ ওচৰে-পাঁজৰে থকা বেহা বেপাৰৰ ঠাইবোৰৰ পৰা ভালেমান দোকানে এইবোৰ বস্তু বিক্ৰীৰ বাবে নিবলৈ আৰম্ভ কৰিছে। আৰু টকা আৰু প্ৰলোভন। শইকীয়াই কিছু বস্তুৰ ফৰমাছ দি ঘৰলৈ উভতি আহি জনাব বুলি কৈ স্বস্তিৰ নিশ্বাস পেলাই হোটেললৈ উভতি আহিল। পিছদিনাই শিয়ালদহ ষ্টেচনৰ পৰা ঘৰলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। আগতীয়াকৈ খবৰ নিদিয়া বাবে মৰিয়নিৰ পৰা ঘৰ পাওঁতে অলপ কষ্ট হ'ল।

আবেলি বেলিকা দোকানৰ সমুখ পাওঁতেই শ্ৰীমন্তই ব্ৰস্ততাৰে ওলাই আহি তেওঁক ভিতৰলৈ লৈ গ'ল, "তুমি আহিলা। বৰ ভাল হ'ল। এইকেইদিন বৰ দুশ্চিন্তাত কটাইছিলো।"

"কি হ'লনো ?"

"যোৱা সপ্তাহত ঘৰলৈ গৈ দেখিলো পিতাইৰ গাটো বৰ বেয়া। এই অসুস্থতাৰ মাজতো পিতাইৰ সেই পুৰণি কথা – বোৱাৰীয়েকক মই ইয়ালৈ লৈ আহিব লাগে। যোৱা ছমাহে মোক সেই একে কথাকে শুনাই আছে।"

ইতিমধ্যে চাহ-জলপান খাবলৈ লগুৱাটোৱে ভিতৰলৈ মাতি নিয়ে। চাহ খাই গা-পা ধুই শইকীয়া এইবাৰ অলপ আশ্বস্ত হয়।

সবহিবন্ধাৰ ঘৰটো সম্পূৰ্ণ হোৱাৰ পিছত ঘৰৰ পৰা শ্ৰীমন্তৰ সৰুটো ভায়েক দিগন্তক আনি শইকীয়াই বেজবৰুৱা স্কুলত নাম লগাই দিয়ে। মাজু ভায়েক হেমন্তই পঢ়া-শুনা এৰি ধান কলটো আৰু খেতিখন চম্ভালিবলৈ লয়। হেমন্ত অসম্ভৱ কৰ্মী হৈছে। নাহৰে গাঁৱৰ ঘৰখনতে থাকে। প্ৰতি শনিবাৰে সন্ধিয়া শ্ৰীমন্ত ঘৰলৈ যায়। বৰ শহুৰেকৰ ঘৰৰ জাকহঁত, নিজৰ নন্দেক তিনিজনী, শহুৰেক, শাহুৱেক আটায়ে নাহৰক বৰ ভাল পায়। ঘৰখন এই কেইদিনৰ ভিতৰতে তাই বহুত সলনি কৰি পেলালে। হেমন্তক পেৰি পেৰি কৈ ৰতি মিস্ত্ৰীক অনাই ঘৰবোৰ এটা এটাকৈ টিন লগাই পকী কৰি নতুন কৰিবলৈ ধৰিলে। ৰতি মিস্ত্ৰীৰ কথা শুনি হেমন্তই দেছোৱালী বাঁঢ় আনি ইটাৰ কেঁচা ভাটা এটাও গঢ়ালে। ইটা ঘৰ সজা কামত লাগিব বুলি। দেছোৱালী বাঁঢ়য়ে সেই ঠাইৰ মাটি ইটাৰ বাবে ভাল হ'ব বুলি ক'লে। ওচৰৰে পৰা ভালেমান গ্ৰাহকে ইটা কিনিবলৈ আহিল। হেমন্তই চিন্তা কৰি চাই পিছৰ বছৰৰ পৰা ইটাৰ ব্যৱসায়টো ভালকৈ আৰম্ভ কৰিব বুলি স্থিৰ কৰিলে। গাঁৱৰ ঘৰখনৰ পৰিবৰ্তনবোৰ মধু শইকীয়াই দেখি আছে। তেওঁ এতিয়াহে সম্পূৰ্ণকৈ বুজি পালে শ্ৰীমন্তই কিয় নাহৰক যোৰহাট চহৰৰ ঘৰলৈ নিবলৈ বিচৰা নাছিল। ঘৰৰ বান্ধটো নভঙাকৈ ৰাখিলে ঘৰখনৰ উন্নতি হ'ব বুলি শ্ৰীমন্তই বুজিছিল। ভিতৰৰ চকীখনত বহি এই গোটেই কথাবোৰ ভাবি ভাবি এটা সময়ত শইকীয়াই শ্ৰীমন্তক ভিতৰলৈ মাতি পঠিয়ালে। শ্ৰীমন্ত সোমাই আহিল। তেওঁৰ চকুৱে মুখে চিন্তাৰ ছাপ ফুটি উঠিছিল। "কি হ'ল নো পিতাইৰ।"

"একো নেজানো। গাঁৱৰ বেজে দৰৱ দিছে যদিও একো কামত অহা নাই – যোৱা দুমাহমান ধৰি দেখিছো পিতাই মানুহজন জহি গৈ আছে। এতিয়া খুব দুৰ্বল। সৰহভাগ সময় বিছনাতে শুই থাকে। তুমি কলিকতালৈ যাবলৈ ওলাওঁতে মই এইবোৰ কথা একো নকলো। পিছতহে ভাবিছিলো তোমাৰ যোৱাটো কেইদিনমান দেৰি কৰা হ'লেই ভাল আছিল।"

"ককাইদেউ, আপুনি কাইলৈ পুৱা ঘৰলৈ চাহ খোৱাকৈ আহিব। ভনীয়েকৰ লগতো আলোচনা কৰি কিবা এটা কৰিব লাগিব।"

হাঁহিৰামে গাড়ীখন দোকানৰ আগত জুৰি শইকীয়াৰ বস্তু-বাহানিখিনি গাড়ীত তুলি ল'লে।

"অথনিৰে পৰা মোৰ মনটো পাতল কৰিবলৈ মোৰ কথাবোৰকে ক'লো। কলিকতাৰ ব্যৱসায়ৰ কথাবোৰৰ গম-গতি একো লোৱাই নহ'ল। তুমি ভাগৰি-জুগৰি আহিছা। ঘৰলৈ যোৱাগৈ। কাইলৈ পুৱা সকলো কথা শুনিম।"

পিছদিনা পুৱা শুই উঠিয়েই হাঁহিৰামক নিচেই পুৱাতে গাড়ীখন লৈ পকা মুৰাৰ ঘৰলৈ যাবলৈ ক'লে। মনবৰে চ'ৰা ঘৰত আওঁজাই থোৱা চাইকেলখন চাফ-চিকুণ কৰি, তেল-তুল দি বাহিৰ চোতাল উলিয়ালেগৈ।

শইকীয়াই দিগন্তক ক'লে, "নতুন ঘৰটো সৰাই-মচাই পৰিষ্কাৰ কৰি থোৱাবি। নবৌৰ লগত দিয়া খাট-পালেঙবোৰ খুলি ফিট কৰি তাত তুলিখন পাৰি আঠুৱাখন তৰি থ'বি। ঘৰটোত অলপ ধূনাও দিবি। বহুতদিন কোঠাকেইটা বন্ধ হৈ আছিল। পূবপিনৰ ডাঙৰ শোৱা কোঠাটোত বিছনা দুখন দিবি। আজি তই আৰু স্কুললৈ যাব নেলাগে। পিতাই আৰু আইক লৈ মই কেতিয়ামানে আহি পাওঁহি নেজানো।"

শ্ৰীমন্ত তেনেতে আহি পালেহি। চাহ-জলপান খাই থাকোতেই শইকীয়াই সিদ্ধান্তবোৰ শ্ৰীমন্তক জনালে। খাট-পালেঙ দুখনমান জোগাৰ কৰিবলৈ ক'লে। নতুন ঘৰটোত আৰু এটা শোৱা কোঠা লাগিব। নিশা শ্ৰীমন্তই হওক বা মধুৱে হওক কোনোবা এজন তাত থাকিব লাগিব। শহুৰেকক এইখন ঘৰত ৰাখিব লাগিলে ল'ৰাহালে আমনি কৰিব পাৰে।

কথাবোৰ শ্ৰীমন্তই মন দি শুনিলে আৰু কেনেকৈ ক'ত কি কৰিব সেইবোৰ চিন্তা কৰি থাকোতেই শইকীয়াই আকৌ ব্যৱসায় সংক্ৰান্তৰ দুই-এটা কথা কবলৈ ধৰিলে। গুদাম ঘৰটোত এটা চুকত মনোহাৰী মালবোৰ ৰাখিবলৈ বেৰ দি চাঙ কৰি তলা লগোৱাৰ ব্যৱস্থা কৰাৰ আৱশ্যকতা যে হ'ব সেইটোও জনালে। কলিকতাত কানাই পাল কোম্পানীত হোৱা বন্দৱস্তিবোৰৰ কথা একো নক'লে। ল'ৰা মানুহ – নতুনকৈ সংসাৰ পাতিছে। মধুৰ মনৰ সংশয়বোৰ পিছতো জনাব পাৰিব।

এইবাৰ ততাতৈয়াকৈ তামোলখন মুখত সুমুৱাই শইকীয়াই চাইকেলত উঠিল। সোনকালে পকামুৰা পাব লাগিব। দিনে-পোহৰে শহুৰেকক লৈ আহিব পাৰিলে ভাল হয়। গাঁৱত বেজ-জ্ঞানী নাই। চিভিলচাৰ্জন এলেন চাহাব বছৰৰ শেষৰ পিনে দেশলৈ যাবগৈ বুলি শুনিছিল। বাটত যাওঁতে চিভিল হস্পিটেলত সোমাই বুজ লৈ গ'ল। তেখেত আছে বুলি গম পালে। ডাক্তৰ চাহাব মানুহ হিচাপেও ভাল, ডাক্তৰ হিচাপেও ভাল। আমাৰ মানুহবোৰৰ ধাতুটো বুজে।

কাকতিৰ ঘৰখনত বৈষয়িক কথাত জোঁৱায়েকৰ কথা কোনেও নেপেলায়। জোঁৱায়েকে কোৱা মতেই কাকতিয়নীয়ে বস্তু-বাহানি সামৰি যাবলৈ ওলাল। নাহৰকো লগত ল'লে। ভতিজা বোৱাৰীয়েক এজনীক আনি ঘৰখন গটাই দিলে। বৰজনাকে আহি ভায়েকক আশ্বাস দিলেহি, "তই যা, বোপাই। তোৰ জোঁৱায়েৰ বুজন ল'ৰা। তাৰ সিদ্ধান্তবোৰত ভাঁজ নাই। ঘৰখনলৈ তই চিন্তা নকৰিবি। মই আছো। নবৌৱেৰ আৰু ভতিজাহঁতো আছে। তই ভাল হৈ আহিলে ময়ো এপাক দেহাটো দেখুৱাই ল'বলৈ আহিবগৈ লাগিব। লাহে-লাহে হটি আহিছো।"

যাবৰ সময়ত কাকতিয়ে ককায়েকক সেৱা কৰিলে। বিহুৰ বাহিৰে অইন দিনত ককায়েকক এনেকৈ সেৱা কৰা কাৰো মনত নপৰে। গম্ভীৰ কাকতিৰ মনটো আজি দুৰ্বল – শৰীৰত শক্তি বিচাৰি নোপোৱাৰ কাৰণে। "পিতাই স্বৰ্গলৈ যোৱাৰ দিন ধৰি তোকেই পিতৃ জ্ঞান কৰি আহিছো। আশীৰ্বাদ কৰিবি যাতে মই ভালহৈ আহিব পাৰো। তোৰ ল'ৰা ৰঘুৰ ঘৰখন পাতি দিয়াৰ কথা ভাবি আছিলো। শ্ৰীমন্ততকৈ সি কেইবছৰমানৰ সৰু হলেও তাৰ বিয়াখনলৈ দেৰি কৰিব নালাগে।"

কথাবোৰ কওঁতে কাকতিৰ মাতত অসহায়ৰ ভাব এটা ফুটি উঠিছিল। অতি কষ্টেৰে নিজক সংযত কৰি ককায়েকে কয়, "ভগৱানে সকলো ভাল কৰিব। তই কেৱল মনটো পেলাই নিদিবি।"

মধু শইকীয়াই আগতে গৈ বতৰা ল'লেগৈ। সেইদিনা পিছবেলা এলেন চাহাব হস্পিটেললৈ আহিছে বুলি গম পালে। গাড়ী হস্পিটেলৰ আগ পোৱাৰ লগে লগে এলেন চাহাবে কাকতিক চোৱাৰ ব্যৱস্থা কৰালে। শ্ৰীমন্তই দোভাষী হৈ বেমাৰৰ বিবৰণবোৰ ভঙা-ভঙা ইংৰাজীৰে বুজাই দিলে। ভালেমান পৰ পৰীক্ষা কৰি চাহাবে কম্পাউণ্ডাৰক মাতি অকণমান পেছাব লৈ গৈ পৰীক্ষা কৰিবলৈ ক'লে। পোনচাটতেই চাহাবে বেমাৰ ধৰি পেলালে। ক'লে ডায়েবিটিছ হৈছে বুলি। পেছাবত চেনি গৈছে। মিঠা বস্তু একেবাৰে খাব নোৱাৰিব। ভাতৰ সলনি আটাৰ ৰুটি খাব লাগিব। কাকতিয়নীয়ে জোঁৱায়েকক ক'লে – "দেখিছানে বাৰু মানুহজনে মিঠাহে সৰহকৈ খাবলৈ বিচাৰি থাকে।"

চাহাবে খোৱাৰ তালিকা এখন কৈ দিলে। দৰৱো কিছু লেখিলে। শইকীয়াই আগতে গম লৈছিল বাবে ডাক্তৰৰ মাননী যোল্ল টকা যাচিলে। সিমান টকা ফিজ লোৱা ডাক্তৰ এজন যোৰহাটত তেতিয়া নাছিল। গোটেই কথাবোৰ আটায়ে শুনি কাকতিৰ ভাল চিকিৎসা হোৱা বুলি আশ্বস্ত হ'ল।

সেইদিনা সন্ধিয়া মেধি, নেওগ, বৰা আদিয়ে নৰীয়াৰ খবৰ ল'বলৈ আহিল। ফুকনৰ খুৰাকো আহিল। তেখেতে প্ৰথমতে ক'লে, "এই বেমাৰৰ এলোপেথিকত চিকিৎসা নাই। বেজবৰুৱা কবিৰাজক দেখুৱাওক। আমাৰ পুৰণি, প্ৰমাণী দৰৱ ভালেমান আছে। মোৰ মাহীৰ পুতেক ভাই এটাই এই বেমাৰৰ বাবে তেখেতৰ হতুৱাই চিকিৎসা কৰোৱাই এতিয়া ভালেখিনি বাৰু পাইছে। অথচ মোতকৈ সি পাঁচ বছৰৰ ডাঙৰেই হ'ব।"

"আপোনাৰ ভায়েক ? আপোনাতকৈ পাঁচ বছৰমানৰ ডাঙৰ ? এইটো কেনেকুৱা কথা হ'ল ?" মেধিয়ে কথাটো উত্থাপন কৰিলে।

প্ৰশ্নটো শুনিয়েই ফুকনে ডাঙৰকৈ হাঁহিলে। "আমাৰ আহোম মানুহৰ নিয়মবোৰ আপোনালোকে নেজানে নহয়! আইতাতকৈ মাহীটি সৰু আছিলে। সেই বাবেই মাহীটিৰ আটাইবোৰ ল'ৰা-ছোৱালীয়েই মোতকৈ মানত সৰু। আগতে আমি মানুহবোৰ নিজৰ নিজৰ খোৰোঙবোৰত সোমাই আছিলো। আজি-কালিহে এনেকৈ নকৈ চুবুৰি পাতি সান-মিহলি হৈ থাকিবলৈ লৈছো। এতিয়া আমাৰ মাজৰ নিয়মবোৰ জনা-জনি হ'ব।"

অলপ দোপ লৈ ফুকনৰ খুৰাকে প্ৰশ্ন কৰিলে, "শইকীয়া কি কোৱা ? কবিৰাজক মাতি আনিবানে নাই ?"

"খুৰাদেউ, কথাটো ময়ো ভাবি আছিলো। চিভিল চাৰ্জনে কৈয়ে দিলে এই বেমাৰৰ বেজি আমাৰ ইয়াত এতিয়ালৈকে ওলোৱা নাই। গতিকে কবিৰাজৰ চিকিৎসা কৰাত কোনো আপত্তি নাই। অৱশ্যে পথ্যবোৰ ডাক্তৰচাহাবে কোৱাৰ দৰেই হ'ব।"

সেইদিনা শইকীয়াই সুৰক সুধিলে। হয়নেও সুৰ, তই বাৰু সৰু ভাগিনীয়েৰক ৰাখিব পাৰিবিনে ? তই ৰাখিব পাৰিলে ৰাপক নবৌৰ হাতত গটাই দি বায়েৰক কেইদিন মানৰ বাবে ঘৰত থৈ আহোগৈ বুলি ভাবিছো। আয়ে বৰ চিন্তা কৰি আছে। ঘৰখন হঠাতে এৰি আহিবলগীয়া হ'ল বাবে।"

সেউতী কেইদিনমানৰ বাবে ঘৰলৈ গ'ল। ইপিনে কবিৰাজৰ চিকিৎসা আৰু পথ্য ঠিকমতে খোৱা পিছত, কাকতিৰ শৰীৰটো আগতকৈ বাৰু হ'বলৈ আৰম্ভ কৰিলে। কেই সপ্তাহমান যোৱাৰ পিছত কাকতিয়নীয়ে ঘৰলৈ যাবলৈ বিচাৰিলে। জোঁৱায়েকক মাতি আনি ক'লে, "তুমি বিবেচনা থকা ল'ৰা। তিনিজনীকৈ গাভৰু ছোৱালী ঘৰত এৰি আহিছো। তুমি জানিছাই মাকৰ বুকুখন কেনেকৈ কঁপি থাকে। সেউতী আছে বুলি অলপ নিশ্চিন্ত হ'ব পাৰিছো। পিছে তাইকনো বুকুৰ পোনা কেইটাৰ পৰা আঁতৰ কৰি কিমান দিন এনেকৈ নিলগত ৰাখিম। কেচুঁৱাকেইটাৰ পাপে চুব। মই পকামুৰালৈ যাব খুজিছো। তুমিয়েই এতিয়া ঘৰখনৰ মূল মানুহ। সেইবাবেহে তোমাক কৈছো।"

"পিতাই ইয়াৰ পৰা ঘৰলৈ যাবলৈ বহুদিন বাকী আছে। গাটো আৰু অলপ ভাল পালে এবাৰ কলিকতালৈকো লৈ যাম বুলি ভাবি আছো। তাতে শ্যামাদাস বাচস্পতি বুলি ডাঙৰ কবিৰাজ এজন আছে। তেখেতক দেখুৱাই আনিব খোজো। পিছে পিতাইক এৰি আপুনিনো ঘৰলৈ যায় কেনেকৈ ?"

"ঘৰৰ কথা কোৱা নাই। এইখনো মোৰ ঘৰ। মই বাঁহৰ তলত থকা নাই আৰু পিতায়েকক এতিয়া গাঁৱলৈ নিয়াৰ কথাও ভবা নাই। মোৰ বোধেৰে শৰীৰ অলপ বাৰু পালেও তেখেতে মাজে-মধ্যেহে গাঁৱলৈ যাব পাৰিব। তেখেতৰ বেমাৰ চম্ভালিব পৰা বেজ-জ্ঞানী মই তাত কেনেকৈ পাম ?"

"কিন্তু তেখেতক ইয়াত এৰি আপুনি গুচি গ'লে তেখেতৰ শুশ্ৰূষা কোনে কৰিব ?"

"তুমি সেইবোৰ চিন্তাই নকৰিবা। মই তপস্যা কৰিহে মোৰ এই বৰ বোৱাৰীজনী পাইছো। এইকেইদিন তোমালোকে দেখাই নাই। তাই শহুৰেকৰ কেনেকৈ পতি কৰিছে। মই কিবা এটা কৰি দিলে তেখেতৰ সুখেই নেলাগে। মোৰ ল'ৰাই তাইক নষ্ট নকৰিলে এই জনী সাইখাত লখিমী আহি মোৰ ঘৰত সোমাইছে। তাই থাকিব। তুমি একো চিন্তা নকৰিবা।"

কথা কৈ থকাৰ মাজতে আখলৰ আগৰ পৰা কাকতিয়নীয়ে তামোলৰ বটাটো আনিলে। জোঁৱায়েকক চকীখনত বহা দেখি তেখেতে তামুলী পীৰাখনতে বহি কথা কোৱাৰ লগে লগে তামোল কাটিবলৈ ধৰিলে। "আৰু এটা ডাঙৰ দায়িত্বও মোৰ আছে। ৰঘুৰ ঘৰখন পাতি দিব লাগে। হোৱা কামবোৰ হৈ যায়। ভায়েকৰ অসুখ দেখি ডাঙৰীয়াৰ মনটো ভাগিছে। তেখেতে সদায় কয়, "ৰঘুনাথ কাৰবাৰী মানুহ। তাৰ ছোৱালী চহৰ-গাওঁ দুয়োতে চলিব পৰা হ'ব লাগিব। চহৰত থাকিলেও আমাৰ গাঁৱলৈ আহি বাকী কেইজনী বোৱাৰীৰ লগত শাৰী পুৰাই বহিব লাগিব।"

"বৰ পিতায়ে কথাটো ঠিকেই কৈছে। আপোনালোকৰ দুয়োখনেই উঠন ঘৰ। ভায়ে ভায়ে কন্দল ঘটিলে, গোটেইবোৰ ৰসাতলে যাব।"

কাকতিয়নীয়ে বটাটো জোঁৱায়েকৰ পিনে আগবঢ়াই দিয়ে। শইকীয়াই তামোলখন মুখত ভৰোৱাৰ লগে লগে শাহুৱেকেও এখন খায়।

"তাকেই কওঁ মই। ছোৱালী অনাটো বৰ টান। ডাঙৰীয়াই কয়, ৰঘুৰ কইনা হেনো নাহৰেহে বাছি দিব লাগে। কথা শুনাৰ পৰা তাইৰ বুকু কঁপি আছে। সিদিনা মোক কথাই কথাই তাই ক'লে, "আই, এটৌ এঁৱা গাখীৰ ফালিবলৈ এটা নেমুৰ ৰসহে লাগে। মই কিমান ভাগ্য কৰি এইজনা ডাঙৰ শহুৰ পাইছো, সেই কেইজনী ডাঙৰ জা পাইছো, মইহে বুজিছো। পিছে গুৰুজনৰ বাক্য অমান্য কৰিবলৈ নাপায়। মই কেতিয়াবাৰ পৰাই চকু খুলি আছো। সময়ত আপোনাক আঙুলিয়াই দিম। সেইবোৰেই নাহৰৰ কথা।"

কথাবোৰ কওঁতে কাকতিয়নীৰ মুখত প্ৰসন্নতাৰ ভাব বিৰিঙি উঠিছিল।

"আও, নাহৰ নবৌ ছোৱালীজনীৰ ইমান বুজ আছে বুলি নেজানিছিলো। সখিৰ ঘৈণীয়েক অৱশ্যে বৰ সাদৰী মানুহ। বায়েক চাই ভনীয়েকো নহ'ব কিয় ?"

"তোমাৰ আগত কথা গুপুত কৰি কি হ'ব ? ছোৱালী এজনী নাহৰে মোক আঙুলিয়াই দিছে। এই কেইদিন তাইৰ আলেখ-লেখ মই চাই আছো। নাহৰক লগ পাবলৈ তাই সদায় আহে। এই ছোৱালীজনীৰ কথাও মই সেউতীক সুধিব লাগে। তাই ভালকৈ জানিব ?"

"আয়ে কাৰ কথা কৈছে ?"

"তোমাৰ ঘৰৰ সমুখতে আছে। সেউতীয়ে ইমানদিনে মোক আঙুলিয়াই নিদিয়া দেখিহে মই আচৰিত হৈছো। আগতে মাছটো, বগলিটো কণা'ৰ লেখীয়া কথাৰ নিচিনা হৈছেগৈ।"

"ছোৱালীজনী বৰ মৰমলগা কিন্তু আই। হাজৰিকাৰ ছোৱালীজনীৰ কথা কোৱা নাই জানো ?"

"অতো আকৌ। তাই তামোল খনিৱাব পাৰে। সিদিনা মুগাৰ ৰিহা-মেখেলা পিন্ধি আহিছিল। সেইযোৰ বোলে তাই নিজে বোৱা ৰিহা-মেখেলা। কোচটো বৰ ধুনীয়া হৈছে। মই টুকুৰিয়াই চাবলৈ সুধিলো, কাপোৰযোৰ মাকে বৈছে নেকি বুলি। বুঢ়ীমাকে তাইৰ মুখৰ কথাকেইটা কাঢ়ি লৈ কৈছিল, 'মাকে বোলে আজিকালি কাপোৰ নবয়। পেট মোছা কেঁচুৱাটো গাত থাকোতেই চোতালত থেকেছা খাই পৰিল। তেতিয়াৰ পৰা মাকে উঘা লৈ মহুৰা ফুৰাইহে দিব পাৰে। কাপোৰকানি বোৱাৰ পৰা ৰন্ধা-বঢ়ালৈকে সকলো কাম বুঢ়ীমাক আৰু তাইহে কৰে। এতিয়া তাইৰ তলৰ জনীও ফুটত উঠি আহিছে।' বুঢ়ীমাকে কথাবোৰ কোৱা শুনি তাই লাজ লাজ কৰি আইতাকৰ মুখত সোপা দিবলৈ বুলি কৈছিল, 'জেঠাই, আপুনি আইতাৰ কথা নুশুনিব। আমি কিবা অকণমান বন কৰিলেই তাকে দহগুণ কৰি বখানে। মায়ে সদায় কয়, আইতাই বোলে আমাক মূৰত তুলি তুলি নষ্ট কৰিলে। সেইবোৰেই কথা।"

"আই, এওঁবিলাক মাজুলীৰ মানুহ বুলি শুনিছিলো।"

"সেইবোৰৰ সন্তেদো মই লৈছো। হাজৰিকাৰ শাহুৱেক বুঢ়ীজনী সাদৰী আৰু বৰ ভলভলীয়া মানুহ। পূৰ্বতে বোলে তেওঁলোক বালি গাঁৱৰ মানুহ আছিল। ভালেমান অঙহী-বঙহী তাতে আছে। কেতিয়াবা হানি-বিঘিনি হ'লে অশৌচ খাটিবলৈ সংবাদ পায়। শৰাধৰ বাবে গিয়াতলীৰ ভোজৰ বাবেও এওঁলোকক নিমন্ত্ৰণ দিয়ে। হাজৰিকাৰ ককাকক কমলাবাৰীৰ গোঁসায়ে বালিগাঁৱত বাহৰ পাতি থাকোতেই কাম-কাজত পাঁকৈত যেন পাই সন্তুষ্ট হৈ মাজুলীলৈ উভটি যাওঁতে দেউতাকক খুজি চেঙেলীয়া অৱস্থাতে তেখেতক লগত লৈ গৈছিল। কালক্ৰমত সেই ল'ৰা চফল ডেকা হ'লগৈ। গোঁসায়ে তাতেই ঘৰ চাই হাজৰিকাৰ ককাকৰ বিয়া পাতি দিছিল। সত্ৰৰ মেধিৰ বাব দিছিল বাবে ককাকে 'মেধি' লিখিছিল। ককাকৰ দুজন ল'ৰা বালিগাঁৱলৈ উভতি আহিল। হাইস্কুলত পঢ়িবলৈ বুলি। গিয়াতীৰ লগত চিন হেৰাব বুলি এখেতসকলে আকৌ হাজৰিকা লিখিলে। নিলিখিবই বা কেলেই ? পুৰণি বংশ। হাতীচুঙী হাজৰিকাৰ ঘৰ বুলি কয়। ৰজাদিনীয়া বাব সেইটো। ঘৰখনেই বোলে বৰ সাহসী আছিল।"

"হাতীচুঙী হাজৰিকাৰ ঘৰ মানে ? সেইটো বাবৰ বাবে কিনো কাম কৰিবলগীয়া হৈছিল তেখেত সকলৰ ফৈদটোৱে ?"

"হাজৰিকাৰ শাহুৱেকেই মোক কৈছিল, তেওঁলোকৰ উপৰি পুৰুষে বোলে নামবৰ হাবিত হাতী ধৰিবলৈ গৈছিল। হাতীবোৰ ধৰি আনি সিহঁতক বইশ কৰি শিকাই-বুজাই ৰজাৰ হাতীৰ শালত শোধাই দিব লাগিছিল।"

"আপুনি ভালেমান খবৰ গোটালে এইকেইদিনত।"

"কাম-বন নাই। ইয়াকে নকৰি কৰিম নো কি ? কমলাবাৰী সত্ৰৰ যিজনা প্ৰভুৱে হাজৰিকাৰ ককাকক মাজুলীলৈ লৈ গৈছিল, সেইজনা গোঁসাই চলাৰ পিছত আৰু দুজনা গোঁসায়ো চলিল। বৰ্তমানৰ গোঁসায়ে বৰপেটাত বহা পাতি থাকোতেই আমি শৰণ লৈছিলো। এই সত্ৰৰ মেধি হ'ব লাগিলে, গুৰি-গছ যথেষ্ট ভাল হ'ব লাগিব। গাঁৱলৈ গ'লে ভতিজাহঁতৰ হতুৱাই ডাঙৰীয়া আৰু বাইদেউক কথাটো সুধিবলৈ দিম। সকলোৱে সমিলমিল হৈ একমত হলেই ছোৱালী খুজি, আঙঠি পিন্ধাই গা-ধন দি ব্যৱস্থা পকা-পকি কৰিব লাগিব।"

তেনেতে গৰুৰ ডিঙিৰ তিলিঙাৰ শব্দ শুনি শইকীয়াই গাড়ী এখন ঘৰ পালেহি বুলি বুজিলে। সুৰক মাতি গাৰোৱান কোন আহিছে চাবলৈ ক'লে। সুৰই উত্তৰ দিবলৈ নৌপাওঁতেই চ'ৰা ঘৰৰ পৰা হাঁহিৰামে মাত দি ভিতৰ সোমাই আহিল।

"বোপা, গাড়ী মইহে আনিছো।"

"হাঁহিৰামকা, ভালেই হৈছে। কাইলৈ পুৱাতে গাঁৱলৈ যাব লাগিব। আইক থৈ আহিবলৈ। মই চাইকেলেৰে লগে লগে যাম। একেদিনাই উভতিব লাগিব। তোমালোকৰ জীয়ৰীক লগতে লৈ আহিম।"

"হ'ব। মই ৰাতিপুৱাতে গা ধুই ওলাই থাকিম। আপোনালোকৰ হলেই হ'ব।"

নিশা শ্ৰীমন্তক মাতি আনি সকলো কথা বিবৰি শইকীয়াই ক'লে।

(আগলৈ)

# মীৰা নায়াৰঃ চলচ্চিত্ৰ আৰু কীৰ্তি



*মীৰা নায়াৰ*

ব্যৱসায়িক ভিত্তি অবিহনে কোনো কলাই আজিৰ প্ৰতিযোগিতামূলক পৃথিৱীত নিজৰ অস্তিত্ব সুৰক্ষিত কৰিব নোৱাৰে। ই তেনেই সত্য। কিন্তু এই কথাও সত্য যে কলাৰ মাধ্যমেৰে যেতিয়া কোনো শিল্পীয়ে নিজৰ অন্তৰ্নিহিত ভাবনা ৰাশিক মূৰ্ত কৰিবলৈ আতুৰ হৈ উঠে আৰু তাৰ বাবে জীৱন আৰু জগতত অভিজ্ঞতাৰ অন্বেষণ কৰে সেই শিল্পীয়ে কলাক এক সুকীয়া ৰূপ দান কৰিবলৈ সমৰ্থ হয়। যদি কলাৰ মাজেৰে শিল্পীয়ে নিজৰ এক সুকীয়া অস্তিত্ব প্ৰতিষ্ঠা কৰিব বিচাৰে সেই কলাই এক বিশেষ আবেদন সৃষ্টি কৰিব পাৰে। কলাত্মক ভাবনাৰ সৈতে মিলি যদি মানুহৰ দুখ যন্ত্ৰণাৰ উপলব্ধিয়ে শিল্পীক সৃষ্টিৰ বাবে তাড়ণা দিয়ে তেতিয়া সেই কলাই সমাজৰ এখোন দাপোণ স্বৰূপ হৈ পৰে। অৱশ্যে জীৱনবোধৰ গভীৰতা, সূক্ষ্ম পৰ্যবেক্ষণ আৰু বিশ্লেষণ স্পৃহা অবিহনে কোনো কালোত্তীৰ্ণ হব নোৱাৰে। মানুহৰ চেতনাক আলোড়িত কৰিবলৈ হ'লে সৃষ্ট কলাৰ মাজত জীৱন বা জগতৰ এক সুনিৰ্দিষ্ট ৰূপ এনেদৰে প্ৰতিভাত হৈ উঠিব লাগিব যাতে মানুহে তাৰে মাজত নিজৰ স্থিতিৰ বিচাৰ কৰিব পাৰে।

তুলনামূলক ভাবে যথেষ্ট কম বয়সতে ছবি পৰিচালনাত হাত দি এগৰাকী ভাৰতীয় মহিলা চিত্ৰ নিৰ্মাতাই যি ধৰণে আন্তৰ্জাতিক খ্যাতি লাভ কৰিবলৈ সমৰ্থ হৈছে ভাব হয় তেওঁৰ মাজত চলচ্চিত্ৰৰ সৃষ্টিৰ এক অভিনব প্ৰতিভা বিৰাজ কৰিছে। শিল্পী গৰাকীৰ নাম হ'ল মীৰা নায়াৰ। ১৯৮৮ চনত মাত্ৰ ৩৪ বছৰ বয়সত মীৰা নায়াৰে পৰিচালনা কৰা *'চালাম বোম্বে'* ভাৰতীয় কথা ছবি জগতত এক সুকীয়া আসন লভিবলৈ সক্ষম হোৱাৰ লগতে মীৰা নায়াৰক এক বিতৰ্কিত পৰিচালিকা হিচাপেও চিহ্নিত কৰে। বোম্বাই চহৰৰ গলি বস্তীৰ জীৱনৰ এক কাহিনীৰ ওপৰত নিৰ্মাণ কৰা এই ছবিখনে ভাৰতত যিমান খ্যাতি লাভ কৰিছে তাতোকৈ বিখ্যাত হৈছে ভাৰতৰ বাহিৰত। বিশেষকৈ আমেৰিকা, ইংলণ্ড, জাৰ্মানী আদি দেশত। ৰক্ষণশীল সমালোচক সকলে *'চালাম বোম্বেৰ'* মাজত ভাৰতৰ দৰিদ্ৰতা প্ৰদৰ্শনৰ এক উদ্দেশ্যপ্ৰণোদিত অভিসন্ধি লুকাই থকা বুলি দাবী কৰে। তেওঁলোকে যুক্তি দৰ্শায় যে ভাৰতৰ দুখ দাৰিদ্ৰ্যক কলাৰ ৰূপত সজাই বিদেশত খ্যাতি লাভ কৰাটো এচাম শিল্পীৰ স্বাভাৱিক বৈশিষ্ট্য হৈ উঠিছে। অৱশ্যে এনে সমালোচনাৰ পৰা মহান পৰিচালক সত্যজিৎ ৰায়ৰ ছবিয়েও ৰেহাই পোৱা নাই।

ভাৰতৰ দক্ষিণ পূব প্ৰান্তত অৱস্থিত ভূবনেশ্বৰ চহৰত জন্ম লাভ কৰা মীৰাৰ দেউতাক আছিল এক চৰকাৰী বিষয়া। ভূবনেশ্বৰ চহৰত থকা অসংখ্য মঠ মন্দিৰৰ মাজে মাজে দুই ককায়েকৰ সৈতে লৰৰি ধাপৰি ডাঙৰ হোৱা মীৰা স্বভাৱতে অলপ ল'ৰাৰ প্ৰকৃতিৰ হৈ উঠে। ভয়ভীত কম। দুৰ্দান্ত উদ্যম।





*'চালাম বোম্বে'ৰ এটি দৃশ্য*

১৩ বছৰ বয়সত চিমলাৰ এক কেথলিক স্কুলৰ বোৰ্ডিঙত থাকি পঢ়াশুনা কৰে। স্নাতক উপাধি লাভ কৰাৰ পিছত তেওঁ কিছুদিন কলিকতা চহৰত কটায়। স্কুলত থকা কালত মীৰাই স্কুলৰ নাটকত ভাগ লৈছিল। কলিকতাত থকা সময়ত মীৰাই ব্ৰিটিছ পৰিচালক পিটাৰ ব্ৰুকৰ দ্বাৰা প্ৰভাৱিত এক পৰীক্ষামূলক নাট্য গোষ্ঠীৰ সৈতে জড়িত হৈ পৰে।

ইয়াৰ পিছত মীৰা গৈ পায় আমেৰিকাৰ হাৰ্ভাৰ্ড কলেজ। আটাইতকৈ বেছি স্কলাৰছিপ্ দিয়া বাবেই মীৰাই এই কলেজত ভৰ্তি হবলৈ আবেদন কৰিছিল। এই কলেজ সম্পৰ্কে তেওঁৰ কোনো ধাৰণাই নাছিল, মাথোন বিখ্যাত কথাছবি *'লাভ ষ্টৰী'*ত তেওঁ হাৰ্ভাৰ্ড কলেজ দেখিছিল। ছিট পোৱাৰ পিছত তেওঁৰ দেউতাকে তেওঁক তালৈ যাবলৈ এই কাৰণে অনুমতি দিছিল যে এই হাৰ্ভাৰ্দতে কেনেডীয়ে শিক্ষা লাভ কৰিছিল।

হাৰ্ভাৰ্দৰ নাট্য জগতে মীৰাক একো প্ৰেৰণা দিব পৰা নাছিল। এইখন জগত বৰঞ্চ কলিকতাতকৈও গোড়াহে আছিল। ইতিমধ্যে মীৰাৰ সৃজনী প্ৰতিভাই প্ৰকাশৰ বাট বিচাৰি উকমুকাই উঠিছিল। তেনে এক সময়তে তেওঁ উপলব্ধি কৰে যে কথাছবিয়ে হ'ল এনে এক মাধ্যম যাৰ মাজেৰে নিজৰ সৃজনশীলতাক কাৰ্যক্ষেত্ৰত ৰূপ দিব পাৰি। ই এক উন্মুক্ত আৰু সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰ। দৃশ্যমান জগতখনৰ সৈতে একাত্ম হৈ মানুহৰ সৈতে মিলি পৰি জীৱনৰ দুৰ্বোধ্যতাক মুক্ত ৰূপত ফুটাই তোলাৰ সুবিধা কথাছবিতেই আটাইতকৈ বেছি। ইয়াৰ পিছত কথাছবিয়ে হৈ পৰে মীৰা নায়াৰৰ জীৱনৰ লক্ষ্য আৰু সাধনা। বিগত ১২ বছৰত মীৰা নায়াৰে কেইবাখনো ডকুমেন্টৰী আৰু দুখন কাহিনীচিত্ৰ নিৰ্মাণ কৰিছে। তেওঁৰ প্ৰথমখন ছবিয়েই তেওঁক বিশ্বৰ দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। হিন্দী ভাষাত নিৰ্মিত *'চালাম বোম্বে'* নামৰ এই বিখ্যাত আৰু বিতৰ্কিত ছবিখনে আমেৰিকাৰ বিখ্যাত একাডেমী পুৰস্কাৰৰ বাবে মনোনয়ন পোৱাৰ লগতে কেনচ্ কথাছবি মহোৎসৱত পৰিচালকৰ প্ৰথম ছবি শিতানত শ্ৰেষ্ঠ ছবি নিৰ্বাচিত হয়। ব্যৱসায়িক ক্ষেত্ৰতো ছবিখনে যথেষ্ট সাফল্য লাভ কৰে। এই ছবিৰ পৰা পোৱা লাভৰ এটা অংশেৰে মীৰাই গৃহহীন শিশু সকলৰ শিক্ষা, চিকিৎসা আৰু কৰ্মসংস্থাপনৰ বাবে এটি ট্ৰাষ্ট স্থাপন কৰে। অৰ্থাৎ গৃহহীন ল'ৰা-ছোৱালীৰ প্ৰতি মীৰা নায়াৰৰ যি দৰদ সি কেৱল চেলুলয়দৰ মাজতে আবদ্ধ থকা নাই। এই নিঃসহায় শিশু সকলক লৈ মীৰাই কেইবাখনো ডকুমেন্টৰীও কৰিছে।

মীৰা নায়াৰৰ দ্বিতীয় কাহিনীচিত্ৰ *'মিচিচিপি মছলা'* ইংৰাজী ভাষাত নিৰ্মিত হৈছে। একনায়ক ইদি আমিনৰ শাসন কালত উদ্বাস্তু হোৱা এটি ভাৰতীয় পৰিয়ালে আমেৰিকাৰ মিচিচিপিত গৈ বসতি কৰিবলৈ লৈ সমুখীন হোৱা সামাজিক সাংস্কৃতিক সমস্যাৰ পটভূমিত নিৰ্মিত এই ছবিয়েও মীৰা নায়াৰলৈ অশেষ খ্যাতি কঢ়িয়াই আনিছে।

এতিয়া মীৰাৰ সমুখত এক ডাঙৰ পৰীক্ষা। কাৰণ যিটো বিষয়ক লৈ বৃহৎ বাজেটৰ আন্তৰ্জাতিক ছবি কৰিবলৈ মীৰাই ইতিমধ্যে কাম আৰম্ভ কৰিছে তাৰ বাবে অকল কলাশিল্প গত প্ৰতিভাই যথেষ্ট নহয়। কাৰণ স্বয়ং বুদ্ধৰ জীৱনৰ বিষয়ে এই বাৰ মীৰাই এক পূৰ্ণাঙ্গ কাহিনী চিত্ৰ নিৰ্মাণ কৰিব। ৩০ নিযুত ডলাৰ বাজেটৰ এই ছবি হব মীৰাৰ জীৱনত এক বৃহৎ প্ৰত্যাহ্বান। ইতিহাসৰ পুংখানুপুংখ অধ্যয়ন আৰু এক গভীৰ জীৱন জিজ্ঞাসাকেই এই চলচ্চিত্ৰ নিৰ্মাণৰ মূল সাৰথি হিচাপে লৈ কামত অগ্ৰসৰ হলেহে বুদ্ধৰ সঠিক ঐতিহাসিক আৰু সামাজিক প্ৰেক্ষপটটো উপস্থাপিত হোৱাৰ সম্ভাৱনা সৰহ। অৱশ্যে এই কথা মীৰা নায়াৰে নিজেই বেছি বুজিব। কাৰণ প্ৰতিখন ডকুমেন্টৰী তথা চলচ্চিত্ৰ নিৰ্মাণৰ সময়ত তাক সঠিক পাৰস্পেকটিভত উপস্থাপিত কৰিবলৈ মীৰাই বিষয়টোৰ লগত গভীৰ ভাবে জড়িত হৈ পৰে আৰু কামটোৰ বাবে আৱশ্যকীয় জ্ঞান আৰু ধ্যান ধাৰণা আয়ত্ত কৰিবলৈ অশেষ কষ্ট স্বীকাৰ কৰে। উদাহৰণ স্বৰূপে *'চালাম বোম্বে'* নিৰ্মাণ কৰোতে মীৰা নায়াৰে বোম্বাইৰ অলিয়ে গলিয়ে ঘূৰি ফুৰাৰ লগতে বোম্বাইৰ আন্ধাৰ জগতখনৰ বহু ব্যক্তিৰ সৈতে পৰিচিত হৈ পৰিছিল। এজনী ভাৰতীয় ছোৱালীৰ বাবে এই কাম আছিল দুঃসাহসিকতাৰ পৰিচায়ক। কিন্তু এডভেঞ্চাৰ প্ৰিয় মীৰা নায়াৰে জীৱনৰ নানা বিচিত্ৰ ৰূপৰ সন্ধানত এনেকৈ তন্ময় হৈ পৰিছিল যে কলাৰ সাধনাই জীৱনৰ নিত্য বিচৰণ ক্ষেত্ৰৰ দৰে হৈ পৰিছিল। আনহাতে *'মিচিচিপি মছলা'* নিৰ্মাণৰ বেলিকাও মীৰা নায়াৰে কম পৰিশ্ৰম কৰিব লগা হোৱা নাছিল। এই ছবিৰ উদ্বাস্তু ভাৰতীয় আফ্ৰিকান পৰিয়ালটোৱে যেতিয়া উগাণ্ডাৰ পৰা আহি মিচিচিপিত বসতি স্থাপন কৰে ঘৰৰ জীয়ৰীজনী আফ্ৰিকান আমেৰিকান পৰিয়াল এটিৰ ল'ৰা এজনৰ প্ৰেমত পৰে। ইয়াকে লৈ দেখা দিয়ে সংঘাত। কিন্তু মীৰা নায়াৰৰ সমস্যা হ'ল এই যে এনেকুৱা ছিন্নমূল সংস্কৃতিৰ মানুহৰ মানসিকতাৰ সৈতে তেওঁ একান্তভাবে পৰিচিত নহয়। ভাৰতীয় উগাণ্ডান পৰিয়ালটোৱে যেনেকৈ মূল ভাৰতীয় সাংস্কৃতিক শিপাডাল হেৰুৱাইছে তেনেকৈ আফ্ৰিকান আমেৰিকান পৰিয়ালটোৱেও মূল আফ্ৰিকান সংস্কৃতিৰ পৰা ছিন্নমূল। এনেকুৱা লোকৰ ভাব, অনুভূতি আৰু মানসিকতা সঠিক কৈ অনুধাৱন কৰিবলৈ মীৰাই দুয়োটা কমিউনিটিৰ মাজত যথেষ্ট বিচৰণ কৰিব লগা হৈছিল। বুদ্ধৰ জীৱনৰ সঠিক ৰূপায়ণৰ বাবেও মীৰাই ইতিহাসৰ এক বৰ জটিল আৰু সংঘাতময় অধ্যায়ৰ মাজত তপস্বীৰ দৰে একাত্মচিত্তে বিচৰণ কৰিব লাগিব। প্ৰাচীন হিন্দু সভ্যতা, খৃঃ পূঃ পঞ্চম আৰু তাৰো আগৰ হিন্দু ধৰ্ম, তাহানিৰ শাসন প্ৰণালী সমাজ ব্যৱস্থা, আচাৰ, নীতি উৎসৱ পাৰ্বণ, কৃষি, প্ৰাকৃতিক দুৰ্যোগ, ধৰ্মীয় শোষণ আদি সকলো দিশ সম্পৰ্কে তেওঁ সম্যক ধাৰণা আয়ত্ত কৰিলেহে মীৰা নায়াৰে বুদ্ধক এক ঐতিহাসিক পুৰুষ তথা তেজ মঙহৰ মানুহ হিচাপে সঠিক চিত্ৰ দাঙি ধৰিব পাৰিব। এক বৃহৎ শিল্প সাধনা হিচাপে লৈ বুদ্ধৰ নিৰ্মাণ কাৰ্য সফলতাৰে সম্পন্ন কৰিলে ই নিঃসন্দেহে চলচ্চিত্ৰৰ ইতিহাসত এক স্মৰণীয় অধ্যায় হৈ ৰব। মীৰা নায়াৰ! সাফল্য তোমাৰ সংগী হওক।

ডাঃ ৰণেন পাঠক

# ডাৱৰ

প্ৰদীপ গগৈ




কিয় ক'ব নোৱাৰো কিছুমান মানুহৰ কথা-বাৰ্তা শুনিলেই মোৰ গাত আজিকালি এলাৰ্জি হয়। বলিন নেওগৰ কথাই কৈছো, আঠুত সামান্য দুখ পাইছিল। চিকিৎসাৰ বাবে ভেলোৰলৈ গ'ল। গাৱঁৰ মানুহে শুনি অবাক। "আমাৰ ইয়াত আঠুৰ বিষ ভাল কৰিব পৰা চিকিৎসকো নাইনে ?" বলিনে উত্তৰ দিলে – "হয়তো আছে। কিন্তু ঠাইতে পোৱা কেইজনৰ হতুৱাই চিকিৎসা কৰালে বেমাৰে ভেলোৰ পোৱাবগৈ। এতেকে পোনচাটে ভেলোৰলৈ যোৱাই ভাল।" কিন্তু মই জানো বলিন নেওগ ভেলোৰলৈ যোৱা নাই। আঠুৰ বিষো নিশ্চয় হোৱা নাই। কথা হ'ল নেওগে নিজকে অতি গুৰুত্বপূৰ্ণ ব্যক্তি বুলি নিজকে প্ৰতিপন্ন কৰিব খোজেতো! জনাৰ্দন ফুকন আঠুৰ বিষত শয্যাগত হৈ থকা কথাটো শুনিয়ে হবলা নেওগে আঠু বিষোৱাৰ কথা অতিৰঞ্জিতভাবে ক'লে। অৰ্থাৎ তেওঁৰ বেমাৰ হলে এইদৰে আলাই আথানিকৈ পৰি নেথাকে। তদুপৰি চিকিৎসক বিশেষজ্ঞক তেৱেঁইহে চিনি পায়। এটা চৰকাৰী কাৰ্যালয় কেনেকৈ চলে তাৰ তলা নলা নেওগতকৈ বেছি ভালকৈ কোনে জানে! মন্ত্ৰী-বিধায়কৰ লগত তেওঁৰহে হাত-বাট। দিছপুৰ গুৱাহাটীৰ প্ৰতিঘৰ মানুহকে চিনি পায় – নেওগেহে। সেই বাবেই নেকি সমাজৰ আগস্থানত থকা সকলো মানুহেই নেওগৰ মতে তেনেই 'সাধাৰণ'। যেনে, সকলোৰে সম্মানীয় জীৱন ফুকন নেওগৰ মতে 'সাধাৰণ এটা প্ৰিন্সিপাল।' 'ক্ষিতীশ ফুকন কমিছনাৰ যে ? মাৰ গুলি। এটা সাধাৰণ কমিছনাৰ। ৰেপছীড কেচটোত ময়ে তাক উজনিৰ পৰা নামনিলৈ চি এমলৈ ফোন এটা কৰি একেদিনাই বদলি কৰালো। কিন্তু চি এম-ৰ মুখামুখি হৈ এবাৰ কথা পাতি পাইছেনে নাই সেইটো তেৱেঁইহে জানে। "এইবাৰ যে নোবেল প্ৰাইজ পাইছে আমাৰ প্ৰকাশ বৰুৱাই ? ধুৎ এটা সাধাৰণ সাহিত্যিক। কোট এটা পিন্ধিবলৈ পইছা নাই গাত কম্বল লৈ ঘূৰি ফুৰে।" কোন জন অসমীয়া সাহিত্যিকে নোবেল প্ৰাইজ পাইছে সেইবোৰ খবৰ বলিন নেওগেহে পায়। তেনেকৈ তেওঁক বিশ্বাস কৰা মানুহো আছে। বলিন নেওগক মিছলীয়া বুলি অপবাদ দিবলৈ হলে কওঁতাজনক দাণ্ডা লৈ ঠাণ্ডা কৰিবলৈ মানুহৰ অভাৱ নাই। গতিকে সকলোৱে তাপ মাৰি শুনি থাকে। কমিছনাৰ, মন্ত্ৰী আৰু প্ৰিন্সিপালে কৰিব নোৱৰা কামবোৰ নেওগে হেলাৰঙে কৰিব পাৰে। সেই হিচাপে তেওঁ এজন অসাধাৰণ ব্যক্তি। নেওগে কাগজো পঢ়ে অসাধাৰণ – "ব্লিচ", "ইণ্ডিয়া এক্সপ্ৰেছ", "ষ্টেচ্‌মেন", "আনন্দা" (সানন্দা ?) আদি। সেই কাৰণেই হবলা মোৰ এলাৰ্জি। দোকানী মানুহৰ এইবোৰ হ'ব নেলাগে, তথাপি হয়।

আৰু যে আমাৰ হাইস্কুলৰ কেৰেণী জীৱন বৰুৱা! লোকেল কোনো দোকানৰ 'মাল' নিকিনে। স্কুল ছুটীৰ পিছতে ভগা চাইকেলখন লৈ ধাই ধাই পাঁচ কিলোমিটাৰ দূৰৈৰ টাউনখনলৈ যোৱাৰ তেওঁৰ অভ্যাস। এক কিলো আলুকে কিনক আধা কিলো মচুৰকে – ৰাধেশ্যামৰ দোকানৰ পৰাহে কিনিব। তাৰ দোকানৰ সকলো বস্তুৱেই টাট্‌কা – 'ফ্ৰেইছ্‌'। আমাৰ এইবোৰ দোকাননে ? দহোটা বস্তু বিচাৰিলে দুটা বস্তুৱে পোৱা নেযায়। তাৰো যিহে দাম প্ৰেছাৰ উঠিব খোজে। ইণ্ডিয়াত যেতিয়া আলুৰ পাইকাৰী দাম তিনি টকা ৰাধেশ্যামে খুচুৰাত বেচে দুটকা। মচুৰ দহ হলে ৰাধেৰ তাত আঠ। ৰাধেৰ দোকানত নাই কি ? বাকী এহেজাৰ হলে পাঁচশ দিলেও আপত্তি নাই। এইবোৰহে দোকান এইবোৰহে বিজিনেচ। কিন্তু ৰাধেশ্যামৰ দোকানৰ ফ্ৰেইছ বস্তু খাই খাই জীৱন বৰুৱাৰ গালৰ হনু দিনক দিনে কিয় ওলাইছে সেইটোহে বুজা টান। আমাৰ সৰু দোকানখনত কেতিয়াবা তাত 'পাহৰি অহা' বাবে ভেঁকুৰা চিগাৰেটকে বাকীত বিচাৰে –মই নিদিওঁ মোৰ দোকানৰ ভেঁকুৰা চিগাৰেট হোপোতে তেওঁৰ ডিঙিৰ 'ঘটিকা' টো যদি আগতকৈ বেছি ওলায়! নাই জীৱন বৰুৱাৰ এনে অঘটন ঘটিবলৈ জানিশুনি দিব নোৱাৰি!

আৰু যে গোপাল বৰা ? আজিৰ চায়েন্সৰ যুগত গাৱঁত মানুহ বাস কৰে নেকি ? সেই ভাবিয়ে হবলা তেওঁ দিছপুৰতে ছেটল্ কৰিছে। ভাল কনট্ৰেক্ট কৰে। পঞ্চাশ লাখৰ তলত কনট্ৰেক্ট বুলিলে ঘূৰিয়ে নেচায়। তাৰ ওপৰত হলেহে চিন্তা কৰে। কেতিয়াবা গাৱঁৰ ঘৰলৈ আধা ঘণ্টামানৰ কাৰণে আহে হয় তেওঁৰ যেন উশাহ বন্ধ হৈ যায়। মাটিৰ সীমা ঠেলাঠেলি সামান্য কথাতে দা-কুঠাৰ দণ্ডাদণ্ডি! উস্ কি জঘন্য। আধা ঘণ্টাৰ কাৰণে ঘৰলৈ আহি তেওঁ গাৱঁৰ এনে অস্বাস্থ্যকৰ পৰিবেশত কিয় এক সপ্তাহ থাকি যায় বুজা টান। সেই কেইদিন আমাৰ ঘৰলৈ সদায় একোটা পাক মাৰে। দেউতাৰ লগত জানো কি পাতে! মোক গোপাল দাই প্ৰায়েই কয় – "ত্ৰিশ বছৰে তইঁতৰ দোকানৰ প্ৰগ্ৰেছ এটা নেদেখিলো। মোৰ লগত ওলা। দিছপুৰত থাকিবি। মই 'লাইন' লগাই দিম। ছমাহতে ত্ৰিশ বছৰে ঘটিব নোৱৰা উপাৰ্জন। তালৈ গলেহে বুজিবি – মোৰ পাৱাৰ কিমান। মই কি বস্তু। মই কোনো অফিচলৈ নেযাওঁ – কোনো মন্ত্ৰীক খাতিৰ নকৰো। সকলো মন্ত্ৰী আৰু অফিচ মোৰ ঘৰত উবুৰি খাই পৰে। উলোটাই মোকহে সকলোৱে খাতিৰ কৰে। তই মোৰ কথা এনেকৈয়ো ভাবিব পাৰ মই দিছপুৰত ইমান কেইবছৰে কি কৰিছো। অন্ততঃ গাড়ী এখনতো ল'ব পাৰিব লাগিছিল। মাৰুতী ফিয়েট লৈ মৰিব খুজিছনে ? টকা নেথাকিলেও কোনো কোনো মহলে টকা থকা বুলি ভাবিব। সেইবোৰ লোৱা মানে শত্ৰু বঢ়াই লোৱা। ৰাতি কোনে জেপৰ পৰা মিহিকৈ পিষ্টল-ৰিভলভাৰ দেখুৱাই কবতো নোৱাৰি। গতিকে সাধাৰণভাবে থাকিবলৈ লৈছো যাতে কাৰো চকুত নপৰো। তদুপৰি বঢ়াই নকওঁ মোৰ পাঁচখন ট্ৰাক কলিকতা দিল্লীত ডেইলি দৌৰিয়ে আছে।" গোপাল বৰাৰ কথা শুনিও মোৰ এলাৰ্জি হয়। কিন্তু দেউতাই গোপালদাৰ কথা বেছ ভাল পায়। বিশ্বাসো কৰে। 'প্ৰতিভা থকা ল'ৰা। পঞ্চাশ লাখ নেলাগে পঞ্চাশ কোটিৰো ঠিকা পাব পাৰে। পাৰোতেনো ধুনীয়া লক্ষীহেন ছোৱালীজনী পালেনে।' গোপালদা দেখনিয়াৰ নহয় সঁচা কিন্তু কথাত যাদু আছে – মানিব লাগিব। হেমা মালিনী যেন চেহেৰাৰ নবৌক পোৱাটো জানো কম কথা! প্ৰতিভা আছে বাবেহে তেওঁক পালে। আগতে গোপালদা কোনোবা 'ভ্ৰাম্যমান' দলৰ ভাল অভিনেতা আছিল। অভিনয়তে লাখ লাখ টকা পায়! বোলছবিৰ নায়কৰ দৰেই পাৰিশ্ৰমিক। কম কথা নেকি! কিন্তু চীজনটোৰ শেষত শুদা মুখে গোপালদা কিয় ঘৰলৈ আহে তাৰ ভেদ ভঙা টান। দেউতাই সেই সময়ত কাৰো কথা নেমানে; কেৱল গোপাল আৰু গোপাল। তেওঁৰ অভিনয়ৰ প্ৰতি পঞ্চমুখতো! দেউতাৰ মতে টকা কিনো সম্পত্তিহে আচল কথা। তলে তলে গোপালে গুৱাহাটী ডিব্ৰুগড়ত কিমান মাটি কিনি থৈছে কোনে জানে! পিছে গোপালদাই নতুনকৈ ভুমুকিওৱা এটা থিয়েটাৰ পাৰ্টিত সোমাই কৰিলে নহয় কাণ্ডটো। প্ৰপাইটৰ কোনোবা এখন গাৱঁৰ। বহুতো মাটি ভেটি থকা মানুহ। 'ভ্ৰাম্যমান' কৰাৰ প্ৰবল হেঁপাহত মাটি বাৰী বেচি বেংকৰ ঋণলৈ পাৰ্টিটো খোলা দুবছৰ হৈছিল। তাত গোপালদা দ্বিতীয় বছৰ ভৰ্তি হওক। মালিকে আৰ্টিষ্টৰ দা-দৰ্মহা দিয়াৰ নামেই নলয় নাট প্ৰদৰ্শন হোৱাৰ চাৰি মাহৰ পাছতো। আৰ্টিষ্টে খঙত গুজৰি থাকিলেও দল এৰি কোনো ওলাই নেযায়। নাট কেইখনৰ নায়িকা মালিকৰ জীয়েক স্বপ্না আগত ওলালেই সকলো চুপ। স্বপ্নাৰ ব্যক্তিত্বৰ যাদু ইমানেই। তদুপৰি গোপালদাতো আছিলেই। চীজনটো শেষ হ'বলৈ দুমাহ বাকী। গোপালদা স্বপ্নাক লৈ উধাও। মূল নায়ক নায়িকাই নাই পাৰ্টি থাকে কেনেকৈ! মনৰ দুখতে মালিকে বাকীবোৰ পেণ্ডেল বাতিল কৰিলে। যেনে তেনে চলাই যাবলৈ ইচ্ছা নকৰিলে। গোপালদাই স্বপ্নাক লৈ পোন চাটেই শ্বিলং পালেগৈ। স্বপ্নাৰ হাততে প্ৰদৰ্শনীৰ প্ৰায়বোৰ টকা আছিল। গতিকে শ্বিলঙত ছমাহ হনিমুনত কটোৱাত একো অসুবিধা নহ'ল। তদুপৰি গোপালদাৰ হাতত তেতিয়াও নিজাৰবীয়া লাখ লাখ টকা। গতিকে শ্বিলঙত ছমাহ হোটেলত থাকোতে গোপালদাইঁতৰ একো বিপদ নহ'ল। ইয়াৰ পিছত আৰু বহুতো ঘটনা।

গোপালদা বহুতদিন ঘৰলৈ অহা নাছিল। যেতিয়া আহিল মোৰ দেউতাক বাৰুকৈয়ে লম্ভিলে। শিল্পী প্ৰাণ দেউতাই গোপালদাৰ লগ লাগি সৰুকৈ থিয়েটাৰ পাৰ্টি এটা খোলেই। দেউতাই সাঁচতীয়া ধন কেইটা ডাকঘৰ বেংকৰ পৰা উলিয়াই মাটি দুপুৰা মানো বেচিব খুজিছিলহে। "পাঁচখন ট্ৰাকতো দিল্লী-কলিকতাত দৌৰিয়েই আছে – তেতিয়া হলে দেউতাৰ টকালৈ হাত মেলিছে কিয় ?" মোৰ কথাত গোপালদাৰ মাত থোকা-থুকি হ'ল। ট্ৰাক এখন যমুনাত বাগৰি পৰিল। আন এখন হুগলিত। বাকী তিনিখন দুখতে বোলে বেচি দিলে। "টকাটো দিল্লীৰ বেংক এটাত থৈছো। ঠিকাৰ টকা পেণ্ডিং হৈ আছে বিল পাছ হোৱাই নাই। সেই টকা কেইটা পালেই দিল্লীত ইণ্ডাষ্ট্ৰি এটা খুলিম। গতিকে ভাবিলো এনেয়ে থকাতকৈ দুবছৰমান ভ্ৰাম্যমান নাট্যদল এটাকে খোলো। এইবোৰতো অকলে কৰা কাম নহয়।"

গোপালদাৰ আঁচনি ব্যৰ্থ হোৱাত স্বপ্না নবৌ অতিকৈ মৰ্মাহিত হ'ল। ইফালে ঘৰলৈও যাব নোৱাৰে। দেউতাকে জনাই দিছে তেওঁ জীয়াই থকালৈকে স্বপ্নাহঁতৰ যোৱা বন্ধ। নবৌৰ চিন্তাতে অসুখ হ'ল। ইণ্ডাষ্ট্ৰিৰ বাবে গোপালদাই ট্ৰাক বেচি বেংকত জমা দিয়া টকা কেইলাখ ঘূৰাই আনো বুলিলেতো ঘূৰাই আনিব নোৱাৰি। এনে সময়ত দিল্লীলৈ বা যায় কেনেকৈ। তেওঁলোকৰ যে টকা আছে মানুহেও বিশ্বাস নকৰে। গতিকে নবৌৰ অসুখ ডাঙৰেই হ'ল। দুটা কিড্‌নিয়েই সম্পূৰ্ণ দেমেইজদ্, ধেমালিনেকি! বিলম্ব নকৰি ভেলোৰলৈ নিবই লাগিব। গোপালদালৈ বেয়াও লাগিল। বলিন নেওগক লগ ধৰি নবৌক ভেলোৰলৈ নিয়াৰ ব্যৱস্থা কৰিবলৈ কলো। "কিন্তু তাক লগ পোৱাটোৱেইতো মুস্কিল। মই ইয়ালৈ যি দিনা আহো সি আগদিনা গুৱাহাটীলৈ ৰাওনা হয়। আকৌ সি মোক লগ ধৰিবলৈ তাৰ পৰা ঘৰলৈ ঘূৰোতে একেদিনা ময়ো গুৱাহাটীলৈ ৰাওনা হওঁ – কোনেও কাকো লগ নেপাওঁ কি যে মুস্কিল।" গোপালদাৰ কথা। কথাটো মিছা নহয়। দুয়োৱে দুয়োকো আজি বহুতদিন লগ পোৱা নাই। ট্ৰাকৰ বিষয়ে বলিন নেওগক দেউতাই এবাৰ সুধিছিল। নেওগে কৈছিল "দিল্লী-কলিকতাত তাৰ ট্ৰাক আছে সঁচা। কিন্তু পাঁচখন নহয় তিনিখন। ঠিকা অৱশ্যে পঞ্চাশ লাখৰ ওপৰতে কৰে।" গোপালদাই দেউতাক হিচাপ দিলে ঠিকাদাৰীৰ টকা হেনো পয়সত্তৰ লাখ পাবলৈ আছে। ঠিকাদাৰ সকলে টকা নোপোৱাত আন্দোলনৰ পথ লৈছে। ভেলোৰলৈ যাবলৈ (!) দেউতাৰ পৰা গোপালদাই দহ হেজাৰ টকা সৰকালে যি সৰকালে। তেওঁ সপৰিয়ালে এদিন গাওঁ এৰাৰ পিছতহে দেউতাই কথাটো মোক জনালে। দেউতাক খং কৰিলে কি হ'ব, টকাটো নিলেই। গোপালদা যোৱাৰ পিছত বলিন নেওগ আহক। কাহানিও বদনাম নোগোৱা নেওগে এইবাৰ বদনাম গালে "ক'ত সি ভেলোৰলৈ গৈছে। ক'ত কিডনি নষ্ট হৈছে। ইয়াৰ পৰা গৈয়েই স্বপ্নাই দিছপুৰৰ বিহুতলীত নাচিছে। আনকো নচুৱাইছে অৱশ্যে।" দেউতাই প্ৰথমে আঘাত পাইছিল, যদিও গোপালদাৰ চিঠি পাই আশ্বস্ত হ'ল। তেওঁ লিখিছিল – "খুড়াদেউ, ভগৱানে আমাক চকু মেলি চালে। দিছপুৰলৈ আহিয়েই স্বপ্নাৰ অসুখ ভাল হ'ল। তাৰ ডাক্তৰে মাৰিছিলেই। আচলতে হাৰ্টৰ অসুখ হৈছিল। আমাৰ আন্দোলন চলি আছে। টকা কেইটা পালেই আপোনাকতো মূলৰ দিমেই সুদও পাঁচ হেজাৰ দিম।" চিঠি পাই দেউতা ইমান খুছি হ'ল যে দহ হেজাৰ টকাটো এক প্ৰকাৰ বাদেই দিলে। ভৱিষ্যতে গোপালদাৰ ওচৰতে হয়তো খাতিৰ কৰিব লগা হ'ব পাৰে। তেতিয়া ? বলিন নেওগে দেউতাক এদিন কলে– দিল্লীত তাৰ ইণ্ডাষ্ট্ৰিতো হৈ গলে আশ্ৰম এখনো খুলিব বোলে। মাছ লাগেনে বিল লাগে – দেউতাৰ হ'ল এই প্ৰশ্ন।

কিছুদিনৰ পিছত গোপালদা আকৌ নবৌক লৈ ঘৰলৈ আহিল। মাই গোসাই ঘৰত এগছি বন্তি দিলে– এইবাৰ গোপালদাৰ যেন কিড্‌নি নষ্ট নহয়। গোপালদাই পোনেই আহি মোক চাৰ্জ কৰিলেহি। তইঁতে এইটো কি হোপলেচ এমেলে পঠালি। লোকেল লোকেল চিঞৰিছিলি লোকেলেই পালি। কিবা কাম হ'লনে। তাৰ দোষতেই মোৰ কনট্ৰেক্টৰ টকা পানীত পৰিব। মই এইবাৰ এই সমষ্টিৰ পৰা নিৰ্দলীয়া প্ৰাৰ্থী হৈ উঠিম। তই লাগি ভাগি দিবি।" গোপালদাই কথাটো এনেকৈ ক'লে যেন আমাৰ সমষ্টিৰ দলীয় প্ৰাৰ্থীজন মোৰ ভোটতহে জয়লাভ কৰিছে। যেন তেওঁক টিকেট দিব পৰা অথৰিটি ময়েই। তেওঁ আকৌ কলে ল'ৰা-

ছোৱালী হালৰ সৈতে নবৌৱেৰক কিছুদিন ঘৰত থৈ যাম........।" গোপালদাৰ কথা শেষ নৌ হওঁতেই মই খপ্ কৰে মাত দিলো – "এইবাৰ যদি হাৰ্ট দেমেইজদ্ হয়।" লগে লগে উত্তৰ আহিল – "নহয়, তাৰ ডাক্তৰে কৈছে হাৰ্ট ঠিক থাকিবলৈ হলে লোকেল মানুহে যি যি খায় তাক খাব লাগে। বিশেষকৈ শাক্-চবজি। তইঁতৰ বাৰীত কি কি আছে দিবিচোন। আৰু এটা কথা তোৰ দোকানৰ পৰাই আজিৰ পৰা মাল নিব নবৌৱেৰে।" গোপালদাই কথা শেষ কৰিবলৈ নেপালেই স্বপ্না বৌৱে হাঁহি হাঁহি আলু পিয়াজ পাল্লাত উঠালেই। ইফালে গোপালদা দেউতাৰ ওচৰ পালেগৈ। নবৌৰ মুখলৈ এই প্ৰথম পোনপটীয়াকৈ চালো। সপোনৰ ৰাণীৰ দৰে চেহেৰা। কি ৰূপ! কি জ্যোতি!! দুটা ল'ৰা-ছোৱালীৰ মাক? কোনে বিশ্বাস কৰিব? জীয়ৰীবো জীয়ৰী যেন চেহেৰা।

মই নবৌৰ মুখলৈ চাওঁ আৰু নবৌৱে চায় দোকানৰ বস্তুলৈ। এনে চোৱা-চুইত দুমাহ গ'ল। বাকী নিদিম বুলি মন দৃঢ় কৰিলেও নবৌক দেখাৰ লগে লগে মনৰ বান্ধ শিথিল হয়। বাকী চলি থাকিল। দুমাহৰ বাকীৰ টকা নোপোৱাটো তেনেই সাধাৰণ কথা হ'ল। বস্তুৰ বাকীৰ উপৰিও নগদ টকাও নবৌক দিব লগা হৈছে। ইফালে বোলে গোপালদাই দিছপুৰত বিলৰ টকাৰ বাবে যুঁজি যুঁজি হতাশ হৈছে। নেওগে মোক অভয় দিয়ে – "চিন্তা নকৰিবি; কোটি পতিৰ হাততো কেতিয়াবা টকা নেথাকে। থাকে জানো?" নবৌ টাউনলৈ গৈ চিনেমা চাবলৈ গলে বডি গাৰ্ড হিচাপে নেওগো যায়। "কবতো নোৱাৰি। কোনোবাই যদি স্বপ্নাক অপহৰণ কৰে।" নেওগৰ কথা।

চাৰি মাহৰ পিছত বাকীয়ে যেতিয়া আঠ হেজাৰ চুলেগৈ – মই নবৌক নকৈ নোৱাৰিলো। নবৌৱে চকু চলচলীয়া কৰি ক'লে – "তুমি মোকো বিশ্বাস কৰা নাই? তেতিয়া হলে এই লোৱা........।" নবৌৱে সোণৰ চেইন ইয়েৰিং খোলেই। মই হাক দিলো। ইমান তলৈ নামিব নোৱাৰিম – টকা দিলে দিব নিদিলে নাই – সেই বুলি তিৰোতাৰ ডিঙিৰ চেইন নুচুওঁ। নবৌৱে হাঁহিলে। বেজাৰ আৰু আনন্দৰ সেই হাঁহি। গতিকে নবৌক বিশ্বাস কৰিলো।

কেইদিনমানৰ পিছতে গোপালদা আহিল। মুখত হাঁহি। মই ভাবিলো কেইলাখমান নিশ্চয় পাইছে। পাইছে জানো? গোটেই কাণ্ডটো এইবাৰ বলিনৰ পৰা উলিয়াবই লাগিব। পিছে বলিন নাই দিছপুৰ পালেগৈ। গোপালদাই এদিন দোকানলৈ আহি বাকীৰ হিচাপটো বিচাৰিলে। মই হিচাপটো দিলো। "হ'ব বাৰু।" তেওঁ হাঁহিলে। "তইতো ইয়াত দোকান এৰি আমাৰ লগত থাকি গুৱাহাটীত খুলিব খুজিছ। বেছ ভাল কথা। পিছে আমিতো দিল্লীলৈ যাম। ইণ্ডাষ্ট্ৰিৰ কাম অহা মাহৰ পৰা আৰম্ভ কৰিম। নবৌহঁতক ডাইৰেক্ট তালৈ লৈ যাম। তই গুৱাহাটীত দোকান খুলিব নেলাগে। মোৰ ইণ্ডাষ্ট্ৰিৰ মেনেজিং ডাইৰেক্টৰ হ'ব লাগিব। তোৰ ইয়াত যে বাকী খালো আচলতে তোক মই পৰীক্ষা কৰিছিলো মোক কিমান বিশ্বাস কৰ। পৰীক্ষাত উত্তীৰ্ণ হোৱা বাবেইতো তোক এম ডি পদত নিয়োগ কৰিব খুজিছো। বলিন নেওগক বাদ দিলো – মুঠেই বিশ্বাসী নহয়। ফাকিবাজ এটা। আচ্ছা দিল্লীত মই থানথিত লাগো – পিছত তোক খবৰ দিম হাঁ।" গোপালদাৰ কথা মই তন্ময় হৈ শুনিবহে পাৰিলো। এই প্ৰথম বলিন নেওগক ফাকিবাজ বুলি কলে। কথা কি। কাণ্ড কি! সিদিনা ৰাতিৰ ট্ৰেইনত গোপালদাহঁতক উঠাওঁতে নবৌৱে মোলৈ চাই চকুলো টুকিলে। মোৰো চকুপানী ওলাল।

এমাহ গ'ল, দুমাহ গ'ল। গোপালদাৰ কোনো খা-খবৰ নাই। পুৰণা কাৰবাৰী বুলিহে সিমানতে বাচিলো। নহলে ডুবিছিলোৱেই। বিশেষ একো ঘটনা ঘটা নাই। সকলোবোৰ আগৰ দৰেই আছে। কিবা সলনি হোৱা বুলি ক'লে জীৱন বৰুৱাৰ কথাই ক'ব লাগিব।

গধূলি গধূলি তেওঁ দেউতাৰ ওচৰত ভাগৱত পঢ়ে। মোৰ দোকানত সোমাই ৰাধেশ্যামৰ বিৰুদ্ধে গালি। মই হলো কাৰবাৰী যদু বৰুৱাৰ পুত্ৰ। দেউতাৰ পৰা শিকিছো বহুত। নিজৰো অভিজ্ঞতা হৈছে। গতিকে জীৱন বৰুৱাৰ কথাত ভোল নগলো। তেওঁ কেইবাদিনো পেৰি পেৰি ধৰাতো বাকী নিদিলো যদিওবা তেওঁ বাকী বিচৰাৰ আগতে আমাৰ দোকানৰ বস্তুবোৰহে আচলতে ফ্ৰেইছ বুলি উচ্চ প্ৰশংসা কৰিছিল। কেইদিনমানৰ পিছত জীৱন বৰুৱা দেউতাৰ ওচৰত ভাগৱত পঢ়িবলৈও নহা হ'ল।

হঠাৎ এদিন বলিন নেওগ ওলালহি। কথাবোৰ মই পাহৰিয়ে গৈছিলো। নেওগ ভীষণ উত্তেজিত। "গোপালক পালে গুলিয়াই মাৰিম। মোৰ পঁচিশ হেজাৰ মাৰিলে। তোৰ?" মই আচৰিতেই হৈছিলো নেওগৰ কথাত। কওঁ নকওঁকৈ মোৰ কথাবোৰ ক'লো। দোকানৰ গাদীত নেওগ বহিল। এটা চিগাৰেট বিচাৰিলে – দিলো। চিগাৰেট জ্বলাই দুহোপামান মাৰি মোৰ মুখলৈ চালে। "সি বুইছ – দিল্লীলৈ যোৱাটো হয়।" মই উল্ল সিত। "তেতিয়া হলে ইণ্ডাষ্ট্ৰি........।" "গুলি মাৰ ইণ্ডাষ্ট্ৰি। সি ঠিকা দিম চাকৰি দিম বুলি কতৰ কিমান টকা মাৰিলে ঠিক নাই। পাওনাদাৰ ইমান বাঢ়িল যে দিছপুৰ এৰি দিল্লীলৈ পলাব লগা হৈছে। দিল্লী পাইছেনে নাই খাটাং নহওঁ কিন্তু দিছপুৰত যে স্থান নাই মই নিশ্চিত। মোৰ দৰে বহুতে কৈছে – "তাক পালেই হয়।" সি মোৰেই বন্ধু অথচ মোকেই জেং দিয়ে। মোক ঠিকা দিম বুলি নিয়া পঁচিশ হেজাৰ টকা আজি পাঁচ বছৰে ঘূৰাই বিচাৰোতে দহ হেজাৰ খৰচ হৈছে। আৰু অসহ্য।" মই সেপ গিলি সুধিলো – "তেতিয়া হ'লে তেওঁ কৰিছিল কি?"

ঃ জনতা ভৱনৰ ওচৰত তামোল-পাণৰ দোকান এখন দিছিল। তাত থাকিয়ে দালালিত ধৰিছিল।

ঃ লাখ লাখ টকাৰ ঠিকাদাৰী কৰাটো মিছা। দিল্লী-কলিকতাত চলা ট্ৰাক কেইখন........। মই চেপা উত্তেজনাৰে সুধিলো।

ঃ মিছা মিছা। এশ বাৰ কম। সি এইবোৰ একো কৰা নাছিল – নেওগেও উত্তেজিত হৈ ক'লে। বলিন নেওগ আৰু গোপাল বৰা যে ফাকিবাজ মই বুজিও কিয় বুজা নাছিলো ভাবিব পৰা নাই। স্বপ্নাৰ যাদু?

ঃ তেতিয়া হলে মোক ফাকি মাৰি গোপালদাৰ সম্পৰ্কে কথাবোৰ কৈছিল কিয়। প্ৰশ্নৰ উত্তৰ নিদি নেওগ অলপ ৰ'ল। নুমাই যোৱা চিগাৰেটটো জ্বলাই ল'লে।

ঃ আচল কথাটো কলে মোৰ পঁচিশ হেজাৰ টকা মৰা পৰাৰ ভয়। আচ্ছা তোৰ পৰা যে মাজে মাজে স্বপ্নাই টকা ধাৰলৈ নিছিল সেই টকা কি কৰিছিল বুলি ভাব? মই অবাক হৈ শুনি গলো। নেওগে কলে – গোপাল বৰালৈ বোলে মণি অৰ্ডাৰ কৰি পঠাইছিল। তাৰ অৱস্থা ইমানেই কাহিল হৈছিল! নেওগৰ কথা বিশ্বাসেই কৰিমনে অবিশ্বাসেই। মানুহে ইমান নাটক কৰিব পাৰেনে! বলিন নেওগক মই বেছি আৰু একো নুসুধিলো। সোধাৰ প্ৰয়োজন নহ'ল। হয়তো স্বাৰ্থৰ সংঘাত হোৱাত গোপালদাহঁতৰ বিৰুদ্ধে মিছাকৈ কৈছে। নতুবা সঁচাই কৈছে। সিমানবোৰ কেনেকৈ জানিম। বাৰে বাৰে মোৰ চকুৰ আগত ভাহি উঠিল স্বপ্না নবৌৰ মুখখন। তেওঁৰ হাঁহিবোৰ! মিঠা মাতটো। ইয়াৰ অন্তৰালত বেদনাই বিৰাজ কৰিছিল নেকি? ট্ৰেনত উঠাৰ সময়ত যে চকুলো টুকিছিল। এক অনিশ্চিত জীৱন যাত্ৰাৰ বেদনাত নেকি? গোপাল বৰালৈ অহাটো ভুল হৈছিল বুলিয়ে উপলব্ধি কৰিছিল সেইদিনা। জীৱনত কিছুমান ভুল শুধৰোৱাৰ যে কোনো উপায় নাই স্বপ্না নবৌৱে কথাটো বুজি অসহায় হৈ পৰা বাবেই সেই কান্দোন?

গোপাল বৰা আচলতে কোন? বলিন নেওগ আৰু জীৱন বৰুৱাৰ লগত তেওঁৰ সম্পৰ্কই বা কি? নে একেজন মানুহৰে তিনিটা ৰূপ। বলিন নেওগ চূড়ান্ত হতাশাত হেনো ভাগি পৰিছে। কোনো কথা নকৈ দোকানৰ পৰা ওলাই গ'ল। মই এটা স্বস্তিৰ উশাহ ললো।

কেইবাজনো গ্ৰাহক দোকানলৈ সোমাই অহাত দোকানীৰ স্বাভাৱিক হাঁহি এটা মাৰি তেওঁলোকলৈ চালো। তেওঁলোকে বিচৰা বস্তু কেইপদ দিয়াত আন দিনাৰ দৰে ব্যস্ত হৈ পৰিলো।





# পতি-পত্নী সংবাদ–১

পুলিচ ষ্টেচনলৈ এজন মানুহ সোমাই আহিল।

"মোৰ পত্নী নিৰুদ্দেশ হৈ গৈছে।" মানুহজনে কৰ্তব্যৰত অফিচাৰক কলে।

"অন্তিমবাৰ আপুনি তেওঁক কেতিয়া দেখিছিল?"

"তিনিমাহ মান হ'ল।"

"আপোনাৰ পত্নী নিৰুদ্দেশ হোৱা আজি তিনি মাহ হ'ল আৰু আপুনি আজি আহিছে ডায়েৰী কৰাবলৈ?"

"নহয়, কথাটো হ'ল, ইমান দিনে মই ঘটনাটো বিশ্বাস কৰিবৰ সাহস গোটাব পৰা নাছিলো।"

* * *



সীমান্তত গাড়ীখন ৰ'ল আৰু কাষ্টম বিভাগৰ মানুহে তেওঁলোকৰ খানাতালাচী ললে আৰু পাচপোৰ্ট পৰীক্ষা কৰিলে।

কাষ্টম অফিচাৰে কলে,"আপোনালোকৰ পাচপোৰ্ট ঠিকেই আছে। কিন্তু আপুনি প্ৰমাণ কৰিব লাগিব যে আপোনাৰ লগত অহা মহিলাগৰাকী আপোনাৰ পত্নী।"

বিখ্যাত ডক্টৰজনে নিজৰ সঙ্গিনীলৈ এবাৰ চালে আৰু খিৰিকিৰে মুখ উলিয়াই কাষ্টম অফিচাৰক ফুচফুচাই কলে, "যদি আপুনি প্ৰমাণ কৰিব পাৰে যে এওঁ মোৰ পত্নী নহয়, তেনেহলে মই আপোনাক আপুনি বিচৰা মতেই ধন দিবলৈ প্ৰস্তুত আছো।"

* * *



মিষ্টাৰ আৰু মিচেচ বৰুৱা ইউৰোপৰ কোনোবা এখন দেশলৈ ফুৰিবলৈ গ'ল। তাত বহু চৰ্চিত কুঁৱা এটা চাবলৈ গ'ল তেওঁলোক। সেই কুঁৱাৰ তলিলৈ চাই মানুহে যি বিচাৰে তাকে পায় বুলি জনবিশ্বাস এটা আছে।

প্ৰথমে মিষ্টাৰ বৰুৱাই কুঁৱাৰ ভিতৰত মুদ্ৰা এটা পেলাই মনে মনে নিজৰ মনোবাঞ্ছা জনালে। তাৰ পিছত মিচেচ বৰুৱাই মুদ্ৰা এটা পেলাই কুঁৱাৰ ভিতৰলৈ মুখ নি কিবা কবলৈ যাওঁতেই ভাৰসাম্য ৰাখিব নোৱাৰি কুঁৱাৰ ভিতৰত পৰি গ'ল আৰু ডুবি গ'ল।

মিষ্টাৰ বৰুৱাই ভোৰভোৰালে, "হে ভগৱান, ইমান দিনে মই এইবোৰ কথাত বিশ্বাস নকৰিছিলো।"

* * *

কৃষ্ণ মহাজন মৃত্যুশয্যাত। ওচৰতে মহাজনৰ পত্নী বহি আছে।

মৃত্যুপথযাত্ৰী মহাজনে লাহে লাহে ক'লে, "বকুলৰ মাক, মোৰ মৃত্যুৰ পিছত দোকানখন বৰ মইনাক দি দিবা।"

"বৰ মইনা! তাতকৈ দেখোন সৰুকণে দোকান ভালকৈ চলাব পাৰিব।"

মুৰ্মুষু মহাজনে কথাটো মানি ললে, "ঠিক আছে। মোৰ গাড়ীখন হৰকান্তক দিবা।"

পত্নীয়ে কলে, "কিন্তু মোৰ বোধেৰে গাড়ীখন চম্পাৰ গিৰীয়েকক দিলেহে ভাল হ'ব। সি সদায় ষোল মাইল চাইকেল মাৰি অফিচলৈ যাব লাগে।"

"ঠিকে আছে, চম্পাকে দিবা বাৰু। কিন্তু মোৰ এই ঘৰটো বকুলক দিবা।"

"বকুলে আকৌ গাঁৱত থাকিবলৈ ভাল নাপায়। মোৰ বোধেৰে ------"

মহাজনে এইবাৰ আৰু নিজকে ৰখাব নোৱাৰিলে। তেওঁ চিঞৰি উঠিল, "বকুলৰ মাক, এটা কথা কোৱাচোন, মৰিবলৈ কোন ওলাইছে, মই নে তুমি?"

* * *

টেলিফোনত ঃ

"গধুলি দুজনমান বন্ধুৱে আমাৰ তাত ভাত খাব বুলি কৈছে। তুমি আয়োজন কৰিব পাৰিবানে?" স্বামীয়ে ভয়ে ভয়ে সুধিলে।

"কিয় নোৱাৰিম! কেইটাত আহিব তেওঁলোক?" আনটো মূৰৰ পৰা কোমল নাৰীকণ্ঠ।

"ৰং নম্বৰ!" স্বামীয়ে ফোন থৈ দিলে।



পত্নী ঃ যেতিয়া কোনো বিবাহিত পুৰুষে কোনো সুন্দৰী নাৰী দেখে তেতিয়া পাহৰি যায় যে তেওঁ বিবাহিত।

স্বামী ঃ একেবাৰে মিছা কথা। সঁচা কথা কবলৈ হ'লে তেতিয়াহে মনত পৰে যে তেওঁ বিবাহিত!

* * *

# ৰাতিৰ প্ৰতি

মূল ঃ ছাল্ভাতোৰে কোৱাছিমদো

অনুবাদ ঃ বীৰেশ্বৰ বৰুৱা

**টোকা** ঃ *ইটালীৰ কবি ছাল্ভাতোৰে কোৱাছিমদোই (১৯০১-১৯৬৮) ১৯৫৯ চনত নোবেল বঁটা পাইছিল। তেওঁৰ সুস্পষ্ট বিশ্বাস এই আছিল যে 'কবিতা কোনো এক খেলা নহয়।' তেওঁ প্ৰকৃতপক্ষে জুছেপ্পে উন্গাৰেত্তিৰ (আৰু অনেক পৰিমাণে ইউজেনিও মন্তালেৰো) কবিতা সম্পৰ্কৰ ধ্যান-ধাৰণাৰ পৰিপন্থী। উন্গাৰেত্তিয়ে কবিতাক এটা খেলা হিচাপে লৈছিল আৰু কোৱাছিমদোৱে তেওঁৰ এই খেলা ধূলিসাৎ কৰি দিলে নোবেল বঁটা তেওঁক দিয়াৰ সময়ত ছুইদিছ্ একাদমীয়ে ঘোষণা কৰিছিল– "For his lyric poetry, which with classical fire expresses the tragic experience of life in our own times." এই বঁটা-গ্ৰহণ বক্তৃতাত কোৱাছিমদোৱে কৈছিল– You know that poetry reveals itself from solitude, and that from this solitude, it moves out in every direction; from the monologue it reaches society without becoming either sociological or political. Poetry, even lyrical poetry, is always 'speech'." পাব্লো নেৰুদাই কৈছিল ঃ "তেওঁ পৃথিৱীৰ মাটিত নতুন আশাৰ গুটি সিঁচিছে।" কোৱাছিমদোৰ সৰ্বমুঠ কাব্য-গ্ৰন্থ কেৱল পাঁচখন। তেওঁ ছেক্সপীয়েৰ, ই, ই, কাৰ্মিছ্ আৰু পাবলো নেৰুদাৰ কবিতাৰ অনুবাদক। কবিতাটো এলেন মেণ্ডেল্ব'মৰ ইংৰাজী অনুবাদৰ পৰা।*

তোমাৰ জঠৰৰ পৰা
মই জাগি উঠো নুসুঁৰৱি
আৰু কান্দো

দেৱদূতসকলে খোজ লয়, মোৰ স'তে,
নিৰ্বাকি ; বস্তুজগৎ উশাহহীন ;
প্ৰতিটো কণ্ঠস্বৰ প্ৰস্তৰীভূত,
কবৰস্থ আকাশৰ দৰে নীৰৱ।

তোমাৰ প্ৰথম মানুহজনে
নাজানে, তথাপি শোকাকুল।

## আকৌ এখন সেউজী নৈ

মূল ঃ ছাল্ভাতোৰে কোৱাছিমদো

*(টোকা ঃ কবিতাটো এলেন মেণ্ডেল্ব'মৰ ইংৰাজী অনুবাদৰ পৰা।)*

আকৌ এখন সেউজী নৈয়ে লুটি লৈ যায়
মোক আৰু ঘাঁহ আৰু পপলাৰ্
গছবোৰৰ চুক্তিক
নিষ্প্ৰাণ তুষাৰৰ জেউতি য'ত
পাহৰণিত মাৰ গৈছে।

আৰু ইয়াত ৰাতিৰ গৰ্ভত
নীৰিহ ভেৰাজনীয়ে মূৰৰ তেজ উতলি
হাওঁৰিছে ঃ

সেই চীৎকাৰত প্লাৱিত হয় সময়
শীতৰ দীৰ্ঘদেহী কুকুৰনেচীয়া বাঘৰ,
মেঘ-গৰ্জনৰ পিতৃভূমি পানীৰ উৎসৰ।

## দুটা কবিতা

মূল ঃ ছাল্ভাতোৰে কোৱাছিমদো

*(টোকা ঃ প্ৰথম কবিতাটো এলেন মেণ্ডেলব'মৰ ইংৰাজী অনুবাদৰ পৰা। দ্বিতীয় কবিতাটো ('তথাপি') কবিৰ সৰ্বশেষ কাব্য-গ্ৰন্থৰ শেষৰ কবিতা আৰু জেক্ বেভানৰ ইংৰাজী অনুবাদৰ পৰা ভঙা হৈছে। এই কবিতাটোত তেওঁৰ আশাবাদ গভীৰ আৰু সুস্পষ্ট।*

### ১। হঠাৎ সন্ধ্যা নামে

পৃথিৱীৰ বুকুত প্ৰতিজন মানুহ অকলশৰীয়া,
সূৰ্যৰ কিৰণে শলা ঃ
আৰু হঠাৎ সন্ধ্যা নামে।

### ২। তথাপি

বোধহয় প্ৰতি মুহূৰ্ততে মই মৰি আছোঁ।
তথাপি মই নিজে বুজি নোপোৱা
এই জীৱনটোৰ প্ৰতিশ্ৰুতিলৈ
মই আপোন ইচ্ছাত
কাণ পাতোঁ ..........................





# মানিকবাবু সত্যজিৎ ৰায়

আবু নাছাৰ চাঈদ আহমদ

(৬)

এখন উপন্যাসৰ কাহিনী কথাছবিলৈ ৰূপান্তৰ কৰোতে ভালেখিনি পৰিবৰ্তন কৰিব লগীয়া হয়। কাহিনীৰ মূল বিষয়বস্তু, তাৰ বাৰ্তা, সংবেদনশীলতা আৰু মানৱীয় দৃশ্যবোৰ একেদৰে ৰাখি কথাছবিত উত্থাপন কৰিবলৈ কিছুমান দৃশ্য সংযোজন বা সলনি কৰি ল'ব লগীয়া হয়। সত্যজিতে "পথেৰ পাঁচালী"ত তেনেদৰেই কৰিছিল। উপন্যাসখনৰ আৰম্ভণিৰ পৰা হৰিহৰে অপু আৰু সৰ্বজয়াকলৈ বেনাৰসলৈ যোৱাৰ দৃশ্যলৈকে তেওঁ কথাছবিত ৰাখিলে। বাকী খিনিৰে দ্বিতীয়খন ছবি কৰাৰ পৰিকল্পনাৰ বাবে থলে। উপন্যাসত আছে ইন্দিৰ ঠাকৰুণৰ মৃত্যু গাঁৱৰ মন্দিৰৰ কাষত হৈছিল। সত্যজিতে সেয়া বাঁহনিৰ তলত দেখুৱালে যুক্তি–অপু আৰু দুৰ্গা ফুৰিবলৈ গৈ বাটতে সেই মৃত্যুৰ লগত মুখামুখী হওক; মৃত্যু জীৱনৰ এটা অবিচ্ছেদ্য অংগ হিচাপে সিহঁতে বুজি উঠক; এদিন অভাবনীয় ভাবেই দুৰ্গাই নিজৰ মৃত্যুৰ লগত মুখামুখী হওক, অপুৱেও সেই মৃত্যুক বুজিবলৈ সম্বল বিচাৰি পাওক। সেইদৰে অপু আৰু দুগাই দৌৰি গৈ ৰেলগাড়ীখন গৈ থকা চোৱাৰ দৃশ্য উপন্যাসত নাই। এনেবোৰ সংযোজন বা পৰিবৰ্তনৰ দ্বাৰা সত্যজিতে কথাছবিখন অধিক মানৱীয়, সৱল আৰু সতেজ কৰি তুলিবলৈ চেষ্টা কৰিলে। তেওঁৰ শেহতীয়া সাক্ষাৎকাৰ বিলাকত সত্যজিত ৰায়ে এনেবোৰ পৰিবৰ্তন তেওঁৰ প্ৰায় সকলোবোৰ কথাছবিতে আনিছিল বুলি কৈ তাৰ সপক্ষে সবল যুক্তি আগবঢ়াইছিল। উপন্যাস এখনত লেখকে কিছুকথা নিজৰ বক্তব্যৰে কৈ যায়; কিন্তু কথাছবি এখনত দৃশ্যৰ দ্বাৰা আৰু তাৰ লগত থকা সংলাপৰ দ্বাৰা সেই বক্তব্যৰ মৰ্ম কথা কোৱা হয়। তাৰ বাবে নতুন দৃশ্য এটাৰ অবতাৰণা কৰিব লগীয়া হয়।

কথাছবিখনৰ পৰিকল্পনা হাততলৈ সত্যজিতে কেইবাটাও প্ৰত্যাহ্বানৰ সমুখীন হৈছিল। আগতে উল্লেখ কৰাৰ দৰে এইখন কথাছবি কমাৰ্চিয়েল ধৰণৰ নহব। গতিকে প্ৰযোজক পোৱাটো কঠিন হব। দ্বিতীয়তে তেওঁৰ নিজৰ গাঁও সম্পৰ্কে ব্যাপক ধ্যান-ধাৰণা নাছিল। সৰুৰে পৰা চহৰত বসবাস কৰাৰ কাৰণে আৰু কাহানিও গাওঁৰ পিনে গৈ থাকি গাঁৱলীয়া জীৱনৰ বিষয়ে জনাৰ কোনো সুবিধা নোপোৱাৰ কাৰণে তেওঁৰ এই পদক্ষেপ বাস্তৱিকতে জটিল আছিল। শান্তিনিকেতনৰ আশে পাশে থকা গাঁওবোৰ দেখাৰ বাহিৰে তেওঁ কোনো গাঁও দেখা নাছিল যদিও "পথেৰ পাঁচালী" উপন্যাসখনত গাঁৱৰ বিষয়ে বিস্তৃত বিবৰণ আছিল। সেইখিনিকে ঘাইকৈ মূলধন বুলিলৈ তেওঁ কথাছবিখন নিৰ্মাণ কৰাৰ সাহস গোটালে। তৃতীয়তে, ছবিখনৰ বাবে নতুন ধৰণৰ অভিনেতা অভিনেত্ৰী বিচাৰি উলিয়াটো একেদৰেই জটিল কাম আছিল। বংগত থকা সুপ্ৰতিষ্ঠিত অভিনেতা অভিনেত্ৰীকলৈ এনে এখন অগতানুগতিক কথাছবি কৰাটো অসম্ভৱ কথা আছিল। তথাপি কাহিনীৰ মানৱীয় আবেদনে তেওঁক এই দুঃসাহসিক কামত আগবাঢ়ি যাবলৈ প্ৰেৰণা দিলে।

"পথেৰ পাঁচালী"ৰ কোনো চিত্ৰনাট্য নাছিল। চিগনেট প্ৰেছৰ বাবে এই উপন্যাসখনৰ কেইবাটাও দৃশ্যপট সত্যজিতে আঁকি দিছিল। তাৰ পিছত ইউৰোপৰ পৰা স্বদেশলৈ জাহাজেৰে আহি থাকোতে তেওঁ এই কাহিনীটোৰ লগত জড়িত ভালেখিনি দৃশ্য আঁকিছিল। পিছত এই দৃশ্যবোৰেই তেওঁৰ চিত্ৰনাট্য হৈ পৰিছিল। সংলাপৰ ক্ষেত্ৰত তেওঁ বিভূতিবাবুৰ মূল সংলাপকে প্ৰয়োগ কৰিছিল।

পোনতে সত্যজিতে বিভূতি বাবুৰ বিধৱা পত্নী ৰমা বন্দ্যোপাধ্যায়ৰ ওচৰলৈ গৈ "পথেৰ পাঁচালী" উপন্যাসখন কথাছবি কৰাৰ অনুমতি বিচাৰিলে। উপেন্দ্ৰকিশোৰৰ নাতি আৰু সুকুমাৰৰ পুত্ৰ সত্যজিতে কিবা এটা ভাল কাম কৰিব পাৰিব বুলি গভীৰ বিশ্বাসতে তেওঁ বিনা দ্বিধাই টকা-পইছাৰ কোনো চুক্তি নকৰাকৈ অনুমতি দিলে। এই কথা জানি পিছত সত্যজিতে প্ৰযোজনাৰ অনুৰোধ কৰি ওচৰ চপা এগৰাকী ভদ্ৰলোকে শ্ৰীমতী বন্দ্যোপাধ্যায়ৰ কাষ চাপি কলে যে তেওঁ এজন বিখ্যাত পৰিচালকৰ দ্বাৰা কথাছবিখন নিৰ্মাণ কৰিব। সত্যজিত ৰায়ৰ দৰে অখ্যাত মানুহ এজনে কি চিনেমা কৰিব ? তেওঁক উপন্যাসখনৰ স্বত্ব দিলে যথেষ্ট টকা দিব। কিন্তু ৰমা বন্দ্যোপাধ্যায় আগৰ সিদ্ধান্তত অটলহৈ থাকিল।

কেইবাজনো প্ৰযোজকৰ ওচৰলৈ গৈ তেওঁ "পথেৰ পাঁচালী"ৰ কাহিনীৰ সবলতা, মানৱীয় দিশবোৰ বুজাই কোৱাৰ লগতে সত্যজিতে নিজে অঁকা দৃশ্যবোৰ দেখুৱালে। কিন্তু যিটো কাহিনীত নাটকীয় দৃশ্য নাই, নাটকীয় পৰিণতি নাই, গীত নাই, নাচ নাই, নায়ক- নায়িকা নাই তেনে কাহিনীলৈ চিনেমা কৰা নাযায়। গতিকে প্ৰতিজন প্ৰযোজকৰ ওচৰলৈ গৈ বিমুখহৈ বন্ধু অনিল চৌধুৰী, সুব্ৰত মিত্ৰ আৰু বংশী চন্দ্ৰগুপ্তৰ পৰা অহা অৰ্থ সমৰ্থনত তেওঁ



*'পথেৰ পাঁচালী'ৰ নিৰ্মাণৰ কাৰণে সত্যজিৎ ৰায়ে অঁকা দৃশ্য*



OKDISCD

কথাছবিখনৰ দৃশ্য গ্ৰহণ কৰাৰ পৰিকল্পনা হাতত ললে। তেওঁ নিজে বীমা কোম্পানীৰ পৰা সাত হাজাৰ টকাৰ ঋণ ললে আৰু দুহেজাৰ টকা ললে এজন সম্পৰ্কীয় মানুহৰ পৰা। এই খিনি টকা গোট খোৱাৰ পিছত সুব্ৰত মিত্ৰই এটা ১৬ মিলিমিটাৰ কেমেৰা আনি গোপালনগৰ গাঁৱলৈ বাৰিষা দিনতে বোকা খচি দোপাল-পিটা বৰষুণত কেইটামান দৃশ্য লৈ চালে। প্ৰিন্ট কৰাৰ পিছত দেখিলে অলপ পোহৰতে লোৱা সত্বেও আটাইবোৰ দৃশ্য বেছ সুন্দৰ হৈছে। ইয়াতে সত্যজিতে বেছ উৎসাহিতহৈ কথাছবিৰ দৃশ্য গ্ৰহণৰ ঠাই বাছি ললে। হৰিহৰৰ ঘৰটোৰ বাবে উপযোগী আধা ভগা ঘৰ এটা পালে, কাষতে এটা পুখুৰী। ঘৰটোৰ মালিকক মাহে পঞ্চাশ টকাকৈ আঢ়ৈ বছৰ ভাৰা দিয়াৰ চুক্তিও কৰি ললে। তাৰ পিছত কহুৱা বনেৰে ভৰা এখন পথাৰ তাৰ কাষৰে দি যোৱা ৰেল লাইন, এখন বাঁহনি। সকলোবোৰ ঠিক ঠাক কৰি ললে।

হৰিহৰৰ চৰিত্ৰত কানু বন্দ্যোপাধ্যায়, সৰ্বজয়াৰ চৰিত্ৰত কৰুণা বন্দ্যোপাধ্যায়, ইন্দিৰ ঠাকৰুণৰ চৰিত্ৰত চুনীবালা দেবী আৰু দোকানী- শিক্ষকৰ ভাওত তুলসী চক্ৰবৰ্তী-এই আটাই কেইজনৰ অভিনয়ৰ অভিজ্ঞতা আছিল। কিন্তু অপু আৰু দুৰ্গাৰ ভূমিকা লবলৈ পৰিচিত শিশু অভিনেতা-অভিনেত্ৰীৰ সলনি সত্যজিতে কোনোদিনে কেমেৰাৰ মুখামুখী নোহোৱা ল'ৰা-ছোৱালী বিচাৰিলে। সুবীৰ বন্দ্যোপাধ্যায় নামৰ ল'ৰা এটিৰ ওপৰত দৃষ্টি পৰিল বিজয়াৰ, তেওঁলোক থকা পাৰাৰে এই ল'ৰাটিয়ে বাহিৰত খেলা-ধূলা কৰি থকা অৱস্থাত দেখি বিজয়াৰ সিয়েই অপুৰ অভিনয় কৰিব পাৰিব বুলি ধাৰণা কৰিলে। সুবীৰে পোনতে অভিনয় কৰাত বেছ অসুবিধা পাইছিল যদিও মানিকবাবুৰ হাতত পৰি কেইদিনমানৰ ভিতৰতে কেমেৰাৰ আগত সহজে নিৰ্দেশমতেই অভিনয় কৰিব পৰা হ'ল। বেলতলা স্কুলত পঢ়ি থকা ছাত্ৰী উমা দাসগুপ্তাক দুৰ্গাৰ চৰিত্ৰৰ বাবে স্কুলৰ সহকাৰী প্ৰধান শিক্ষয়িত্ৰী অপৰ্ণা সেনে সত্যজিতৰ লগত যোগাযোগ কৰি দিলে। উমাৰ দেউতাকে ছোৱালীজনীক কথাছবিত অভিনয় কৰিবলৈ অনুমতি নিদিলে। তেওঁৰ মতে ছোৱালীয়ে কথাছবিত অভিনয় কৰা মানে বংশত বদনাম অনা। সত্যজিতে প্ৰথম দিন নানা ধৰণেৰে বুজায়ো দেউতাকক সন্মত কৰাব নোৱাৰিলে। পিছত সৰ্বজয়াৰ ভূমিকা লবলৈ ঠিক কৰা কৰুণা বন্দ্যোপাধ্যায় প্ৰমুখে সত্যজিতৰ ইউনিটৰ আটায়ে আহি দেউতাকক বুজালে যে উপেন্দ্ৰকিশোৰৰ নাতি আৰু সুকুমাৰৰ পুত্ৰ সত্যজিতে পৰিচালনা কৰা কথাছবিত অশালীন কথা একো নাথাকে; নাথাকে উগ্ৰ ধৰণৰ মেক আপ। উমাৰ দেউতাক সৈমান হ'ল। প্ৰথম দিন কেমেৰাৰ সমুখত উমা থিয় হওঁতে সত্যজিতে সুধিছিল; "তুমি বাৰু মুখ ভেঙেচুৱাব পাৰানে ?" আৰু আৰম্ভ হ'ল অভিনয়ৰ আখৰা।

মানিক বাবুৰ কাৰণে অতিকৈ প্ৰাণবন্ত আৰু প্ৰেৰণাদায়ক বিষয় আছিল দোকানী মাষ্টৰৰ ভূমিকা লবলৈ অহা তুলসী চক্ৰবৰ্তী আৰু ইন্দিৰ ঠাকৰুণৰ ভাওত আহিছিল চুনীবালা দেৱী। তুলসী চক্ৰবৰ্তী তেতিয়া বংগৰ এজন বিখ্যাত কৌতুক অভিনেতা বুলি জনাজাত। তুলসী বাবু নিজেই আছিল এজন বিচিত্ৰ ব্যক্তি। সৰুতে ঘৰৰ পৰা পলাই গৈ চাৰ্কাচ পাৰ্টিত যোগ দিয়া তুলসী বাবু পিছত নিৰ্বাক কথাছবিৰ অভিনেতা, নিউ থিয়েটাৰৰ অভিনেতা বুলি সুপৰিচিত আছিল। পিছত এইজন তুলসী বাবুৱে সত্যজিতৰ অন্যতম বোলছবি "পৰশ পাথৰ"ত পৰেশ চন্দ্ৰ দত্তৰ অবিস্মৰণীয় অভিনয় কৰিছিল।

ইন্দিৰ ঠাকৰুণৰ ভূমিকাত যোগ্য অভিনেত্ৰী পোৱাটো মানিকৰ বাবে কঠিন আছিল। উপন্যাসত বৰ্ণোৱা মতে সত্তৰ বছৰৰ ওপৰৰ বৃদ্ধা ইন্দিৰ আছিল কঁকাল পৰা, গাল সোতোৰা পৰা, চকুৰে ভালদৰে নমনা। কলিকতাত বৃদ্ধা মহিলাৰ ভূমিকা লব পৰা অভিনেত্ৰীৰ অভাব নাছিল যদিও সত্যজিতে কাহিনীৰ সংবেদনশীলতাৰ কথা মনত ৰাখি বেছি বয়সস্থা মহিলা বিচাৰি আছিল। "পথেৰ পাঁচালী"ত হৰিহৰ-সৰ্বজয়াৰ চুবুৰীয়া মুখ চোকা মহিলা গৰাকীৰ অভিনয় কৰা ৰেবা দেবীয়ে মানিক বাবুক চুনীবালা দেবীৰ সম্ভেদ আনি দিলে। এসময়ত নিৰ্বাক ছবিত অভিনয় কৰা চুনীবালা দেবীৰ বয়স তেতিয়া প্ৰায় নৈৱে বছৰ। চুনীবালাৰ ঘৰলৈ গৈ তেওঁৰ লগত কথা-বতৰা পাতি, নিচুকনি গীত শুনি আৰু অভিনয় কৰাৰ আগ্ৰহ দেখি সত্যজিৎ ৰায় অভিভূত হ'ল। ইমান বৃদ্ধা অৱস্থাত তেওঁ নিচেই পুৱাতে ১৫/১৬ মাইল নিলগলৈ গৈ গাঁৱৰ পৰিবেশত গোটেই দিনটো থাকি অভিনয় কৰিব পাৰিবনে নাই ঠাৰৰকৈ জানি লোৱাৰ পিছত সত্যজিতে ইন্দিৰ ঠাকৰুণৰ ভূমিকা লবলৈ তেওঁক অনুৰোধ কৰিলে। চুনীবালাৰ দুটা চৰ্ত আছিল-পাৰিশ্ৰমিক হিচাপত কেইটামান টকা আৰু নিতৌ অকণমান কানি, সত্যজিৎ মান্তি হ'ল। নিতৌ অকণমান কানি খাই বিশ্বৰ বোধকৰো সবাতকৈ বৃদ্ধা অভিনেত্ৰী গৰাকীয়ে অতি সহযোগিতাৰে অভিনয় কৰি গ'ল। এদিন অৱশ্যে কানি-নোপোৱাত অভিনয় কৰাৰ সময়ত ঢলি অচেতনহৈ পৰিছিল। এই ঘটনাৰ পিছত সত্যজিতে সদায়ে তেওঁৰ বাবে অকণমান কানি যোগাৰ কৰি ৰাখিছিল। দৃশ্য গ্ৰহণৰ সময়ত এই গৰাকী বৃদ্ধা অভিনেত্ৰীৰ সহযোগিতা আৰু প্ৰতিটো দৃশ্য নিখুঁত কৰাত অভাবনীয় আগ্ৰহ দেখি সকলো মোহিত হৈছিল। এই বিষয়ে সত্যজিৎ ৰায়ে লিখিছিল যে চুনীবালা দেবীয়ে নিজৰ চৰিত্ৰৰ প্ৰতিটো সূক্ষ্ম কথাৰ প্ৰতি সচেতন আছিল। গাঁৱৰ অতি দুখীয়া কোনো কিছু নোহোৱা বিধৱা বুঢ়ী মানুহ গৰাকীয়ে কেনেদৰে ফটা কাপোৰকে জোৰা তাপলি মাৰি পিন্ধিব, একেখন ফটা শাড়ীকে সদায়ে প্ৰতিটো দৃশ্যত যে পিন্ধিবই লাগিব আগৰ দিনা চুটিঙত খাৰু পাত সোঁ হাতত আছিল নে বাওঁ হাতত আছিল তাক সঠিককৈ মনত ৰাখিবই লাগিব, এনেবোৰ কথাৰ প্ৰতি তেওঁ অতিকৈ সচেতন আছিল। কেতিয়াবা চুটিং আৰম্ভ হোৱাৰ আগতে মানিক বাবু কয় ঃ "ৰ'বা বোপাই, আগৰটো চুটিঙৰ সময়ত মোৰ মুখত ঘাম নাছিল নহয়"। ইত্যাদি কথাৰ বিতংভাবে মনত ৰখা দেখি, সহযোগিতা কৰা দেখি সকলো আচৰিত নহৈ নোৱাৰিছিল। এনেবোৰ কথাই বাকী সকল অভিনেতা অভিনেত্ৰীকো নিজৰ অভিনয়ৰ সম্পৰ্কে সচেতন কৰিছিল। লগতে কথাছবিখনৰ সাফল্যত অমূল্য বৰঙণি আগবঢ়াইছিল।

"পথেৰ পাঁচালী"ৰ সৰ্বজয়াৰ ভূমিকাত অভিনয় কৰিবলৈ কৰুণা বন্দ্যোপাধ্যায়ৰ নাম তেওঁৰ স্বামী সুব্ৰত বন্দ্যোপাধ্যায়ে মানিকক কৈছিল। সুব্ৰত বন্দ্যোপাধ্যায় আছিল সত্যজিতৰ সহপাঠী আৰু কীমাৰ কোম্পানীৰ সহকৰ্মী। কৰুণাৰ নাটকত অভিনয় কৰাৰ অভিজ্ঞতা আছিল যদিও সৰ্বজয়াৰ ভূমিকাত অভিনয় কৰাৰ ইচ্ছা নাছিল। গতিকে তেওঁ আন এগৰাকী অভিনেত্ৰীৰ নাম উল্লেখ কৰিলে। অৱশ্যে কৰুণাৰ অভিনয় সম্পৰ্কে সত্যজিতৰ উচ্চ ধাৰণা আছিল। ভাৰতীয় গণ-নাট্য সংঘৰ দ্বাৰা আয়োজন কৰা ভালেকেইখন নাটকত অতি ভাল অভিনয় কৰা বুলি তেওঁ খ্যাতি লাভ কৰিছিল। গতিকে, তেওঁৰ আপত্তি নৰজিল। কথাছবিখনৰ যিহেতু চিত্ৰনাট্য আৰু সংলাপো নাছিল; আৰু সংলাপৰ বেছিখিনি মূল উপন্যাসৰ পৰা লোৱা হৈছিল, সেইবাবে দৃশ্য গ্ৰহণৰ সময়তে পৰিচালকে মুখৰ কথাৰে আৰু লিখিতভাবে সংলাপবোৰ শিল্পীসকলক শিকাই দিছিল। কৰুণাই গাঁৱলীয়া মহিলাৰ ঠাঁচত উচ্চাৰণ কৰাত বৰকৈ অসুবিধা পাইছিল। দ্বিতীয়তে, কোনো দিনে কেমেৰাৰ সমুখত থিয় নোহোৱাৰ কাৰণে অভিনয় কৰাৰ সময়ত তেওঁ বৰকৈ অসুবিধা পাইছিল। সেইবাবে মানিক বাবুৱে তেওঁক প্ৰথম দিনাই কেমেৰাৰ কথা পাহৰি যাবলৈ কৈছিল আৰু চহৰৰ মানুহৰ দৰে স্পষ্ট উচ্চাৰণ কৰিবলৈ হাক দিছিল। পৰিচালকৰ সুউচ্চ ব্যক্তিত্ব আৰু কথাবোৰ বুজাই দিয়াৰ অভাবনীয় সৰলতাৰ কাৰণে প্ৰথম দিনাই কৰুণাই সাধাৰণ দুখীয়া গাঁৱলীয়া গৃহিণীৰ নিখুঁত অভিনয় কৰিব পাৰিছিল।

১৯৫২ চনৰ ২৭ অক্টোবৰৰ দিনা "পথেৰ পাঁচালী"ৰ প্ৰথম দৃশ্য গ্ৰহণ আৰম্ভ হয়। কহুৱা বনৰ মাজে মাজে অপুৱে দুৰ্গাক খেদি গৈ থাকে। অপুৰ অভিনয় কৰা সুবীৰে আগতে বুজাই দিয়াৰ দৰে দুৰ্গাক বিচাৰি যোৱাৰ দৃশ্যটো সত্যজিতৰ বৰ মনঃপুত হোৱা নাছিল।



কোনো দিনে কথাছবিৰ বাবে অভিনয় নকৰা সৰু ল'ৰা সুবীৰক তেওঁ চাবি দিয়া পুতলা এটা বুলি ধৰিলৈ নিৰ্দেশ দিছিল আৰু তাৰ পৰাই তেওঁ এই সৰু ল'ৰাটিৰ পৰা পাব লগীয়া সকলোখিনি আদায় কৰি লৈছিল। প্ৰথম দিনা দৃশ্য গ্ৰহণত সত্যজিৎ ৰায় নিজে ধীৰ, স্থিৰ, আৰু আত্মবিশ্বাসত অটল। তেওঁৰ অতিকৈ ঘনিষ্ঠ সহযোগী আলোক-চিত্ৰশিল্পী সুব্ৰত মিত্ৰ আৰু শিল্প নিৰ্দেশক বংশী চন্দ্ৰগুপ্ত একেদৰেই গভীৰ আস্থাৰে কাম কৰিছিল। বিশ্বৰ বোধকৰো কোনো কথাছবি পৰিচালকে ইমান কম টকা, কম বস্তু আনকি কোনো প্ৰসাধনৰ ব্যৱস্থা নোহোৱাকৈ মহৎ কথাছবি নিৰ্মাণ কৰিব পাৰি বুলি সপোনতো নাভাবিলেও এই সকল সহযোগীয়ে সেই দিনাই উমান পাইছিল তেওঁলোকে কৰিবলৈ ধৰা কথাছবিখন সম্পূৰ্ণ হ'লে নিশ্চয় "মাষ্টাৰপিচ" হ'বই। গতিকে প্ৰাণত অফুৰন্ত উৎসাহ, প্ৰেৰণা, মনোবল। এইখিনি মূলধন, পৰিচালকৰ সীমাহীন ধৈৰ্য আৰু পৰিকল্পনা, সমগ্ৰ ইউনিটটোৰ অসীম কষ্ট সহিষ্ণুতা, আদৰ্শ আৰু অধ্যাবসায়ৰ আগত কথাছবি নিৰ্মাণৰ বাবে লগা সা-সৰঞ্জামে যেন নতশিৰে মানুহৰ সৃজনী প্ৰতিভাক প্ৰণিপাত জনাইছে। সেই বাবে কোৱা হয় এইখন কথাছবি নিৰ্মাণৰ প্ৰতিটো ক্ষণ কথাছবি নিৰ্মাণৰ ইতিহাসৰ অবিস্মৰণীয় অংগহৈ পৰিছে। প্ৰতিটো নতুন পদক্ষেপ, নতুন ধৰণৰ প্ৰচেষ্টা, নতুন পৰিচালকৰ নতুন পৰিকল্পনাৰ লগত এটা মাথোন খ্যাতনামা সংযোজন ৰবিশংকৰৰ সংগীত। তথাপি, এই বিখ্যাত সংগীতকাৰৰ প্ৰতিভাৰ মৌলিকত্ব যি দৰে এই কথাছবিত সুস্পষ্ট তেনেদৰে কাহিনীৰ প্ৰয়োজন অনুযায়ী সংগীত উচিত প্ৰয়োগৰ পথ সত্যজিতে ৰচনা কৰি দিছিল। কান্ধত মিঠাইৰ ভাৰখনলৈ এক ছন্দময়ী খোজত আগবাঢ়ি গৈ থকা মিঠাইৱালাৰ পিছে পিছে অপু আৰু দুৰ্গা গৈ থকা দৃশ্যৰ লগত সংযোজন কৰা সংগীতেই তাৰ এক অন্যতম উদাহৰণ।

বৰাল গাঁৱত দৃশ্য গ্ৰহণ কৰিবলৈ আহোতে সত্যজিৎ ৰায়ে গাঁৱৰ বৃদ্ধসকলৰ বিৰূপ প্ৰতিক্ৰিয়াৰ সমুখীন হৈছিল যদিও কেইদিনমানৰ ভিতৰত মানুহবিলাকৰ পৰা সহৃদয়তা পাবলৈ ধৰিলে। চুটিং চাবলৈ অহা তপা মানুহ এজন সত্যজিতে দেখা মনত পৰিছিল। পুখুৰীৰ পাৰত বহি বৰশী বাই থাকোতে বাৰিষাৰ বৰষুণৰ প্ৰথমটো টোপাল তপা মানুহ এজনৰ মূৰত পৰা দৃশ্যটোৰ অভিনয় কৰিবৰ কাৰণে সেইজন মানুহেই ভাল হ'ব। কিন্তু হঠাতে দেখা অনামী মানুহজনক ক'ত বিচাৰি পাব। কাগজ এখনলৈ সত্যজিতে মানুহজনৰ হুবহু ছবি এখন আঁকি গাঁৱৰ আন দুই চাৰিজন মানুহক দেখুৱালে। তেওঁলোকৰ সহায়তে মানুহজনক বিচাৰি পালে আৰু সেই দৃশ্যটোত এইজন মানুহক সফলতাৰে সত্যজিতে অভিনয় কৰালে।

"পথেৰ পাঁচালী"ৰ কেইটামান দৃশ্য গ্ৰহণৰ পিছত মানিকে চুটিং সাময়িক ভাবে বন্ধ কৰিলে। টকা পইছা নোহোৱা হ'ল। টকা যোগাৰ কৰিব লাগে। এনেতে সত্যজিতৰ প্ৰচেষ্টাত মুগ্ধহৈ ৰাণা দত্ত নামৰ এজন প্ৰযোজক আগবাঢ়ি আহি টকা দিলে যাতে কথাছবিখনৰ কিছু কাম আগবঢ়াই দিব পাৰে। এইখিনিৰ পৰা অলপ টকা চুনীবালা দেৱী আৰু শান্তি চট্টোপাধ্যায় নামৰ সহকাৰী এজনক দিয়াৰ পিছত থকা বাকীখিনি চুটিঙৰ কামত খৰচ কৰিলে। কাম আৰম্ভ হ'ল যদিও ৰাণা দত্তৰ ইতিমধ্যে মুক্তি পোৱা কথাছবিয়ে ব্যৱসায়িক দিশত ব্যৰ্থ হোৱাৰ কাৰণে আৰু আশা কৰা টকাৰ বাট মৰিল। বিজয়াই নিজৰ গহনা খিনি বন্ধকত দি ১৩০০ টকা যোগাৰ কৰিলে। পিছত এইখিনি গহনা সত্যজিতৰ পুত্ৰ সন্দীপৰ জন্মদিনত পিন্ধিবৰ কাৰণে অনিল চৌধুৰীয়ে বন্ধকৰ পৰা নিজৰ ভনীয়েকৰ গহনাখিনি দি মোকোলাই আনিছিল। গহনা বন্ধকত ৰাখি চিনেমা কৰিছে বুলি জানিব পাৰিলে শাহুৱেকে দুখ পাব বুলি ভয় কৰি বিজয়াই অনিল চৌধুৰীৰ এই সহায়টো লৈছিল। মাত্ৰ ১৩০০ টকাত কিমান কাম হ'ব ? গতিকে আকৌ কাম বন্ধ হ'ল।

কেইবাজনো প্ৰযোজকৰ ওচৰলৈ সত্যজিতে ইতিমধ্যে দৃশ্য গ্ৰহণ কৰা কথাছবিখনৰ প্ৰায় চাৰিহেজাৰ ফুট দৈৰ্ঘ্যৰ দৃশ্যবোৰ দেখুৱাই চালে। কোনো এজনৰ পৰা সঁহাৰি নাপালে। এনে এক হতাশজনক পৰিস্থিতিত "কফি হাউচৰ" বন্ধুসকল আৰু কীমাৰ ব্যৱস্থাপনাত থকা উচ্চ পদস্থ বিষয়া সকলে মানিকবাবুক পাৰে মানে উদগনি দিছিল। তেওঁলোকৰ বিশ্বাস আছিল যে মানিকে যি কৰিব সি নিশ্চয় অপূৰ্ব আৰু অনন্য হ'ব। চুটিং বন্ধহৈ থকাৰ এবছৰ হ'লহি। কোনো শুভ লক্ষণ নাই। এনেতে হঠাৎ আশাৰ সম্ভেদ আহিল।

মানিক বাবুৰ মাক সুপ্ৰভাই পুতেকৰ এই হতাশা নীৰৱে মন কৰি আছিল। পুত্ৰৰ প্ৰতিভা সম্পৰ্কে তেওঁৰ কোনো সন্দেহ নাছিল। মাথোন টকাৰ অভাবে আশাৰ কঠিয়াতলি ছন পেলাই ৰাখিছিল। তেওঁ জানিব পাৰিলে যে পশ্চিম বংগৰ মুখ্যমন্ত্ৰী ডাঃ বিধান চন্দ্ৰ ৰায়ে উদয় শংকৰক তেওঁৰ কথাছবি "কল্পনা" সম্পূৰ্ণ কৰাত আৰ্থিক সাহায্য দিছিল। সুপ্ৰভা ৰায়ৰ চিনাকি মানুহ এজনৰ লগত মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠতা আছিল। তেওঁৰ যোগেদি কিবা কৰিব পাৰি নেকি তাৰে চেষ্টা চলিল।

মাকৰ কথা পেলাব নোৱাৰি অনিচ্ছা সত্বেও সত্যজিতে বিধান বাবুৰ কাষ চাপিবলৈ ঠিক কৰিলে। তেওঁ ধৰি লৈছিল যে এয়া বৃথা চেষ্টাৰ বাহিৰে আন একো নহয়। কাৰণ, বিধান বাবুৰ চিনেমা সম্পৰ্কে কোনো ধ্যান ধাৰণা নাছিল। দ্বিতীয়তে চৰকাৰৰ এনে এটা শিতান নাছিল যে য'ৰ পৰা কথাছবি নিৰ্মাণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে টকা দিব পাৰে। তথাপি, কথাছবিখন টকাৰ অভাৱত পৰি থকাৰ কাৰণে আৰু তেওঁ নিজেও ধাৰে ঋণে বিধ্বস্তহৈ থকাৰ কাৰণে বিধান বাবুৰ কাষ চাপিল। মানিকৰ পৰা সকলো কথা বিতং ভাবে শুনি ডাঃ ৰায়ে সকলোকে আচৰিত কৰি টকা দিব বুলি প্ৰতিশ্ৰুতি দিলে। দুটা কথাৰ কাৰণে তেওঁ টকা দিয়াৰ সিদ্ধান্ত লৈছিল। প্ৰথমে, সত্যজিৎ ৰায়ৰ বংশ পৰিচয়ে কাম দিলে। উপেন্দ্ৰকিশোৰৰ নাতি আৰু সুকুমাৰৰ পুত্ৰই যি কাম কৰিব সি নিশ্চয় ভাল হ'বই - এই বিশ্বাসৰ বাবে মুখ্যমন্ত্ৰীয়ে দ্বিধাহীনভাবে টকাৰ সমৰ্থনৰ কথা কৈ দিলে। দ্বিতীয়তে, বিধান বাবুৱে সত্যজিত ৰায়ৰ মুখত দেখা পাইছিল অসীম দৃঢ়তা আৰু কণ্ঠস্বৰত পাইছিল অনন্ত আত্মবিশ্বাস।

চৰকাৰৰ অৰ্থ সাহায্য দিয়াৰ সন্দৰ্ভত যাবতীয় ব্যৱস্থা লবলৈ তথ্য আৰু জনসংযোগ বিভাগৰ সচিব প্ৰকাশস্বৰূপ মাথুৰক দায়িত্ব দিয়া হ'ল। সত্যজিৎ ৰায়ৰ ওপৰত বিধান বাবুৰ যি অটল বিশ্বাস আৰু আস্থা আছিল সেয়া মাথুৰৰ নাছিল। তেওঁ ধৰি লৈছিল টকাখিনি পানীত পেলোৱা হ'ব। "পথেৰ পাঁচালী" দুটামান দৃশ্য চাই তেওঁ একেবাৰে সন্তুষ্ট হব পৰা নাছিল। কিন্তু স্বয়ং মুখ্যমন্ত্ৰীৰ আদেশ! তথাপি তেওঁ ভাবিলে টকাখিনি পানীত গ'ল যদিও তাৰ পৰাই এটা চৰকাৰী প্ৰচাৰকাৰ্য কৰাই থোৱা যাওক। সেইবাবে তেওঁ কলে যে এই কথাছবিৰ লগত "গ্ৰো ম'ৰ ফুদ" আৰু "বেক টু ভিলেজ" আদি প্ৰচাৰকাৰ্য জড়িত থাকিব লাগে। সত্যজিৎ অমান্তি হ'ল; লাগিলে কথাছবিখন তেনেকৈয়ে পৰি থাকক। নিৰুপায় হৈ তেওঁ আকৌ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰি মাথুৰৰ প্ৰস্তাৱ তেওঁ মানি লব নোৱাৰে বুলি কলে। মুখ্যমন্ত্ৰীয়ে তেওঁক নিজৰ মতে কথাছবিখন নিৰ্মাণ কৰি যাবলৈ ক'লে। পশ্চিম বংগ চৰকাৰে মূলতঃ কথাছবিখন প্ৰযোজনা কৰাৰ কাৰণে এই কথাছবিখনে বিদেশত অৰ্জা ধন চৰকাৰে পালে আৰু সেইবাবে সত্যজিৎ ৰায়ে কৈছিল— কথাছবিখনৰ পৰা তেওঁলোকে (চৰকাৰে) পালে দেধাৰ টকা পইছা আৰু মই পালো খ্যাতি।

চৰকাৰী ৰঙা ফিটাৰ মেৰপাকত পৰি প্ৰতিশ্ৰুতি দিয়া মতে অৰ্থ সাহায্য সময়মতে আহি সত্যজিতৰ হাতত নপৰিল। বাৰিষাৰ সময়ত লব লগীয়া চুটিংবোৰ এনে কাৰণতে বাদ পৰিল। অক্টোবৰ মাহত যেতিয়া চৰকাৰী টকা আহিল তেতিয়া বৰষুণ নাইকিয়া হ'ল। বৰষুণৰ আশাত নিতৌ দৃশ্য গ্ৰহণৰ বাবে সত্যজিতে ইউনিটৰ সদস্যসকলকলৈ ওলায় যায় আৰু বিফল মনোৰথহৈ সন্ধিয়া পৰত উলটি আহে। এইদৰে বহুত দিন যোৱাৰ পিছতহে বৰষুণৰ মুখ দেখা পাইছিল। * (ক্ৰমশঃ)

# অসমত কুৰিটা বছৰ

নিৰ্মলা খৰ্কৱাল

লামডিং আৰু বদৰপুৰৰ মাজৰ ৰেলৱেৰ পাৰ্বত্য শাখাটোৰ এটা নিজস্ব মোহিনী শক্তি আছে। ৰেলগাড়ীখন পাহাৰৰ সুৰঙ্গবোৰৰ মাজেদি গৈ থকাটোও অন্য এক অভিজ্ঞতা। হঠাতে কেইমুহূৰ্তমানৰ কাৰণে গোটেইখন অন্ধকাৰ হৈ যায় আৰু ৰেলগাড়ীখন সুৰঙ্গৰ পৰা ওলোৱাৰ পিছত দেখো কম্পাৰ্টমেন্টটো ধোঁৱাৰে ধুঁৱলি-কুঁৱলি; কাৰণ, তেতিয়াৰ দিনত ইঞ্জিনবোৰত ইন্ধন হিচাপে কয়লা ব্যৱহাৰ কৰা হৈছিল। অভিজ্ঞতাটো বৰ অস্বস্তিকৰ আছিল। গোটেইখনতে ধোঁৱা আৰু কয়লাৰ গুড়ি; আনকি চকুতো সোমাই বৰ আমনি দিছিল। মোৰ নিজকে তেতিয়া চিমনী চাফা কৰা মানুহ যেন লাগি গৈছিল। কিন্তু সুৰঙ্গৰ মাজেদি যাওঁতে খোৱা সেই ধোঁৱাতকৈ আজিকালি ডাঙৰ ডাঙৰ নগৰ-চহৰবোৰত যি প্ৰদূষণ হবলৈ ধৰিছে, সি বহুত বেছি সাংঘাতিক। এতিয়া নাইনিতালৰ পৰা দিল্লীলৈ মটৰ গাড়ীৰে আহিলে চকুবোৰ পুৰিবলৈ ধৰে আৰু ৰাজধানী আহি পাওঁতে নৌ পাওঁতেই গাটো কিবাকিবিখন লাগিবলৈ ধৰে।

হাফলঙত থাকোতে আমি মাখন, বিস্কুট টিনত ভৰোৱা খোৱাবস্তুকে ধৰি আমাক লগা বিবিধ বস্তু কিনিবলৈ শিলচৰলৈ যাব লগীয়া হৈছিল। শিলচৰেই আছিল আটাইতকৈ ওচৰৰ ডাঙৰ চহৰ। তাৰ দোকানবোৰ বস্তুৰে ঠাঁহ খাই আছিল। বস্তুবোৰৰ দাম অৱশ্যে বেছি আছিল, কিন্তু মাজে-সময়ে খৰচ কৰিও ভাল লাগে দেখোন! পিছে সেই কালত আমি বিলাসৰ সামগ্ৰী বুলি ভবা ভালেমান বস্তু আজিকালি আমাৰ নহ'লে নচলা হৈ পৰিছে।

অসমত বাৰিষা বতৰ বেছ সোনকালে আৰম্ভ হয়। কেতিয়াবা মাৰ্চ-এপ্ৰিল মাহতেই ধুমুহা বতাহেৰে সৈতে বৰষুণ আৰম্ভ হৈ যায়। উত্তৰ ভাৰতৰ শুকান জহকালিৰ বতৰটো অসমৰ কতো দেখিবলৈ নাই। নানা-বৰণীয়া ফুলেৰে গছবোৰ ৰমকজমক হৈ পৰে। ধাৰাষাৰ বৰষুণৰ দিনবোৰ অন্ত হোৱাৰ পিছত ফৰকাল বতৰত ঘন-নীল আকাশৰ শোভাই মনবোৰো নিকা কৰি এক গভীৰ প্ৰশান্তিৰে ভৰাই পেলায়। তাৰ পিছত প্ৰকৃতিক বিচিত্ৰ সম্ভাৰেৰে ওপচাই দিয়েহি ঋতুৰাজ বসন্তই। ধুনীয়া কপৌফুলবোৰো তেতিয়াই ফুলে-চেনায়ে চেনেহীক যাচিবলৈ বুলি।

এপ্ৰিল মাহটোক টি এছ ইলিয়টে যদিও নিষ্ঠুৰতম মাহ বুলি কৈছিল, মোৰ মনলৈ কিন্তু এপ্ৰিল মাহটোৱে অতীতৰ বহুতো মধুৰ স্মৃতিহে কঢ়িয়াই আনে। বছৰেকীয়া পৰীক্ষাবোৰ হৈ যোৱাৰ কাৰণে তেতিয়া আমাৰ হাতত থাকে প্ৰচুৰ আজৰি সময়; আনন্দ উপভোগৰ বাবে অফুৰন্ত অৱসৰ। ৰ'দ-জিলমিল ৰাতিপুৱা এটাত হয়তো হঠাতে দেখিম—গছৰ শুকান ডাল এটাত নতুনকৈ এটি কুঁহিপাত ওলাইছে, ক'ৰবাত ফুলকলি এটাৰ পাহি আধা মেল খাইছে। এপ্ৰিকট, পীচ আৰু চেৰী ফুলবোৰে ফুলি উঠি চৌদিশ মোহনীয় কৰি তুলিছে আৰু কেউপিনে এটা কোমল বোল বিয়পাই দিছে। বতাহত চেঁচা ভাবটো তেতিয়াও থাকে, কিন্তু হাড় কঁপোৱা জাৰটো হ'লে নাথাকে। আমাৰ গাৰ পৰা পিঁয়াজৰ বাকলিৰ দৰে তৰপে তৰপে উলৰ গৰম কাপোৰবোৰো খহিবলৈ ধৰে। আমাৰ মনবোৰ আনন্দেৰে ভৰি পৰে। সেই একেই আনন্দ মই অনুভৱ কৰো ইয়াত বিহুৰ সময়ত। পটভূমি একেবাৰে বেলেগ হ'লেও প্ৰকৃতিৰ সৌন্দৰ্য আৰু মনৰ অনুভূতিবোৰ দুয়ো ক্ষেত্ৰতে সমপৰ্যায়ৰ। আৰু যিবোৰ বস্তুৰ সৈতে আমি সাঙোৰ খাই থাকো, সেইবোৰো একেই। কেৱল মোৰ জন্মস্থানত ইয়াৰ দৰে ইমান উলহ-মালহ আৰু আনন্দ-উৎসৱৰ পয়োভৰ নাই। বসন্তৰ আগমনত আমি ইমান ধুমধামেৰে সৈতে উৎসৱ উদ্‌যাপন নকৰো। একান্ত ব্যক্তিগতভাবে শান্ত আৰু ধীৰ পৰিবেশত আমি কিছুমান ধৰ্মীয় আচাৰ অনুষ্ঠান পালন কৰো। সেই দিনাখন আমি খাবৰ বাবে আন দিনাতকৈ এপদ বা খুব বেছি দুপদ বস্তু বেছিকৈ ৰন্ধা হয়। সৰু সৰু ছোৱালীবোৰে থালত ফুল আৰু চাউল লৈ ঘৰৰ দুৱাৰ মুখত ছটিয়াই দি গোটেই বছৰটোৰ বাবে সৌভাগ্য আৰু সমৃদ্ধি কামনা কৰেহি। বয়সিয়াল মানুহখিনিয়ে তেওঁলোকক আশীৰ্বাদ দি মৰম-চেনেহ আৰু আশীৰ্বাদৰ চিনস্বৰূপে পইচাও দিয়ে।

অসমীয়া তিৰোতাসকলে পিন্ধা মুগা আৰু পাট কাপোৰবোৰ তেওঁলোকৰ নিমজ গাৰ বৰণৰ সৈতে বৰ ধুনীয়াকৈ মিলি যায়। অসমৰ বৰ্ণাঢ্য প্ৰাকৃতিক পৰিবেশৰ বাবেই বোধকৰো এওঁলোকে বগা, মাখন বৰণীয়া আৰু মুগা বৰণীয়া সাজ পাৰ পিন্ধিবলৈ বেছি ভাল পায়। ইপিনে গুজৰাট আৰু ৰাজস্থানত—য'ৰ প্ৰাকৃতিক পৰিবেশত মটীয়া ৰঙৰে বেছি প্ৰাদুৰ্ভাৱ, তাৰ তিৰোতাসকলে বৰ ৰংচঙীয়া কাপোৰ-কানি পিন্ধে। আমাৰ ৰীতি-নীতি, সাজ-পোছাক, খাদ্যাভ্যাস আদি সকলোবোৰ কথা-কামেই আমাৰ পূৰ্ব-পুৰুষসকলে নিজৰ বাসভূমিখনৰ প্ৰাকৃতিক পৰিবেশ আৰু জলবায়ুৰ সৈতে খাপ খোৱাকৈ উদ্ভাৱন কৰি থৈ গৈছে। আমি এতিয়া আমাৰ নতুন শিক্ষা-পদ্ধতি আৰু আধুনিক যন্ত্ৰ-পাতিৰ সহায়ত বুদ্ধি-বৃত্তিৰ পিনৰ পৰা আমাৰ পূৰ্বপুৰুষসকলতকৈ বেছি আগবঢ়া হব পাৰো; কিন্তু আমি স্বীকাৰ কৰিবই লাগিব যে এইবোৰ কথাত তেওঁলোক আমাতকৈ বেছি জ্ঞানী আছিল। মোৰ মনত আছে—পঞ্চাছৰ দশকত মই যেতিয়া নাইনিতালত দশম শ্ৰেণীত পঢ়ি আছিলো, তেতিয়া স্কুললৈ যোৱাৰ আগতে মই মোৰ আইতাক 'আজি বৰষুণ দিব নে নাই' বুলি সুধিছিলো (কাৰণ, প্ৰয়োজন নহ'লে মোৰ গধুৰ ৰেইন কোট আৰু ছাতিটো স্কুললৈ নিবৰ মন নাছিল) আৰু আইতাই বতাহ কোন পিনৰ পৰা বলিছে, দক্ষিণৰ পৰা নে উত্তৰৰ পৰা—তাক চাই মোক ঠিক উত্তৰটো দি দিব পাৰিছিল।

ইয়াত মোৰ বন্ধুবোৰে মোক উপহাৰ দিয়া ফুলাম গামোচাবোৰেও অতীতৰ ভালেমান স্মৃতি বহণ কৰি আছে। তেওঁলোকৰ গভীৰ স্নেহৰ চিনস্বৰূপ এই গামোচাবোৰ একো সময়ত বৰ কামতো আহে। গামোচাবোৰ ধুবলৈ আৰু শুকোৱাবলৈও বৰ সহজ।

১৯৬৪ চনত এবেলি ভূপেন হাজৰিকাৰ ফিল্ম এখনৰ শ্বুটিং চলি থাকোতে মই জয়ন্ত হাজৰিকা, ইভা আচাও আৰু বিষ্ণু ৰাভাক দেখা পাইছিলো। তেতিয়া মই গুৱাহাটী ডাক বঙলাত আছিলো (এতিয়া সেইটো পৰ্যটক নিবাস হ'ল) আৰু মোৰ প্ৰথম সন্তানটি জন্ম হবলগীয়া হৈ আছিল। মোৰ মাৰ সৈতে মই সদায় দীঘলী পুখুৰীৰ চাৰিওফালে এপাক খোজকাঢ়ি ফুৰি আহিছিলোগৈ। তেতিয়া তাৰ পৰিবেশ ইমান শান্তিপূৰ্ণ আছিল যে এতিয়া ভাবিলে সেয়া এক সপোন আছিল যেনহে লাগে। এতিয়াও প্ৰকাণ্ড প্ৰকাণ্ড ট্ৰাক আৰু বাছবোৰে ধোঁৱা উলিয়াই উলিয়াই যেতিয়া আপোনাৰ পিনে আহি থাকে, তেতিয়া এনে লাগিব যেন কিছুমান যমদূতহে আহি আছে। মই এতিয়াও দীঘলী পুখুৰীৰ চাৰিওপিনে খোজকাঢ়ি ফুৰিবলৈ যাওঁ; কিন্তু ফুৰি মনত হ'লে অকণো শান্তি নাপাওঁ। মনটো ফৰকাল নালাগে আগৰ দৰে; শাৰীৰিক ব্যায়াম অলপ নিশ্চয় হয়। মোৰ বোধেৰে গুৱাহাটীৰ আটাইতকৈ ভাল অংশ এইটোৱেই যদিহে আটাইতকৈ ভাল অংশ বুলিবলৈ গুৱাহাটীৰ কিবা আছে।

সেই সময়ত গুৱাহাটীত যথেষ্ট সংগীতানুষ্ঠান পতা হৈছিল। অসমৰ বিহু নাচ প্ৰথমবাৰ দেখিয়েই মই বৰ ভাল পাই পেলাইছিলো। কিয় যে মই নিজে বিহু নাচ নাচিবলৈ নিশিকিলো, সেইটোহে ক'ব নোৱাৰো। এবাৰ মুকলি পথাৰত বৰ ডাঙৰকৈ 'মুকলি বিহু'ৰ আয়োজন কৰা হৈছিল। সেই বেলিয়েই মই প্ৰথম পাৰ্‌বীন চুলতানাৰ গান শুনিবলৈ পাইছিলো। তেওঁ তেতিয়া আছিল পাট-গাভৰু। তাৰ পিছত অৱশ্যে নগাঁৱত বহুতবাৰ তেওঁৰ গান শুনাৰ সুযোগ মই পাইছিলো। এগৰাকী নিপুণ গায়িকা হিচাপে ইতিমধ্যে বিখ্যাত হৈ পৰা এই গৰাকী গায়িকা আজিও মোৰ প্ৰিয় গায়ক-গায়িকাসকলৰ এগৰাকী হৈ আছে।

অতীতৰ দিনবোৰ সুঁৱৰি, তেতিয়াৰ স্ফূৰ্তি-তামাচা আৰু আনন্দপূৰ্ণ অভিজ্ঞতাবোৰৰ কথা মনলৈ আহে। সেউজীয়া হাবি-বন আৰু পথাৰ-সমাৰৰ মাজেদি মটৰেৰে বহুদূৰ বাট অহাযোৱা কৰাৰ কথা, আৰু জাৰকালি আহি পালে পিক্‌নিকৰ পিছত পিক্‌নিকলৈ যোৱাৰ কথা। তেজপুৰৰ ওচৰৰ পোতাশালিলৈ 'বালিভাত' খাবলৈ আৰু মাছ ধৰিবলৈ বহুত মানুহ গৈছিল। ঠাইখন জীয়া ভৰলীৰ পাৰতে। জাৰকালিটোলৈ আমি বৰ আগ্ৰহেৰে বাট চাইছিলো। গাত পাতল উলৰ কাপোৰ এখন লৈ তেতিয়া য'লৈকে ত'লৈকে যাব পাৰি। আমাৰ পিনে জাৰ গুচাবলৈ উলৰ গধুৰ কাপোৰ-কানিবোৰ পিন্ধোতে পিন্ধোতে কান্ধত যিটোহে হেঁচা পৰে! জাৰকালি ফুলৰ বাগিচাবোৰো বিবিধ ফুলেৰে জাতিষ্কাৰ হৈ উঠে। অসমত মই বহু বিধ বিদেশী ফুলগছো প্ৰথমবাৰৰ কাৰণে দেখা পালো; যেনে—লেভেণ্ডাৰ, উড ৰ'জ -----

তেতিয়া মানুহে আজিৰ তুলনাত যথেষ্ট কম খৰচতে আৰামত জীৱনটো কটাব পাৰিছিল। আজিকালি বস্তুৰ দামো বাঢ়িল আৰু মানুহৰ লোভ আৰু কিনা-কটাৰো অন্ত নাইকিয়া হ'ল। যিমানেই বেছি খৰচ কৰো, সিমানেই বেছিকৈ আমাক লগা হয় দেখোন।

চাহ বাগিচাবোৰৰ মালিক আৰু কৰ্মকৰ্তাসকলৰ জীৱন-যাত্ৰা আছিল সুকীয়া ধৰণৰ। তেওঁলোকে বেছ বিলাস-বহুল জীৱন কটাইছিল আৰু তেওঁলোকৰ আতিথেয়তাও আছিল বৰ আড়ম্বৰপূৰ্ণ। মানুহখিনি বৰ ভদ্ৰ আৰু অমায়িক বুলি ক'বই লাগিব। তেজপুৰৰ 'ষ্টেছন ক্লাব'টো আছিল আমোদ-প্ৰমোদৰ এটা প্ৰাণ-চঞ্চল কেন্দ্ৰ। বিবিধ উপলক্ষ্যত তাত মানুহৰ সমাগম হৈয়েই থাকে। এই মানুহবোৰ বিভিন্ন কৰ্মক্ষেত্ৰৰ পৰা অহা। কোনোবোৰ যদি ৰাজ্য-চৰকাৰৰ বিষয়া, কোনোবোৰ আকৌ সেনাবাহিনীৰ বা বিমান বাহিনীৰ অথবা চি আৰ পি এফ-অৰ অফিচাৰ। চাহ বাগিচাৰ মালিকসকলতো আছেই। তেওঁলোকৰ ভিতৰত কেইজনমান ভাল টেনিছ খেলুৱৈ আছিল। দেওবাৰে দেওবাৰে ঠাকুৰবাৰী ক্লাবত বাগানৰ চাহাববিলাকে গল্‌ফ খেলিছিল। তাৰ লগতে চাহ-মেলৰো আয়োজন হৈছিল।

বিভিন্নজনৰ বিদায় আৰু আদৰণি উপলক্ষ্যে প্ৰায়েই হৈ থকা চাহ-মেল আৰু ভোজ-মেলবোৰত ক'ত ধৰণৰ যে কাহিনী আমি শুনিবলৈ নাপাইছিলো! জীৱনৰ সঁচা ঘটনাৰ পৰা আৰম্ভ কৰি অলৌকিক ঘটনালৈকে—ক'ত বিচিত্ৰ সৰু-বৰ কাহিনী! তাত থাকোতে ডাঙৰ ডাঙৰ অজগৰ আৰু ফেটী সাপ মানুহে ধৰা দেখিছিলো। এবাৰ আমাৰ বঙলাতে এটা ডাঙৰ অজগৰ সাপ ধৰি লগে লগে বিক্ৰী কৰি দিয়া হৈছিল—একেবাৰে নামমাত্ৰ দামত। ভদ্ৰমহিলাসকল তেতিয়া নিজৰ নিজৰ স্বামীৰ লগত হাতীৰ পিঠিত উঠি চিকাৰলৈ গৈছিল। চাহ বাগানৰ মালিকসকলৰ বঙলাবোৰত ডাঙৰ ডাঙৰ হাতী দাঁত সজাই থোৱাটো আৰু হাতীৰ ভৰিৰ মূঢ়া থকাটো সাধাৰণ কথা আছিল। এতিয়া যেনিবা হাতী দাঁতৰ কিনা-বেচা নিষিদ্ধ কৰাৰ ফলত বেচেৰা জন্তুটো মানুহৰ আক্ৰমণৰ পৰা ৰক্ষা পৰিছে। আজি-কালি চিকাৰলৈ কোনো নাযায় আৰু মানুহৰ মনবোৰো সলনি হৈছে। এতিয়া অৰণ্যবোৰ সন্ত্ৰাসবাদীৰ গোপন ঘাটিত পৰিণত হৈছে। সকলো সময়তে এটা ভয়ৰ ভাবে মানুহৰ মনবোৰক আমনি কৰি থাকে। তাহানিৰ দিনবোৰ সপোন সপোন যেন লগা হৈছে। এছাটি বতাহৰ দৰে সেই দিনবোৰ আহিল আৰু গ'লগৈ; লগতে শুকান ডাল-পাতৰ দৰে তাৰ স্মৃতিবোৰো উৰুৱাই নিলে। পৰি থাকিল কেৱল এনেকুৱা দুই এটি স্মৃতি।

এজন বন্ধুৰ ঘৰত এবাৰ মোৰ এটা গজ মুকুতা দেখাৰ সৌভাগ্য ঘটিছিল। ইও এটা মুকুতাই, কেৱল মুকুতাৰ চিক্‌মিকনিটো ইয়াত নাই। আচলতে, ই হাতীৰ কপালৰ ভিতৰত থকা হাড় এডালৰ পৰা আগবাঢ়ি ওলাই অহা এটা সৰু বস্তু—যিটো হেনো ঘামৰ টোপালবোৰৰ সৃষ্টি হোৱাৰ এবিধ পদাৰ্থৰে গঠিত। ই বোলে বৰ বিৰল বস্তু আৰু সকলো হাতীৰে কপালত নাথাকে। সেই কাৰণেই সংস্কৃতত এফাকি বচন আছে ঃ

শৈলে শৈলে ন মাণিক্যম্, মৌক্তিকং ন গজে গজে।

সাধৱো নহি সৰ্ব্বত্ৰ, চন্দনং ন ৱনে ৱনে।

[প্ৰতিটো পৰ্বততে মাণিক নাথাকে, প্ৰতিখন অৰণ্যত নাথাকে চন্দন; প্ৰতিটো হাতীৰে মুকুতা নাথাকে আৰু প্ৰতিখন ঠাইতে সাধুও নাথাকে।]

আৰু এটা চিকাৰৰে ঘটনা মোৰ মনত পৰিছে। এজন বন্ধুৱে এটা ডাঙৰ বৰা গাহৰি চিকাৰ কৰি আনিলে। জন্তুটো আনি যেতিয়া বাৰান্দাত পেলালেহি, মই তাৰ আকাৰ দেখি স্তম্ভিত হ'লো। মস্ত ডাঙৰ নাকটো আৰু বাহিৰলৈ ওলাই থকা দাঁত দুটাৰে সৈতে তাক মোৰ দৈত্য এটা যেন লাগি গৈছিল। বৰা গাহৰিটোৰ মঙহ আটাইবোৰে বৰ তৃপ্তিৰে খালে। চিকাৰী বন্ধুৰ গৃহিণীগৰাকীয়েই স্বাভাৱিকতে মঙহৰ আটাইতকৈ ডাঙৰ ভাগটো ৰাখিলে। তেওঁ মঙহখিনি তেওঁৰ দুটা প্ৰকাণ্ড ৰেফ্ৰিজাৰেটৰৰ থাকে থাকে ভৰাই থলে। সেই মঙহেৰে দুদিন দুৰাতি ভোজ-ভাত খোৱাৰ পিছত তেওঁলোকৰ গোটেই ঘৰটো 'প'ৰ্ক প'ৰ্ক' গোন্ধাবলৈ ধৰিলে। উপায় নাপাই ঘৰৰ গৃহস্থই বাকী মঙহখিনি পেলাই দিবলৈকে কবলগীয়া হ'ল। কাৰণ খোৱাতো দূৰৰ কথা, মঙহখিনি দেখিলেও সকলোৰে ওকট-পাকট লগা হ'ল।

এবাৰ বনভোজ খাবলৈ আমি গৰমপানীলৈ গৈছিলো। কেইজনমান বন্ধু-বান্ধৱী মোৰ স্বামী আৰু মই। তেতিয়া ডিচেম্বৰ মাহ জাৰ বেছকৈয়ে পৰিছিল। গাত কম্বল মেৰিয়াই লৈ আমি মহিলা কেইগৰাকী দেখিবলৈ মেৰু প্ৰদেশৰ ভালুক যেন হৈ পৰিছিলো। পুৰুষ কেইজনে চিকাৰ কৰিবলৈ গৈ এটা হৰিণা পহু মাৰিছিল। হৰিণাটোৱে চিঞৰি আছিল আৰু শেষ নিশ্বাস ত্যাগ কৰাৰ আগতে তাৰ দুচকুৱেদি দুধাৰি চকুলো বৈ আহিছিল। দৃশ্যটো ইমান কৰুণ আছিল যে মোৰ মনটো বিষাদেৰে ভৰি পৰিছিল। মই কেৱল ভাবিছিলো, কিয় বাৰু আমি প্ৰকৃতিৰ এনে সুন্দৰ দানবোৰক নাশ কৰিব লাগে! এতিয়া অৱশ্যে প্ৰায় সকলোৱেই তেনেকৈ ভবা হৈছে। পৃথিৱীৰ গছ-বন আৰু জীৱ-জন্তুবোৰৰ সংৰক্ষণৰ বাবে বেছ তৎপৰতা সৰ্বত্ৰ দেখা গৈছে। এই সন্দৰ্ভতে মোৰ মনত পৰিছে এবাৰ গোৱালৈ ফুৰিবলৈ যাওঁতে লিখা এই কবিতাটো ঃ

Priceless gifts which nature has bestowed
with loving care,
Have you seen a flower bloom, or,
A vibrant coloured bird catch the first
worm ?
Seen the rays of the sun piercing through
dense forests,
The pleasure of a child on chasing a
butterfly,
The dew drops on large lotus leaves,
The swamp deers gliding past the fields,
The meadows full of tiny little flowers,
The slanting rain lashing against the
window panes,
The arch rainbow filling your life with
colours,
The lush green fields with their magic
charm,
The gliding rivers with their milky foam,
The rocky mountains that becon you to
their height,
The tall bamboo groves swaying in the
breeze,
The first shower of rain giving an aroma
of mother earth,
The setting sun with the vermillion sky ?
These are there all to cherish.

ছিলঙলৈ যাবলৈ পালে আমি বৰ ভাল পাইছিলো। তেতিয়া ছিলং আছিল অবিভক্ত অসমৰ ৰাজধানী। ছিলঙলৈ যোৱাৰ আয়োজনটো বেছ ডাঙৰেই হৈছিল। গৰম কাপোৰ-কানিবোৰ ভালদৰে ৰ'দাই জাপি-জুপি

থৈ অন্যান্য কাপোৰ-কানিবোৰ ধুই-পখালি ইস্ত্ৰী কৰি লৈছিলো। ট্ৰেইলাৰৰ সৈতে জীপ্ গাড়ী এখন আমি যাবৰ বাবে ব্যৱহাৰ কৰিছিলো। আমাৰ ছুটকেছ আৰু ডাঙৰ ডাঙৰ 'বেড্ ৰ'ল'বোৰ ট্ৰেইলাৰত দম কৰি তুলি দিছিলো। ছিলং যাত্ৰাৰ কথা কবলৈ যাওঁতে মোৰ মনত পৰিছে তাহানি প্ৰতি বছৰে নাইনিতালৰ পৰা এলাহাবাদলৈ আমি কৰা শীতকালীন যাত্ৰাৰ কথা। জাৰৰ বন্ধৰ দুটা মাহ আমি এলাহাবাদত কটাইছিলো। বস্তু-বাহানি, বিছনা-পত্ৰ আদি বন্ধা-ছটাৰ কামটো মৱেই কৰিছিলো। এবাৰ মই মোৰ মাৰ, ভাইটিৰ, ভনীটিৰ আৰু মোৰ–চাৰিওৰে বিছনা-পত্ৰ একেলগে বান্ধি এটা মস্ত ডাঙৰ 'বেডিং ৰ'ল সাজু কৰিছিলো। যেতিয়া ৰেলগাড়ী আহি প্লেটফৰ্মত ৰ'লহি, মুটীয়াবিলাকে সেইটো দাঙি নি কম্পাৰ্টমেন্টৰ ঠেক দুৱাৰেদি ঠেলি–হেঁচি সুমুৱাবলৈ বৰ কষ্ট কৰিবলগীয়া হৈছিল। শেহত যেনিবা সেইটো ভিতৰ সোমালে, কিন্তু ঘটনাটোৰ বাবে মই কি যে অস্বস্তি অনুভৱ কৰিছিলো, সেইটো পাঠকে নিশ্চয় অনুমান কৰিব পাৰিছে। আটাইবিলাক যাত্ৰীয়ে আচৰিত ধৰণেৰে আমাৰ পিনে চাই আছিল। মুঠতে, মই সেই 'বে'ড্ ৰ'লটোৰ ওপৰতে বহি গোটেই ৰাতিটো কটাই দিছিলো আৰু পিছদিনা পুৱা এলাহাবাদ পাইছিলোহি।

আমাৰ কাৰণে ছিলং এখন বৰ আকৰ্ষণীয় ঠাই আছিল। পাৰ্টিৰ পিছত পাৰ্টি, বন্ধু-বান্ধৱৰ সৈতে দেখা-সাক্ষাৎ, কেউপিনে সেউজীয়া আৰু সেউজীয়া গছবন। চহৰখন চাফ-চিকুণ, মানুহবোৰো ভাল ভাল কাপোৰ-কানি পিন্ধি ফিট্‌ফাট। এতিয়াহে ছিলংখন লেতেৰা হ'ল। আমি বৰা বাজাৰলৈ গৈছিলো ফলমূল আৰু শাক-পাচলি কিনিবলৈ–উভতি আহোতে ঘৰলৈ লৈ আহিবৰ বাবে। আৰু ছিলঙলৈ গ'লে 'চাইনিজ ফুড্' তো কিনিবই লাগিব, তেহেলৈ খাবৰ বাবে সময় হাতত থাককেই বা নাথাকক! আমি পিছে সেইবোৰ পেক্ কৰি লৈ বিদ্যুৎ ব'ৰ্ডৰ ধুনীয়া বঙলা এটাত বহি খাইছিলোগৈ আৰু তেনেকৈ খাই বৰ তৃপ্তিও পাইছিলো। মাজে সময়ে বৰাপানীত মাছ কিনাটোও আমাৰ কৰ্মসূচীৰ অন্তৰ্গত আছিল। ছিলং সঁচাকৈয়ে উত্তৰ-পূব ভাৰতৰ এখনি অতি ধুনীয়া পাৰ্বত্য চহৰ আছিল। তাৰ মানুহ-দুনুহ, ঘৰ-বাৰী, বজাৰ-সকলোতে এক কৌলীন্যৰ ছাপ দেখিবলৈ পাইছিলো। তাত বাছৰ চলাচল নিয়মিত আছিল আৰু টেক্সীও লাগ বুলিলেই পোৱা গৈছিল। সেউজীয়া গছ-গছনিৰে পৰিবেষ্টিত ৰ'ডি লে'কলৈ মই ছিলঙলৈ গ'লেই নোযোৱাকৈ থাকিব নোৱাৰিছিলো। তাৰ সোণালী মাছবোৰক খাবলৈ দি, সিহঁতৰ ধেমালি চাই মোৰ বৰ ভাল লাগিছিল। পাৰ হৈ যোৱা দিনবোৰৰ কথা সুঁৱৰি এতিয়াও মই আৱেগত অভিভূত হওঁ। *(আগলৈ)*

# গুৱাহাটী দূৰদৰ্শন

সঞ্জয় বৰুৱা

*সাংস্কৃতিকী নতুন শিতান। এই শিতানত কেৱল দূৰদৰ্শন কেন্দ্ৰৰ গুৱাহাটীৰ কাৰ্যসূচীৰ আলোচনাহে থাকিব এনে নহয়, আকাশবাণীৰো মাজে মাজে প্ৰচাৰ হোৱা বাছকবনীয়া কাৰ্যসূচী আৰু ৰাজহুৱা মঞ্চত অনুষ্ঠিত মনোজ্ঞ সাংস্কৃতিক অনুষ্ঠান সমূহৰ বাতৰিও দিবলৈ চেষ্টা কৰা হ'ব। ইয়াৰ বাবে কলাপ্ৰেমীসকলৰ সহযোগিতা নিতান্তই প্ৰয়োজন হ'ব। বিশেষকৈ গুৱাহাটী দূৰদৰ্শনৰ নিজা কাৰ্যসূচীৰ বিষয়ে বিভিন্ন মতামত, পৰামৰ্শ আদিয়ে এই শিতানত সমাদৰ পাব। কিন্তু লেখাবোৰ কোনো অৱস্থাতে আক্ৰোশমূলক নহৈ সজ পৰামৰ্শমূলক হোৱা উচিত হ'ব, যাতে জনসাধাৰণ আৰু দূৰদৰ্শনৰ মাজত এটা সুস্থ 'ফিড্-বেক্' তৈয়াৰ কৰাৰ বাবে এটা অনুকূল পৰিবেশ গঢ়ি উঠে। দূৰদৰ্শনৰ প্ৰতি আমাৰো এক দায়বদ্ধতা আছে।*

কুৰি শতিকাৰ আটাইতকৈ জনপ্ৰিয় আৰু গুৰুত্বপূৰ্ণ জনসংযোগৰ মাধ্যম হিচাপে দূৰদৰ্শনৰ প্ৰযুক্তিয়ে, বৰ্তমান শীৰ্ষস্থান অধিকাৰ কৰিছে। ভাৰতৰ অন্যান্য ৰাজ্য সমূহৰ লগতে অসমতো দূৰদৰ্শনৰ কেন্দ্ৰ আৰু প্ৰচাৰৰ শুভাৰম্ভ হ'ল ১৯৮৫ চনত। সেই দিনাই গুৱাহাটীত অসমৰ প্ৰথম দূৰদৰ্শন কেন্দ্ৰটো আনুষ্ঠানিক ভাবে মুকলি হোৱাৰ লগে লগে অসমৰ ৰাইজো (অৱশ্যে একাংশই) পৃথিৱীৰ সকলো দৈনন্দিন ঘটনা প্ৰবাহ তথা সংস্কৃতিৰ সোৱাদ সচক্ষে নিজ ঘৰতে বুজ ল'ব পৰা সৌভাগ্যৰো অধিকাৰী হ'ল।

বৰ্তমানত এই দূৰদৰ্শনৰ অনুষ্ঠানবোৰক ৰাইজে সংক্ষেপে টিভি-ৰ প্ৰোগ্ৰেম বুলি কয়। এতিয়া টিভি টোনো কি কাকো চিনাকি কৰি দিব নালাগে। প্ৰথমতে ক'লা-বগা ছবিৰ তাৰ পিছত এতিয়া ৰঙীন টিভি লগতে বহুতৰে আকৌ ভিচিপি, ভিচিআৰ, ইয়াৰ কেছেট ইত্যাদিও দৈনন্দিন জীৱনৰ নিত্যপ্ৰয়োজনীয় সামগ্ৰীৰ লগৰেই হৈ পৰিছে।

কিছু বছৰৰ পূৰ্বে যিকোনো সাংস্কৃতিক গোষ্ঠীয়ে যদি চহৰৰ প্ৰেক্ষাগৃহত কোনো নাটক বা সংগীত সন্ধিয়াৰ আয়োজন কৰিব খোজে, তেতিয়া সাধাৰণতে দুদিনীয়া বা তিনিদিনীয়াকৈ পাতিলে সৰহভাগেই শুক্ৰ, শনি আৰু দেওবাৰটো বাছি লয়। কিন্তু আজিকালি সংগঠন সমূহে শনি দেওবাৰে নাটক-ফাংচন ইত্যাদি পাতিবলৈ নিবিচাৰে। কাৰণ দেওবাৰ বা শনিবাৰে টিভিৰ চিনেমা থাকে। দৰ্শক নহ'ব। টিভিৰ প্ৰোগ্ৰেমৰ ওপৰতহে সৰ্বসাধাৰণৰ প্ৰোগ্ৰেম এড্‌জাষ্ট কৰিব লগীয়া অৱস্থা হৈছে। এতিয়া আকৌ একেবাৰে নতুনকৈ কেবোল (Cable) টিভি এটাও ওলাইছে। ৰাতিপুৱাৰ পৰা দোভাগ ৰাতিলৈকে এই টিভি যন্ত্ৰটোৰ আগত বহি, পৃথিৱীখনৰ সামাজিক, ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক সকলো ঘটনাৰে লগত পৰিচিত হ'ব পৰাৰ ব্যৱস্থা হৈছে।

এই দূৰদৰ্শনৰ প্ৰচাৰিত অনুষ্ঠান সমূহৰ লগত ৰাইজৰ ইমান প্ৰত্যক্ষ আৰু ওচৰ সম্বন্ধ গঢ়ি উঠে যে, ই এখন সমাজৰ বা এটা জাতিৰ উত্তৰণ বা পতনৰো বাহক হৈ পৰে। সেইবাবে এই মাধ্যমৰ লগত যি সকলে কাম কৰে তেওঁলোকৰ দায়িত্ব বৰ গধুৰ। সেইসকলৰ নিজ নিজ কৰ্মৰ ওপৰত আৱশ্যকীয় জ্ঞান, প্ৰয়োজনীয় কল্পনা শক্তি, ৰসবোধ আৰু সামাজিক দায়বদ্ধতাৰ প্ৰতি সচেতনতা থকাটো অতি প্ৰয়োজন। আকৌ অন্যহাতে এই দিশত দূৰদৰ্শন কৰ্তৃপক্ষ বা বিভাগীয় কৰ্মচাৰীসকলে ওপৰোক্ত দিশ সমূহত যথোচিত আৰু সুস্থভাবে দায়িত্ব পালন কৰিছেনে নাই তাৰ ওপৰত দৰ্শক ৰাইজেও বিচাৰ বিবেচনা কৰাটো নিতান্তই প্ৰয়োজনীয় হৈ পৰিছে। অৱহেলা কৰা আৰু উদাসীন হৈ থকাৰ প্ৰশ্ন নুঠে।

এতিয়া গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ কাৰ্যসূচীসমূহ আৰু ইয়াৰ লগত জড়িত সংশ্লিষ্ট কৰ্মচাৰী বিষয়া সকলৰ দায়িত্ব পালনৰ ওপৰত এটা বিশ্লেষণ দাঙি ধৰিব খুজিছো। প্ৰথমতেই এটা কথা কোৱা ভাল যে যিকোনো অনুষ্ঠান প্ৰতিষ্ঠানৰেই কাম কাজ নিয়াৰিকৈ চলিবলৈ হলে ইয়াৰ পৰিচালনাৰ ওপৰতেই সিংহভাগ নিৰ্ভৰ কৰে। যি সকলে পৰিচালনা কৰে, (ইয়াত উচ্চ পৰ্যায়ৰ বিষয়া সকলকহে ধৰা হৈছে) যাক ইংৰাজীত Management authority বুলি কোৱা হয়, সেইটো বাস্তৱাৰ্থত সঠিক হ'ব লাগিব। ওপৰৰ পৰা গুৰি ধৰোতা সকল ঠিক হলে, তলৰ পৰ্যায়ৰ কৰ্মচাৰীসকলেও সঠিকভাবে কামকাজ পৰিচালনা কৰিবলৈ বা সুন্দৰভাবে দায়িত্ব পালন কৰিবলৈ বাধ্য হ'ব। এইখিনিতে গুৰুত্বপূৰ্ণ কথা হ'ল, যিসকলে কাৰ্যসূচী ৰূপায়ণৰ ওপৰত পৰিকল্পনা কৰিব, সিদ্ধান্ত ল'ব আৰু তলৰ পৰ্যায়ৰ কৰ্মচাৰীক নিৰ্দেশ দিব, সেই সকল সংশ্লিষ্ট বিষয়া-কৰ্মচাৰী সকলো প্ৰকাৰেই এজন যোগ্যবান ব্যক্তি হোৱাটো নিতান্তই প্ৰয়োজন। কিন্তু গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰত প্ৰশাসনীয় দিশতেই হওক বা কাৰ্যসূচীসমূহ ৰূপায়ণৰ বা পৰিচালনা কৰাৰ ক্ষেত্ৰতেই হওক মুঠেই প্ৰণালীবদ্ধ নহয় বুলি ইতিমধ্যে প্ৰমাণিত হৈছে। অধিকাংশ কাৰ্যসূচী ৰূপায়ণৰ ক্ষেত্ৰতেই পৰিকল্পনা আৰু সূক্ষ্ম দৃষ্টিভঙ্গীৰ অভাৱ। বেছিভাগ কাৰ্যকেই হুৰমূৰকৈ সম্পন্ন কৰা হয় বুলি ধৰিব পাৰি। ফলত প্ৰোগ্ৰেম বেয়া হয়। মানদণ্ড নিম্নগামী হয়। ইয়াৰ কাৰণ কেতিয়াবা হয়তো সংশ্লিষ্ট বিষয়া কৰ্মচাৰীসকলৰ অজ্ঞতা। কাৰোবাৰ ক্ষেত্ৰত পৰিচালনা ক্ষমতাৰ অভাৱ। কেতিয়াবা হয়তো এজন ব্যক্তিৰ ওপৰত ওপৰা উপৰিকৈ বহুত কাৰ্যসূচী ৰূপায়ণ কৰা দায়িত্ব অৰ্পণ। যিকোনো কাৰ্যসূচী সুন্দৰ ভাবে উপস্থাপনা কৰিবলৈ হলে সময়ো পাব লাগিব। বহু সময়ত গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ কৰ্তৃপক্ষই Quality-ত কৈ Quantity বঢ়োৱাতহে জোৰ দিয়া দেখা গৈছে। Quantity বঢ়াবলৈ হলে আৰু Quality maintain অৰ্থাৎ মানদণ্ড উন্নত কৰি ৰাখিবলৈ অধিক মানুহৰ মাজত কাৰ্যসূচী ৰূপায়ণৰ দায়িত্ব ভগাই দিয়াটো বাঞ্ছনীয়। আকৌ কেতিয়াবা দেখা যায়, একোজন বিষয়া বা কৰ্মচাৰী বহু বছৰ কোনোবা বেলেগ বিভাগত চাকৰি কৰি হঠাৎ দূৰদৰ্শনলৈ বদলি হৈ আহে আৰু তাত এটা বেলেগ ছিচ্‌টেমৰ সমুখীন হয়। ফলত তেওঁ হাত দাঙিও দিব নোৱাৰে অথবা কামো কৰিব নোৱাৰে। ই মাত্ৰ এটা উদাহৰণহে। কিবা নজনাটো ডাঙৰ কথা নহয়, তাক শিকি ল'ব পাৰি। শিকিলেই সকলো সমাধান হৈ যায়। পিছে সমস্যাটো হয় তেতিয়া – যেতিয়া একো নজনাকৈয়ে, সকলো জানো বুলি ভবা হয়। সেইটো এটা ডাঙৰ সমস্যা।




বৰ্তমানে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ বহুতো অনুষ্ঠান বা কাৰ্যসূচী একেবাৰে নিম্নমানৰ হোৱা ৰাইজৰ পৰিলক্ষিত হৈছে। এই বিষয়ে কাকতে পত্ৰই প্ৰায়ে প্ৰকাশ পাই থাকে। গীত, নাটক, এনেবোৰ অনুষ্ঠানৰ ক্ষেত্ৰত ৰেডিঅ'ই এতিয়াও তুলনামূলকভাবে যথেষ্ট উন্নত মানদণ্ড বজাই ৰাখিছে। কিন্তু গুৱাহাটী দূৰদৰ্শনৰ গীতসমূহৰ আৰু নাটকৰ মানদণ্ড এতিয়াও বৰ পুতৌ লগা ধৰণৰ হৈ আছে। মাত্ৰ ভিচুৱেল ভাল হলেই নহয়, অডিঅ'টোও লগে লগে ভাল হ'ব লাগিব। গীতৰ উপস্থাপনা কেতিয়াবা বৰ পালমৰা ধৰণৰ হয়। অৱশ্যে দূৰদৰ্শনৰ সকলো অনুষ্ঠানৰ ৰূপায়ণেই যে বেয়া হয় সেইটো নহয়। কেতিয়াবা দুই এটা গীতৰ উপস্থাপন, সাক্ষাৎকাৰৰ অনুষ্ঠান, নৃত্যনাটিকা ইত্যাদি বেছ উপাদেয় হয়। সৰহসংখ্যক অনুষ্ঠানেই কিন্তু পালমৰা আৰু সেইবোৰত সূক্ষ্ম কল্পনা শক্তি, ৰসবোধৰ বৰ কৰুণ অভাৱ পৰিলক্ষিত হয়। শিল্পী, বিষয়া, কৰ্মচাৰী, টেকনিচিয়ান এই সকলোৰে লগত সংগীত, লাইট, চেটিংছ এই সকলোৰে মাজত সুসমন্বয় থাকিবই লাগিব।

গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ প্ৰচাৰিত হোৱা কাৰ্যসূচী সমূহৰ ওপৰত কি কি ধৰণৰ কি কি প্ৰোগ্ৰেম বা অনুষ্ঠান মাহটোত প্ৰচাৰ কৰা হ'ল, তাৰ এখন তালিকা বনাই দিল্লীৰ কৰ্মকৰ্তা সকলক হেনো জনাব লাগে। তালিকাত সম্প্ৰীতিৰ ওপৰত প্ৰোগ্ৰেম হৈছে, মহিলাৰ ওপৰত হৈছে, খেতিবাতিৰ ওপৰত হৈছে, গীত হৈছে, নাটক হৈছে, চিৰিয়েল হৈছে; মুঠতে আইটেম্‌ৱাইজ লিষ্টত দিল্লীয়ে ঠিকেই পাব, বা পাই আছে। পিছে দিল্লীয়ে জানো জানে, হৈ যোৱা অনুষ্ঠানবোৰৰ মানদণ্ড উপযুক্ত হৈছে নে নাই বা যি উদ্দেশ্যৰে ইয়াক প্ৰচাৰ কৰা হ'ল, সেয়া সফল হ'লনে?

অহা ৩১ ডিচেম্বৰৰ পৰা গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰৰ সকলো কাৰ্যসূচী সমগ্ৰ অসমতেই প্ৰচাৰ কৰা হ'ব। ইমানদিনে টিভিৰ দৰ্শকে অসমীয়া বাতৰিৰ বাহিৰে বাকী সকলো দিল্লীৰ পৰা প্ৰচাৰ কৰা ৰাষ্ট্ৰীয় চেনেলৰ কাৰ্যসূচী উপভোগ কৰি আছিল। ভিন ভিন উচ্চস্তৰৰ অনুষ্ঠানৰ লগতে বৃহস্পতিবাৰৰ হিন্দী কথা ছবি এখনো আছে। এতিয়া গুৱাহাটী কেন্দ্ৰই গভীৰ ভাবে চিন্তা কৰাৰ সময় আহিছে আজি অতদিনে গোটেই সপ্তাহজুৰি যি অনুষ্ঠান প্ৰচাৰ কৰা হৈছিল সেই একে মানদণ্ডৰেই তেনেবোৰ অনুষ্ঠান গোটেই অসমবাসীৰ উদ্দেশ্যে টেলিকাষ্ট কৰা হ'ব নেকি? এইটো এটা ডাঙৰ দায়িত্ব। যদি এতিয়াৰ দৰেই নিম্নগামী কাৰ্যসূচী প্ৰচাৰ হ'বলগীয়া হয়, তেন্তে কেবোল টিভিৰ প্ৰতি মানুহৰ মন ঢাপলি মেলে আমি তেতিয়া কাক দোষ দিম? এইটো এটা ডাঙৰ প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ মোকাবিলা কৰিবলৈ গুৱাহাটী দূৰদৰ্শনৰ যোগ্যতা কিমান সেই কথা তেওঁলোকে নিশ্চয় নভবাকৈ থকা নাই। যদি ভবা নাই, এতিয়াও সময় আছে। প্ৰয়োজন শুদ্ধ চিন্তা, পৰিকল্পনা আৰু আন্তৰিকতাপূৰ্ণ পদক্ষেপ। মুঠতে তেওঁলোকে কোনো অৱস্থাতে পাহৰিব নেলাগিব যে জনসাধাৰণৰ প্ৰতি গুৱাহাটী দূৰদৰ্শনৰ দায়বদ্ধতা বহুগুণ বেছি বাঢ়ি গ'ল। ■

# ৰুচিসন্মত অসমীয়া চলচ্চিত্ৰ নিৰ্মাণ আৰু পৰিবেশ

জাহ্নু বৰুৱা

চলচ্চিত্ৰ কলা সংস্কৃতিৰ এনে এক মাধ্যম যি জনসাধাৰণক অতি সহজে আৰু আটাইতকৈ ব্যাপক হাৰত প্ৰভাৱিত কৰে। সেই বাবেই এই মাধ্যমে জনসাধাৰণৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক প্ৰমূল্য নিৰ্দ্ধাৰণৰ ক্ষেত্ৰতো এক গুৰুত্বপূৰ্ণ ভূমিকা লবলৈ সক্ষম। উদাহৰণ স্বৰূপে বিশ্ব বিখ্যাত চিত্ৰ পৰিচালক সত্যজিত ৰায়ৰ ছবি সমূহে আন্তৰ্জাতিক ক্ষেত্ৰত বঙ্গৰ লগতে ভাৰতীয় সমাজৰো সাংস্কৃতিক ভাবমূৰ্তি প্ৰতিষ্ঠা কৰাৰ লগতে আমাৰ জনসাধাৰণৰ মনত এক উচ্চমানৰ সাংস্কৃতিক ৰুচি আৰু কলাত্মক চিন্তাৰ উন্মেষ ঘটাবলৈ সক্ষম হৈছে। আনহাতে কেৱল ধন ঘটাৰ উদ্দেশ্যতেই কথাছবি নিৰ্মাণ কৰাৰ ফলত এই ছবি বোৰে আমাৰ দৃষ্টিগোচৰ



'হালধীয়া চৰায়ে বাওঁধান খায়' ছবিৰ বাবে লোকাৰ্ণো উৎসৱত 'গন্ডেন লায়ন' লাভ কৰাৰ মুহূৰ্তত এই প্ৰবন্ধৰ লেখক জাহ্নু বৰুৱা



নোহোৱাকৈও সমাজ জীৱনৰ অলেখ ক্ষতি সাধন কৰি থাকে। সামাজিক ভাবে দায়বদ্ধ আৰু কলাৰ উৎকৰ্ষ সাধনৰ চিন্তাৰে ব্যৱসায়িক ভিত্তিত চলচ্চিত্ৰ নিৰ্মাণত ৰত শিল্পীসকলে প্ৰায়েই এক দিশহাৰা আৰু অসহায় অৱস্থাৰ সমুখীন হোৱা দেখা যায়। এই ক্ষেত্ৰত চৰকাৰৰো যে এক নিৰ্দিষ্ট দায়িত্ব আছে সেই কথাও কলা সংস্কৃতিৰ লগত জড়িত ব্যক্তিসকলেহে সকীয়াই দিব লগা হয়। সমাজত এক সুস্থ বাতাবৰণ সৃষ্টি কৰা চলচ্চিত্ৰ নিৰ্মাণ হ'ব লাগিলে এই শিল্পৰ লগত জড়িত শিল্পীসকলক প্ৰকৃত দিক্ দৰ্শন কৰাৰ লগতে অৰ্থনৈতিক সাহায্যৰে টনকিয়াল কৰাৰ প্ৰয়োজনীয়তাও উপলব্ধি কৰিব লাগিব। ইয়াৰ উপৰিও চৰকাৰে শিল্পীসকলক মাথো সহায় সহযোগ দেখুৱালেই নহ'ব চৰকাৰে তেওঁলোকক সন্মান যাচিব পাৰিব লাগিব। এইবোৰ কাৰণতেই চৰকাৰে এক সুস্থ চলচ্চিত্ৰ নীতি অনুসৰণ কৰা প্ৰয়োজন।

চৰকাৰে যেতিয়া চলচ্চিত্ৰ নিৰ্মাণকাৰীক সাহায্য দিয়ে তেতিয়া এইটো লক্ষ্য কৰা দৰকাৰ কেনেকুৱা ছবিয়ে এই সাহায্য লাভ কৰিছে। কাৰণ, এখন ভাল ছবিৰ বাবে সুস্থ মনোৰঞ্জনৰ উপাদান বহণ কৰাৰ লগতে তেওঁলোকৰ মনত এক উন্নতমানৰ ৰুচিবোধৰ সৃষ্টি কৰিব পাৰে। আনহাতে এখন বেয়া ছবিয়ে দৰ্শকৰ মনত সস্তীয়া ৰুচিবোধ সৃষ্টি কৰাৰ লগতে আৰ্থ-সাংস্কৃতিক আৰু সামাজিক দিশত এক ক্ষতিকৰ প্ৰভাৱ পেলাব পাৰে। সস্তীয়া মনোৰঞ্জনৰ বাবে নিৰ্মাণ কৰা ছবিবোৰৰ ব্যৱসায়িক সফলতাৰ বাবে নানা ধৰণৰ ক্ষতিকৰ উপাদানো সংযোজিত কৰা হয়। এইবোৰ ছবিয়ে বজাৰ গৰম কৰিব পাৰে কিন্তু জনজীৱনৰ নৈতিক মানদণ্ড নিম্নগামী কৰে। অসম চৰকাৰে বৰ্তমানে যি নীতিত সাহায্য দি আছে তাৰ সৈতে ছবিৰ গুণগত আৰু মানগত দিশবোৰৰ কথা দকৈ চিন্তা কৰাতো নিতান্তই প্ৰাসঙ্গিক হৈ পৰিছে।

অসম চৰকাৰে বৰ্তমানে দি থকা সাহায্য মঞ্জুৰীটো হ'ল এনেকুৱা ঃ এখন অসমীয়া ছবি মুক্তি পোৱাৰ পিছত প্ৰথম ১২ মাহৰ প্ৰদৰ্শনীৰ মনোৰঞ্জন কৰ যিমান হয় সেই পৰিমাণৰ সাহায্য চৰকাৰৰ পৰা প্ৰযোজকে লাভ কৰে। ইয়াৰ সুবিধা (Advantage) আৰু অসুবিধা (Disadvantage) দুয়োটাই বিচাৰ কৰিব লগীয়া – যেনে (ক) প্ৰস্তাৱিত নীতিয়ে অধিক সংখ্যক নিৰ্মাতাক আকৰ্ষিত কৰিব। কাৰণ ই অধিক লাভৰ নিশ্চয়তা প্ৰদান কৰিব। কাজেই অসমীয়া ছবিৰ সংখ্যা বৃদ্ধি হ'ব। (খ) এই নীতিয়ে বাহিৰৰ প্ৰযোজককো আকৰ্ষিত কৰিব। বিশেষকৈ বোম্বাইৰ প্ৰযোজক আগবাঢ়ি অহাটো খাটাং। এওঁলোকে তথাকথিত বোম্বাই মাৰ্কা সস্তীয়া ছবি নিৰ্মাণ কৰিব। কাৰণ তেওঁলোকৰ একমাত্ৰ ধান্দা হব ধন ঘটা। গতিকে এই আশংকাৰ স্থল আছে যে উচ্চ মানবিশিষ্ট অসমীয়া কথাছবি নিৰ্মাণত অচিঁৰেই আধ্যা পৰিব। কাৰণ প্ৰযোজকসকলৰ চকু থাকিব বক্স অফিচৰ ফালে। (গ) কিছুমান ডিষ্ট্ৰিবিউটৰে ছবিঘৰৰ ব্যৱস্থাপকৰ সৈতে লগ লাগি টিকট বিক্ৰীৰ সংখ্যা প্ৰকৃত বিক্ৰীৰ সংখ্যাতকৈ বহুতবেছি দেখুৱায়। এই বুদ্ধিৰে তেওঁলোকে চৰকাৰৰ পৰা সাংঘাতিক পৰিমাণৰ ধন আদায় কৰে। চমুকৈ কব লাগিলে এই নীতিৰ সাৰাংশ হব–যিমানে বক্স অফিচৰ পৰা ঘটিব পাৰিব সিমানেই চৰকাৰৰ পৰাও সাহায্য পাব, ছবিৰ মান লাগিলে যি পৰ্যায়ৰেই নহওক। ফলত যধে-মধে হিন্দী ফৰ্মূলাৰ অসমীয়া ছবি নিৰ্মাণৰ ধুম উঠি যাব পাৰে।

এই কাৰণেই চৰকাৰৰ চলচ্চিত্ৰ সাহায্য নীতিটোৰ সৈতে চলচ্চিত্ৰৰ গুণ নিয়ন্ত্ৰণৰ দফা এটাও সংযোজিত হ'ব লাগে যাতে এই চৰকাৰী সাহায্যৰ অপব্যৱহাৰ নহয়। সাহায্যৰ পৰিমাণো ন্যায্য হব লাগে যাতে নিয়মিতভাবে যথেষ্ট ভাল অসমীয়া ছবি নিৰ্মাণো হয় আৰু ছবি সমূহ উন্নত মানৰো হয়। ছবিৰ গুণ নিয়ন্ত্ৰণৰ ব্যৱস্থাটোও সুনিশ্চিত কৰিব লাগে।

অসমীয়া ছবি প্ৰকৃততে যি হাৰত প্ৰদৰ্শন হ'ব লাগিছিল সেইদৰে নোহোৱাৰ মূলতে অসমত চিনেমা হল (থিয়েটাৰ) কম। চৰকাৰে অসমৰ সৰু সৰু চহৰবোৰত কম আসনযুক্ত চিনেমা হল সজাৰ যি আঁচনি লৈছে সেই আঁচনি অনুসৰি চিনেমা হলবোৰ নিজে নাসাজি কোনো উদ্যোগীৰ হাতত এৰি দিব লাগে বুলি মই ভাবো। আনহাতে ইংৰাজৰ দিনতে প্ৰণয়ন কৰা "আসাম চিনেমা ৰেগুলেশ্যন এক্ট" খনেই এতিয়াও অনুসৃত আছে। অথচ সেই এক্ট আজিৰ স্থান কাল পাত্ৰৰ লগত তেনেই খাপ নোখোৱা। কাৰণ এই এক্ট যেতিয়া প্ৰণয়ন হৈছিল চলচ্চিত্ৰ আছিল তেনেই চালুকীয়া অৱস্থাত। আজিৰ পটভূমিত সেই এক্ট প্ৰায় অচল। আজি চলচ্চিত্ৰই এক সামাজিক সাংস্কৃতিক আৰু শৈক্ষিক চৰিত্ৰ লাভ কৰিছে। তাহানিৰ তুলনাত আজিৰ চলচ্চিত্ৰ কৌশল, বিষয়বস্তু আৰু মানদণ্ড সকলো ফালৰ পৰাই বহুত উন্নত। ই পৰিবৰ্তন আৰু বিকাশৰ বহুতো স্তৰ অতিক্ৰম কৰিছে। অথচ তাহানিৰ চলচ্চিত্ৰ এক্টখনেই আজিও প্ৰচলিত হৈ আছে। অলপ অচৰপ সংশোধন হলেও সেই নীতিয়েই এতিয়াও বাহাল থকাটো সময়ৰ লগত তাল মিলাই চলিব নোখোজাৰ লক্ষণ। এই এক্টখনৰ কেইটামান দফাতো আজিৰ পটভূমিত তেনেই অচল আৰু অকাৰ্যকৰী। আজি যেতিয়া অডিও ভিশ্যুৱেল মাধ্যমে টেলিভিচন, ভি,চি, আৰ, চেটেলাইট টি ভি, কে'বল টিভি আদিৰ ৰূপত ঘৰে ঘৰে প্ৰবেশ কৰিহে চলচ্চিত্ৰ সম্পৰ্কত তেনেই নতুন দৃষ্টিভঙ্গী আৰু নীতি গ্ৰহণ কৰাৰ প্ৰয়োজন হৈ পৰিছে। বৰ্তমান সময়ত চলচ্চিত্ৰ নীতি হ'ব লাগে তেনেই সৰল আৰু প্ৰগতিশীল দৃষ্টিভঙ্গীৰ। নতুন প্ৰেক্ষাগৃহ নিৰ্মাণৰ ক্ষেত্ৰত এই আইনখন চলচ্চিত্ৰৰ বিকাশৰ পৰিপন্থী হৈ পৰিছে। এইটো এটা গুৰুত্ব পূৰ্ণ কথা। আজিকালি দেশে দেশে সৰু সৰু প্ৰেক্ষাগৃহ নিৰ্মাণৰ ধুম উঠিছে কাৰণ ঘৰে ঘৰে টি ভি, ভি চি আৰ, কে'বল টি ভি আদি সোমাই যোৱাত প্ৰেক্ষাগৃহবোৰত প্ৰতিটো শ্বোত হেজাৰ হেজাৰ দৰ্শকৰ সমাবেশ আশা কৰিব নোৱাৰি। সেয়ে আগৰ বৃহৎ প্ৰেক্ষাগৃহৰ সলনি এতিয়া ৪০০–৫০০ দৰ্শকৰ মজলীয়া থিয়েটাৰৰ ধুম উঠিছে। অসমীয়া চলচ্চিত্ৰৰ বাবেও এনেকুৱা প্ৰেক্ষাগৃহৰহে বেছি প্ৰয়োজন। অসমৰ চহৰবোৰত থকা প্ৰেক্ষাগৃহবোৰ বৃহৎ আকাৰৰ। অসমীয়া কথাছবি প্ৰদৰ্শন কৰিলে ছবিঘৰৰ আধা ছিট্ খালীয়েই থাকি যায়। সেইবাবেও চিনেমা হলৰ মালিকে লোকচান ভৰি অসমীয়া ছবি প্ৰদৰ্শন কৰিব নোখোজে। সেয়ে কথাছবি প্ৰদৰ্শনৰ বাবে হল পোৱাও কঠিন হৈ পৰে। কত কষ্টৰ মূৰত অসমীয়া ছবি এখন নিৰ্মাণ কৰি যদি দেখুৱাবলৈ হল এটিৰ বাবে হাবাথুৰি খাব লগা হয় তেতিয়াহলে ই প্ৰযোজকক নিৰুৎসাহ নকৰেনে ? সেয়ে এক্টখনৰ অন্যান্য প্ৰয়োজনীয় সংশোধনৰ লগতে এই নীতি সংযোজিত হ'ব লাগে যাতে ৰাজ্যখনৰ ভিন ভিন ঠাইত সৰু বা মজলীয়া প্ৰেক্ষাগৃহ নিৰ্মাণৰ লাইচেন্স পোৱাটো সহজ হৈ উঠে। এনেকুৱা প্ৰেক্ষাগৃহত আঞ্চলিক ভাষাৰ ছবিতো আশানুৰূপ দৰ্শকৰ সমাবেশ ঘটিব। মালিকেও তেতিয়া নিঃসঙ্কোচে অসমীয়া ছবি প্ৰদৰ্শনৰ বাবে আগবাঢ়ি আহিব। অলপতে চৰকাৰে ২০০ ছবিঘৰ সজাৰ কথা ঘোষণা কৰিছে। কিন্তু মোৰ বোধেৰে চৰকাৰে এই কাম কৰাতকৈ মূলত তিনিটা কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিলে ছবিঘৰ আপোনা আপুনি হ'ব। ৬০০ চিটতকৈ কমৰ ছবিঘৰ এমাহৰ ভিতৰতে সজাৰ ব্যৱস্থা কৰা, এজন আৰ্কিটেকৰ হতুৱাই একেই ডিজাইনৰ কৰা আৰু বেঙ্ক আদিৰ দ্বাৰা লোনৰ ব্যৱস্থা কৰা। যিহেতু এই ঋণ পোৱাত সহজ আৰু পৰিশোধ কৰাও সহজ।

আজিৰ অসমীয়া কথাছবিয়ে জাতীয় আৰু আন্তৰ্জাতিক উভয় পৰ্যায়তে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। চৰকাৰে নিয়মিতভাবে অসমীয়া কথাছবিৰ বাৰ্ষিক উৎসৱ অনুষ্ঠিত কৰাত গুৰুত্ব দিয়াৰ এইটোৱেই উপযুক্ত সময়। অসমত নিৰ্মিত প্ৰথম অসমীয়া বোলছবি জয়মতী আজি কোনোবাই প্ৰদৰ্শন কৰিব পাৰিবনে ? পৰা যাবনে প্ৰথম ৰেকৰ্ডিত অসমীয়া গীতটো বজাই শুনাব ? নোৱাৰে, কাৰণ আমি সংৰক্ষণ কৰা নাই। এতিয়াও বহু বিলম্ব হোৱা নাই। সম্প্ৰতি যিবোৰ কলা সম্পদ আমি ঢুকি পোৱাতেই আছে তাৰেই সংৰক্ষণৰ ব্যৱস্থা কৰি আমি কাম আৰম্ভ কৰিব পাৰো। ইতিমধ্যে অসমীয়া ভাষাত কিছুমান উল্লেখযোগ্য কথাছবি নিৰ্মাণ হৈছে। উৎকৰ্ষতাৰ নিদৰ্শন এই ছবিবোৰ আমি হেৰাই যাবলৈ এৰি নিদি সংৰক্ষণ কৰিব পাৰো। ৰাজ্যিক সংগ্ৰাহালয়টোৰ শুভাৰম্ভ

হিচাপে ৰাজ্য চৰকাৰে পুৰস্কৃত অসমীয়া কথাছবিবোৰৰ প্ৰিন্টবোৰকেই সংগ্ৰহ কৰিব পাৰে। অতীতৰ কীৰ্তিমূলক কৰ্মবোৰৰ পৰা নতুন প্ৰজন্মই বহু মূল্যবান অভিজ্ঞতা লাভ কৰিব পাৰে। এইবোৰেই প্ৰেৰণাৰ উৎস। ভাৰতৰ অন্য ৰাজ্যবোৰে ৰাজ্যিক সংগ্ৰাহালয় স্থাপন কৰিছে আৰু ত্যৰ সহায়ত নিয়মিত কথাছবি উৎসৱ অনুষ্ঠিত কৰাও সম্ভৱ হৈ উঠিছে। তেওঁলোকে এনেকৈয়ে তেওঁলোকৰ নিজ ৰাজ্যৰ সাংস্কৃতিক ভাবমূৰ্তিটো দাঙি ধৰিব পাৰিছে।

বহু সময়ত আমাৰ চৰকাৰে ৰাজ্যৰ বাহিৰত অসমীয়া কথাছবিৰ উৎসৱ পাতিবৰ বাবে প্ৰিন্ট সংগ্ৰহ কৰাৰ ব্যৰ্থ চেষ্টা কৰি অবাবতে ধন ভাঙে। তাতকৈ এইবোৰ ধন সংগ্ৰাহালয়টো স্থাপন কৰাৰ বাবে নিয়োজন কৰাহে যুগুত।

অসমীয়া কথাছবিৰ নিয়মীয়া নিৰ্মাতা হিচাপে এই বিষয়ত মই যথেষ্ট অভিজ্ঞতা লাভ কৰিছো। তাৰেই আলম ধৰি 'জ্যোতি চিত্ৰবন' আৰু 'আসাম ফিল্ম ফাইনেন্স এণ্ড ডেভ্‌লপ্‌মেণ্ট কৰ্পোৰেশ্বন' এই দুটা প্ৰতিষ্ঠানৰ কাম-কাজ সম্পৰ্কত যথেষ্ট সমালোচনাৰ থল আছে বুলি ভাবো। এই দুটা প্ৰতিষ্ঠানৰ পৰিচালনাৰ সন্দৰ্ভত মুকলি আলোচনা আৰু বিতৰ্কৰ প্ৰয়োজন। দুয়োটা প্ৰতিষ্ঠানেই অসমৰ বাবে অত্যন্ত প্ৰয়োজনীয়। কিন্তু ই যেনে দৰে চলিছে তেনেদৰে নিশ্চয় নহয়।

এক বেচৰকাৰী সূত্ৰ মতে যোৱা দহবছৰত অসম চৰকাৰে কমেও এশখন তথ্যচিত্ৰ আৰু চুটি ছবি নিৰ্মাণ কৰিছে। এইবোৰত অতি কমেও দহ কোটিমান টকা খৰচ হৈছে। (যদিহে সংখ্যাটো সত্য হয়।) কিন্তু আশ্চৰ্যৰ কথা এই ছবিবোৰ দেখিবলৈকে পোৱা নাযায়। এইবোৰৰ সম্পৰ্কত কিছুমান প্ৰশ্ন উত্থাপিত কৰিব খোজো যেনে– এই ছবিবোৰ ক'ত আছে, কোনে এইবোৰ নিৰ্মাণ কৰে, ছবিবোৰৰ গুণাগুণ বা নিৰ্ভৰযোগ্যতা কোনে নিৰ্দ্ধাৰণ কৰে? এইবোৰ ক'ত নিৰ্মাণ কৰা হয়। উত্তৰবিহীন এই প্ৰশ্নবোৰে এটা কথাই মনলৈ আনে যে নিশ্চয় কোনোবা ডাঙৰ ব্যৱসায়িক ৰেকেট ইয়াত জড়িত আছে। যিয়ে ৰাইজৰ ধন অপব্যৱহাৰ কৰি এনেবোৰ ছবি নিৰ্মাণ কৰি আছে। এইখিনিতে এটা কথা কোৱা প্ৰয়োজন যে চৰকাৰে যিবোৰ ডকুমেণ্টৰী ছবি কৰিছে সেই ছবিসমূহ অনভিজ্ঞ লোকৰ হাতত তুলি দিয়া যেন লাগে। মই ভাবো যে দক্ষ লোকৰ হাততহে এই দায়িত্ব দিয়া উচিত। এইবোৰ কাৰণতে চৰকাৰৰ চলচ্চিত্ৰ নীতিটো এনে হ'ব লাগে যাতে ই জেনুইন চুটি ছবি আৰু তথ্যচিত্ৰ নিৰ্মাণৰ ব্যৱস্থাটো সুৰক্ষিত কৰাৰ লগতে এই ছবিবোৰক ৰাজ্যৰ সকলো ঠাইতে প্ৰদৰ্শনৰ চৰ্তটোও নিশ্চিত কৰে। লগতে এনে এটা দফাও সংযোজিত হ'ব লাগে যে নিৰ্মিত ছবিবোৰে এক নিৰ্দিষ্ট চিনেমেটিক মানদণ্ড ৰক্ষা কৰিব লাগিব যাতে সেইবোৰ ৰাজ্যৰ বাহিৰতো অৰ্থাৎ দেশীয় বা আন্তৰ্জাতিক ক্ষেত্ৰতো প্ৰদৰ্শনৰ যোগ্য বিবেচিত হয়। এইটো বৰ পুতৌজনক কথা যে আমাৰ দেশত চুটি ছবি আৰু তথ্যচিত্ৰ কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া নহয়। আচলতে এইবোৰৰ প্ৰভাৱ সম্পৰ্কে আমাৰ ৰাইজক সহজে বুজাব নোৱাৰি। দৰাচলতে চুটি ছবিবোৰৰ মাজেৰে সমাজৰ বাস্তৱ সত্যবোৰক ফুটাই তোলাৰ বাহিৰেও নানান বিষয়ৰ প্ৰতি সমাজখনক সজাগ আৰু সচেতন কৰি তুলিব পাৰি।

চলচ্চিত্ৰ কলাৰ মোল বুজিবৰ বাবে দৰ্শকৰো কিছু জ্ঞান অভিজ্ঞতাৰ প্ৰয়োজন। ই আপুনি নহয়। তাৰ বাবেও কিছু প্ৰচেষ্টাৰ দৰকাৰ। আজি যেতিয়া অডিও ভিশ্যুৱেল মাধ্যমবোৰৰ ইমান প্ৰসাৰ ঘটিছে, দৰ্শকৰ বিচাৰ ক্ষমতাৰ বিকাশৰো প্ৰয়োজনীয়তা আহি পৰিছে। এনে পৰিস্থিতিত দৰ্শকৰ বাবে Film Appreciation ৰ দিহা কৰাটো চৰকাৰৰো কৰ্তব্যৰ ভিতৰত পৰে। এই শিক্ষা থাকিলে মাধ্যমসমূহে দিনে নিশাই প্ৰচাৰ কৰি থকা নানান ধৰণৰ তথ্যচিত্ৰ, চুটি ছবি আৰু কাহিনী চিত্ৰ আদিৰ গুণাগুণ নিৰ্দ্ধাৰণ কৰা সৰ্বসাধাৰণ দৰ্শকৰ বাবে সহজ হৈ পৰে। অন্ততঃ পশ্চিমীয়া দেশবোৰৰ দৰে আমাৰ দেশৰো স্কুল কলেজ সমূহত Film Appreciation ৰ পাঠ দানৰ প্ৰচলন কৰিব লাগে। এই ব্যৱস্থা কৰিলে নতুন জেনেৰেশ্বনৰ মাজত এক সূক্ষ্ম কলা বিচাৰৰ ক্ষমতা গঢ়ি উঠিব। তেতিয়াহে তেওঁলোকে এক নতুন দৃষ্টিভংগীৰে কথাছবি চাবলৈ শিকিব। অৱশ্যে Appreciation বোলা বস্তুটো যিদৰে প্ৰয়োগ হব লাগে সেইদৰে হোৱা নাই। এই ধৰণে শিক্ষিত চামে প্ৰদৰ্শিত চলচ্চিত্ৰসমূহত থকা উপাদানবোৰৰ কোনবোৰ গ্ৰহণীয়, কোনবোৰ বৰ্জনীয় এই বিচাৰ নিজেই শুদ্ধ ভাবে কৰিব পাৰিব। চলচ্চিত্ৰ মাধ্যমটোৰ সামাজিক দায়িত্ববোধৰ উপলব্ধিটো তেনেকৈহে অৰ্জন কৰা সম্ভৱ। গতিকে চৰকাৰৰ চলচ্চিত্ৰ নীতিতো এই দিশটো প্ৰতিফলিত হোৱা দৰকাৰ। বস্তুতঃ এই Act খনে কথাছবি বিচাৰৰ (Film Appreciation) শিক্ষাক স্কুল কলেজৰ শিক্ষাৰ অন্তৰ্ভুক্ত কৰাৰ দিহা ব্যৱস্থাটোও সামৰি ল'ব লা'গে।

যি কোনো স্বীকৃত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱলৈ আমন্ত্ৰিত হোৱাটো এখন ছবিৰ বাবে অতি গৌৰৱৰ কথা। এনে মহোৎসৱলৈ যদি এখনি অসমীয়া চলচ্চিত্ৰ আমন্ত্ৰিত হয় বা আন্তৰ্জাতিক কোনো মহোৎসৱত যদি অসমৰ পৰা যোৱা কোনো কথাছবিয়ে যশস্যা লাভ কৰে তেতিয়া হলে ছবিখনৰ শিল্পী আৰু টেকনিচিয়ানসমূহতো সন্মানৰ পাত্ৰ হৈ পৰেই লগতে যশস্যাবাহক ছবিখনে ৰাজ্যখনৰো গৌৰৱ বৃদ্ধি কৰে। এনে কৃতিয়ে একোটা অঞ্চলৰ সাংস্কৃতিক শ্ৰেষ্ঠতাক তুলি ধৰাৰ লগতে জনসাধাৰণৰ মনতো এনে বহু আকাংক্ষিত সাফল্যই আত্মগৌৰৱৰ ভাব জগাই তোলে। এনে মান বা গৌৰৱ পইচাৰে কিনিব নোৱাৰি। কিন্তু বৰ্তমান পৰিস্থিতিত একোজন অসমীয়া প্ৰযোজকৰ পক্ষে এখন ছবিক ইংৰাজীত চাব টাইটেল কৰা বা প্ৰতিযোগিতাত অংশ লবৰ বাবে প্ৰয়োজনীয় ধন ব্যয় কৰা সম্ভৱ নহয়। সেই বাবে উপযুক্ত মানৰ অসমীয়া ছবিৰ প্ৰযোজকক চাব টাইটেল কৰিবলৈ আৰু আন্তজাৰ্তিক মহোৎসৱত প্ৰতিনিধিত্বৰ বাবে প্ৰয়োজন হোৱা ধনৰ খৰচ চৰকাৰে বহণ কৰি উৎসাহিত কৰিব লাগে।

গোটেই পৃথিৱীতে ফিল্ম চছাইটি মুভমেণ্টে বেছ কাৰ্যকৰী ভূমিকা লব পাৰিছে। এই চছাইটি সমূহে কথা ছবি মহোৎসৱ অনুষ্ঠিত কৰাৰ লগতে কলা, সংস্কৃতি, দৰ্শন, সাহিত্য আদি বিষয়ৰ ওপৰত মিডিয়া লেকশ্বাৰ, আলোচনা চক্ৰ, তৰ্ক-প্ৰতিযোগিতা, চিম্পোজিয়াম, আদিৰ আয়োজন কৰি সামাজিক প্ৰমূল্যসমূহৰ প্ৰতি মানুহক সজাগ কৰাৰ লগতে কলা বিচাৰ উন্নতি কৰাৰ ক্ষেত্ৰতো যথেষ্ট অৰিহণা যোগায়। অসমৰ জনসাধাৰণ বিশেষকৈ আজিৰ নতুন প্ৰজন্মই এনে এক বাতাবৰণ গঢ়ি নুঠা বাবে যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। সদ্যহতে প্ৰতিখন জিলাতে কমেও এখন ফিল্ম চছাইটি গঢ়ি তোলাৰ একান্ত প্ৰয়োজন। এইটোও দকৈ চিন্তা কৰি চাব লাগে কেনে ধৰণে এই ফিল্ম চছাইটি মুভমেণ্টটো গঢ়ি তোলাত সাহায্য কৰিব পাৰে। ■

## বিশেষ দ্ৰষ্টব্য

সূত্ৰধাৰত প্ৰকাশৰ কাৰণে পঠোৱা সকলো প্ৰবন্ধ সহজে পঢ়িব পৰা গোট গোট আখৰত লেখাটো বাঞ্ছনীয়। প্ৰয়োজনীয় শুধৰণিৰ কাৰণে বাক্যবোৰৰ মাজত কমেও এক চেণ্টিমিটাৰ ঠাই ৰখা দৰকাৰ। পঢ়িব নোৱাৰা বা বেয়া আখৰেৰে লেখা কোনো প্ৰবন্ধ প্ৰকাশৰ কাৰণে বিবেচনা কৰা নহয়।





# সংগীত সুধাকৰ বীৰেন্দ্ৰ কুমাৰ ফুকন


বীৰেন্দ্ৰ কুমাৰ ফুকন

১৯৭৮ চনৰ ২৯ জুন। নিশা ৯-৩০ বজাৰ পৰা ১১ বজালৈ এই সময় ছোৱা আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰৰ বিৰতি নোহোৱা কাৰ্য-সূচী। সম্ভৱ ডিব্ৰুগড়েই নহয়, অন্য আকাশবাণী কেন্দ্ৰতো ইমান সময় সামৰা কাৰ্য-সূচী চলা নাই। ঘোৰ বাৰিষা আছিল যদিও বতৰ আছিল সেইদিনা ফৰকাল। অনুষ্ঠানৰ শিল্পীসকলৰে ভাগ্যনে শ্ৰোতাসকলৰে ভাগ্য, আচলতে ৰাতিটো আছিল যেন খৰালি দিনৰ আকাশ মুকলি সময়। ৰেডিঅ' শুনাত একো বিজুতি নাছিল।

অনুষ্ঠানৰ কাৰ্য-সূচী আছিল উজনিৰ লোকগীত। আয়োজন কৰিছিলো মই। চিঠি আৰু তাঁৰ বাৰ্তাৰ যোগেদি অনুষ্ঠানলৈ অহাৰ কথা দিছিল কেন্দ্ৰ সঞ্চালক শ্ৰীবীৰেন্দ্ৰ কুমাৰ ফুকনে।

১৯৭৭ চনৰ মে মাহতে মোলৈ তেখেতে উপযাচিয়েই এখন চিঠি দিছিল। চিঠিৰ বিষয়বস্তু আছিল উজনিত হেৰাই যোৱা লোক সংগীত সমূহ উদ্ধাৰ, প্ৰচাৰ আৰু সংৰক্ষণ কৰা। কিন্তু তপতে তপতে মই তেখেতৰ চিঠিৰ প্ৰতি সহাঁৰি নজনাই এদিন আকাশবাণী ডিব্ৰুগড় কেন্দ্ৰলৈ নিজেই গৈ তেখেতৰ লগত আলোচনা কৰিবৰ বাবে যোৱাৰ কথা পাঙিলো। ভবামতে এদিন গৈছিলো, কিন্তু তেখেত দিল্লীলৈ যোৱাত লগ ধৰিব নোৱাৰিলো। পুনৰ শৰত কালৰ কোনোবা এদিনা আকাশবাণীলৈ গৈ সেইবাৰো লগ ধৰিব নোৱাৰিলো। ব্যস্ততাৰ মাজত কেইটামান মাহ পাৰ হৈ গ'ল। ১৯৭৮ চনৰ ৮ ফেব্ৰুৱাৰী তাৰিখে পুনৰ কেন্দ্ৰতে তেখেতক লগ ধৰিলো। দুয়োৰে মাজত কায়িক চিনাকিৰ পিছত তেখেতে মোলৈ লিখা চিঠিৰ বহল ব্যাখ্যা দিলে। উজনি অসমত অনেক প্ৰকাৰৰ লোকগীত আছিল। পৰম্পৰাগত ভাবে গ্ৰামাঞ্চলৰ স্বভাৱ শিল্পীসকলে গীত নাম সমূহ চৰ্চা কৰি আছে। কিন্তু সময় পৰিবৰ্তনৰ লগে লগে আৰু গীত নাম জনা সুৰ সাধক সকলৰ মৃত্যুৰ লগে লগে বহু গীতৰ উৎস হেৰাইছে, সুৰ লয় পাইছে। গতিকে আকাশবাণীৰ যোগেদি প্ৰচাৰ, উদ্ধাৰ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিয়েই ডিবুৰু কেন্দ্ৰলৈ সঞ্চালক হৈ অহাৰ কথা উল্লেখ কৰিলে। পুনৰ মাহটোৰ ভিতৰতে আকাশবাণী গুৱাহাটী কেন্দ্ৰলৈ বদলি হোৱাৰ কথাও কলে। এসপ্তাহৰ ভিতৰতে যদি উজনি অসমত ক্ষয়িষ্ণু লোকগীত সমূহৰ উদ্ধাৰৰ ব্যৱস্থা কৰিব পৰা যায় তেন্তে তেওঁ সম্পূৰ্ণ সঁহাৰি জনাব আৰু ক্ষেত্ৰ গচকি গীত সমূহৰ আলেখলেখ চাবগৈ।


কথা মতে কাম। ইতিমধ্যে মই ৰকতা, খালৈঘোগোৰা, পাটসাঁকো, নঙলামৰা, বৰপিয়াল আদি ঠাইৰ বিভিন্ন লোকক আৰু গীত চৰ্চাকাৰীৰ লগত যোগাযোগ কৰি যথা সময়ত বাণী বন্ধনৰ ব্যৱস্থা কৰিলো। মোৰ লগত পূৰ্ণ সহযোগ আগবঢ়ালে ভৰত কোঞ্ৰে; দিহা পৰামৰ্শ দিলে ঘন বৰগোহাঞিয়ে। এসপ্তাহমান ৰাতিয়ে দিনে বিভিন্ন ঠাইৰ শিল্পীসকলক "সোণামতী সাংস্কৃতিক সংঘ"ৰ সৌজন্যত আয়োজিত পুলিবিল গোহাঁই গাঁৱৰ খেল পথাৰ প্ৰাঙ্গণত যথাসময়ত সমবেত হবলৈ অনুৰোধ কৰিলো। ইতিমধ্যে সঞ্চালক ফুকনদেৱলৈ ১৩ ফেব্ৰুৱাৰীৰ দিনা পুৱা ৯ বজাত যথাস্থানত উপস্থিত হবলৈ তাঁৰ যোগে জনালো।

আকাশবাণীৰ কৰ্মী সকল সততে সময় সচেতন। যান্ত্ৰিক বিজুতি নহলে য'তেই কাৰ্য-সূচী গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লব তাতেই সময়ত উপস্থিত হয়গৈ। স্বয়ং কেন্দ্ৰ সঞ্চালক ফুকনদেৱ যিহেতু নিজেই অহা কথা আছে সেইবাবে সময়তকৈ আগতেই শিল্পীসকলক যথাস্থানত উপস্থিত হবলৈ সকীয়াই দিছিলো।

ঘড়ীৰ কাঁটাই কাঁটাই ফুকনদেৱ আহি পালেহি। লগত আহিছিল আকাশবাণীৰ তেতিয়াৰ কাৰ্য-সূচী সঞ্চালক মাখন ৰাজখোৱা। ৰাজখোৱা বৰ্তমান গুৱাহাটী দূৰদৰ্শনৰ উপসঞ্চালক। শিল্পীসকল বাটকুৰি বাই সময়ত উপস্থিত হলহি। ফুকনদেৱক আমাৰ বহাতে অতিথি সৎকাৰ কৰি বিবিধ প্ৰকাৰৰ লোকগীত আৰু লোকনাচেৰে শোভাযাত্ৰা কৰি বাণী বন্ধন কৰা স্থানলৈ আদৰি নিয়া হ'ল। আদৰণিত ফুকনে যি

সন্তুষ্টি পাইছিল সেইখিনি ভাষাৰে, কথাৰে ব্যক্ত কৰিব নোৱাৰি বুলি তেখেতে উল্লেখ কৰিছিল। লখিমী আদৰা নাম আৰু অনুষ্ঠান, টোকাৰী গীত পৰিবেশন, বিহু নাচ পৰিবেশন, মৃদঙীয়াৰ মৃদং বাদন, ধাইনাম, পুৰণি বিয়া নাম, তাই ভাষাৰ লাই-খাও-মীৰ গীত, সৃষ্টিতত্ত্ব গীত, সোণামতীৰ গীত, ঢেঁকীৰ গীত ইত্যাদি গীত নাচেৰে পথছোৱা মুখৰিত হৈ পৰিছিল। তদুপৰি গাওঁখনৰ ডেকা-বুঢ়া আবাল বৃদ্ধ বনিতা সকলোৱে ওলাই আহি অনুষ্ঠানত শ্ৰোতা-দৰ্শকৰ শাৰী পোনাইছিলহি। গাওঁখনৰ বাহিৰেও দুয়োটা মৌজাতে আগতীয়াকৈ খবৰ ৰখা শিল্পী আৰু শ্ৰোতা সকল আহি সভাৰ সৌষ্ঠৱ বঢ়াইছিল। ইমান লোকৰ সমাবেশৰ কাৰণ আছিল দুটা। প্ৰথম কথা- কেন্দ্ৰ সঞ্চালক নিজে আহিছে, যিজন নিজে এজন প্ৰথিতযশা সংগীতজ্ঞ। দ্বিতীয় কাৰণ- আগতে অঞ্চলটোত ৰেডিঅ'ৰ লোক আহি কেতিয়াও বাণী বন্ধন কৰা নেদেখা আৰু বাণী বন্ধন যন্ত্ৰ (Tape Recorder) শতকৰা ৯৯ জনলোকে নেদেখা। বহুঁ জনসমাবেশৰ মাজত আগতীয়াকৈ মোৰ আঁচনি অনুসাৰে আনুষ্ঠানিক ভাবে সভাখনি আৰম্ভ কৰি সঞ্চালক ফুকনদেৱলৈ অভিনন্দন দিয়া হ'ল। সেই সভাতেই এই জনা মহান সংগীতজ্ঞলৈ "সংগীত সুধাকৰ" উপাধি প্ৰদান কৰা হ'ল। উল্লেখ যোগ্য যে সংগীতজ্ঞ ফুকনদেৱলৈ বিভিন্ন অনুষ্ঠানে 'সংগীত জ্যোতি' 'সংগীত ঋত্বিক' উপাধি প্ৰদান কৰিলে। কেৱল হোমেন বৰগোহাঞিৰ সম্পাদনাত ওলোৱা 'সূত্ৰধাৰ'ৰ এটা সংখ্যাত এই জনা মহান সংগীতজ্ঞৰ বিষয়ে গুণানুকীৰ্তন কৰা হ'ল। 'সূত্ৰধাৰে' এই আৰ্হি দেখুৱাই অতি উত্তম কাম কৰিলে। আশা কৰো 'সূত্ৰধাৰ'ৰ দৰে অন্যান্য বাতৰি আলোচনী সমূহে এনে আৰ্হিৰে একোটা সংখ্যা গুণী জ্ঞাণী লোকৰ নামত উছৰ্গা কৰি জীৱিত কালতেই উপযুক্ত জনক উপযুক্ত সন্মান দিব। অৱশ্যে ফুকনদেৱলৈ সকলো সন্মান দিয়াৰ বহু কেই বছৰৰ আগতেই উজনি অসমৰ তেনেই গাঁৱলীয়া ঘোকোট অঞ্চল সোণামতী সাংস্কৃতিক সংঘই ফুকনদেৱলৈ 'সংগীত সুধাকৰ' উপাধি প্ৰদান কৰিলে।

সুদক্ষ কাৰ্য-সূচী সঞ্চালক মাখন ৰাজখোৱাই এটি এটিকৈ আপুৰুগীয়া লোকগীতৰ বাণী বন্ধন আৰম্ভ কৰিলে। মলুঙ চাও ডম্বৰুধৰ দেউধাই ফুকনৰ সৃষ্টিতত্ত্ব গীত, নাঙ তিলো হাতীবৰুৱাৰ লাই খাও মী গীত (লেখিমী আদৰা টাই ভাষাৰ গীত), ৰেখা ফুকন, বিনু কোঞ্ৱৰ আৰু মীনা বুঢ়াগোহাঞিৰ ঢেঁকীৰ গীত, সোণামতীৰ গীত, হৰেশ বৰগোহাঞিৰ চিকন সৰিয়হৰ গীত, ধন পচতুলাৰ গীত, ফুলকোঁৱৰ মণি কোঁৱৰৰ গীত, আইনাম, ধাইনাম, পুৰণি বিয়াৰ নাম আদি আপুৰুগীয়া পাই সকলোবোৰ বাণী বন্ধন কৰা




*প্ৰচ্ছদ নিবন্ধেৰে সূত্ৰধাৰৰ বীৰেন্দ্ৰ কুমাৰ ফুকন বিশেষ সংখ্যাটো*

হ'ল। গীত মাতৰ অনুষ্ঠানৰ সামৰণিত ফুকনদেৱে ৰাইজক উদ্দেশি লোক সংগীতৰ বিষয়ে যিখিনি সাৰমৰ্ম থকা বক্তৃতা প্ৰদান কৰিলে সেই স্মৃতি আঁজিও একক আৰু অনন্য হৈ আছে। ফুলেশ্বৰী চেতিয়া আৰু সহযোগী সকলৰ লখিমী আদৰা গীতত মুগ্ধ হৈ ফুকনে সাংগীতিক ভাবত শিহৰিত হৈ পৰিছিল।

আমাৰ ঘৰত পুনৰ তেখেতক ভাতমুঠি খুৱাই আগবাঢ়িছিলো মৰাণ গজপুৰীয়ালৈ। য'ত আগতীয়াকৈ তেখেতৰ ভ্ৰমণৰ কাৰ্যসূচী ঠিক কৰা আছিল। কিন্তু যথা সময়ত তেখেতক মৰাণ গজপুৰীয়া গাঁৱত উপস্থিত কৰোৱাব নোৱাৰি আৰু ইতিমধ্যে সমবেত লোক সকল বহুসময় অপেক্ষা কৰি দিহাদিহি যোৱাত সেই অঞ্চলৰ ৰাইজ হতাশ হৈ পৰিছিল। নিৰ্দিষ্ট সময়তকৈ পলমকৈ হলেও আমি সেই ঠাইত উপস্থিত হলোগৈ। ফুকনৰ লগত মাখন ৰাজখোৱা, মই নিজে আৰু মোৰ বৰ জী শ্যামলী।

আমি যোৱাৰ বাতৰি পাই ঘৰ মুখী গুণমুগ্ধ গজপুৰীয়াৰ লোকসকল পুনৰ ঘূৰি আহি গজপুৰীয়াৰ নামঘৰ প্ৰাঙ্গণত উপস্থিত হ'ল। গজপুৰীয়াৰ অনুষ্ঠানটি পৰিচালনা কৰিছিল খৰ্গেশ্বৰ গগৈদেৱে। গগৈদেৱৰ ৰাতিসেৱাৰ নামৰ অংশবিশেষ আৰু শৰযাত্ৰা নামৰ আপুৰুগীয়া সুৰ শুনি ফুকনদেৱ যি দৰে অভিভূত হৈ পৰিছিল সেই কথা মই জীৱনত পাহৰিব নোৱাৰো।

বীৰেন্দ্ৰ কুমাৰ ফুকন আছিল ঋষিতুল্য সংগীত সাধক। সংগীত সুধাকৰ বীৰেন্দ্ৰ কুমাৰ ফুকনৰ চণ্ডীপাঠ যি শুনিছে তেঁৱেই স্বীকাৰ কৰিব যে অসমত তেওঁৰ তুল্য দ্বিতীয় এজন সংগীত সাধক আজিলৈকে ওলোৱা নাই। তেওঁৰ বিদেহী আত্মালৈ শতকোটি নমস্কাৰ।

হেম বুঢ়াগোহাঞি





# সুৰকাৰ, গীতিকাৰ, কণ্ঠশিল্পী সত্য বৰুৱা


*হালধীয়া চৰায়ে বাওধান খায়, ফিৰিঙতি আদি ছখনকৈ চলচ্চিত্ৰৰ সুৰকাৰ, গায়ক তথা সংগীত পৰিচালক সত্য বৰুৱাৰ ১৩ নৱেম্বৰত এক শোকাবহ পথ দুৰ্ঘটনাত মৃত্যু হয়। চুটি জীৱনটোত তেখেতে গীত লেখিছিল, সংগীত পৰিচালনা কৰিছিল আৰু গীত গাইছিলো। তেখেতৰ দৰদী কণ্ঠেৰে গোৱা সেই গীত বাৰু কোনে পাহৰিব? ........ সেন্দুৰ সেন্দুৰ প্ৰভাতী সূৰুয মোৰ গালে মুখে পৰিছে।*

*আমি 'সূত্ৰধাৰ'ৰ তৰফৰ পৰা তেখেতৰ মৃত্যুত গভীৰ শোকাতুৰ হৈ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলো।*

নাম সত্য বৰুৱা। ঘৰৰ মানুহে মৰমতে মাতে সৰুকৈ বুলি। বৃত্তিত আছিল তেওঁ কাৰিকৰী অভিযন্তা। সংগীতৰ প্ৰতি আছিল তেখেতৰ অসীম স্পৃহা। শিল্পীজনৰ জন্ম হয় তিলোজান চাহ বাগিচাত। পঢ়া-শুনা ঔফুলীয়া চাহবাগিচাত আৰম্ভ কৰে। বৰপথাৰৰ ভেঙ্কাৰ স্কুলৰ পৰা মেট্ৰিক পাছ কৰি যোৰহাটৰ জে বি কলেজত নাম লগায়। জে বি কলেজৰ পৰা পি-ইউ পাছ কৰি যোৰহাটৰ পৰাই মেকানিকেল ইঞ্জিনিয়াৰিং প্ৰথম শ্ৰেণীসহ পাছ কৰে।

কৰ্ম জীৱন আৰম্ভ হয় হোলোংগুৰি চাহ বাগিচাত। তিনিবছৰ তাত চাকৰি কৰাৰ পাছত গ্ৰীভচ্ কটন'ত চেলছ্ ইঞ্জিনিয়াৰ হিচাপে কাম কৰে। ইয়াৰ পাছত উলুবাৰীৰ ফাৰ্ম এখনত দেবকান্ত চেতীয়া নামেৰে পাৰ্টনাৰ এজনৰ সৈতে লগলাগি কামত লাগে। ইয়াৰ পাছতেই বোম্বাৰ পাম্প্‌ছেট্ মেনুফেকচাৰৰ কামত ব্যস্ত হৈ পৰে আৰু প্ৰায় চাৰে ছয় বছৰ এই কামটোৰ লগত তেওঁ জড়িত আছিল। পাম্পছেট্‌টোৰ ডিজাইনো তেখেতে নিজে কৰা আছিল।

সত্য বৰুৱাই কোনো শিক্ষানুষ্ঠানৰ পৰা সংগীত শিকা নাছিল। বায়েক দয়াবতী বৰুৱাই খুব ভাল গান গাইছিল। তেখেতে নিজে গীত লেখিছিলো। প্ৰায়েই ঘৰতে গুণ গুণাই গীত



*ফটো কেপচন সত্য বৰুৱা*

গাই থকা বায়েকৰ প্ৰভাৱ ভালেখিনি তেখেতৰ সংগীতত পৰিছে। বন্ধু-বান্ধৱৰ সৈতেই সত্য বৰুৱাই গীত গাইছিল। তেওঁ ভাল গীটাৰো বজাইছিল। গুৱাহাটীলৈ অহাৰ পাছত তেখেতে ৰেডিঅ'ত অডিচন দিয়াৰ কথা চিন্তা কৰিছিল। অৱশ্যে অডিচনৰ ক্ষেত্ৰত সংকোচবোধে তেওঁক নিৰাশ কৰিছিল। জাহ্নু বৰুৱাৰ প্ৰথম ছবি অপৰূপাৰ' নিৰ্মাণ কৰাৰ সময়ত জাহ্নু বৰুৱাই নিজে ৰেকৰ্ডিংৰ সময়ত ব্ৰেক, বেলেগ বেলেগ ট্ৰেকত ৰেকৰ্ড কৰা, মিক্সিং কৰা, সংগীতৰ অৰ্নামেণ্টচ্ সমূহ সংগীত পৰিচালকে কেনেদৰে প্ৰয়োগ কৰে এই বিষয়ে টেকনিকেল কথাবোৰ থিয়ৰিটিকেলি কৈছিল আৰু এই কথাবোৰ সত্য বৰুৱাই নিজে অনুভৱ কৰি লৈছিল। ১৯৭৯ চনত 'অপৰূপা' কৰাৰ সময়ত 'অপৰূপা'ৰ পুৰুষ কণ্ঠৰ গীতটো জাহ্নু বৰুৱাই সত্য বৰুৱাক নিজে গোৱাৰ কথা কৈ বোম্বাইলৈ মাতি পঠিয়ায়। তেখেতৰ কণ্ঠৰ 'সেন্দুৰ সেন্দুৰ' গীতটো শুনি ভূপেন হাজৰিকা প্ৰমুখ্যে বহুকেইজন লোকে তেখেতৰ কণ্ঠৰ শলাগ লৈছিল। সংগীতক প্ৰফেচনেলি লোৱাৰ সেয়াই আছিল তেখেতৰ প্ৰথম পদক্ষেপ। জাহ্নু বৰুৱাই সংগীত সম্বন্ধীয় কিছুমান কিতাপ-পত্ৰ তেওঁক সংগ্ৰহ কৰি দিছিল। পি, বদ্যনাথন আৰু মুলকিৰ অৰিহণা সত্য বৰুৱাৰ সংগীতৰ ক্ষেত্ৰত বিশেষ সম্পদ। 'পি বদ্যনাথন' নিজে সংগীতজ্ঞ আছিল। বোম্বাইত থকা সময়ত সত্য বৰুৱাই নিজে প্ৰত্যেকটো থিয়েটাৰলৈ গৈ কাৰিকৰী দিশত বহু কথা আয়ত্ত কৰি লৈছিল। বিভিন্ন বাদ্য যন্ত্ৰৰ প্ৰয়োগো তেওঁ নিজে ঠিক কৰি লৈছিল। 'পাপৰি' ছবিত কোনো গীত নাছিল। মাথো আবহ সংগীত। ছবিৰ পৰিচালক হিচাপে জাহ্নু বৰুৱাই ছবিখনৰ পৰিস্থিতি (situation) সম্পৰ্কে ব্যাখ্যা কৰিছিল আৰু সংগীত পৰিচালক হিচাপে সত্য বৰুৱাই তাক শ্ৰুতিমধুৰকৈ সজাই তুলিছিল। 'হালধীয়া চৰায়ে বাওধান খায়' ছবিখনৰ তেখেতে গীত লেখি সুৰেৰে সজাই সুন্দৰকৈ তুলিছিল। স্বৰ্ণকমল বিজয়ী 'হালধীয়া চৰায়ে বাওধান খায়' ছবিখনে ভাৰতৰ বাহিৰেও আন্তৰ্জাতিক খ্যাতি লাভ কৰাৰ পাছতেই জাহ্নু বৰুৱাই 'বনানি'ৰ কাম আৰম্ভ কৰে। 'বনানি' ছবিখনত শীৰ্ষক গীত (title song) এটা সত্য বৰুৱাক তেখেতে লেখিবলৈ দিয়ে। কাহিনীটো বুজায় কয়- 'বনখনৰ বাবে কান্দোতা কোনো নাই। এতিয়া বনখনৰ বাবে মই নিজে কান্দিব লাগে।' হাবিত কুঠাৰৰ ঘাপৰ যি প্ৰতিধ্বনি তাক প্ৰকাশ কৰাটো সুৰকাৰৰ বাবে সিমান সহজ নহয়। কিন্তু সত্য বৰুৱাই অতি সহজেই ইমান সুন্দৰকৈ আয়ত্ত কৰিব পাৰিছিল যে জাহ্নু বৰুৱাই নিজেই আচৰিত হৈ গৈছিল। 'ফিৰিঙতি'ৰ ক্ষেত্ৰতো সেই একেই কথা। স্ক্ৰিপ্তখন পঢ়ি মাথো তিনিদিন সময়তেই তেওঁ দুটা গীত লেখি সুৰ দি চতুৰ্থদিনা ৰেকৰ্ডিং কৰিছিল। এইজনা শিল্পীৰ জীৱনত তেওঁৰ পত্নী পুনীয়াৰ সহায় সহযোগ এক বিৰাট সম্পদ আছিল। প্ৰসিদ্ধ চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱাই তেওঁৰ সহোদৰ সত্য বৰুৱাৰ করুণ বিয়োগত আমাৰ আগত এইদৰে কয়- 'সি জীয়াই আছে আৰু জীয়াই থাকিবই লাগিব'। মানুহৰ জীৱনটো ক্ষন্তেকীয়া বুলি আমি কওঁৱেই। মোৰ ফালৰ পৰা মই কওঁ যে সি এতিয়ালৈকে বহুখিনি কৰি থৈ গ'ল। যদিও তাৰ পাঁচটা ইন্দ্ৰিয়ই কাম কৰিব নোৱাৰে তাৰ ষষ্ঠ জ্ঞান এতিয়াও জীয়াই আছে আৰু জীয়াই থাকিবই। তাক ষষ্ঠ জ্ঞানৰ জৰিয়তে জীয়াই ৰখা আমাৰ কৰ্তব্য। এনেধৰণৰ গুণৰাশি থকা ব্যক্তি এজনক যদি সন্মান দিব পৰা যায় তেতিয়া হলে তেওঁক জীয়াই ৰাখিব পৰা যাব। 'কুশল কোঁৱৰ' ছবিখনৰ সুৰ সি ভালেখিনি দি থৈ গৈছে। এইখন যদি কেতিয়াবা সম্পূৰ্ণ হয় তেতিয়াহলে সংগীতো সিয়েই দিব। মাথো হাতেকামে যিখিনি সি কৰিব নোৱাৰে সেইখিনিহে মই কৰিম।'

সত্য বৰুৱা আজি আমাৰ মাজত নাই। কিন্তু জাহ্নু বৰুৱাই কোৱাৰ দৰে ষষ্ঠ জ্ঞানৰ দ্বাৰা তেওঁ আমাৰ মাজত চিৰদিন জীয়াই থাকিব।

মালবিকা পাঠক

# সুৰক্ষিত অসমৰ বনজ সম্পদ

হে পাঠক বৃন্দ, অসমৰ বনজ সম্পদসমূহ কেনেদৰে সুৰক্ষিত অৱস্থাত আছে সেই কথা আমাৰ লগতে আপোনালোকেও জানি থওক। যিহেতু এইটো কোনো ৰাজনৈতিক বিষয় নহয় গতিকে কেৱল জানি থোৱাৰ বাহিৰে ইয়াকে লৈ হাল্লা গুল্লা কৰাৰ কোনো চান্স নাই। আপোনালোকে নিশ্চয় জানে যে অসমত বনবিভাগ নামেৰে এটা অতি প্ৰফিটেবুল বিভাগ আছে। বনজ সম্পদসমূহ সিঁচৰতি হৈ থকা অঞ্চলবোৰত এজন বনবিষয়াৰ নিয়ন্ত্ৰণত একোটা বন বিভাগৰ কাৰ্যালয় থাকে আৰু এই বিষয়াজনৰ নিয়ন্ত্ৰণত বনজ সম্পদ সমূহৰ সুৰক্ষাৰ বাবে বন ৰক্ষকৰ একোটা বাহিনী থাকে। এই বাহিনীটোত সাধাৰণতে ১/৩ অংশহে স্থায়ী কৰ্মী। বাকী ২/৩ অংশ অস্থায়ী। অৰ্থাৎ তেওঁলোকক দিন হাজিৰা ভিত্তিত নিয়োগ কৰা হয়। তেওঁলোকৰ মাহিলী আয় ৬০০ টকাতকৈ বেছি নহয়, যদি মাহটোৰ কোনোবা এদিন কামত অনুপস্থিত থাকে তেন্তে তেওঁলোকৰ হাজিৰা কটা হয়।

এতিয়া কথা হ'ল–যিহেতু আজিৰ দিনত এজন ডেকা মানুহে নিজে খাই বৈ পৰিয়াল পোহপাল দিবলৈ এই টকাই যথেষ্ট নহয় গতিকে তেওঁলোকে অন্য উপায়েৰে অৰ্থ উপাৰ্জনৰ বাট মোকলাব লগা হয়। অৰ্থাৎ অসম চৰকাৰে অসমৰ বনজ সম্পদৰ এজন ৰক্ষক নিয়োগ কৰোতেই আওঁপকীয়াকৈ কয় যে তোমাৰ প্ৰয়োজনীয় বাকী টকা গছ-বন, হৰিণা পহু বেচি কিনি যোগাৰ কৰিবা। যেনে ৰজা তেনে প্ৰজা। যেতিয়া চোৰাং ব্যৱসায়ী বনজ সম্পদ লুটিবলৈ বনত সোমাই তেতিয়া ৰক্ষক সকলক ২০/৩০ টকা গুজি দি সন্তুষ্ট কৰে আৰু তেওঁলোকৰ লুণ্ঠন কাৰ্য অবাধ গতিত সমাপন কৰে। আনহাতে ওচৰ চুবুৰীয়া ৰাইজ যেতিয়া দলে বলে বনত সোমায় তেতিয়া দা যাঠি জোঙেৰে ৰক্ষক সকলক ভীতি প্ৰদৰ্শন কৰি এনলীয়া বন্দুক কেইটা কাবু কৰি থয় আৰু প্ৰয়োজন পূৰাব পৰাকৈ ৰাইজে মাংস, খৰি-খেৰ যোগাৰ কৰি লৈ যায়। উল্লেখযোগ্য যে যেতিয়াই চোৰাং ব্যৱসায়ী বা যুদ্ধং দেহি ৰাইজ হাবি সোমোৱাৰ আঁচনি প্ৰস্তুত কৰে তেতিয়া বন বিষয়াজন আগতীয়া ছুটী লৈ ঘৰমুৱা হয়। অৰ্থাৎ চোৰাং কাৰবাৰৰ কথা তেওঁ নাজানে। তেওঁ নাজানিবলৈ এই কাৰণেই বাধ্য যে–বিষয়া জনে চাকৰিলৈ নিৰ্বাচিত হবৰ বাবে মুখ্য বনবিষয়াৰ পৰা মন্ত্ৰীলৈকে চাহ খাবলৈ দিয়া ৫০/৬০ হাজাৰ টকা উপাৰ্জনৰ অন্য বাট নাই।

মুঠৰ ওপৰত পাঠক সকলে এইটোকে জানি থওক যে অসমৰ বনজ সম্পদৰ সুৰক্ষা এটা প্ৰফিটেবুল বিজনেচ।

# শিক্ষা বিভাগৰ মুৰব্বীৰ ইংৰাজী ভাষাৰ জ্ঞান

অসম কৃষি বিশ্ববিদ্যালয়ৰ প্ৰতিবেদন প্ৰকাশ কৰোতে আমি বিশ্ববিদ্যালয়খনৰ এজন অধ্যাপকৰ ইংৰাজী ভাষাৰ জ্ঞান সম্পৰ্কে উল্লেখ কৰিছিলো। 'চিঠি' শিতানতো কেইটিমান নমুনা প্ৰকাশ পাইছিল। এনে বিদগ্ধলোক যে কেৱল কৃষি বিশ্ববিদ্যালয়তে আছে তেনে নহয়। বৰ্তমান অসম চৰকাৰৰ শিক্ষা বিভাগৰ কেবাজনো মুৰব্বীৰ ভিতৰত এজন মুৰব্বীৰ আসনো ইংৰাজী ভাষা সুন্দৰকৈ লিখিব জনা পণ্ডিতেই শুৱনি কৰি আছে। তেওঁ তেওঁৰ ইংৰাজী ভাষাৰ জ্ঞানৰ পোহৰ ছাত্ৰ-ছাত্ৰী সকলৰ মাজত এটা শুভেচ্ছা বাণীৰ জৰিয়তে অকৃপণ ভাবে বিতৰণ কৰিছে। শিক্ষা বিভাগৰ মুৰব্বীজনে উজনি অসমৰ এখন মহিলা মহাবিদ্যালয়ৰ স্মৰণিকালৈ দিয়া এটা শুভেচ্ছা বাণীত লিখিছে

I am very happy to learn that the Digboi Mahila Mahila Mahavidyalaya is going to bring out a sourenir on the occasion to commemorate the Completion of it. 10 years existance of the college. To brining out a Souvernir to observe the college week the foundation day and parent day of the college etc. all these are some of the occasions that are offering to the students in the different fields of extra-moral activities. It is desired that if .these functions are arranged properly, this make a good and long way in nourshing the hope of the state.

I wish a grand succes of the programme.

D.P.I. Assam

To
The Convenor,
Digboi Mahila Mahavidyalaya
souvenir Committec, Digboi.

চৰকাৰী ভাষা অসমীয়া হোৱা বাবে বিষয়াসকলে তেওঁলোকৰ ইংৰাজী ভাষাৰ পাৰদৰ্শিতা এইদৰেই দেখুৱাই আহিছে। মন কৰিবলগীয়া যে এটাও ইংৰাজী বাক্য শুদ্ধকৈ লিখিব নজনা এনে জ্ঞানীলোক সকলেই চৰকাৰৰ অতি প্ৰিয়ভাজন হৈ পৰিছে আৰু এনে জ্ঞান, যোগ্যতাৰ ভিত্তিতেই চৰকাৰে তেওঁলোকক বিভাগীয় মুৰব্বী পদত অধিষ্ঠিত কৰি ৰাখিছে।

# বাকী দোকানৰ পইচা

গুৱাহাটী মহানগৰীত দ্ৰুত গতিত বাঢ়ি অহা জনসংখ্যা অনুপাতে যানবাহনৰ চাহিদা পূৰাবলৈ অসংখ্য কেন্টাৰ বিভিন্ন পথত পিয়াপি দি চলি থাকে। ডেকা চামৰ ভিতৰত এখন কেন্টাৰৰ মালিক হোৱাটো এটা বিলাসিতাতেই পৰিণত হৈছে। যিকি নহওক এই কেন্টাৰবোৰৰ অনুমতি পত্ৰ দিওঁতে এটা নিৰ্দিষ্ট পথত চলাবলৈ দিয়া হয়। যেতিয়া চালকে বা মালিকে দেখে যে তেওঁলোকে অনুমতি পোৱা পথটো বৰ লাভজনক নহয় তেতিয়া লুকাই চুৰকৈ এটা লাভজনক পথত চলাবলৈ আৰম্ভ কৰে। এনে কৰোতে তেওঁলোকে কেইটামান বিশেষ চাৰিআলিৰ ট্ৰেফিক পুলিচ 'দাদা' বা 'চাৰ'ক সন্তুষ্ট কৰিব লগা হয়। এইটো এটা সুন্দৰ চাইড বিজনেচ।

কেন্টাৰখন আহি পল্টন বজাৰ দলং উঠাৰ আগে আগে ট্ৰেফিক পুলিচজনে হাত দাঙি হঠাৎ পাণবজাৰৰ ফালৰ পৰা যোৱা গাড়ীবোৰ ৰখাই দিয়ে। লগে লগে কেন্টাৰখনৰ পৰা পল্টন বজাৰ, উলুবাৰী, ভঙাগড়, গণেশগুৰি, বেলতলা বুলি চিঞৰি চিঞৰি ল'ৰা এজন নামি গৈ দলঙৰ কাষতে থকা পাণ দোকান খনলৈ দৌৰ মাৰে। তাতে হাতৰ টিপত কিবা এটা দিয়ে আৰু তামোল এখন লৈ পুনৰ গাড়ীত উঠে। লগে লগে ট্ৰেফিক পুলিচ জনে হাত উঠাব আৰু গাড়ীসমূহ যাবলৈ দিব। মন কৰিবলগীয়া যে যেতিয়ালৈকে ল'ৰাজন পাণদোকানখনলৈ নেযায় তেতিয়ালৈকে কোনো গাড়ীয়েই যাবলৈ অনুমতি নাপায়। কোনো দিনা দেখা যায় দুয়োপক্ষৰ চকুৰ অৰিয়া অৰিত গাড়ী লানি নিচিগাকৈ জাম হৈ যায়। যাত্ৰী সকলেও অতিষ্ঠ হৈ গাড়ীৰ বডিত ঢকিয়াই যাব দি, যাব দি বুলি চিঞৰ ধৰে। এদিন সেইদৰে চিঞৰ ধৰোতে কেন্টাৰৰ কনডাক্টৰ জনে কোৱা শুনিলো 'অই ভাইটি বাকী দোকানৰ পইচাটো দি আহ ঐ'। লগে লগে মই মাত লগালো–আপোনালোকৰ বাকী দোকানৰ পইচা কিমান দিব লাগে? কনডাক্টৰ জনে লাহেকৈ হাঁহি মাৰি ক'লে 'পোন্ধৰ টকা'। আকৌ সুধিলো গণেশগুৰিত কিমান দিব লাগে?–উত্তৰ–'পঁচিশ টকা।' সেইটো কেনেকৈ দিয়া? এইদৰে দোকান তাতো আছে নেকি? 'নহয় এজন মানুহ বৈ থাকে। তেওঁক দিলেই হয়'।

স্বপ্না বেজবৰুৱা





# কবিতাত দেহবাদী প্ৰেম

বসন্তসেনা
জ্ঞানানন্দ শৰ্মা পাঠক
*চাৰু প্ৰকাশন*
*বেলতলা– লক্ষীমন্দিৰ*
*দিছপুৰ– বশিষ্ঠ পথ, গুৱাহাটী– ২৮*

"মই যেন হৈ যাম/ দুৰন্ত দুৰ্বাৰ, এজাক বতাহ, বাধ্য উন্মাদ/ আন্ধাৰৰ আঁৰে আঁৰে পলাই পলাই গৈ/ সোমাবলে অৰুন্ধতী, তোমাৰেই উদ্ধত বুকুত"– এই কবিতা ফাকিয়েই শৰ্মা পাঠকৰ 'বসন্তসেনা'ৰ জাত চৰিত্ৰৰ আভাস দিয়ে। এনে এটি দেহবাদী সুৰত উতলা তেওঁৰ আবেগ-উচ্ছল ভাষা। অসমীয়া কবিতাত প্ৰেমৰ দেহী ৰূপৰ ধ্বনি-প্ৰতিধ্বনি দেৱকান্তৰ কবিতাতে শ্ৰুতিমধুৰ হৈ পৰিছিল যদিও গণেশ গগৈৰ কাব্যয়ো তাৰ আভাস আমাক ইতিপূৰ্বে দিছিল বুলি ধৰিব পাৰি। তাৰ পিছত অসমীয়া কবিতাই নতুন কেঁকুৰি ললে। শৰ্মা পাঠকৰ কবিতা পঢ়িলে বুজিব পাৰি, তেওঁৰ এই দেহবাদৰ উৎস অভিজ্ঞতা আৰু অধ্যয়ন। ইংৰাজী সাহিত্যৰ মানুহ তেওঁ– লৰেন্সৰ মেনিফেষ্টৰ সেই আবেগ তেওঁৰ চিনাকি :

But they came another hunger
very deep and ravening :
The very body 's body crying out
With a hunger more frightening,
more profound
than stomach or throat or even the
mind ;
redder than death, more clamorous.
The hunger for the woman.

শৰ্মা পাঠকৰ তলৰ পংক্তিবোৰতো এই ক্ষুধা স্পষ্ট :

(১) মোৰ ক্ষুধা সংসৰ্গ ব্যাকুল, মই এটা
নিৰ্লজ্জ নিষ্ঠুৰ, দুৰন্ত শংকৰ ৰক্তাগৰ্বী
ৰূপৰ প্ৰভাৱ, মনোৰমা মোহিনী দেহৰ

(২) ৰ'বা তুমি অকমান, মাত্ৰ অকমান
চাবলৈ দিবা মোক আকৌ এবাৰ
জটিল সাথৰে ৰচা
পূৰ্ণচন্দ্ৰ প্ৰতাপৰ কাৰুকাৰ্য্য তোমাৰ
দেহৰ ?

(৩) জীৱন জ্বলাই মৰা, সুপ্ত প্ৰেম মোৰ,
অগ্নিগিৰি কন্দৰত আকৌ জাগিছে........

এনেধৰণৰ উদ্ধৃতি আৰু দিব খোজা নাই। এই দেহবাদী প্ৰেম মৰ্মে মৰ্মে অনুভৱ কৰিছে কবিয়ে। অগ্নিগিৰি কন্দৰ' এই শব্দ দুটাই বুদ্ধদেৱ বসুৰ কবিতালৈ মনত পেলায়। বসুৱে কৈছে :

বক্ষ তব ঢাকিয়া দিনু চুম্বনেৰ ছাপে
যুগ্ম সেই অগ্নিগিৰি স্পৰ্শ ভয়ঙ্কৰ
যেখানে প্ৰেম মৃত্যুহীন ৰাত্ৰিদিন কাঁপে।

কবিয়ে নাম দিছে তেওঁৰ প্ৰেমিকাক,- অজস্ৰ নাম। এই নামবোৰে শৰীৰী নাৰীৰ কথা কয়,– যি নাৰী স্থূল ৰক্ত মাংসৰ। আজিৰ নাৰী পুৰুষৰ বাবে দেহেই সত্য, "সত্য মাথো স্নায়ু-তৃষ্ণা, এই তৃষ্ণা ক্ষণিক ৰামধেনু বেখা হ'ব পাৰে ; তথাপি তাকেই নিৰ্মোহভাবে উপভোগ কৰাৰ বাহিৰে আন উপায় নেথাকে। আজিৰ নাৰী এলিজাবেথ বেৰেট ব্ৰাউনিঙৰ দৰে কবিৰ প্ৰেৰণা হৈ উঠিব নোৱাৰে,– তেওঁৰ দৰে এইবুলি ক'বও নোৱাৰেঃ

I love thee with the breath
Smiles, tears, of all my life! and if
God choose
I shall but love thee better after death.

এই দেৱদূতী চৰিত্ৰ আজি কতো নাই। ৰোমাণ্টিক পৰ্বত প্ৰেমৰ আবেগ প্ৰকাশ পাইছিল ভাবলোকৰ ৰূপহীৰ বাবে, – আজি শৰীৰী প্ৰিয়াইহে কবিক আকৃষ্ট কৰে। আমাৰ কবিৰ অধ্যাত্ম স্পৃহাও নাই। তেওঁ কৈছে :

এয়া মোৰ স্নায়ু-তৃষ্ণা মৃন্ময় দেহৰ
আত্মা আৰু মহানাদ, পুনৰ্জনম কৰ্মফল
অৰ্থহীন যাজ্ঞবল্ক জিংজিৰীৰ যুক্তি হৈয়ে থক।

ইয়াৰ ফলত, কবিৰ সম্ভোগ-চেতনা বৃদ্ধি পাইছে 'মোক দিয়া সংগমৰ শ্ৰান্তিহীন পূৰ্ণবন্যা- বুলি কবিয়ে চিঞৰি উঠিছে। এই অৱস্থাত কবি মোহগ্ৰস্ত ; কিন্তু মোহৰ আবেশ নাইকিয়া হোৱাৰ লগে লগে কবিয়ে বুজি পায়, প্ৰেমতো ছলনা আছে। কবিয়ে লক্ষ্য কৰিছে, তেওঁৰ প্ৰিয়তমা নাৰ্চিচাছ - বিভ্ৰান্তিত পৰিছে আৰু একালৰ গ্ৰন্থি বন্ধন ছিঙি আঁতৰি গৈছে। এই ব্যৱধান কিহৰ ? কবিৰ মতে–

ব্যৱধান ঘৃণা আৰু
প্ৰেমৰ মাজৰ আৰু
বুজি আৰু চিনি নোপোৱাৰ
হাহাকাৰ অনন্ত অপাৰ...

এয়া স্থূল দেহ সৰ্বস্ব সম্ভোগ কামনাৰ ফল নে কি ? কবিৰ কাৰণে দেহ সত্য আৰু পৱিত্ৰ – তেওঁৰ প্ৰেম কপটীয়া নহয়, বা শোষণৰ মাধ্যম নহয়, কাৰণ : ব্যৰ্থতাই তেওঁক নীলকণ্ঠ কৰিছে, মৃত্যু যন্ত্ৰণা ভোগ কৰিবলৈও তেওঁ কুণ্ঠাবোধ কৰা নাই– তাহানি জয়দেৱৰ দৰেই তেওঁ বিনম্ৰভাবে কব পাৰিছে ;

মোৰ শবদেহ - নীলকণ্ঠ ব্যৰ্থতাৰ
ধ্ৰুবস্থিতি তোমাৰেই আৰক্তিম চৰণ প্ৰান্তত।

এনে সহৃদয় নিষ্ঠা লৈও কবিয়ে প্ৰিয়তমাৰ পৰা পালে কেৱল ঘৃণা। গনেশ গগৈৰ দৰেই কবি এতিয়া সাৰথিবিহীন। দুয়ো যেন অচিনাকি পুৰুষ প্ৰকৃতি। নৱকান্তৰ উদ্ধৃতিৰে তেওঁ কৈছেঃ তথাপি সি একান্ত নিৰ্জন। কবি এতিয়া নিঃসঙ্গ, কিন্তু তেওঁৰ প্ৰেমৰ ধাৰা যে অব্যাহত আৰু জীৱন-প্ৰীতি যে একেবাৰে নিঃশেষ হৈ যোৱা নাই, তাৰ প্ৰমাণ আমি পাওঁ যেতিয়া তেওঁ কবি বুদ্ধদেৱ বসুৰ দৰেই কৈ উঠে– যিটো পোৱা নাই সি আকাশৰ অজানিত গ্ৰহ হৈয়ে থক। এই কথাৰ পৰা বুজিব পাৰি, জীৱনক তেওঁ নাকচ কৰা নাই অচৰিতাৰ্থ প্ৰেমৰ বেদনাক তেও অতিক্ৰম কৰিবলৈ যেন সমৰ্থ হৈছে। প্ৰথম অৱস্থাত, তেওঁৰ উদগ্ৰ বাসনাত ব্যাকুল হৈছিল যদিও তেওঁ সেই সম্বন্ধে আত্মসচেতন আছিল, কিয়নো তেওঁ নিজক নৰ্লজ্জ' বুলিও অভিহিত কৰিছে। বাসনাক বিবসনা কৰাটো বিদ্বান আৰু ৰুচিবানৰ পক্ষে সহজ নহয়, কিয়নো সি অন্তৰ্দ্বন্দ্বৰ সৃষ্টি কৰে। তথাপি, কবিয়ে ক্ষুধিত যৌৱনৰ উদ্দাম উত্তাপ ত্যাগ কৰা নাই, কিয়নো সিয়েই বাস্তৱ, সিয়েই সত্য ; আনহাতে নাৰীদেহৰ সৌন্দৰ্যৰ 'সাতসৰী সুষমাই' জীৱনৰ আকুতিও বৃদ্ধি কৰে। এইবাবেই তেওঁ শূদ্ৰক-বিৰচিত মৃচ্ছকটিকা নাটকৰ সম্ভ্ৰান্ত গণিকা চাৰুদত্ত-প্ৰিয়া বসন্তসেনাৰ উদগ্ৰ কামনাৰ প্ৰতি নিৰ্লজ্জ প্ৰণাম জনাইছে :

বিস্ময়ৰ বাৰাংগনা বনিতা বসন্তসেনা
তোমালৈ এয়া মোৰ নিৰ্লজ্জ প্ৰণাম।

প্ৰেমৰ দুটা পৰ্যায়- পূৰ্বৰাগ আৰু মিলন। এই দুয়োবিধ অভিজ্ঞতা কবিৰ আছে, কিন্তু দুয়োটা অভিজ্ঞতাৰ পৰিণতি কৰুণ। প্ৰেমৰ এই ছন্দপতনৰ ধ্বনি - ব্যঞ্জনাই তেওঁৰ কবিতাৰ ঘাই প্ৰতিপাদ্য। তেওঁৰ ভালপোৱাই পাৰ নাপাই উচুপিছে, ফুল ফুলিল যদিও ফলত পৰিণত নহল। তথাপি 'বসন্তসেনা' দেহবাদী প্ৰেমৰ, অমিতাভ যৌৱন-ক্ষুধাৰ জয়গাথা। সি হ'ব পাৰে উদ্দাম, উত্তাল, হ'ব পাৰে সি আৰণ্যক - তথাপি সি জীৱনৰ অমৃত আস্বাদ। পৰ জনমতে মিলনৰ শুভ লগ্ন আহিব, বা দেহৰ ভষ্মত নতুনৰ জন্ম হ'ব– এই আশা মিছা। দেহৰ সাম্ৰাজ্যই সঁচা- প্ৰকৃত বাস্তৱ তাৰ সাধনাতে কবিৰ তৃপ্তি আৰু পৰিপূৰ্ণতা। মৃত্যু তেওঁৰ প্ৰেমৰ পৃথিৱীৰ সীমা - সিপাৰে একো নাই। নোপোৱাৰ বেদনাৰ মাজত শিৱ যেন শৱ হৈ গৈছে- আথচ শিবানী নিৰ্বিকাৰ, তেওঁ বসন্তৰ মালা আন কাৰোবাৰ ডিঙিত আঁৰি দি 'দুৰন্ত প্ৰেমিক' কবিৰ প্ৰতি মানসিক বিতৃষ্ণা প্ৰদৰ্শন কৰিছে। ক্ৰমাৎ বিচ্ছেদ সত্য হৈ উঠিছে। তথাপি প্ৰেমিক কবি ধৈৰ্যশীল, – তিলে তিলে দগ্ধ হৈও তেওঁ নোপোৱাৰ বেদনাক অতিক্ৰম কৰি একপ্ৰকাৰ নিৰ্লিপ্ত হ'বলৈ যত্ন কৰিছে। প্ৰেমৰ সাগৰত জোৱাৰ-ভাটা যেন একাকাৰ হৈ গৈছে! শৰ্মা পাঠকৰ 'বসন্তসেনা'ৰ ভাবলোকত এনে অনুভৱ স্পষ্ট। ৰবীন্দ্ৰনাথৰ দৰেই তেওঁ যেন প্ৰিয়জনক ক'ব খোজে : তোমাৰ দেখাৰ স্মৃতি নিয়ে/ একলা আমি যাব ফিৰে।' অৱশ্যে ৰবীন্দ্ৰনাথৰ প্ৰেমে শাৰীৰিকতাৰ উৰ্দ্ধত অবিশেষৰ সন্ধান কৰিছে। আমাৰ কবিয়ে ঐহিকতাৰ মাজতে প্ৰেমক এটা মাত্ৰা দিছে।

পুথিখন হাতত লৈ ভাবিছিলো, শৰ্মা পাঠক এতিয়া প্ৰৌঢ় ; এই প্ৰৌঢ় কবিৰ জীৱনলৈ নামি আহিল নে কি অকাল বসন্ত ? ভালকৈ চাই দেখো যে, 'বসন্তসেনা' আচলতে নোপোৱাৰ বেদনাৰ, চৰম বিৰহ-বিচ্ছেদৰ কৰুণ ক্ৰন্দনহে। (সেয়ে, কান্দো অকলে, অকলে)

কবিৰ দেহবাদী প্ৰেমক জীৱনৰ মৌল চেতনা বুলি ধাৰণা কৰিছে,– আধুনিক কবিৰ এই দুৰ্বাৰ প্ৰেমস্পৃহা কৰুণ বা নিৰ্লজ্জ হ'লেও, সি সহৃদয় । তাক আমি উপেক্ষা কৰিব নোৱাৰো ।

অসমীয়া কবিতাৰ ঐতিহ্য, দেশী - বিদেশী পুৰাণ, মুক্তকৰ সাৱলীল প্ৰয়োগ, সমিল পয়াৰৰ ব্যৱহাৰে কবিৰ সংবেদনশীল আৰু বিদগ্ধ মনৰ পৰিচয় দিছে যদিও ভাষাত উচ্ছ্বাস - প্ৰৱণতা, শব্দৰ আড়ম্বৰ মাত্ৰাধিক হৈছে বুলি আমাৰ অনুভৱ হৈছে । এটা কবিতাত স্তৱকৰ মাজে মাজে গদ্যও ব্যৱহাৰ কৰা হৈছে । এইবোৰ গদ্যক কবিতা বুলিব নোৱাৰি । ভাষাৰ ক্ষেত্ৰত কিছু সংযম আৰু মিতব্যয়িতাৰ যে প্ৰয়োজন এইকথা শৰ্মা পাঠকেও জানে । কবিতাত নিহিত অৰ্থৰ সাৰ্থক ব্যঞ্জনাৰে পাঠকৰ বুদ্ধি আৰু আবেগ চুই যাবৰ বাবে যিমান শব্দৰ প্ৰয়োজন, তাতকৈ অধিক শব্দৰ ব্যৱহাৰৰ প্ৰয়োজন বোধহয় নাই । ৰোমাণ্টিক ভাবালুতাৰ ক্ষেত্ৰতো সংযমৰ আৱশ্যক । এইবাবেই কৈছো, কিছু সংযত হোৱা হ'লে, জিজ্ঞাসু পাঠকৰ বাবে অধিক আদৰণীয় হ'লহেঁতেন ।

তেওঁৰ কবিতাৰ ভাষা সাৱলীল, মাজে মাজে অনুপ্ৰাসেৰে ধ্বনি-সংহতি আনিবলৈ কবিয়ে যত্ন কৰিছে । উপমাৰ ক্ষেত্ৰতো তেওঁৰ কামনা চঞ্চল মনৰ ক্ৰিয়া দেখা যায় । 'অগ্নিগিৰি কন্দৰ' 'অৰুণাভ কাঞ্চনজংঘা', হালধীয়া কুমলীয়া পূৰ্ণিমাৰ জোন', ওঁঠৰ জেতুলীশকা, আদি তুলনা অতিশয় ইন্দ্ৰিয়ঘন । প্ৰথম তিনিটা উপমাত স্তন আৰু স্তনাগ্ৰচূড়াৰ সৌন্দৰ্যৰ ইঙ্গিত আছে । দেশী-বিদেশী পুৰাণৰ পৰা অনা নামৰ দ্যোতনা আকৰ্ষণীয় । সামৰণিৰ দীঘল কবিতাটোৰ চৰিত্ৰ অৱশ্যে বেলেগ । এইটো ইয়াত অন্তৰ্ভুক্ত নকৰাহেঁতেনো একো ক্ষতি নহ'লহেঁতেন । সি যি কি নহওক, শৰ্মা পাঠকৰ চেষ্টা অথলে যোৱা নাই, তেওঁৰ পৰিণত মানসৰ শস্য আৰু অধিক সুন্দৰ আৰু অভিনৱ হৈ উঠিব বুলি আমি আশা কৰিছো । পুথিখনৰ ছপা-বন্ধা ভাল, পাঠকে ভিতৰ-চ'ৰাত সোমায়ো ভাল পাব ।

## প্ৰীতীশ নন্দীৰ ইংৰাজী কবিতাৰ অসমীয়া অনুবাদ

প্ৰীতীশ নন্দীৰ কবিতা
অনুবাদ ঃ শশীপ্ৰভা দাস
*প্ৰকাশক ঃ উমাকান্ত দাস*
*বন্যা প্ৰকাশন*
*নন্দনপুৰ, গুৱাহাটী- ৫*

শ্ৰীমতী শশীপ্ৰভা দাসে প্ৰীতীশ নন্দীৰ ইংৰাজী কবিতাৰ পুথি 'The Rainbow Last Night'ৰ অসমীয়া ভাঙনি কৰি অসমীয়া পাঠকক নন্দীৰ কবিতাৰ সতে পৰিচয় কৰি দিয়াৰ উপৰিও সাংস্কৃতিকভাৱে অসম-বঙ্গৰ এনাজৰিডালো কটকটীয়া কৰিছে ।

শ্ৰীনন্দীৰ ইংৰাজী কবিতাসমূহৰ ঘাই বৈশিষ্ট্য হ'ল তাৰ ফৰ্ম । তেওঁৰ শব্দ-গাঁথনি সু-সংবদ্ধ, অৰ্থঘন, আৰু স্তৱক-সজ্জাও কলাসুলভ । উপমা-উৎপ্ৰেক্ষাৰে ব্যঞ্জনাময় এই চুটি কবিতাবোৰৰ আপাতসৰল প্ৰকাশ-ভঙ্গীৰ মাজত অন্তৰ্জীৱন স্পষ্ট-অস্পষ্টভাৱে ইঙ্গিতময় হৈ উঠিছে । এই দক্ষতাই তেওঁৰ কবিতাবোৰক দিছে এটি সুকীয়া মাত্ৰা– যাৰ লগত তুলনীয় কেৱল জাপানী 'হাইকু'বোৰ । 'হাইকু' সৃষ্টিৰ পটভূমি অৱশ্যে বেলেগ, নন্দীৰ কবিতাৰ অৰ্থঘনতা, মিতভাষণ, আৰু ব্যঞ্জনাময় প্ৰকাশৰ মূলত ইংৰাজ কবি টি, ই, হিউমৰ দৰে মানস-চিত্ৰবাদীসকলৰ পৰোক্ষ প্ৰভাৱো থাকিব পাৰে । তথাপি নন্দী 'স্ব-মহিম্নি' প্ৰতিষ্ঠিত । মানুহ, প্ৰকৃতি, প্ৰেম, আদি লৈয়ে তেওঁৰ কবিতা, ঠায়ে ঠায়ে ভঙ্গী ৰোমাণ্টিক, দুই-এঠাইত পৰিবেশৰ অন্তৰঙ্গ ব্যঞ্জনাও নোহোৱা নহয় । প্ৰসঙ্গৰ বৈচিত্ৰ্যয়ো তেওঁৰ কবিতাৰ স্বাদ বঢ়াইছে । কবিতা তেওঁৰ বাবে Pure art, কবিতাৰ কলাই কলাকেই লুকাই থৈ যি ৰসাত্মক কাব্যিক পৰিবেশৰ সৃষ্টি কৰে, সেই পৰিবেশ ৰচনাৰ কৌশল নন্দীয়ে আয়ত্ত কৰিছে । জীৱনে তেওঁক চুই যায় যদিও তেওঁ নিৰাসক্ত । তেওঁ নিঃসঙ্গতাৰ কবি ঃ

প্ৰকৃতিৰ সৌন্দৰ্যও তেওঁ কেইটামান শাৰীতে ধুনীয়াকৈ ধৰি ৰাখিছে । তেওঁৰ Butterfly নামৰ কবিতাটোকে উদাহৰণ স্বৰূপে ল'ব পাৰি । The angry squall / subsides / the fallen flower / returns / to the branch / with wings ইয়াৰ অসমীয়া ভাঙনি শ্ৰীমতী দাসে এনেকৈ কৰিছে ঃ খঙাল বতাহজাকৰ / হো-হোৱনি / শাম কাটিছে / গছৰ ডাললৈ / পাখি মেলি / উভতিছে / সৰিপৰা ফুল । দাসৰ অনুবাদ বেয়া হোৱা নাই যদিও, ইয়াক আন ধৰণেও অনুবাদ কৰিব পৰা যায় ঃ

উত্তাল ধুমুহা
শাম কাটিছে
পাখি মেলি
সৰা ফুল পাহ
উভতিছে
গছৰ ডাললৈ

এই ধৰণৰ হাইকু এটা পঢ়া মনত পৰে । ইয়াত পখিলাক পাখি মেলা ফুলৰ লগত বিজোৱা হৈছে । শান্ত পৰিবেশত গছৰ ডালত পৰি থকা পখিলা এটাৰ চিত্ৰ কবিয়ে ইয়াত সাৰ্থকভাৱে দাঙি ধৰিছে । সেইদৰে প্ৰেম, মৃত্যু ফুল, আত্মহত্যা প্ৰতিবাদ শৈশৱ জীৱন– আদি বিচিত্ৰ অভিজ্ঞতাৰ ক্ষুদ্ৰ মুহূৰ্তবোৰ আনুভূতিক তীব্ৰতাৰ মাজত তেওঁ ধৰি ৰাখিছে । তেওঁ 'ভৱিষ্যত' সম্বন্ধে চিন্তান্বিত নহয়, তেওঁৰ মতে ভৱিষ্যত ৰহস্যময়, সেই ৰহস্যৰ মাজত মানুহ নিঃশেষ হৈ যায় । we run out of mysteries' তেওঁ কৈছে । Birth Right নামৰ কবিতাত তেওঁ কব খুজিছে, জীৱন দুখময়, যদিও মানুহৰ স্বপ্ন দেখাৰ অধিকাৰ আছে ঃ, তথাপি দুখৰ পৰা মানুহৰ মুক্তি নাই ঃ

Bright Right
The angry wind
drives a sullen path
through a pady field
We walk
towards a twilight
; darkness
is our right
to sorrow
to dream

ইয়াৰ অসমীয়া ভাঙনি শ্ৰীমতী দাসে কৰিছে এনেদৰে ঃ শস্যৰ পথাৰখনৰ মাঁজেদি / খঙাল বতাহজাকে / খেদি নিছে অভিমানী পথটোক / আৰু আমি / চকামকা পোহৰৰ দিশলৈ / গৈ আছো / বিষাদ আৰু / সপোনৰ ওচৰলৈ /, আমাৰ বাবে / অন্ধকাৰেই সত্য । দাসৰ অনুবাদত 'অন্ধকাৰেই সত্য' বুলি কোৱা হৈছে ; কিন্তু কবিয়ে কব খুজিছে অন্ধকাৰ মানুহৰ জন্মস্বত্ব– দুখ আৰু দুখ মুক্তিৰ স্বপ্নৰ আবৰ্তত মানুহৰ জীৱন ঘূৰি থাকে, কিন্তু কাহানিও তাৰ পৰা মানুহৰ মুক্তি নহয় । এই Sense of despair,- যাক আধুনিক মনোবৃত্তি বুলি কোনো কোনোৱে ক'ব খোজে – ইয়াৰ অন্তৰ্নিহিত সুৰ ।

শ্ৰীমতী শশী প্ৰভা দাসৰ অনুবাদত ঠায়ে ঠায়ে সফলতাৰ চিনাকি নোহোৱা নহয় ; মূলৰ প্ৰতি আনুগত্যৰ লগতে, যি ভাষালৈ ৰূপান্তৰ কৰা হয়, সেই ভাষাৰ সৌন্দৰ্য ৰক্ষা কৰাটো যদি অনুবাদৰ লক্ষ্য হয়, তেন্তে শ্ৰীমতী দাসৰ প্ৰচেষ্টা একেবাৰে অসাৰ্থক হোৱা নাই । অৱশ্যে, সামগ্ৰিক ভাৱে, চালে কিছুমান আসোঁৱাহ যে নোলাব এনে নহয় । কিছুমান ক্ষেত্ৰত তেওঁ অধিক সতৰ্ক হোৱা হ'লে ভাল হলহেঁতেন । উদাহৰণস্বৰূপে, 'Touch' নামৰ কবিতাটোত my wounds still bleed'- এই কথাযাৰৰ গুৰুত্ব আছে,– কিন্তু দাসে কেৱল 'তেজ নিগৰে' বুলি কোৱাত তাৰ প্ৰকৃত অৰ্থ ব্যঞ্জিত নহ'ল যেন লাগে । আৰু দুই এটা আসোঁৱাহো চকুত পৰিছে । ৪৩ পৃষ্ঠাত 'নৈ' শীৰ্ষক কবিতাটোৰ শীৰ্ষক হব লাগে 'নিশা' (Night). crusoe শব্দটো ক্ৰুছ হৈ আছে । কোনো কোনো ঠাইত except শব্দটোৰ অনুবাদ 'অবিহনে' কৰা হৈছে । 'বাহিৰে' এই অব্যয়টোহে বেছি খাপখোৱা হ'ব যেন লাগে । এনেবোৰ ত্ৰুটি থাকিলেও, দাসৰ চেষ্টা অসাৰ্থক বুলিব নোৱাৰি । তেওঁৰ পৰৱৰ্তী প্ৰচেষ্টা সুন্দৰতৰ হ'ব বুলি আশা কৰিছো । পুথি-খন সৰু যদিও বেটুপাত আৰু ছপাকাম মনোজ্ঞ হৈছে । আগ্ৰহী পাঠকে হাতত লৈ আনন্দ পাব । সূ





# বোমা বিস্ফোৰণ, নৃশংস হত্যাকাণ্ড কাৰ স্বাৰ্থত ?

হিতেন মহন্ত

বোমা বিস্ফোৰণ, হত্যাকাণ্ড, অপহৰণ । আকৌ সেই ভয়াবহ দিনবোৰ যেন ঘূৰি আহিব ধৰিছে । প্ৰায় এবছৰ কাল অসমৰ ৰাইজে সামান্য পৰিমাণে শান্তিৰে কটোৱাৰ পিছত পুনৰ সন্ত্ৰাসবাদৰ সমুখীন হৈছে । বিগত এবছৰ কালত দুটা এটা হিংসাত্মক ঘটনা যে ঘটা নাছিল এনে নহয় । কিন্তু সেই ঘটনা আছিল বিক্ষিপ্ত । কিন্তু এবছৰৰ অন্তত অসমৰ ৰাইজ পুনৰ সংগঠিত সন্ত্ৰাসবাদী কাৰ্যৰ সমুখীন হৈছে । ঠিক এবছৰৰ আগেয়ে অৰ্থাৎ যোৱা বছৰৰ নৱেম্বৰত নলবাৰী, বৰপেটা আৰু গুৱাহাটীৰ উজান বজাৰত সংগঠিতভাৱে ভয়াবহ বোমা বিস্ফোৰণ সংঘটিত কৰা হৈছিল । সেই বোমা বিস্ফোৰণৰ ঘটনাত বহু নিৰীহ লোকৰ প্ৰাণ হানি হৈছিল । লক্ষণীয় দিশটো হ'ল এয়ে যে যোৱা বছৰৰ দৰে এইবাৰো যাত্ৰীবাহী বাছ আৰু ৰাজহুৱা স্থানত বোমা বিস্ফোৰণ সংঘটিত কৰা হৈছে । আটাইতকৈ চাঞ্চল্যকৰ আৰু লোমহৰ্ষক কথাটো হ'ল এয়ে যে কটকটীয়া নিৰাপত্তাৰ ব্যৱস্থা থকা সত্বেও বিধায়ক আবাস চৌহদত বোমা বিস্ফোৰণ সংঘটিত কৰা হৈছে । এই ঘটনা নিঃসন্দেহে চৰকাৰৰ সমুখত ডাঙৰ প্ৰত্যাহ্বান ।

বিধায়ক আবাস চৌহদত বোমা বিস্ফোৰণৰ ঘটনাই আৰক্ষী প্ৰশাসন আৰু বিশেষকৈ চোৰাংচোৱা বিভাগৰ শোচনীয় ব্যৰ্থতাকে সূচাইছে । গুৱাহাটীত যোৱা ২১ নৱেম্বৰৰ বোমা বিস্ফোৰণৰ ঘটনাৰ আগেয়ে দুই এখন বাতৰি কাকতত গুৱাহাটীত উগ্ৰপন্থী সক্ৰিয় হৈ উঠা বুলি বাতৰি প্ৰকাশ পাইছিল । উক্ত বাতৰি প্ৰকাশ পোৱাৰ পিছতো আৰক্ষী প্ৰশাসন তৎপৰ নহল । অন্ততঃ উক্ত বাতৰিৰ সত্যতা নিৰ্দ্ধাৰণ কৰাৰ বাবেই গুৱাহাটীৰ ৰাজহুৱা স্থান বোৰত আৰক্ষী প্ৰশাসনে বিশেষ পহৰাৰ ব্যৱস্থা কৰিব পাৰিলেহেঁতেন । আৰক্ষী প্ৰশাসন আৰু চোৰাংচোৱা বিভাগ যে মুঠেই সক্ৰিয় নহয়, বিধায়ক আবাস চৌহদৰ বোমা বিস্ফোৰণৰ ঘটনাই প্ৰমাণ কৰে । সেইদৰে পল্টন বজাৰৰ যাত্ৰীবাহী বাছখনত বিস্ফোৰিত বোমাটো আদাবাৰী বাছ আস্থানতেই সংস্থাপন কৰা হৈছিল বুলি বাতৰি প্ৰকাশ পাইছে । গুৱাহাটীত আৰক্ষী বাহিনীৰ পৰ্যাপ্ত লোক থকা সত্বেও উগ্ৰপন্থীয়ে এনেদৰে বোমা লৈ ঘূৰি ফুৰিব পৰাটো নিতান্তই লজ্জাজনক বিষয় । আৰক্ষী প্ৰশাসনৰ এই ব্যৰ্থতাই নিঃসন্দেহে উগ্ৰপন্থীক উৎসাহ যোগাব ।

আৰক্ষী প্ৰশাসনৰ ব্যৰ্থতাৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হ'ল এয়ে যে বোমা বিস্ফোৰণৰ আঁৰত বড়ো উগ্ৰপন্থী জড়িত থকা বুলি সন্দেহ কৰা হৈছে যদিও প্ৰকৃততে কোন জড়িত ৪৮ ঘণ্টা অতিক্ৰম হৈ যোৱাৰ পিছতো চৰকাৰীভাৱে তাক নিশ্চিত কৰিব নোৱৰাটো । দুৰ্বৃত্তক কৰায়ত্ত কৰা দূৰৰে কথা । ৰাজ্যিক আৰক্ষী চোৰাংচোৱা বিভাগত যে কেৰোণ আছে, সেইটোৱে ইয়াৰ দ্বাৰা প্ৰমাণিত হয় । আৰক্ষী চোৰাংচোৱা বিভাগত নিশ্চয় বিশ্বাসহীনতা আৰু জড়তাই গা কৰি উঠিছে । ইয়াৰ সুবিধা গ্ৰহণ কৰিছে সন্ত্ৰাসবাদীয়ে । যোৱা দুটা মাহত বোমা বিস্ফোৰণৰ ঘটনাত ৰাজ্যখনত প্ৰায় ৭৫ জন নিৰীহ লোকে প্ৰাণ হেৰুৱালে । যোৱা ১১ অক্টোবৰত পাতিলাদহ ৰেল ষ্টেচনৰ ওচৰত যাত্ৰী বাহী ৰেল এখনত সংঘটিত কৰা বোমা বিস্ফোৰণৰ ঘটনাত পঞ্চাশজনৰো অধিক লোকে প্ৰাণ হেৰুৱাইছিল । সেই দৰে ২১ নৱেম্বৰৰ বোমা বিস্ফোৰণৰ ঘটনাত ২১ জন লোকৰ শোকাবহ মৃত্যু নিশ্চিত হৈছে । দেশৰ সংবিধানত মানুহৰ জীৱন আৰু সম্পত্তিৰ ৰক্ষণাবেক্ষণৰ মৌলিক অধিকাৰ হিচাপে নিশ্চিত হৈ থকাৰ পিছত এনেদৰে বিনা কাৰণত নিৰীহ লোকে সন্ত্ৰাসবাদী কাৰ্যৰ বলি হ'ব লগা হোৱা ঘটনাক আচলতে কোনো ভাষাৰে গৰিহণা দি মনৰ ভিতৰৰ জ্বলা জুই নুমুৱাব নোৱাৰি ।

> ৰাজ্যখনত কংগ্ৰেছ(ই) চৰকাৰ শাসন ক্ষমতালৈ অহাৰ পিছতেই বড়োলেণ্ড আৰু কাৰ্বি সমস্যা সমাধানৰ ক্ষেত্ৰত আশাৰ ৰেঙণি দেখা গৈছিল । কাৰ্বি আৰু বড়ো নেতৃত্বই মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ওপৰত আস্থা প্ৰকাশ কৰি ৰাজহুৱাভাৱে বিবৃতিও দিছিল । কিন্তু সেই আস্থা বেছি দিন টিকি নাথাকিল ।

এনেদৰে বোমা বিস্ফোৰিত কৰি নিৰীহ লোকৰ প্ৰাণ লোৱাৰ আঁৰত যে জঘন্য আৰু ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থ লুকাই আছে, সেই কথা অনস্বীকাৰ্য । কিন্তু বিকৃত মস্তিষ্কৰ কিছু সংখ্যক লোকৰ এই জঘন্য ৰাজনৈতিক স্বাৰ্থ প্ৰতিহত কৰিব নোৱৰাটো শাসনৰ গাদীত থকা সকলৰ বাবে অত্যন্ত পৰিতাপৰ বিষয় । কেৱল পুলিচ, মিলিটেৰী জাপি দি দমন নীতিৰে এই জঘন্য ৰাজনৈতিক স্বাৰ্থ প্ৰতিহত কৰিব নোৱাৰি । সন্ত্ৰাসবাদী কাৰ্যৰ বিৰুদ্ধে ব্যাপক জনমত গঠন কৰি সন্ত্ৰাসবাদী সকলক জনগণৰ পৰা অকলশৰীয়া কৰিব পাৰিলেহে মূলতঃ সন্ত্ৰাসবাদ ৰোধ কৰিব পৰা যাব । কিয়নো সন্ত্ৰাসবাদী সকলে কিছুসংখ্যক লোকৰ সমৰ্থনতেই নিৰীহ লোকৰ প্ৰাণ লোৱাৰ দৰে বৰ্বৰোচিত কাম সিদ্ধি কৰিব পাৰে । অৱশ্যে বহুলোকে ভীতিগ্ৰস্ততাৰ বাবেও সন্ত্ৰাসবাদীৰ পৰিচয় জানিলেও, সেই পৰিচয় গোপনে ৰাখে । এই ভীতিগ্ৰস্ততা দূৰ কৰাৰ দায়িত্বও শাসনৰ গাদীত বহি থকা সকলৰেই । সেই দৰে জঘন্য আৰু ক্ষুদ্ৰ ৰাজনৈতিক স্বাৰ্থ প্ৰতিহত কৰাৰ বাবে প্ৰয়োজন হয় ৰাজনৈতিক সদিচ্ছা আৰু একাগ্ৰতা ।

ৰাজ্যখনত কংগ্ৰেছ (ই) চৰকাৰ শাসন ক্ষমতালৈ অহাৰ পিছতেই বড়োলেণ্ড আৰু কাৰ্বি সমস্যা সমাধানৰ ক্ষেত্ৰত আশাৰ ৰেঙণি দেখা গৈছিল । কাৰ্বি আৰু বড়ো নেতৃত্বই মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ওপৰত আস্থা প্ৰকাশ কৰি ৰাজহুৱাভাৱে বিবৃতিও দিছিল । কিন্তু সেই আস্থা বেছি দিন টিকি নাথাকিল । অলপ দিনৰ ভিতৰতেই দুয়োটা নেতৃত্বই মুখ্যমন্ত্ৰীৰ ওপৰত থকা আস্থা হেৰুৱাই পেলালে । ফলস্বৰূপে দুয়োটা নেতৃত্ব আৰু মুখ্যমন্ত্ৰীৰ মাজত পুনৰ ৰাজনৈতিক যুদ্ধ আৰম্ভ হয় । কাৰ্বি সমস্যা সমাধানৰ মূল পদক্ষেপ হিচাপে জিলা পৰিষদক ৩০টা বিভাগ হস্তান্তৰৰ বন্দোবস্তি হোৱাৰ সময়তে গণতান্ত্ৰিক ভাৱে নিৰ্বাচিত জিলা পৰিষদ ভংগ কৰি দিয়া ঘটনাই স্বাভাৱিকতে সকলোকে স্তম্ভিত কৰে । সাংবিধানিক ভাৱে ৰাজ্য চৰকাৰে জিলা পৰিষদ ভংগ কৰিব পাৰে যদিও ৰাজনৈতিকভাৱে এই কাৰ্য কিমান দূৰ সমীচীন হৈছে, সেইটো কেৱল সময়েহে কব পাৰিব ।

দুৰ্নীতি আৰু পৰিকল্পনা শিতানত খৰচ কৰিব নোৱৰা ধন ঘূৰাই নিদিয়াৰ অভিযোগতেই জিলা পৰিষদ ভংগ কৰি দিয়া হৈছে বুলি কোৱা হৈছে। দুৰ্নীতি সমৰ্থনযোগ্য নহয় যদিও কেৱল যে কাৰ্বি আংলঙতেই দুৰ্নীতি হৈছে এনে নহয়। ৰাজ্যখনৰ সৰ্বত্ৰই দুৰ্নীতি থকাটো সৰ্বজনবিদিত। তাৰ উপৰি দুৰ্নীতিৰ অভিযোগ প্ৰমাণ হবও লাগিব। দ্বিতীয়তে ভংগ কৰি দিয়া জিলা পৰিষদৰ নেতৃত্বই খৰচ কৰিব নোৱৰা ১১ কোটি টকা পাৰ্চনেল লেজাৰত ঘূৰাই দিয়া বুলি ৰাজহুৱা ভাবে দাবী কৰিছে। সেয়েহে এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে বিষয়টো অধিক স্পষ্ট কৰি দিয়া উচিত। অৱশ্যে পৰিকল্পনা শিতানত ধন লাভ কৰি কাৰ্বি আংলঙৰ দৰে পিছপৰা জিলা এখনৰ উন্নয়নৰ বাবে ধন খৰচ কৰিব নোৱৰাটো মুঠেই সমৰ্থনযোগ্য নহয়। কিয়নো পৰিকল্পনা শিতানত কেন্দ্ৰীয় চৰকাৰেহে ধনৰ অনুমোদন জনায়। অনুমোদিত ধন খৰচ কৰিব নোৱৰাটোৱে পৰৱৰ্তী পৰিকল্পনা শিতানত ধনৰ অনুমোদনত ক্ষতি কৰিব। কাৰণ স্বাভাৱিকতে এই ব্যাখ্যা দাঙি ধৰা হব যে ধন যদি খৰচেই কৰিব নোৱাৰে, তেনেহ'লে উক্ত ধনৰ নিশ্চয় প্ৰয়োজন নাই।

আনহাতে সম্প্ৰতি আবছু আৰু বি পি এ চিৰ নেতৃত্বই অভিযোগ কৰিছে যে বড়োলেণ্ড সমস্যা সমাধানৰ ক্ষেত্ৰত মুখ্যমন্ত্ৰীয়ে পলমীয়া নীতি বা কৌশল গ্ৰহণ কৰিছে। উক্ত কৌশলেৰে মুখ্যমন্ত্ৰীয়ে বড়োলেণ্ড সমস্যা সমাধানত বাধা আৰোপ কৰিছে। মুখ্যমন্ত্ৰীয়ে উক্ত অভিযোগ খণ্ডন কৰিছে। সি যি কি নহওক প্ৰস্তাৱিত বড়োলেণ্ড স্বায়ত্ত শাসনৰ অধীনত অন্তৰ্ভুক্ত কৰিবলৈ দাবী কৰা গাঁৱৰ সংখ্যা আৰু ১০৯ খন চাহ বাগিচাক কেন্দ্ৰ কৰিহে মূলতঃ ৰাজ্য চৰকাৰ আৰু বড়ো নেতৃত্বৰ মাজত বিৰোধ দেখা দিছে। বড়ো নেতৃত্বই ৪৬৫৩ খন গাঁও অন্তৰ্ভুক্ত কৰাৰ বাবে দাবী জনাইছে। কিন্তু ৰাজ্য চৰকাৰৰ মতে দাবী কৰা মুঠ গাঁৱৰ ভিতৰত ১০৩৫ খন গাঁৱত কোনো জনজাতীয় লোক নাই। কিন্তু ১০৯ খন চাহ বাগিচা অন্তৰ্ভুক্ত কৰা দাবী যুক্তিসংগত আৰু বাস্তৱ নহয়। কিয়নো চাহ বাগিচা কেইখনত কাম কৰা বৃহৎ সংখ্যক চাহ জনজাতি লোকৰ মতামতৰ অবিহনে প্ৰস্তাৱিত বড়োলেণ্ড স্বায়ত্ত শাসনৰ অধীনত চাহ বাগিচা কেইখন অন্তৰ্ভুক্ত কৰি দিয়াটো মুঠেই সমীচীন নহব।

সেয়ে হ'লেও কাৰ্বি আৰু বড়ো সমস্যা ৰাজনৈতিক ভাবে সমাধান কৰাৰ প্ৰধান দায়িত্ব ৰাজ্য চৰকাৰৰ। তেওঁলোকক আলোচনাৰ মেজলৈ অনাৰ দায়িত্ব ৰাজ্য চৰকাৰৰ। চৰকাৰৰ কৃতিত্ব তাতেই নিহিত হৈ আছে। অন্যথা এচাম বিকৃত মস্তিষ্কলোকৰ অমানৱীয় কাৰ্য ৰোধ কৰিব পৰা নাযাব। ৰাজ্য চৰকাৰে এই দিশটোৰ প্ৰতি মনোযোগ দিয়া উচিত। সু

# শিক্ষানুষ্ঠানত লেতেৰা ৰাজনীতিৰ প্ৰৱেশ মুখ্যমন্ত্ৰীয়ে ঘটাইছে?

অৰিন্দম শইকীয়া

অসমৰ শিক্ষানুষ্ঠান সমূহত বিভাজন আৰু ৰাজনীতিৰ বিষবাষ্প বিয়পাই তুলিছে বুলি সদৌ অসম ছাত্ৰ সংস্থাই অসমৰ শাসক দল কংগ্ৰেছ (ই)ৰ প্ৰতি বিষোদগাৰ কৰা বিভিন্ন কাকতে পত্ৰই দেখিবলৈ পোৱা গৈছে। শিক্ষানুষ্ঠানৰ পৱিত্ৰতাক ধ্বংস নকৰিবলৈ অসম চৰকাৰক আছুৱে হুমকি দিয়াও দেখিবলৈ পোৱা গৈছে। অহুকাণে পহুকাণে শুনামতে মুখ্যমন্ত্ৰী শইকীয়াই আছুৰ সমান্তৰাল ছাত্ৰ সংগঠন এটা গঢ়ি তুলিবলৈ যৎপৰোনাস্তি প্ৰচেষ্টা চলাইছে বুলি গুজব ওলাইছে। কথাবোৰ কিমান দূৰ সত্য এতিয়াও সবিশেষ গম পোৱা নাই। একপক্ষীয় ভাবে বিচাৰ কৰিলে সদৌ অসম ছাত্ৰ সংস্থাৰ অভিযোগবোৰ সঁচা সঁচা যেন লাগে। কাৰণ আমি ইতিমধ্যে লক্ষ্য কৰিছো যে মুখ্যমন্ত্ৰীকে আদি কৰি অসম মন্ত্ৰীসভাৰ কেইগৰাকীমান মন্ত্ৰীয়ে য'লৈ যায়, ত'তেই এটা শকত পৰিমাণৰ ধনৰ টোপোলা আগবঢ়ায়। আনহাতে যিবোৰ ঠাই বা শিক্ষানুষ্ঠানলৈ এখেতলোকক আমন্ত্ৰণ কৰা নহয়, সেই শিক্ষানুষ্ঠানবোৰে এনে অনুদানৰ পৰা বঞ্চিত হ'ব লগা হয়। কোনো এখন ঠাইৰ কোনো এটা প্ৰতিষ্ঠানে মুখ্যমন্ত্ৰী বা অন্য মন্ত্ৰীক আমন্ত্ৰণ কৰি নিলেই সেই ঠাইডোখৰৰ সকলো মানুহে মন্ত্ৰী গৰাকীক আন্তৰিকতাৰে ভাল পাই বোলা কথাষাৰ বাৰু কিমান দূৰ সত্য! অসমৰ ভিতৰুৱা অঞ্চলবোৰ ঘূৰি ফুৰোঁতে এই প্ৰতিবেদকে এনে কিছুমান মানুহক লগ পাইছে, যিবোৰে মুখ্যমন্ত্ৰী শইকীয়াৰ সততা আৰু কৰ্মদক্ষতাক ভূৰি ভূৰি প্ৰশংসা কৰে। বৰ্তমান চৰকাৰখনৰ পৰা এই ঠাইৰ মানুহবোৰে আজি পৰ্যন্ত কুটা এডালকে পাবলৈ সক্ষম হোৱা নাই। আগন্তুক বছৰকেইটাত শইকীয়া চৰকাৰৰপৰা এই মানুহখিনিয়ে একো এটা যে নাপায়, তাক বঢ়িয়াকৈ জানে। কাৰণ এওঁলোকে তোষামোদ কৰিব নাজানে, দালাল হ'ব নোৱাৰে। প্ৰচলিত সমাজ ব্যৱস্থাত এই পিছপৰা অঞ্চলবোৰ তথা মানুহবোৰ চিৰদিন উপেক্ষিত হৈ ৰ'ব। আজি এই পিছপৰা অঞ্চলবোৰৰ কথা ভাবিবলৈ মাননীয় মন্ত্ৰীসকলৰ বোধ হয় আহৰিয়েই নাই! চহৰৰ মূধা ফুটা বুদ্ধিজীৱী আৰু ধামখুমীয়া পৰিবেশ আদিৰ লগত ব্যস্ত হওঁতেই এখেতলোকৰ ব্যস্ত সময়খিনি কৰবাটে উৰা মাৰে। এয়া অত্যন্ত দুখৰ বিষয়, আমাৰ সকলোৰেই বাবে।

মূল প্ৰসঙ্গৰ পৰা অলপ ফালৰি কাটি অহা হ'ল। প্ৰসঙ্গটো আছিল– শিক্ষানুষ্ঠানত লেতেৰা ৰাজনীতিৰ প্ৰৱেশ। সদৌ অসম ছাত্ৰ সংস্থাৰ অভিযোগৰ সত্যাসত্য বিশ্লেষণ কৰাৰ আগতে সংগঠনটো নিজেই কিমান নিকা তাক পৰীক্ষা কৰি চাব লাগিব। মুখ্যমন্ত্ৰী শইকীয়াৰ লগত ছাত্ৰ সংস্থাৰ অহি-নকুল সম্পৰ্কৰ কথা পাঠক সমাজৰ আগত পুনৰ দোহাৰিবৰ প্ৰয়োজন আছে জানো? তেনে ক্ষেত্ৰত সদৌ অসম ছাত্ৰ সংস্থাৰ অভিযোগক ধোৱা তুলসীৰ পাত যেন গণ্য কৰিব পাৰিনে? নিজে বোকাত লুতুৰি পুতুৰি হৈ থাকি আনৰ গাত বোকা আছে বোলা অভিযোগটো বালসুলভ নহয়নে? শিক্ষানুষ্ঠানক অপৱিত্ৰ প্ৰথমতে কৰিলে কোনে? মুখ্যমন্ত্ৰীয়ে অপৱিত্ৰ কৰাৰ বহু বছৰৰ আগতে ছাত্ৰ সংস্থাই শিক্ষানুষ্ঠান বোৰ কিবা পৱিত্ৰ কৰি ৰাখিছিলনে? আনক ইতিহাসৰ পাত লুটিয়াবলৈ বৰ বৰ উপদেশ দিয়া ছাত্ৰ সংস্থাই নিজৰ ইতিহাসৰ পাত দুখিলামান লুটিয়াই চাবলৈ সাহস হবনে?

অসমৰ কাকতবোৰৰ মাজত জীয়াই থকা তথাকথিত (?) সদৌ অসম ছাত্ৰ সংস্থাই তেওঁলোকৰ নিজৰ ইতিহাসৰ পাত কেইখিলা কেতিয়াও লুটিয়াই চাবলৈ সাহস নকৰে। সেই সাহস ছাত্ৰ সংস্থাৰ নাই, একেবাৰেই নাই। অসমবাসীক বাৰে বাৰে বিশ্বাসঘাতকতা কৰিলেও কিছুমান মানুহৰ (!) বাবে সদৌ অসম ছাত্ৰ সংস্থাৰ নেতা-পালিনেতাবোৰ আজিও অসম প্ৰেমী হৈ আছে। আশ্চৰ্যৰ বিষয় নহয়নে? বিশ্ববিদ্যালয়ৰ চৌহদৰপৰা দিয়া নেতাসকলৰ নিৰ্দেশ মানি অসমৰ অসমীয়া জনসাধাৰণ জঁপিয়াই পৰিছিল বিদেশী বিতাড়ণ আন্দোলনত। গাঁৱৰ হোজা জনগণে যেতি-পথাৰ বাদ দি সৰ্বান্তঃকৰণে আন্দোলনত অংশ গ্ৰহণ কৰিছিল। ছাত্ৰ-ছাত্ৰীসকলে পঢ়াশালিৰ কিতাপ সামৰি থৈ নেতাসকলৰ আদেশ শিৰোধাৰ্য কৰাত লাগিছিল। পুলিচ-চি আৰ পিৰ গুলিত মৰিব লগা হ'ল গাঁৱৰ সহজ সৰল ৰাইজ। – "আই তোমাৰ পুত্ৰই অসম মাতৃৰ কাৰণে প্ৰাণ দিলে। তোমাৰ পুত্ৰ মৰিও অমৰ। তোমাৰ দৰে এগৰাকী মহীয়সী মাতৃক লৈ আজি সমগ্ৰ অসমবাসী গৌৰৱান্বিত। আজিৰপৰা তুমি অসমৰ ছহিদৰ মাতৃ হ'লা। সমগ্ৰ অসমবাসী আজি তোমাৰ পুত্ৰৰ মৃত্যু শোকত ম্ৰিয়মান। ধন্য তোমাৰ মাতৃত্ব।" আছুৱে এনেদৰেই সান্ত্বনা বাণী শুনাইছিল এগৰাকী সন্তান হেৰুওৱা মাতৃক। নিজৰ ঘৰৰ পদূলিত হাজাৰ হাজাৰ জনতা আৰু নেতাৰ ভিৰ দেখি শোকত বিহ্বল হৈ পৰা মাতৃ চমকিত হৈ উঠিছিল। প্ৰফুল্ল মহন্ত-ভৃগু ফুকন আদিয়ে সেয়া দেখোন গাড়ী দৌৰাই মোৰ ওচৰলৈকে আগবাঢ়ি আহিছে। অসমবাসীৰ চিৰনমস্য ব্যক্তি আজি মোৰ উৰুখা পঁজালৈ আহিছে। মোৰ সোণটো ইমান ডাঙৰ মানুহ আছিল নে? – পুত্ৰশোকে দহন কৰি থকা সেই দুৰ্ভগীয়া মাতৃ গৰাকীৰ বুকুখন গৌৰৱত চাগৈ ফুলি উঠিছিল। আন্দোলন ক্ৰমে তীব্ৰৰপৰা তীব্ৰতৰ হ'বলৈ আৰম্ভ কৰিলে। ছহিদৰ সংখ্যা বাঢ়ি যাবলৈ ধৰিলে। এসময়ত ছহিদৰ মাতৃক সান্ত্বনা দি দি ভাগৰি পৰিছিল বিশ্ব বিদ্যালয়ৰ চৌহদত নিৰাপদে আশ্ৰয় লোৱা প্ৰফুল্ল-ভৃগুৰ দলটো। ঠিক এনেদৰেই গ্ৰামাঞ্চলৰ সহজ সৰল ৰাইজক লৈ সদৌ অসম ছাত্ৰ সংস্থাই মৃত্যুৰ বেহা পাতিছিল। এয়া ইতিহাসৰ প্ৰথম এখিলা পাত।

সদৌ অসম ছাত্ৰসংস্থাৰ ইতিহাসৰ দ্বিতীয় খিলা পাতত লিখা আছে পৃথিৱী কঁপোৱা নৃশংস হত্যাযজ্ঞৰ কথা। নেলী আৰু গহপুৰ। মাত্ৰ এমুঠি অন্নৰ কাৰণে দিনৰ দিনটো ৰ'দে বৰষুণে থাকি হাড়-ভঙা পৰিশ্ৰম কৰা এই শ্ৰমজীৱী জনতাৰ ওপৰত আছুৰ অঘোষিত নিৰ্দেশত চলিছিল তামাম হত্যা যজ্ঞ। বাংলাদেশী ছাব মাৰি হাজাৰ হাজাৰ মুনিহ-তিৰোতাক অসমৰ বীৰপুৰুষ সকলে নৃশংস ভাবে হত্যা কৰিছিল। তিনিমহীয়া কেঁচুৱাৰ কোমল কলিজাও সাৰি যোৱা নাছিল অসমৰ অসমপ্ৰেমী (?) মথাৰ হাতৰ পৰা। নদীৰ ৰূপালী পানী নিমিষতে ৰঙা হৈ পৰিছিল। বুকুত কেঁচুৱা লৈ নদীয়েদি উটি আহিছিল মাতৃৰ নিষ্প্ৰাণ দেহবোৰ! নেলীৰ বুকুত থিয় হৈ অসমৰ স্বয়ম্ভু অসমপ্ৰেমী মথাই চিঞৰি কব পাৰিবনে এই মৃত্যুৰ বাবে হিতেশ্বৰ শইকীয়া দায়ী বুলি ......।

বিশ্বাসঘাতকতাৰ ঘৃণনীয় উদাহৰণটি: হয়, অসম চুক্তি, অসম গণ পৰিষদৰ কথাকে কবলৈ বিচৰা হৈছে। পুনৰ উল্লেখৰ প্ৰয়োজন নাছিল। কিন্তু কৰা হৈছে এই কাৰণেই যে, আমাৰ অসমীয়া মানুহখিনিয়ে নিজৰ অতীতটোক খুব সোনকালে পাহৰি পেলাব পাৰে। কমলাকান্ত ভট্টাচাৰ্যৰ 'উহ্ পাহৰণি যেন ৰাক্ষসিনী' নামৰ সেই 'জাতীয় গৌৰৱ' কবিতাটোৰ কথাবোৰ অসমীয়া মানুহৰ গাত বাৰুকৈয়ে খাটে। দহটা বছৰ বান্দৰ নচুৱাদি নচুৱাই অসমৰ বৃহৎ সংগঠনটোৱে আমাক সম্পূৰ্ণ উলংগ কৰি পেলালে। অসমৰ মানুহবোৰ যেন তেওঁলোকৰ নিকিনা গোলামহে।

অসমৰ শিক্ষানুষ্ঠানবোৰলৈ লেতেৰা ৰাজনীতিৰ প্ৰৱেশ ১৯৮৫ চনত সদৌ অসম ছাত্ৰ সংস্থাৰ উদ্যোগতে ঘটা নাছিলনে? সদৌ অসম ছাত্ৰ সংস্থাৰ মাননীয় সভাপতি আৰু সম্পাদক মহাশয়ক সুধিছো– কথাষাৰ মিছানে? স্পষ্ট ভাবে এইষাৰ কথা স্বীকাৰ কৰাৰ সাহস সৰ্বানন্দ সোণোৱাল বা সমুজ্জ্বল ভট্টাচাৰ্যৰ আছেনে? খৰ-বাগৰ মৰাৰ কায়দাটো ব্যৱহাৰ নকৰাকৈ ক'ব পাৰিবনে আপোনালোক ইয়াৰ বাবে দায়ী নহয় বুলি?

> মহন্ত চৰকাৰে একেৰাহে চাৰিবছৰ ৰাজ্যৰ নিয়োগ বন্ধ কৰি ৰাখিলে। হাজাৰ হাজাৰ নিবনুৱাক চৰম হতাশাৰ মাজলৈ থেলি দিলে। তেতিয়া ক'ত লুকাই আছিল সদৌ অসম ছাত্ৰ সংস্থাৰ নেতা-পালিনেতা বৃন্দ? আল্ফাৰ সন্ত্ৰাস আৰু হত্যাযজ্ঞ চলি থাকোতে ক'ত নিতাপ মাৰিছিল অসমৰ জাগ্ৰত প্ৰহৰীৰ দল? আল্ফাৰ শত সহস্ৰ হত্যাকাণ্ডবোৰৰ কিবা শক্তিশালী প্ৰতিবাদ সদৌ অসম ছাত্ৰ সংস্থাই কৰিছিলনে? যেতিয়ালৈকে নিজৰ স্বাৰ্থত আঘাত পৰা নাছিল তেতিয়ালৈকে 'টু' শব্দ এটাকে উচ্চাৰণ কৰা নাছিল অসমৰ স্বয়ম্ভূ ত্ৰাণকৰ্তা আছুৱে।

১৯৯১ ৰ অসম বিধান সভাৰ নিৰ্বাচনৰ প্ৰসংগ টানি আনি আপোনালোকৰ সংগঠনক লঘু কৰিবলৈ ইচ্ছা যোৱা নাই। আপোনালোকৰ সংগঠন ৰাজনৈতিক ভাবে কিমান নিৰপেক্ষ তাক এই নিৰ্বাচনটোৱে জল্জল্ পট্পট্কৈ বুজাই দিয়ে। অসমৰ বিভিন্ন দেৱালে-গছে ওলমি থকা প্ৰচাৰ পত্ৰবোৰৰ ভাষ্যবোৰ আজিও অসমবাসীৰ মনত আছে কিজানি! পাহৰি আপোনালোকেহে পেলাইছে নেকি! অলপ ভাবক চোন সেই পোষ্টাৰ বোৰত কি লিখা আছিল! '৮৩ চনৰ ৰক্তাক্ত নিৰ্বাচনটোৰ কথা আপোনালোকৰ যেনেদৰে মনত আছে, ঠিক তেনেদৰে বিগত কালছোৱাত ৰাজনৈতিক ভাবে আপোনালোক কিমান নিৰপেক্ষ আছিল সেই কথাও মনত থাকিব লাগে চোন। ধুৰন্ধামীৰো এটা সীমা থকা উচিত। অসমৰ জাগ্ৰত প্ৰহৰী বুলি দাবী কৰা সংগঠনটোৰ ছত্ৰছাঁয়াতে যেতিয়া ঘৃণনীয় কাণ্ডবোৰ ঘটে, তেতিয়া সেই প্ৰহৰীডালক প্ৰকৃততে প্ৰহৰী বুলিব নে অন্য কিবা বুলিব? অসমৰ গাত দেখা দিয়া বেমাৰ বোৰৰ বিষয়ে মূৰ ঘমোৱাৰ সলনি সদৌ অসম ছাত্ৰ সংস্থাই নিজৰ গাতেই থকা সেই গেলা ঘা টুকুৰাৰ চিকিৎসা প্ৰথমতে কৰক। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰ চ'ৰাৰ কদৰ্য ৰূপটোৰ বিষয়ে অসমত নজনা মানুহ খুব কমেইহে আছে। নিজৰ শিক্ষাগুৰুক অশালীন ব্যৱহাৰ কৰা, শিক্ষকৰ ঘৰলৈ মদৰ বটল দলিওৱা আদি বীভৎস কাণ্ডবোৰ আছুৰ পৱিত্ৰ তীৰ্থস্থান (?) তেই সম্পন্ন হোৱা নাই জানো! সদৌ অসম ছাত্ৰ সংস্থাৰ মহান অসম প্ৰেমী সকলে প্ৰথমে নিজৰ চৰিত্ৰৰ কলংক ধুই লওক। আনৰ চৰিত্ৰৰ বদগুণবোৰৰ বিষয়ে বৰ বৰ বকলা মেলাৰ আগতে এই স্নান কাৰ্য কৰি ল'লে অলপমান শুৱাব চাগৈ!

সদৌ অসম ছাত্ৰ সংস্থা– সদৌ অসমৰ ছাত্ৰ সমাজৰেই হয়নে? নিখিল বড়ো ছাত্ৰ সংস্থা, মিছিং ছাত্ৰ সংস্থা, মৰাণ-মটক ছাত্ৰ সংস্থা, কাৰ্বি ছাত্ৰ সংস্থা, তাই আহোম ছাত্ৰ সংস্থা আদি বিভিন্ন ছাত্ৰ সংস্থাবোৰৰ বিষয়ে সদৌ অসম ছাত্ৰ সংস্থাই কি কয়? এইবোৰ ছাত্ৰ সংগঠনৰ কিয় জন্ম হ'ব লগা হ'ল? এই প্ৰশ্নৰ উত্তৰ যদি অসমৰ তথাকথিত বৃহৎ সংগঠনটোৰ পৰা বিচৰা হয়, তেন্তে উত্তৰ পাব কোনোবা ৰাজনীতি বিদৰ প্ৰৰোচনাত এইবোৰ সংগঠনৰ জন্ম দিয়া হৈছে। সেই ৰাজনীতিবিদ গৰাকী কোন বুলি প্ৰশ্ন কৰিলে মুহূৰ্ততেই উত্তৰ পাব 'হিতেশ্বৰ শইকীয়া'। বচ্ ইয়াতেই তেওঁলোকৰ কাম শেষ। সন্তীয়া ধ্যান-ধাৰণা আৰু আবেগৰ মাজত উশাহ-নিশাহ লৈ জীয়াই থকা চামৰ পৰা এনেধৰণৰ উত্তৰ এটা পোৱাই স্বাভাৱিক। অসমৰ সকলো অশান্তিৰ কেন্দ্ৰ বিন্দু হিতেশ্বৰ শইকীয়া বুলি কৈ আগ গুৰি নথকা কথা এসোপা

লেক্‌চাৰ মাৰি কাম সমাপ্ত কৰা মানুহবোৰেই অসমখনক তিল তিল কৈ ধ্বংসৰ মুখলৈ আগবঢ়াই দিছে। সদৌ অসম ছাত্ৰ সংস্থাৰ উগ্ৰ জাতি দাম্ভিকতাইহে যে উপৰোক্ত ছাত্ৰ সংস্থাবোৰৰ জন্ম দিলে তাক কবলৈ গ'লে এওঁলোকৰ জিভাখন খহি পৰিব বুলি ভাবে। অসমৰ জনগোষ্ঠীসমূহৰ সমস্যাক গণ্য নকৰা, তেওঁলোকৰ ক্ষোভক বুজিবলৈ যত্ন নকৰা লেতেৰা চৰিত্ৰ বোৰ কঢ়িয়াই লৈ ফুৰা সদৌ অসম ছাত্ৰ সংস্থাক তেওঁলোকে কোন স'তেৰে নিজৰ বুলি মানি লয়? কেতিয়াবা এই মহান সংগঠনৰ মহান নেতাৰ মুখত শুনো – বড়ো ছাত্ৰ সংস্থা, কাৰ্বি ছাত্ৰ সংস্থা, চাহ জনজাতি ছাত্ৰ সংস্থা, তাই আহোম ছাত্ৰ সংস্থা আদিবোৰৰ একো হেনো অস্তিত্বই নাই। সকলোবোৰ 'হাৱা'তে চলি আছে। কথা এষাৰ আছে-নিলাজৰ লাজ নাই, কেঁকোৰাৰ মূৰ নাই। পাৰে যদি প্ৰত্যাহ্বান জনাওক এই সংস্থাবোৰক– অসমৰ তথাকথিত জাগ্ৰত প্ৰহৰীয়ে।

গুৱাহাটীৰ পৰা প্ৰকাশিত এখন দৈনিক অসমীয়া কাকত (২ নবেম্বৰ)ত বৰপেটাৰ এজন জনৈক ছাত্ৰনেতাৰ বিবৃতি পঢ়িছিলো। ৰাজনীতি সম্বন্ধে সেই ফুকলীয়া নেতাজনৰ জ্ঞান-গভীৰতা কিমান তাক সেই বাতৰিটো পঢ়াজনে নিশ্চয় অনুমান কৰিব পাৰিছে। মহান সংগঠনৰ সেই ফুকলীয়া ল'ৰাজনে অসমৰ মুখ্যমন্ত্ৰীৰ লগত বিতৰ্কত লিপ্ত হৈছে। সেয়া দুয়োৰে ব্যক্তিগত বিষয় তাত আমাৰ মাত মাতিব লগা একো নাই। হাঁহি উঠিল সেই ফুকলীয়া ল'ৰাজনে অলপতে কংগ্ৰেছ (ই)ত জইন কৰা ডেভিদ লেজাৰ আৰু পবিত্ৰ ডেকাক গোৱাল গালি এগাল পৰা দেখিহে। মুখ্যমন্ত্ৰীয়ে বাৰু তেওঁৰ অগাধ ব্যক্তিত্ব আৰু পাণ্ডিত্যৰ ওপৰত চেকা পেলাবলৈ যত্ন কৰাৰ বাবে এসেকা পালে। পিছে বোপাই, কিহৰ ৰোষতনো লেজাৰ আৰু ডেকাক 'লম্পট' বুলি গালি পৰা হ'ল? 'লম্পট' শব্দটো ক'ত কেতিয়া কেনেকৈ ব্যৱহাৰ হয় তাক বৰপেটাৰ সেই গৰাকী ছাত্ৰ নেতাই ভালকৈ সম্ভৱ নাজানে। হেমকোষ বা চন্দ্ৰকান্ত অভিধান অলপ ওজন থকা। চাওঁতে কষ্ট হ'ব পাৰে! সেয়েহে সেই ছাত্ৰ নেতাজনক অসম প্ৰকাশন পৰিষদে প্ৰকাশ কৰা 'আধুনিক অসমীয়া অভিধান'খন মেলি 'লম্পট' শব্দটোৰ প্ৰকৃত অৰ্থ চাবলৈ বিনম্ৰে অনুৰোধ জনালো! অসমৰ জাগ্ৰত প্ৰহৰী এজনে অসমীয়া ভাষাৰ শ্ৰাদ্ধ পতা দেখিলে অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰা বাংলাদেশীৰ সন্তানবোৰে মুখ টিপি হাঁহি মাৰিব!

অসম গণ পৰিষদ আৰু আছুৰ ৰাজত্ব কালত তেতিয়াৰ মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই শিক্ষানুষ্ঠানবোৰলৈ যাওঁতে শিক্ষানুষ্ঠানত ৰাজনীতি সোমোৱা নাছিল নেকি? আছুৱে তেতিয়া কিবা ফটোৱা জাৰি কৰিছিলনে? নাই কৰা। কৰা নাছিল। নিজৰ তেজ মঙহৰ সন্তান অগপ চৰকাৰক বাৰু কোন স'তেৰে বিৰোধিতা কৰে। বিৰোধিতা কৰিলেই যে সান্দহ খোৱা বালি তল থাব। মহন্ত চৰকাৰে একেৰাহে চাৰিবছৰ ৰাজ্যৰ নিয়োগ বন্ধ কৰি ৰাখিলে। হাজাৰ হাজাৰ নিবনুৱাক চৰম হতাশাৰ মাজলৈ থেলি দিলে। তেতিয়া ক'ত লুকাই আছিল সদৌ অসম ছাত্ৰ সংস্থাৰ নেতা-পালিনেতা বৃন্দ? আল্‌ফাৰ সন্ত্ৰাস আৰু হত্যাযজ্ঞ চলি থাকোতে ক'ত নিতাপ মাৰিছিল অসমৰ জাগ্ৰত প্ৰহৰীৰ দল? আল্‌ফাৰ শত সহস্ৰ হত্যাকাণ্ডবোৰৰ কিবা শক্তিশালী প্ৰতিবাদ সদৌ অসম ছাত্ৰ সংস্থাই কৰিছিলনে? যেতিয়ালৈকে নিজৰ স্বাৰ্থত আঘাত পৰা নাছিল তেতিয়ালৈকে 'টু' শব্দ এটাকে উচ্চাৰণ কৰা নাছিল অসমৰ স্বয়ম্ভু ত্ৰাণকৰ্তা আছুৱে। কমলা শইকীয়া, শবনম কলিতা, গ্ৰীটছেংকো ছাৰ্গেৰ নিৰ্মম হত্যাকাণ্ডই আছুৰ পক্ষপাত-দুষ্ট ৰাজনীতিৰ জ্বলন্ত উদাহৰণ।

অসম সংযুক্ত মুক্তি বাহিনীয়ে কেইমাহ মানৰ আগতে এটা বিবৃতিৰ যোগেদি বিগত অসম আন্দোলনক আবেগ-বিহ্বল বুলি আখ্যা দি পূৰ্ববঙ্গৰপৰা অহা মানুহখিনিক যেতিয়া অসমৰেই অধিবাসী বুলি স্বীকৃতি প্ৰদান কৰিলে, তেতিয়া অসমৰ জাগ্ৰত প্ৰহৰী আছুৰ ফোচ্‌ফোচনি শুনি অসমবাসীয়ে বেছ আমোদ পাইছিল।

১৯ অক্টোবৰৰ পৰা সদৌ অসম ছাত্ৰ সংস্থাৰ ৰাজ্যজুৰি আন্দোলনৰ কাৰ্যসূচী আৰম্ভ হৈছে। প্ৰসঙ্গ অসম চুক্তি ৰূপায়ণ, কংগ্ৰেছ (ই) চৰকাৰৰ দিনত চলা দুৰ্নীতি বন্ধ আদি। হাস্যকৰ বিষয় এয়ে যে পূৰ্বৰ অসম আন্দোলনৰ দৰে অভূতপূৰ্ব সঁহাৰি পাম বুলি আশা কৰা ছাত্ৰ সংস্থাই প্ৰথম খোজতে বৰ লাজ লগাকৈ গুৰি কটা কলগছ জোপাৰ দৰে বাগৰি পৰিল। ৰাইজৰ সামান্যতম সঁহাৰিও লাভ কৰিবলৈ সক্ষম নহ'ল। শিক্ষানুষ্ঠান কিছুমানৰপৰা বলেৰে ধৰি অনা ক্লাছ ছিক্স-ছেভেনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কোনোমতে কামফেৰা সমাপ্ত কৰি নাকটো ৰাখিলে।

যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ দুজনমান ছাত্ৰক বৰ্তমান আছুৰ আন্দোলনটোৰ বিষয়ে অভিমত বিচৰাত তেওঁলোকে একাষাৰে সকলোবোৰ নাকচ কৰে। তেওঁলোকৰ মতে, "বৰ্তমান চৰকাৰৰ দুৰ্নীতিক লৈ কোনো বাক্‌-বিতণ্ডা আৰু আন্দোলন কৰাৰ আমি প্ৰয়োজন বোধ কৰা নাই। দুৰ্নীতিৰ বিপক্ষে যুঁজিবলৈ অসমৰ ছাত্ৰ সমাজেহে আগবাঢ়ি যাব লাগে নেকি? আন সংগঠন আৰু বুদ্ধিজীৱীসকল নাই নেকি? ছাত্ৰ সংস্থাই আমাৰ জীৱনৰ এটা অমূল্য বছৰ নষ্ট কৰালে। আমি গাঁৱৰ ল'ৰা। চহৰলৈ আহিছো– পঢ়িবলৈহে। আন্দোলন কৰিবলৈ নহয়। অসমীয়া মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰীয়ে এনেদৰে গোটেই বছৰটো আন্দোলন কৰি কটাব লাগে। অসম মাতৃক বিদেশীৰ গ্ৰাসৰ পৰা মুক্ত কৰিব লাগে। আনহাতে ইংৰাজী মাধ্যমত পঢ়া ছাত্ৰ-ছাত্ৰী সকলে ......। ক'লে মহাভাৰত খনৰ সমান হ'বগৈ। মুঠতে পুনৰ আমি আছুৰ ৰাজনীতিৰ পাশা খেলৰ গুটি হ'ব নিবিচাৰো।"

অসমৰ কম বয়সীয়া ছাত্ৰ-ছাত্ৰীক ৰাজনীতিৰ পাশাখেলৰ গুটি হিচাপে ব্যৱহাৰ কৰি সদৌ অসম ছাত্ৰ সংস্থাৰ নেতাসকলে প্ৰতিবাৰেই নিজৰ ঘৃণনীয় স্বাৰ্থ পূৰণ কৰাত সফল হৈছে। ইয়াতকৈ লাজৰ বিষয় কিবা আছেনে? অসমখনক সুৰক্ষা দিম বুলি বিৰাট ভাষণ দিয়া এই নেতাসকলে শেহত গৈ প্ৰতিবাৰেই বিশ্বাসঘাতকতা কৰাৰ উদাহৰণ জল্‌জল্‌ পট্‌পট্‌কৈ জিলিকি আছে। অসমৰ ৰাইজেই আজি বিচাৰ কৰক, কোনে অসমৰ শিক্ষানুষ্ঠান বোৰলৈ লেতেৰা ৰাজনীতিৰ বিষবাষ্প বিয়পাইছে! ■


সূত্ৰধাৰ

ডাকযোগেও আপুনি পাব

বছৰেকীয়া বৰঙণি: ১৪৪ টকা

ছমহীয়া বৰঙণি: ৭২ টকা

ডাক মাচুলৰ পৰা ৰেহাই দিয়া হ'ল।

আপোনাৰ বৰঙণি ডিমান্ড ড্ৰাফ্‌ট অথবা চেক যোগে পূৰ্বৰী প্ৰকাশন প্ৰাঃ লিঃ, গুৱাহাটীৰ নামত তলৰ ঠিকনালৈ পঠিয়াওক:

চাৰ্কুলেচন মেনেজাৰ

সূত্ৰধাৰ

মনজেৰা হাউচ, মতিলাল নেহৰু পথ

পানবজাৰ, গুৱাহাটী ৭৮১০০১






# পূৰ্বোত্তৰ ৰাজ্যসমূহত সন্ত্ৰাসবাদৰ ন-ৰূপ

পবিত্ৰ কুমাৰ ডেকা

ৰাজনৈতিক অস্থিৰতা, ক্ৰমবৰ্দ্ধমান গোষ্ঠীগত সংঘৰ্ষ আৰু দিনক দিনে বাঢ়ি যোৱা অনুপ্ৰবেশ সমস্যাতকৈ শেহতীয়াভাবে নকৈ গা কৰি উঠা সন্ত্ৰাসবাদে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহক গভীৰ উদ্বেগত পেলাইছে। অৰুণাচল প্ৰদেশৰ বাহিৰে বাকী ছখন পূৰ্বোত্তৰ ৰাজ্য সম্প্ৰতি সন্ত্ৰাসবাদৰ কবলত। অৱশ্যে অৰুণাচল প্ৰদেশতো পিপুলচ্‌ লিবাৰেশ্বন ফোৰ্চ অৱ অৰুণাচল নামৰ বিদ্ৰোহী সংগঠন এটাৰ জন্ম হোৱা বুলি চোৰাংচোৱা বিভাগে সন্দেহ প্ৰকাশ কৰিছে যদিও এই পৰ্যন্ত সংগঠনটো আত্মগোপন অৱস্থাতে আছে বুলি প্ৰকাশ। ইতিমধ্যে অঞ্চলটোৰ সাতোখন ৰাজ্যৰ ভিতৰত ছয়খনতেই বিচ্ছিন্নতাবাদী প্ৰৱণতা বৃদ্ধি হোৱাক কেন্দ্ৰ কৰি চৰকাৰী মহলত ব্যাপক আলোচনা বিলোচনা হোৱা দেখা গৈছে। প্ৰাপ্ত বাতৰি মতে, উত্তৰ পূৰ্বাঞ্চলত উগ্ৰপন্থী বিৰোধী অভিযানত নিয়োজিত নিৰাপত্তা বাহিনীয়ে বিভিন্ন উগ্ৰপন্থী সংগঠনৰ পৰা তীব্ৰ প্ৰত্যাহ্বানৰ সমুখীন হ'ব লগা হৈছে।

উত্তৰ পূৰ্বাঞ্চলৰ উগ্ৰপন্থী সংগঠনসমূহৰ 'বিগ বছ' নেশ্বনেল ছ'চিয়েলিষ্ট কাউন্সিল অৱ নাগালেণ্ড নামৰ বিদ্ৰোহী সংগঠনৰ নেতৃত্বত ঐক্যবদ্ধ হোৱাৰ বাতৰিটোৰ পৰিপ্ৰেক্ষিত অঞ্চলটোৰ শান্তি-স্থিৰতা পুনৰ বিঘ্নিত হোৱাৰ আশংকা হৈছে। বিশেষকৈ নাগালেণ্ডৰ এন এছ চি এনৰ ক্ৰমবৰ্দ্ধমান কাৰ্য-কলাপ আৰু এই সংগঠনৰ নেতৃত্বত নকৈ গঢ়া পূৰ্বোত্তৰ উগ্ৰপন্থী সংগঠনসমূহৰ ঐক্যবদ্ধ সম্পৰ্ক স্থাপনৰ বিষয়টোৱে যথেষ্ট উদ্বেগৰ হেতু হৈ পৰিছে। ৰাজ্যসমূহত নিজ নিজ উগ্ৰপন্থী সংগঠনসমূহৰ সশস্ত্ৰ বিদ্ৰোহৰ উপৰিও গেৰিলা সন্ত্ৰাসে পূৰ্বোত্তৰ ৰাজ্যকেইখনৰ জনজীৱনত ব্যাপক শংকাৰ কাৰণ হিচাপে পৰিগণিত হৈছে। মুষ্টিমেয় জনগণে এমুঠি চাউল, এখন ৰুটিৰ বাবে দিনে নিশাই হাবাথুৰি খোৱা পূৰ্বোত্তৰ ৰাজ্যসমূহ আজি সশস্ত্ৰ বিদ্ৰোহৰ গৰাহত। দিল্লীস্থ ৰাষ্ট্ৰযন্ত্ৰক তেওঁলোকে 'ভাৰতীয় ৰাষ্ট্ৰ সন্ত্ৰাস' আখ্যা দি পূৰ্বোত্তৰ ৰাজ্য কেইখনক লৈ এখন স্বাধীন ৰাষ্ট্ৰ গঢ়াৰ স্বপ্ন। অৱশ্যে এই সন্ত্ৰাসবাদী মনোভাবক ভাৰত বিৰোধী বিদেশী শক্তিয়ে যে পৃষ্ঠপোষকতা কৰি আছে সেই কথাত ভাৰত চৰকাৰ নিশ্চয় সন্দিহান হৈ থকা নাই।

প্ৰাপ্ত খবৰ মতে, নাগালেণ্ডৰ এন এছ চি এনৰ নেতৃত্বত গেৰিলা মিত্ৰগোষ্ঠী মাৰ পিপুলছ কনভেনশ্বন্‌ (এইছ পি চি), নেশ্বনেল লিবাৰেশ্বন ফ্ৰণ্ট অৱ ত্ৰিপুৰা (এন এল টি), মণিপুৰ পিপুলচ্‌ লিবাৰেশ্বন আৰ্মি (এম পি এল এ), সংযুক্ত মুক্তি বাহিনী, অসম (আল্‌ফা) আৰু বড়ো ছিকিউৰিটি ফোৰ্চৰ দুশগৰাকী সদস্যই অসম-মণিপুৰ সীমান্তৱৰ্তী অঞ্চলক ঘাটি হিচাপে লৈ উগ্ৰপন্থী সকলক স্বয়ংক্ৰিয় অস্ত্ৰ-শস্ত্ৰৰ প্ৰশিক্ষণ আৰু যোগানৰ সু-ব্যৱস্থা কৰিবলৈ চেষ্টা চলাই আছে। অৱশ্যে কিছু দিনৰ আগলৈকে ভাৰত-বাৰ্মাৰ নিকটৱৰ্তী ম্যানমাৰৰ উত্তৰ অঞ্চলৰ পৰাহে পূৰ্বোত্তৰ উগ্ৰপন্থী সংগঠনসমূহ পৰিচালিত হোৱাৰ তথ্য সদৰি হৈছিল। সম্প্ৰতি পূৰ্বোত্তৰ উগ্ৰপন্থী সংগঠনসমূহৰ কেন্দ্ৰস্থল ম্যানমাৰৰ পৰা নিৰাপত্তাৰ খাতিৰত বাংলাদেশলৈ স্থানান্তৰিত হোৱা বুলি বিশেষকৈ অসম চৰকাৰৰ চোৰাংচোৱা বিভাগ নিশ্চিত হৈছে। যোৱা মাহত গোৱালপাৰা জিলাৰ অন্তৰ্গত অসম-মেঘালয় সীমান্তত আটক হোৱা আল্‌ফা সদস্য এগৰাকীয়েও পুলিচৰ আগত এই কথা ব্যক্ত কৰিছিল।

ইপিনে, উগ্ৰপন্থীৰ বিৰুদ্ধে ভাৰত চৰকাৰ আৰু ম্যানমাৰ চৰকাৰৰ মাজত ঐক্যমত স্থাপিত হোৱাৰ খবৰো ওলাইছে। কিন্তু এই সন্দৰ্ভত ভাৰত-বাংলাদেশৰ যুটীয়া প্ৰচেষ্টাৰ অভাৱত, উত্তৰ পূৰ্বাঞ্চলৰ সন্মিলিত উগ্ৰপন্থী শক্তিয়ে বাংলাদেশৰ প্ৰযত্নে আন আন বিদেশী ৰাষ্ট্ৰৰ (বিশেষকৈ ভাৰত বিৰোধী বিদেশী ৰাষ্ট্ৰ!) সহায় লৈ এটা সময়ত ভাৰতৰ অখণ্ডতাৰ প্ৰতিও তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিব পাৰে। কিন্তু চৰকাৰী মাধ্যমত ভাৰত-বাংলাদেশৰ মাজত কোনো শত্ৰু ভাৱ নাই! আৰু এই পৰ্যন্ত ভাৰতৰ স'তে বাংলাদেশে মৈত্ৰীপূৰ্ণ সম্বন্ধ বজাই ৰাখিও কিন্তু উত্তৰ পূৰ্বাঞ্চলৰ বিশেষকৈ অসমৰ উগ্ৰপন্থী, ৰাষ্ট্ৰ বিৰোধী শক্তিসমূহক পৃষ্ঠপোষকতা কৰি আছে, সেয়া অত্যন্ত ৰহস্যজনক। অৱশ্যে বাংলাদেশৰ সাৰ্বভৌমত্বৰ প্ৰতি সন্মান জনাই ভাৰতে সেই দেশত থকা উগ্ৰপন্থীৰ ঘাটি সমূহত অভিযান চলাবলৈ কূটনৈতিক নীতি অৱলম্বনৰ জৰিয়তে বাংলাদেশ চৰকাৰক সৈমান কৰাব পাৰে বুলি ইতিমধ্যে ৰাজনৈতিক পৰ্যবেক্ষক মহলত চিন্তা-চৰ্চা হৈছে।

নেপাল, ভূটানৰ আশীৰ্বাদতো পূৰ্বোত্তৰ ৰাজ্যসমূহত নতুন সন্ত্ৰাসবাদে গা কৰি উঠাৰ খবৰ পোৱা গৈছে। সেয়া হ'ল নেপালী লিবাৰেশ্বন ফ্ৰণ্ট অৱ আসাম চমুকৈ 'নেলফা' নামৰ নৱগঠিত নেপালী বিদ্ৰোহী সংগঠনটোৰ জন্ম। এই সংগঠনটোৱে এতিয়াও নিজকে গঠনৰ কামত ব্যস্ত হৈ আছে। বিশ্বস্ত সূত্ৰৰ মতে, নেলফাই উত্তৰ পূৰ্বাঞ্চলৰ নেপালী অধ্যুষিত অঞ্চলসমূহক কেন্দ্ৰ কৰি এখন স্বাধীন নেপালী ৰাষ্ট্ৰ গঠনৰ দাবীত সশস্ত্ৰ সংগ্ৰাম কৰিবলৈ সিদ্ধান্ত লৈছে। ইতিমধ্যে অস্ত্ৰ-শস্ত্ৰ প্ৰশিক্ষণৰ বাবে নেলফা সদস্যৰ এটি পঁচিশজনীয়া দল বাৰ্মালৈ পঠিওৱা বুলিও খবৰ ওলাইছে। ইয়াৰ উপৰি, যোৱা মাহতে চৈধ্যগৰাকী নেলফা সদস্যই পাকিস্তানত সশস্ত্ৰ প্ৰশিক্ষণ লৈ স্থানীয়ভাবে প্ৰশিক্ষণ শিবিৰ আৰম্ভ কৰিছে হেনো। ৰাজ্য চৰকাৰৰ চোৰাংচোৱা সূত্ৰয়েও এই কথা সদৰি কৰিছে যে অসম মণিপুৰ সীমান্তৱৰ্তী হাফলঙৰ পৰা প্ৰায় বিশ কিলোমিটাৰ নিলগত হোজাইচুকৰ গভীৰ অৰণ্যত নেপালী উগ্ৰপন্থী যুৱকৰ ঘাটি আছে। নেলফা নামৰ নৱগঠিত সংগঠনটোৱে ইতিমধ্যে পূৰ্বোত্তৰ অঞ্চলৰ অন্যতম উগ্ৰপন্থী সংগঠন এন এছ চি এন, মাৰপিপুলচ্‌ কনভেনশ্বন, আল্‌ফাৰ সৈতে সহযোগিতাৰ পথ প্ৰশস্ত কৰি লৈছে বুলিও প্ৰকাশ।

এন এছ চি এনৰ নেতৃত্বত বাংলাদেশৰ উত্তৰাঞ্চলত পূৰ্বোত্তৰ ৰাজ্যসমূহৰ ঐক্যবদ্ধ বিদ্ৰোহী শিবিৰ প্ৰতিষ্ঠা কৰিছে। চোৰাংচোৱাৰ মতে উক্ত শিবিৰত মাৰ পিপুলচ্‌ কনভেনশ্বনৰ ১২ জন, মণিপুৰ পিপুলচ্‌ লিবাৰেশ্বন আৰ্মিৰ ১৮ জন, নেশ্বনেল লিবাৰেশ্বন ফ্ৰণ্ট অৱ ত্ৰিপুৰাৰ ১৭ জন, আল্‌ফাৰ ২৪ জন আৰু বড়ো ছিকিউৰিটি ফোৰ্চৰ ১৪ জন সদস্যৰ উপৰিও শতাধিক নগা বিদ্ৰোহীয়ে আশ্ৰয় আৰু অত্যাধুনিক অস্ত্ৰ প্ৰশিক্ষণ লৈ আছে। প্ৰশিক্ষণৰ দায়িত্বত উক্ত শিবিৰত দুগৰাকী উচ্চস্তৰীয় পাকিস্তানী উগ্ৰপন্থী থকাৰ কথাও চোৰাংচোৱা সূত্ৰত প্ৰকাশ। তদুপৰি, অচিৰতে থাইলেণ্ডৰ পৰা বহু পৰিমাণৰ অত্যাধুনিক অস্ত্ৰ শস্ত্ৰ বাংলাদেশত থকা এন এছ চি এনৰ নেতৃত্বাধীন শিবিৰলৈ অহাৰ কথা আৰু এনে অস্ত্ৰ-শস্ত্ৰ পোৱাৰ লগে লগে তেওঁলোকে মিজোৰাম-ম্যানমাৰ আৰু বাংলাদেশ সংলগ্ন হাবিতলীয়া পথেৰে নাগালেণ্ড আৰু অসমৰ কাছাৰ জিলাত প্ৰৱেশ কৰিব বুলি চোৰাংচোৱা সূত্ৰৰ ধাৰণা। ইপিনে এন এছ চি এনৰ উদ্যোগত নগা উগ্ৰপন্থীৰ সৈতে আল্‌ফা সদস্যৰ এটি দলে নাগালেণ্ড হৈ উজনি অসমত প্ৰৱেশৰ আঁচনি লৈছে। ইতিমধ্যে এন এছ চি এনৰ উদ্যোগত বাংলাদেশত প্ৰশিক্ষণ প্ৰাপ্ত উক্ত শক্তিশালী আল্‌ফা সদস্যৰ দলটিয়ে মাৰ পিপুলচ্‌ কনভেনশ্বনৰ মূল ঘাটি মণিপুৰৰ চূড়াচন্দ্ৰপুৰ জিলাত আশ্ৰয় লৈ আছে বুলি প্ৰকাশ। ■

# জ্যোতিষ-বিশ্বাসৰ মহাফাঁকি

দেৱকান্ত সন্দিকৈ

যথাক্রমে ১-১৫ ডিচেম্বৰ '৯১ আৰু ১৬-৩১ আগষ্ট '৯২- এই দুই সংখ্যাৰ 'সূত্ৰধাৰ'ৰ ' চিঠি'ৰ শিতানত শ্ৰীযুত নগেন্দ্ৰ নাথ বৰাদেৱে সূত্ৰধাৰৰ পাততে ইতিপূৰ্বে প্ৰকাশিত শ্ৰীযুত প্ৰসেনজিৎ চৌধুৰীদেৱৰ জ্যোতিষ বিষয়ক এটা অতি সুলিখিত তথা যুক্তিপূৰ্ণ প্ৰবন্ধৰ বিৰোধিতাপূৰ্ণ আলোচনা আগবঢ়াইছে। নিতান্তই সীমিত আৰু সাধাৰণ জ্ঞানৰ সহায়ত আমিও সবিনয়ে এই আলোচনাত অংশ গ্ৰহণ কৰিবলৈ ইচ্ছা কৰিছো।

জ্যোতিষীয়ে গ্ৰহ নক্ষত্ৰৰ অৱস্থানৰ হিচাপ কৰি এটা বিশেষ অৱস্থানৰ প্ৰভাৱত পৃথিৱীৰ মানুহ এজনৰ জীৱনত এনেকুৱা ঘটনা ঘটিব বুলি কবলৈ তেনে অৱস্থানৰ প্ৰভাৱত তেনেকুৱা ঘটনা ঘটাৰ এটা বা বহুত পূৰ্ব উদাহৰণ থাকিব লাগিব। অৰ্থাৎ গ্ৰহ নক্ষত্ৰৰ এটা বিশেষ অৱস্থানৰ মুহূৰ্তত জন্মা পৃথিৱীৰ সকলো স্থানৰ মানুহৰ জীৱন হুবহু একে হলেহে হিচাপ কৰি উলিওৱা অৱস্থানটোৰ প্ৰভাৱত এজন মানুহৰ জীৱনত এনে ঘটনা ঘটিবই বুলি নিশ্চিতভাবে কব পৰা হব।- কিন্তু আমি সাধাৰণ জ্ঞানেৰে এটা কথা জানো যে পৃথিৱীৰ কোনো দুজন মানুহৰেই চেহেৰা, স্বভাৱ-চৰিত্ৰ, শাৰীৰিক মানসিক বৈশিষ্ট্য একে নহয়। প্ৰতিজন মানুহ পৃথিৱীত মাত্ৰ এজন। নিৰ্দ্দিষ্ট সময় নিৰ্দ্দিষ্ট ধৰণেৰে জীয়াই থাকি এদিন তেওঁৰ মৃত্যু হয়। আনকি যি দুজন মানুহৰ জীৱন হুবহু একে হোৱাৰ সম্ভাৱনা আটাইতকৈ বেছি হব লাগিছিল, যি দুজন মানুহৰ জন্মৰ সময়, স্থান পৰিবেশ, পিতৃ-মাতৃ, বংশ-সমাজ নিখুঁতভাবে একে- সেই দুজন যঁজা ব্যক্তিৰ জীৱনো একে নহয়। কিয় নহয় বুলি প্ৰশ্ন কৰিলে জ্যোতিষে উত্তৰ দিব যে এজনৰ পাছত এজনকৈ পৃথিৱীত "ভূমিষ্ঠ" হোৱাৰ কেই চেকেণ্ডমান সময়ৰ পাৰ্থক্যৰ বাবেই যঁজা ব্যক্তি দুজনৰ জীৱন একে নহয়।

এইবাৰ ধৰা হ'ল একেবাৰে একে মুহূৰ্ততে পৃথিৱীৰ কেইবাখনো ঠাইত কেইবাটাও শিশুৰ জন্ম হ'ল। ধৰা হল এটা আমেৰিকাত, এটা অষ্ট্ৰেলিয়াত আৰু এটা অসমত। এতিয়া এই তিনিওটা শিশুৰ ভৱিষ্যত জীৱন একে হবনে ?- জ্যোতিষে এইবাৰ কব যে একে মুহূৰ্ততে জন্ম হলেও সিবিলাকৰ জন্মৰ স্থান, পিতৃ-মাতৃ, সমাজ, পৰিবেশ আদি বেলেগ বেলেগ হোৱাৰ বাবে সিবিলাকৰ জীৱনো বেলেগ হব।- অৰ্থাৎ একে স্থান, পৰিবেশ আৰু একে পিতৃ মাতৃৰ গৰ্ভত জন্ম হোৱা যঁজা সন্তান দুটাৰ জীৱন কেইমুহূৰ্তমান সময়ৰ পাৰ্থক্যৰ বাবে একে নহয়,- আৰু একে মুহূৰ্ততে জন্ম হোৱা সন্তানবোৰৰ জীৱন স্থান, পৰিবেশ বা পিতৃ-মাতৃ বেলেগ হোৱাৰ বাবে একে নহয়। সময়ৰ এক চেকেণ্ড পাৰ্থক্যটোৰ যদি প্ৰভাৱ আছে স্থানৰ এহাতমান ব্যৱধানটোৰো প্ৰভাৱ আছে। আনহাতে সময়ৰ বিশেষ এটা মুহূৰ্তত বিশেষ এক স্থানত কেৱল এজনহে মানুহ জন্ম হব পাৰে। দুজন ব্যক্তিৰ জন্মৰ সময় চেকেণ্ডৰ হিচাপলৈকে একে হলে জন্মৰ স্থান বেলেগ হবই লাগিব, আৰু জন্মৰ স্থান চেণ্টিমিটাৰৰ হিচাপলৈকে একে হলে জন্মৰ সময় বেলেগ হবই লাগিব। অৰ্থাৎ পৃথিৱীৰ যি কোনো দুজন মানুহৰ মাজত মানুহ দুজনৰ জন্মৰ সময় অথবা স্থানৰ পাৰ্থক্য যিহেতু থাকিবই, গতিকে পৃথিৱীৰ কোনো দুজন ব্যক্তিৰে জীৱন একে নহয়। এই সাধাৰণ সত্যটো আমি জ্যোতিষৰ সিদ্ধান্ত ব্যৱহাৰ কৰিয়েই প্ৰমাণ কৰিলো।

এতিয়া জ্যোতিষে কব যে পৃথিৱীৰ কোনো দুজন মানুহৰ জীৱন একে নোহোৱা আৰু কোনোবা এজন মানুহৰ জীৱনত ভৱিষ্যতে কি হ'ব আগতীয়াকৈ জানিব পৰা এই দুটা কথা একে নহয়। জ্যোতিষৰ ফাকিবাজী প্ৰমাণ কৰিবলৈ এইবোৰ কথাৰ প্ৰয়োজন কি ?

প্ৰয়োজন আছে। কাৰণ জ্যোতিষে ভৱিষ্যত বাণী কৰিব পৰা আৰু কোনো দুজন মানুহৰ জীৱন একে নোহোৱা - এই দুটা কথা পৰস্পৰ বিৰোধী। কিছুমান মানুহৰ জীৱন একে হলেহে তাৰে এজনক জানি আন এজনৰ বাবে ভৱিষ্যত বাণী কৰিব পাৰি। কোনো দুজনৰে জীৱন একে নহলে ভৱিষ্যত বাণী কৰাৰ ভিত্তিটোৱেই নাথাকিব। যিহেতু পৃথিৱীৰ কোনো দুজন ব্যক্তিৰে জীৱন একে নহয় গতিকে জ্যোতিষে ভৱিষ্যত বাণী কৰিব পৰাৰ কোনো ভিত্তিয়েই নাই। আনহাতে কোনো ভিত্তি নথকা সত্বেও যিহেতু জ্যোতিষে মানুহৰ ভৱিষ্যতৰ বিষয়ে আগজাননী দিবলৈ এৰা নাই, গতিকে জ্যোতিষ এক নিৰ্ভেজাল ফাকিবাজীৰ বাহিৰে আন একো নহয়।

এই স্পষ্ট কথাটোকে সাধাৰণ পাঠকৰ বাবে নহলেও শ্ৰীযুত নগেন্দ্ৰ নাথ বৰাদেৱৰ দৰে জ্যোতিষত আস্থা ৰখা ব্যক্তিসকলৰ বাবে এটা উদাহৰণৰ সহায়ত আৰু অধিক স্পষ্ট কৰি দিয়া ভাল। আমি সকলোৱে জানো যে জ্যোতিষীয়ে এজন মানুহৰ ভৱিষ্যত জানিবৰ বাবে মানুহজনৰ জন্মমুহূৰ্তৰ গ্ৰহ নক্ষত্ৰৰ অৱস্থানটো হিচাপ কৰি উলিয়ায়। ধৰা হ'ল, এজন বিশেষ মানুহৰ বাবে তেনেকৈ হিচাপ কৰি পোৱা গ্ৰহ নক্ষত্ৰৰ অৱস্থান এটাৰ নাম 'ক'। এতিয়া এই 'ক' অৱস্থানৰ প্ৰভাৱত জন্ম হোৱা মানুহজনৰ ভৱিষ্যত কেনে হব কবলৈ 'ক' অৱস্থানত আগতে জন্ম হোৱা মানুহৰ জীৱন কেনে আছিল জানিব লাগিব। নাজানিলে ভৱিষ্যত বাণী কৰিব কেনেকৈ ? তাৰ মানে জ্যোতিষে গ্ৰহ নক্ষত্ৰৰ 'ক' অৱস্থানৰ প্ৰভাৱত জন্ম হোৱা অতীত বৰ্তমান আৰু ভৱিষ্যতৰ সকলো মানুহৰ জীৱন একে হব বুলি এটা সূত্ৰ বান্ধি লৈছে! কিন্তু য'ত দুই চেকেণ্ডমান সময়ৰ পাৰ্থক্যৰ বাবেই একে মাকৰ গৰ্ভত জন্ম লোৱা যঁজা শিশু দুটাৰ জীৱন বেলেগ হয়, ত'ত "ক" অৱস্থানত জন্ম হোৱা বেলেগ বেলেগ সময়ৰ শিশুৰ ভৱিষ্যত জীৱন একে হবনে ? - আৰু এই কথাটো পৃথিৱীৰ কোনো দুজন মানুহৰে জীৱন একে নোহোৱা সত্যটোৰ বিৰোধী নহয় নে ?

বৰাদেৱৰ সন্দেহ দূৰ কৰিবৰ বাবে আমি এইবাৰ এই ধৰণেৰেও ধৰি ললো যে কেইহাজাৰমান বছৰৰ আগতে কোনোবা "সত্যদ্ৰষ্টা সৰ্বজ্ঞানী" ঋষিমুনিয়ে অশেষ পৰিশ্ৰমেৰে গ্ৰহ নক্ষত্ৰৰ "ক" অৱস্থানৰ মুহূৰ্ত এটাত জন্ম হোৱা পৃথিৱীৰ সকলো ঠাইৰ শিশুৰ জীৱন অধ্যয়ন তথা গৱেষণা কৰি একে পালে। গ্ৰহ নক্ষত্ৰৰ এই 'ক' অৱস্থানটো ভৱিষ্যতৰ আকাশত বহুবাৰ উন্তৱ হব পাৰে। কিন্তু সকলো জানুৱাৰী মাহ একে নোহোৱাৰ দৰে বা সকলো সোমবাৰ একে নোহোৱাৰ দৰে সেই সকলোবোৰ 'ক' অৱস্থানো একে নহয়। যিহেতু একে নহয়, গতিকে যিটো মুহূৰ্তত জন্ম হোৱা শিশুবিলাকৰ জীৱন অধ্যয়ন কৰা হ'ল, সেই মুহূৰ্তটোৰ পুনৰাবৃত্তি নঘটে বাবে অৰ্থাৎ মুহূৰ্তটো অদ্বিতীয় হোৱাৰ বাবে এটা 'ক' অৱস্থানত জন্ম হোৱা শিশুবিলাকৰ জীৱন কেতিয়াও আন এটা 'ক' অৱস্থানত জন্ম হোৱা শিশুৰ লগত নিমিলে। ধৰা হ'ল এটা মুহূৰ্তত জন্ম হোৱা শিশুবিলাক একক আৰু অদ্বিতীয় বৈশিষ্ট্যযুক্ত এটা Set বা গোট। অনন্ত ভৱিষ্যতৰ কোনো মুহূৰ্তত জন্ম হোৱা শিশুৰ মাজতো সেই বৈশিষ্ট্য পোৱা নাযাব বা অনাদি অতীতৰ কোনো মুহূৰ্তত জন্ম হোৱা শিশুৰ মাজতো সেই বৈশিষ্ট্য নাছিল। গতিকেই ঋষি-মুনিয়েই একো একোটা মুহূৰ্তত (অতীতৰ) জন্ম হোৱা সকলো শিশুৰ জীৱন অধ্যয়ন কৰি একে পোৱা বুলি কোনো সংস্কৃত শ্লোকত লিপিবদ্ধ কৰি গলেও সেই ফলাফলৰ ভৱিষ্যতবাণী কৰিব পৰা গুণ (Predictive Value) শূন্য।

আনহাতে গ্ৰহ নক্ষত্ৰৰ 'ক' অৱস্থানৰ মুহূৰ্তত জন্ম হলেও পৃথিৱীৰ স্থান, পৰিবেশ আৰু পিতৃ-মাতৃৰ পাৰ্থক্যৰ বাবে সেই সকলোবোৰ শিশুৰ জীৱন কেতিয়াও একে হব নোৱাৰে। গতিকে ঋষি-মুনিয়ে অশেষ পৰিশ্ৰমেৰে গ্ৰহ নক্ষত্ৰৰ "ক" অৱস্থানত জন্ম হোৱা সকলো শিশুৰ জীৱন অধ্যয়ন কৰি একে পালে বুলি আমি ধৰি লব নোৱাৰো। বা এটা মুহূৰ্তত জন্ম হোৱা বেলেগ বেলেগ স্থানৰ সকলো শিশুকে এটা Set বা গোটৰ ভিতৰত ৰাখি তেওঁলোকৰ জীৱন বৈশিষ্ট্য একে হ'ব বুলি আমি ধৰি লব নোৱাৰো। কাৰণ, আমি আগতেই কৈ আহিছো যে পৃথিৱীত "এটা মুহূৰ্ত"ত আৰু "এটা স্থান-পৰিবেশ"ত কেৱল এজনহে মানুহৰ জন্ম হয় আৰু সেই মানুহজনৰ জীৱন পৃথিৱীত সৰ্বকালৰ বাবে অদ্বিতীয়। গতিকে গৱেষণা কৰিবলৈ একে সময় আৰু একে স্থান পৰিবেশৰ মানুহ এজনতকৈ বেছি পাব ক'ত ? আৰু মাত্ৰ এজন মানুহৰ জীৱন গৱেষণা কৰি ভৱিষ্যতৰ সকলো মানুহৰ বিষয়ে জ্যোতিষীয়ে কোৱা ধৰণৰ কথা আগতীয়াকৈ কব পৰাকৈ কিবা "সত্য" আৱিষ্কাৰ কৰিব পৰা যাব জানো ?

- এই আটাইবোৰ কথা ইমান পৰিষ্কাৰ হৈ থকাৰ পিছত পেছাদাৰী জ্যোতিষী বা জ্যোতিষত আস্থা ৰখাসকলে যেনেকুৱা যুক্তিকেই নেদেখুৱাওক লাগিলে সেই আটাইবোৰ ফাকিবাজীত পৰিণত হবলৈ বাধ্য। বিজ্ঞান হোৱাৰটো দূৰৰ কথা! - যিহেতু মুহূৰ্তৰ হিচাপত গ্ৰহ-নক্ষত্ৰৰ অৱস্থানৰ সংখ্যাই অসীম, গতিকে সৰ্বমুঠ কিমানটা অৱস্থান কিমান মানুহৰ জীৱনত কিমান ঋষি-মুনিয়ে কিমান বছৰৰ বাবে অধ্যয়ন বা গৱেষণা কৰি জ্যোতিষক মানৱ-জীৱনৰ ভৱিষ্যত কব পৰা "বিজ্ঞান"ৰূপে প্ৰতিষ্ঠা কৰিলে শ্ৰীযুত বৰাদেৱে কব পাৰিবনে ?

• • • • •

এতিয়া আমি শ্ৰীযুত বৰাদেৱৰ চিঠিৰ (আলোচনাৰ) কেইটামান কথা আলোচনা কৰো :

(১) বৰাদেৱে লিখিছে- "...... জ্যোতিষীয়ে এজন লোকৰ জীৱনৰ সকলো দিশ চাই ভৱিষ্যতবাণী নকৰিবও পাৰে, কাৰণ ই বৰ জটিল কাম।" - কিন্তু নকৰিবও পাৰে নহয়, নকৰেই। জ্যোতিষে মানুহ এজনৰ পিতৃ-মাতৃ সমাজ, শিক্ষা-দীক্ষা, বাসস্থানৰ পৰিবেশ আদি বিচাৰ কৰি ভৱিষ্যতবাণী নকৰে, কি বিচাৰ কৰি কৰে সকলোৱে জানেই। আনহাতে মানুহ এজনৰ জীৱনৰ সকলো দিশ চাই ভৱিষ্যত বাণী কৰাটোও যে অতি জটিল কাম বৰাদেৱে নিজেই স্বীকাৰ কৰিব লগা হৈছে। তেনেস্থলত কেৱল জন্মমুহূৰ্তৰ সুদূৰ নক্ষত্ৰৰ অৱস্থান চাই বা হাতৰ ৰেখা কেইডালমান চায়েই ভৱিষ্যত বাণী কৰিবলৈ জ্যোতিষীয়ে বৰ সহজ পোৱা কথাটো কেনে ধৰণৰ ?

(২) বৰাদেৱে দুয়োখন চিঠিতে কিছুমান দুৰ্বল যুক্তিৰে শ্ৰীযুত প্ৰসেনজিৎ চৌধুৰীদেৱৰ মতৰ বিৰোধিতা কৰি নিজৰ গোড়া মত প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে। অথচ তেখেতেই লিখিছে- "আমি কতো জ্যোতিষ সত্য বা অসত্য এই বিষয়ে কোনো সিদ্ধান্ত দিবলৈ বিচৰা নাছিলো।" - অদ্ভুত কথা! জ্যোতিষ সত্য নে অসত্য এই সিদ্ধান্ত দিবলৈ নিবিচৰাকৈ তেখেতে দুখন চিঠিত ইমানবোৰ কি কথা লিখিলে! সত্য নে অসত্য এই সিদ্ধান্ত দিব নোৱাৰিলে চৌধুৰীদেৱৰ বক্তব্য খণ্ডন কৰিবলৈ ইমানবোৰ টুলুঙা যুক্তি অৱতাৰণা কৰাৰ প্ৰয়োজন কি ?

(৩) জিকিব বা হাৰিব- বা এনে ধৰণৰ দুটা মাত্ৰ নিশ্চিত সীমাবদ্ধ সম্ভাৱনা থকা ক্ষেত্ৰত ভৱিষ্যত বাণী কৰি জ্যোতিষ কেনেকৈ 'সফল'(?) হয় কিছু বুজাই কোৱা দৰকাৰ। অগপৰ ব্যৰ্থ শাসনৰ পিছত ভোটদাতা ৰাইজে নিৰ্ভৰ কৰিব পৰাকৈ কংগ্ৰেছ (ই) ৰ বাহিৰে আন কোনো শক্তিশালী দল নথকা অৱস্থাত কোনোবা এটা সমষ্টিত কংগ্ৰেছ (ই) প্ৰাৰ্থীজন জিকিব বুলি কবলৈ জ্যোতিষৰ ভৱিষ্যত বাণীৰ প্ৰয়োজন হয় নেকি ? যদি সেইটো সমষ্টিত কংগ্ৰেছ (ই) প্ৰাৰ্থীজন জিকিব বুলি কবলৈ জ্যোতিষৰ ভৱিষ্যত বাণীৰ প্ৰয়োজন হয় নেকি ? যদি সেইটো সমষ্টিত অগপ প্ৰাৰ্থীজন অতি শক্তিশালী আছিল আৰু জিকাৰ নিশ্চিত আশা দেখা গৈছিল তেনেহলে নিশ্চয় অগপ প্ৰাৰ্থীজনকো কোনোবা জ্যোতিষীয়ে জিকিব বুলি ভৱিষ্যত বাণী কৰিছিল। সেই কথাৰ বিচাৰ বৰাদেৱে লোৱা নাই কিয় ? এই বছৰৰ (১৯৯২) জুন মাহৰ "নবকল্লোল" নামৰ বঙালী ভাষাৰ আলোচনীত কলিকতাৰ কেইজনমান বিখ্যাত (?) জ্যোতিষীয়ে আন আন কথাৰ লগতে মমতা বেনাৰ্জীৰ বিষয়ে ভৱিষ্যত বাণী কৰিছে। বিখ্যাত জ্যোতিষী কেইজনৰ কাৰোৰ কথাৰ লগত কাৰোৰ মিল নাই। এজনে মমতা বেনাৰ্জীক পশ্চিমবঙ্গৰ ভৱিষ্যত মুখ্যমন্ত্ৰী বুলি কৈছে, আন কেইজনে কৈছে আন ধৰণৰ কথা। অৰ্থাৎ মমতা বেনাৰ্জী ভৱিষ্যতে যি যি হোৱাৰ সম্ভাৱনা আছে সেই আটাইবোৰ কথাকে ভৱিষ্যত বাণী কৰা হৈছে, কিন্তু আটাইবোৰ কথা একেজন জ্যোতিষীৰ দ্বাৰা কোৱা হোৱা নাই। অৰ্থাৎ মমতা বেনাৰ্জীৰ তাৰে কিবা এটা হলেই যিজনে সেইটো হব বুলি কৈছিল সেইজনে জ্যোতিষৰ সফলতাৰ জয়গান গাব। আৰু বাকীকেইজনে মনে মনে থাকিব! দুয়োপক্ষকে দুজন বেলেগ জ্যোতিষীয়ে জিকিব বুলি ভৱিষ্যত বাণী কৰিব। এজন জিকিবই।............ এইবোৰেই হ'ল জ্যোতিষৰ ফাকিবাজী।

স্বৰ্গীয় ৰাজীৱ গান্ধীৰ ভৱিষ্যতৰ বিষয়ে দহজন জ্যোতিষীয়ে দহটা কথা কোৱাৰ পাছত ৰাজীৱ গান্ধীৰ জীৱনত প্ৰকৃততে যি ঘটিল সেই ঘটনাটো কোনোবা এজন জ্যোতিষীয়ে অস্পষ্টকৈ কোৱা কথা এষাৰৰ লগত মিলি যোৱা বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰা হ'ল- আৰু তাৰে জ্যোতিষৰ ভৱিষ্যত কব পৰা ক্ষমতা থকা বুলি প্ৰচাৰ কৰা হ'ল। কিন্তু বাকী নজন জ্যোতিষীৰ মিছা ভৱিষ্যত বাণীবোৰৰ কথা ঘূণাক্ষৰেও উল্লেখ কৰা নহ'ল!

ইন্দিৰা গান্ধীৰ হত্যাৰ পিছত যেতিয়া ৰাজীৱ গান্ধীক ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰীৰ পদত অধিষ্ঠিত কৰা হৈছিল সেই সময়তে ঘৰুৱা আলোচনাত এজনে এনে ধৰণৰ এটা মন্তব্য কৰা আমাৰ স্পষ্ট মনত আছে- "........ বৰ্তমানৰ ৰাজনীতিত যিবোৰ কাণ্ড-কাৰখানা ঘটিবলৈ ধৰিছে, ৰাজীৱ গান্ধীৰ বাবে উৰাজাহাজৰ ককপিটটোৱেই বেছি নিৰাপদ জাগা হ'লহেঁতেন নেকি! আকাশৰ পৰা মাটিৰ পৃথিৱীখনলৈ নামি আহি তেওঁ যেন বিপদৰ মাজলৈহে আহিল। ... আশা কৰো তেওঁৰো যেন মাকৰ দৰে অৱস্থা নহওক।" কোৱা বাহুল্য এইদৰে মন্তব্য কৰা লোকজন জ্যোতিষী নাছিল। কিন্তু তেৱোঁ যেন ৰাজীৱ গান্ধীৰ বিপদ সংকুল ভৱিষ্যতটো জলজল পটপটকৈ দেখা পাইছিল।

এনে ধৰণৰ সীমাবদ্ধ সম্ভাৱনাৰ ক্ষেত্ৰত কথা কবলৈ গ্ৰহ নক্ষত্ৰৰ হিচাপ নালাগে।

(৪) এগৰাকী বিশেষ নাৰীক বিয়া কৰোৱাৰ ফল স্বৰূপেহে কোনোবা এজন অসমীয়া মন্ত্ৰীৰ দুৰ্ঘটনাত মৃত্যু হ'ল বুলি যি জ্যোতিষে প্ৰত্যক্ষ ইংগিত দিব পাৰে তেনে জ্যোতিষৰ বিৰুদ্ধে আমাৰ নাৰী সমাজে প্ৰতিবাদ জনোৱা উচিত। আমাৰ সমাজত সেয়েহে বহু ক্ষেত্ৰতেই কিবা কাৰণত স্বামীৰ অকাল-মৃত্যু হলে বিধৱা হোৱা পত্নী গৰাকীক স্বামীৰ মৃত্যুৰ কাৰণ হিচাপে থিয় কৰোৱাই "কুলক্ষণী, ডাইনী" আদি আখ্যা দি অমানুষিক অত্যাচাৰ কৰা হয়। জ্যোতিষৰ নিচিনা ফাকিবাজ বিদ্যাই চাগে নাৰীৰ প্ৰতি অত্যাচাৰত উৎসাহ যোগায়। কাৰণ পত্নীৰ অকাল-মৃত্যুৰ বাবে স্বামীক দোষী কৰি অত্যাচাৰ কৰাৰ কথা শুনা নাযায়। জ্যোতিষে "সকলো ঠিক আছে" বুলি recommend কৰা দম্পতী এটাৰ বিবাহৰ এমাহৰ পিছতে যেতিয়া পত্নী গৰাকী অগ্নিদগ্ধা হৈ বা আন ধৰণৰ "দুৰ্ঘটনা"ত মৃত্যু হয় তেতিয়া জ্যোতিষৰ 'বিষম জোৰা'ৰ সূত্ৰ ক'ত পলায় ?

(৫) শ্ৰীবৰাদেৱে দুটামান সংস্কৃত শ্লোকৰ উদ্ধৃতিৰেহে জ্যোতিষৰ বিজ্ঞান-যোগ্যতা প্ৰমাণ কৰিবলৈ চেষ্টা কৰিছে! পুৰণি ঋষি-মুনিয়ে সেই যুগৰ যিসকল লোকৰ জীৱন অধ্যয়ন বা

গৱেষণা কৰি (অধ্যয়ন বা গৱেষণা সঁচাকৈয়ে কৰা বুলি বাৰু ধৰিয়েই ললো) শ্লোকত লিপিবদ্ধ কৰা-ধৰণৰ "সত্য"বোৰ পাইছিল– সেই একেবোৰ "সত্য" আজি এই ১৯৯২ চনৰ মানুহৰ জীৱনতো খাটিবই বুলি শ্ৰীযুত বৰাদেৱে নিশ্চিতভাবে কব পাৰিবনে ? তাৰ উপৰিও ঋষি-মুনিয়ে সদায় সত্য কথাই কয়নে ? গেলিলিওৰ আগতে প্ৰচলিত থকা সূৰ্যদেৱতাই ৰথত উঠি পৃথিৱী পৰিভ্ৰমণ কৰে বোলা "সত্য"টো কোনোবা ঋষি-মুনি বা তেনেধৰণৰ জ্ঞানীলোকৰেই গৱেষণাৰ ফল নাছিল নে ? তেনেহলে ঋষি-মুনিসকলৰ গৱেষণাৰ ফল সদায় শুদ্ধ হ'ব বা ঋষি-মুনিয়ে কেতিয়াও মিথ্যা কথা বা ঠগবাজীৰ আশ্ৰয় লোৱা নাছিল বুলি শ্ৰীযুত বৰাদেৱে বুকু ডাঠ কৰি কব পাৰিবনে ?

(৬) জ্যোতিষ কিমান মানুহে বিশ্বাস কৰে, আমেৰিকাৰ কিমানখন বাতৰিকাগজত ৰাশিফল প্ৰকাশ হয়, ইত্যাদি তথ্যই জ্যোতিষক বিজ্ঞান যোগ্যতা প্ৰদান কৰিব নোৱাৰে, – যেনেকৈ পৃথিৱীৰ কোটি কোটি মানুহে সেৱন কৰা সত্বেও, উদ্যোগ হিচাপে বহু কোটি টকাৰ অৰ্থনীতি জড়িত থকা সত্বেও চিগাৰেট সেৱন স্বাস্থ্যৰ বাবে উপকাৰী হব নোৱাৰে । চিগাৰেট স্বাস্থ্যৰ বাবে অপকাৰী - এই সত্যটোক কোটি কোটি মানুহে চিগাৰেট সেৱন কৰিবলৈ ভাল পোৱা তথ্যটোৱে বাতিল কৰি দিব নোৱাৰে । ভাৰতৰ প্ৰায় সকলো মানুহে আৰু আমেৰিকাৰ দৰে আগবঢ়া দেশৰ মানুহেও জ্যোতিষ বিশ্বাস কৰা বা চৰ্চা কৰা কথাটোৱে জ্যোতিষ যে এক মহাফাকি – এই মহাসত্যক বাতিল কৰি পেলাব নোৱাৰে । অন্ধবিশ্বাস আমেৰিকাৰ মানুহৰ মাজত থাকিলেও অন্ধবিশ্বাসেই – তাৰ উপৰিও সত্য "গণভোট"ৰ দ্বাৰা প্ৰতিষ্ঠা কৰিব পৰা বস্তু নহয় ।

(৭) বৰাদেৱে মনেপ্ৰাণে বিশ্বাস কৰে যে প্ৰাগঐতিহাসিক কালৰে পৰা পৰাশৰ, চৰক, বৰাহ মিহিৰ, খনা আদি ভাৰতীয় মনীষী সকলে অন্ধবিশ্বাসৰ চৰ্চা কৰা নাছিল । তাৰ মানে বৰাদেৱে জ্যোতিষ সম্পৰ্কে নিজে বেছি চিন্তা নকৰি কেইজনমান বিখ্যাত মানুহে চৰ্চা কৰা বিষয় এটা কেতিয়াও অন্ধ বিশ্বাস হব নোৱাৰে বুলি অন্ধভাবে বিশ্বাস কৰি বহি আছে ! যদি এইদৰে বিখ্যাত মানুহৰ বিশ্বাসে কাৰোবাৰ চিন্তাক প্ৰভাৱিত কৰিব লাগেই, তেনেহলে জ্যোতিষৰ অন্তঃসাৰশূন্যতা দেখুৱাই দিয়া মেঘনাদ সাহা, বিবেকানন্দ বা নোবেল পুৰস্কাৰ প্ৰাপ্ত বিজ্ঞানী কেইজনমানৰ কথাই বৰাদেৱক প্ৰভাৱিত কৰিব পৰা নাই কিয় ?– বৰাহমিহিৰে সকলো কথা শুদ্ধকৈ জানিছিল বা চিন্তা কৰিছিল আৰু বৰ্তমানৰ নোবেল পুৰস্কাৰ প্ৰাপ্ত বিজ্ঞানীয়ে একো নাজানে– এনে ধাৰণা সুস্থতাৰ পৰিচায়কনে ?

আচলতে জ্যোতিষ-বিশ্বাস কিয় বিজ্ঞান নহয় এই কথা বুজিবলৈ আমি বৰাহমিহিৰ বা নোবেল পুৰস্কাৰপ্ৰাপ্ত বিজ্ঞানী কাৰোবে কাষ চাপিবৰ প্ৰয়োজন নাই । একেবাৰে সাধাৰণ বিচাৰ-বুদ্ধিৰে নিজেই ইয়াৰ স্বৰূপ বুজিব পাৰি ।

(৮) বৰাদেৱে জ্যোতিষৰ শতকৰা দহভাগ ভৱিষ্যত বাণী ফলিউৱাকে "বৰ ডাঙৰ সাফল্য" বুলি ভাবিছে । কিন্তু হাতৰ একেবাৰে নিচান নথকা বা চকুত কাপোৰ বান্ধি লোৱা মানুহ এজনেও খুঁটা এটালৈ টোঁৱাই মৰা এশটা শিলগুটিৰ দহটা বা অধিক লাগি যাব পাৰে । একেবাৰে জ্যোতিষ নজনা মানুহ এজনেও আন এজনৰ জীৱনক টোঁৱাই কোৱা এশটা কথাৰ দহটা বা অধিক মিলি যাব পাৰে । সাধাৰণ মানুহেও নিজৰ সন্তান-সন্ততি , আত্মীয় স্বজন বা বন্ধু-বান্ধৱৰ ভৱিষ্যত সম্পৰ্কে বহু কথা শুদ্ধকৈ অনুমান কৰিব পাৰে, কব পাৰে । গতিকেই জ্যোতিষীয়ে দিয়া ভৱিষ্যত বাণীৰ শতকৰা ৫ বা ১০ ভাগ যে কেতিয়াবা "ফলিয়ায়", সেয়া জ্যোতিষে হিচাপ কৰি কোৱাৰ বাবে নফলিয়ায়, মানুহৰ জীৱনত সাধাৰণতে ঘটা ঘটনা কিছুমানৰ কথাহে জ্যোতিষীয়ে কয় বাবেহে তেনে কথা "ফলিউৱা" যেন দেখা যায় । এনে ধৰণৰ "ফলিউৱা" কথা কবলৈ জ্যোতিষ নালাগে । এটা সৰু উদাহৰণ দিলে কথাটো স্পষ্ট হব ।

এসময়ত শ্ৰীযুত হোমেন বৰগোহাঞিদেৱে সম্পাদনা কৰা "সাপ্তাহিক নীলাচল"ত কিছুদিনৰ বাবে ৰাশিফল ওলাইছিল । সেই ৰাশিফল কেনেদৰে প্ৰস্তুত কৰা হৈছিল সেই কথা বৰগোহাঞিদেৱে পিছত আন ঠাইত প্ৰকাশ কৰিছে । কিন্তু আচৰিত কথা যে তেনেদৰে প্ৰস্তুত কৰা ৰাশিফল পঢ়িও, অৰ্থাৎ সিংহৰ ঠাইত ছমাহৰ আগৰ মকৰ ধনুৰ ঠাইত তিনিমাহৰ আগৰ মীন দি চলোৱা ৰাশিফল পঢ়িও পাঠক "সন্তুষ্ট" হৈছিল ! সেই শিতানটো হেনো বেছ "জনপ্ৰিয়"ও হৈছিল । তেনেদৰে প্ৰকাশ কৰা ৰাশিফলবো দুই এটা কথা পাঠকৰ জীৱনত মিলি যোৱাৰ বাবেহে নিশ্চয় শিতানটো জনপ্ৰিয় হৈছিল বা পাঠক সন্তুষ্ট হৈছিল ! তাৰ অৰ্থই হ'ল মানৱ জীৱনত সাধাৰণতে ঘটা কিছুমান কথা বিভিন্ন ধৰণেৰে সজাই কিছু দ্ব্যৰ্থবোধক ভাষাৰে কৈ থাকিলে দুই এটা সঁচা হবই । তাৰ বাবে জ্যোতিষ নালাগে ।

(৯) কৃত্ৰিম উপগ্ৰহৰ সহায়ত দিয়া ২৪ ঘণ্টাৰ বতৰৰ ভৱিষ্যতবাণী "বহু ক্ষেত্ৰতেই ........ মিছা প্ৰমাণিত হয়" বুলি বৰাদেৱে ক'ত প্ৰমাণ পালে ? "ভৱিষ্যত সম্পৰ্কে বৰ্তমানৰ বিজ্ঞান সম্পূৰ্ণ অন্ধ" বুলি বিশ্বাস কৰি জ্যোতিষত আশ্ৰয় গ্ৰহণ কৰা বৰাদেৱৰ জ্ঞাতাৰ্থে জনাওঁ যে কৃত্ৰিম উপগ্ৰহৰ সহায়ত দিয়া বতৰৰ আগজাননী শতকৰা ৯০ ৰ পৰা ৯৫ ভাগ সঁচা বুলি প্ৰমাণিত হৈছে । (অৱশ্যে গুৱাহাটী আৰু ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত দুই এজাক বৰষুণ হব পাৰে বুলি দিয়া বতৰৰ আগজাননীটো শুনি যদি গুৱাহাটী চহৰৰ প্ৰতিজন ব্যক্তিয়েই বৰষুণৰ টোপাল তেওঁৰ মূৰৰ ওপৰত পৰিলেহে আগজাননীটো শুদ্ধ হোৱা বুলি ভাবে, তেনেহলে বহু ক্ষেত্ৰতেই আগজাননীটো অশুদ্ধ হোৱাৰ সম্ভাৱনাই বেছি । কাৰণ কেতিয়াবা খানাপাৰত হোৱা বৰষুণ জাক মালিগাওঁত নহয়, আনকি শিলপুখুৰীত হোৱা বৰষুণ জাক পাণবজাৰত নহয় ।) যি নহওক, বতৰৰ ক্ষেত্ৰত "এজন সাধাৰণ লোকৰ দৃষ্টিৰেও তেনে ভৱিষ্যতবাণী কৰিব পাৰি" বুলি যি বৰাদেৱে বিশ্বাস কৰে সেই একেই বৰাদেৱে কিন্তু জ্যোতিষৰ এশটা কথাৰ মাত্ৰ পাঁচটা বা দহটা মিলি যোৱা কথাটোক "সাধাৰণ দৃষ্টিৰে কব পৰা কথা" বুলি নাভাবে ! এইটো বাৰু কেনেকুৱা যুক্তি হ'ল ?

(১০) জ্যোতিৰ্বিজ্ঞান (Astronomy) আৰু জ্যোতিষৰ (Astrology) মাজৰ স্পষ্ট পাৰ্থক্যটো হ'ল – জ্যোতিৰ্বিজ্ঞানে সময়ৰ সূক্ষ্মতম জোখ এক চেকেণ্ডৰো লক্ষকোটি বিভাগ হিচাপ কৰি গ্ৰহ নক্ষত্ৰৰ গতিবিধি নিৰ্দ্ধাৰণ কৰে, আৰু জ্যোতিষে বিভিন্ন নাক্ষত্ৰিক অৱস্থানৰ প্ৰভাৱত পৃথিৱীৰ মানুহৰ জীৱনত এইটো হয়, সেইটো হয় বুলি কিছুমান মনেসজা কথা কৈ দুৰ্বল মনৰ মানুহক ভয় খুৱায় । আৰু সেই ভয়ৰ পৰা "ৰক্ষা পোৱাৰ উপায়" বোৰৰ ব্যৱসায় কৰি বহুলোকে জীৱিকা নিৰ্বাহ কৰে । জ্যোতিৰ্বিজ্ঞানহে এক অতি "উচ্চ খাপৰ বিজ্ঞান" । জ্যোতিষ কোনো বিজ্ঞানেই নহয় । ("জ্যোতিষী" বুলিলে বিজ্ঞানৰ ওচৰ চাপিব নোৱৰা যেন অনুভৱ কৰি আজিকালি বহু জ্যোতিষীয়ে নিজকে "জ্যোতিৰ্বিদ" বুলি পৰিচয় দিবলৈ আৰম্ভ কৰিছে !)

(১১) শ্ৰীযুত বৰাদেৱে দ্বিতীয় চিঠিখনৰ শেষত কৈছে যে তেখেতৰ হেনো "জ্যোতিষ সম্পৰ্কে কোনো অযুক্তিকৰ গোড়ামি নাই ।" – হৰ্ষদ মেহতাইও নিজে কোনো দুৰ্নীতি কৰা নাই বুলিয়েই ভাবে । বা আমাৰ দেশৰ দুৰ্নীতিপৰায়ণ কোনো মন্ত্ৰী আমোলাই নিজৰ ধাৰণামতে "দুৰ্নীতিপৰায়ণ" নহয় ! তেনেহলে দুৰ্নীতিবোৰ কোনে কৰিছে ? শ্ৰীযুত বৰাদেৱৰ যদি গোড়ামি নাই, গোড়ামি কাৰ আছে ? – জ্যোতিষৰ ক্ষেত্ৰত যিবিলাক প্ৰত্যক্ষ প্ৰমাণ তেওঁ পাইছে বুলি কৈছে বা ভাবিছে সেই আটাইবোৰ সম্ভাৱনাৰ সীমাবদ্ধ ক্ষেত্ৰ থকা পৰিস্থিতি । সেইবোৰ বিনা জ্যোতিষতেই অনুমান কৰিব পাৰি, কব পাৰি । প্ৰত্যক্ষ প্ৰমাণ বুলি তেওঁ যিবোৰ ক্ষেত্ৰৰ কথা কব বিচাৰিছে সেইবোৰ সাধাৰণ বিবেচনাৰেও কব পৰা কথা বুলি নাভাবি জ্যোতিষেহে কব পৰা কথা বুলি আঁকোৰগোজ মাৰি ধৰি থকাটোৱেই হৈছে শ্ৰীযুত বৰাদেৱৰ গোড়ামি ।

আশাকৰো বৰাদেৱৰ লগতে জ্যোতিষী তথা জ্যোতিষত আস্থা ৰখা ব্যক্তিসকলে কথাবোৰ হৃদয়ঙ্গম কৰিব পাৰিব । ■



